*Please handle the book carefully*

# আসাম বুৰঞ্জী।

স্বৰ্গীয় কাশীনাথ তামুলী-ফুকনৰ
"আসাম বুৰঞ্জী পুথি"ৰ পৰিবৰ্দ্ধিত সংস্কৰণ।

ৰচোঁতা
স্বৰ্গীয় হৰকান্ত বৰুৱা সদৰামিন।

# ASSAM BURANJI

OR

## A HISTORY OF ASSAM,

**from the commencement of the Ahom rule to the British occupation of Assam in 1826 A.D., being an enlarged version of the chronicle of Kasinath Tamuli-Phukan.**

BY THE LATE

HARAKANTA BARUA SADAR-AMIN.

EDITED BY

S. K. BHUYAN, M.A., B.L.

HONORARY ASSISTANT DIRECTOR OF HISTORICAL AND ANTIQUARIAN STUDIES, ASSAM.

PUBLISHED BY THE DEPARTMENT OF HISTORICAL AND ANTIQUARIAN STUDIES, ASSAM.

1930.

STATE CENTRAL LIBRARY ASSAM

প্রকাশক—

ডিপার্টমেণ্ট অব্ হিষ্টরিকেল্ এণ্ড এণ্টিকোয়েরিয়ান্
ষ্টাডিজ, আসাম।

*Published by the—*

DEPARTMENT OF HISTORICAL AND
ANTIQUARIAN STUDIES, ASSAM.

*FIRST IMPRESSION, MARCH*, 193[illegible].

*Library Edition—250 Copies.*

*Popular Edition—750 Copies.*

*Printed by—*

D. N. BANERJEE,
AT THE BANERJEE PRESS,
2, *Maharani Sarnamoyee Road,*
*Calcutta.*

# PREFACE.

The publication of the present volume, *viz.*, *Assam Buranji* by the late Srijut Harakanta Sarma-Barua Chaudhury Sadar-Amin, represents the first attempt of the Department of Historical and Antiquarian Studies to bring to light available source-books in the history of Assam.

The book deals with the history of the Ahom Kings of Assam from Khunlung and Khunlai to the termination of their rule in 1826, and contains a large mass of information hitherto unpublished. The author prefaced his chronicle with a short introduction in which he said that the *Assam Buranji* compiled by Kasinath Tamuli-Phukan was incomplete in many respects, and that the present book was based on the earlier one of Tamuli-Phukan. The two works have been closely compared, and the chronicle of Harakanta has been found particularly rich in materials throwing light on the social and constitutional history of the Assamese people. Harakanta's additions have been specified in an appendix to this book.

The author Harakanta was born about 1818 during the last days of Ahom supremacy. He was a descendant of the famous Daivajna family of Assam, known as "Sonamuar Ghar," founded by one Suryyavar Suryya-vipra who came to Assam from Kanauj during the reign of Sukhampha Khora-Raja, 1552—1603, when the country was overrun by the Koches under King Naranarayan. Suryyavar, who was well-versed in astrology made certain predictions about the future of the Ahom King and his country which were eventually fulfilled. The astrologer was rewarded with sumptuous presents together with the title of *Sonamua* or the golden-mouthed. This Assamese Chrysostom was the progenitor of a long line of distinguished sons. His son Mayūr was appointed Majumdar-Barua who was like a confidential minister of the king, representing in himself the functions of a private secretary and an adviser on foreign relations. Mayūr's great-grand-son Amvarish or Naga was Majumdar-Barua during the reign of Lakshmi Singha, 1769—80. He was a linguist of no mean erudition, being proficient in Persian, Hindi, Bhutanese and Burmese. He had very

powerful enemies amongst the three Gohains, who viewed with jealousy the appointment of a non-Ahom to the trusted and responsible position of a Majumdar-Barua.* Under the orders of Lakshmi Singha's successor Swargadeo Gaurinath Singha, Amvarish was charged with some offence, and his eyes were extracted at Gargaon, and he was sent away to his home at Nazira.†

Amvarish had two sons, Radhakanta and Srikanta. Radhakanta was the father of Harakanta the author of the chronicle. Harakanta had a brother named Gaurikanta, whose great-grand-son, the late Sriman Pramodkanta Sarma-Barua placed at my disposal, in 1925, the original manuscript of this chronicle as well as Harakanta's autograph history of his family, known as "Sonamuā or Naga-Majumdar Baruar Vamsavali." Pramodkanta was a poor student struggling with poverty and ill health, but was inspired with a literary passion which characterised his ancestors. He assisted me for some time in transcribing an old Assamese chronicle, but the boy died on August 30, 1925.

Harakanta Sarma-Barua was an Assamese gentleman of the older school who assimilated to some extent the growing influx of the western spirit. He was versed in Bengali, Hindi and Persian. He started his official career as a Mohuri or clerk in the Kamrup Collectorate, and served in different departments as a treasurer, Peskar and Sherastadar. He afterwards rose to be a Deputy Collector, then Munsif, and finally a Sadar-amin with the powers of a second class Magistrate. He was also a landlord of considerable importance, and his name figures among the signatories of the application dated May 1, 1853, submitted to Mr. Mills by the Chaudhuries of Kamrup praying for "a fixed rate of assessment being put on the cultivated lands and a permament settlement."‡ Harakanta retired from Government service in 1877 and died at North Gauhati in May, 1900.

Harakanta was thus a spectator of the last phase of Ahom supremacy as well as of the foundation and consolidation of British power in Assam. Before his eyes the fair valley of the Brahmaputra was devastated by the blood-thirsty hordes of Mingimaha Bandula. The invaders were ousted by the powerful hand of the British and a peaceful state of affairs was established in the country through the administrative genius of David Scott and Major-General

* Ms. chronicle of the reign of Lakshmi Singha, in possession of the American Baptist Mission at Gauhati.

† Srinath Duara-Barbarua's chronicle of the Tungkhungia Dynasty.

‡ Mills' *Report on the Province of Assam*, 1854, Kamrup, Appendix G, pp. XVIII—XXVI.

Francis Jenkins. The administration of India was transferred from the hands of the East India Company to the Crown, and the province long tagged on to Bengal, was placed under the control of a Chief Commissioner. Harakanta saw all these changes. He came in contact with men of the older regime as well as of the new, and was thus a most competent authority on the order which had passed away. He had a large library of manuscripts, and all his leisure hours were devoted to literary and historical pursuits. It is said that he recorded all births, deaths and other significant events that came to his knowledge or occurred before his eyes. His surviving relatives have informed me that the old Sadar-amin was always seen reading books or writing something on his low table. Unfortunately his manuscripts and his own compilations as well as his diary were destroyed by the burning of his houses on several occasions. He is said also to have written a treatise on the rivers of Assam. The manuscripts of the present history and genealogy were, after the death of the author, in possession of his eldest son Kamalakanta. After Kamalakanta's death the manuscripts were practically neglected and were in immediate danger of being destroyed or lost. One Kinaram Ghargiri, a retainer of Harakanta, whose father Jiuram had accompanied Gaurikanta and Harakanta in their flight from Upper Assam to Gauhati during the Burmese disturbances, noticed with regret the fate of the handiwork of his deceased master. He took possession of them and made them over to Srijut Bidyakanta Barua, father of Pramodkanta.

Thirty years have elapsed since the death of Harakanta, but his name is uttered still with reverence. His longevity due to his saintly and regular habits is a common topic of conversation even to this day. He enjoyed his pension of rupees two hundred per month for nearly a quarter of a century, and it is said that official inquiries were occasionally made to ascertain whether he was actually living.

The manuscript of the present book is in the handwriting of the author himself. It is highly systematic. The whole chronicle has been divided into chapters and the monarchs serially numbered. Our editorial intervention has been confined mainly to the grouping of the chapters into paragraphs, providing marginal analysis of every paragraph and the heading of every chapter. The paragraphs have been serially numbered for facility in reference. Orthographical mistakes have been corrected, and the standard laid down in the *Hemakosha* has been followed as far as possible. But we have scrupulously avoided altering or correcting spellings which would represent a sound not contemplated by the author; for example, Harakanta has occasionally written

*Gohati* in place of Gauhati or Guahati, *Phokan* in stead of *Phukan*, *Aro* for *Aru*. This will help us to form some idea of the pronunciation in vogue amongst the older generation of the Assamese.

The author describes the book as an enlarged version of Tamuli-Phukan's Buranji. His purpose has been set forth in a very carefully worded preface which runs as follows,—

"Buranjis of Assam containing accounts of the Indra-Vamsi sovereigns are to be found in many parts of the province, but of those chronicles, one does not agree with the other, which leads to confusion and error. In the year 1755 *Saka*, Sri-Sri Purandar Singha Maharaja obtained from the Company, *lalbandi* of Ujanikhanda on a stipulated tribute of rupees fifty thousand. His jurisdiction extended over the territories bordering on the Brahmaputra river, with the Dhansiri on the South, and Biswanath temple on the North, extending from Kachujan as far as Sadiya. During his rule, Radhanath Barbarua and Kasinath Sarma Tamuli-Phukan, under the orders of the Raja, collected Buranjis from various quarters, and compiled a concise Buranji with the informations derived from those chronicles. But their compilation should have incorporated numerous important incidents and facts, which were unfortunately omitted, perhaps, to avoid prolixity. For this reason we have commenced writing this chronicle having based it on the earlier one above referred to. I have, with due discrimination and diligence collated informations from many other Buranjis and reports heard from the lips of reliable Ahom Phukans, Baruas, and others."

The chronicle of Kasinath Tamuli-Phukan was first published in 1844 by the Sibsagar Branch of the American Baptist Mission. It has been "reprinted and published" by authority in 1906. Kasinath's Buranji presents only the dry-bones of the history of Assam. Harakanta's improvement has been seen mainly in his presentation of facts in a more life-like and literary fashion. While Kasinath was satisfied by merely stating the events of the reigns of the Ahom Kings, his successor has touched upon the constitutional and social landmarks introduced by the sovereigns. Rudra Singha has been set up as a great sovereign who attempted to bring his country abreast with other provinces of India.

Kasinath has not uttered a word about the martyred Assamese Princess Jaymati, wife of Prince Gadapani, afterwards King Gadadhar Singha. Harakanta's version gives a rational account of the momentous self-sacrifice of Jaymati. The current version regarding her death, on which poems and dramas have been written, is attended with numerous fallacies which could not easily be explained away, *viz.*, -How was it possible on the part of a puppet King like Sulikpha Lara-Raja to inflict publicly corporal punishment on the consort of Prince Gadapani, who was also the daughter of a powerful potentate and minister of the realm, Laithepena Bargohain ?

As we all know the powers of Ahom sovereigns were constitutionally limited, and the up-holders of the traditional rights of the people would not have tolerated the unchivalrous chastisement of a Princess and a mother lasting for a fortnight or so. If the King deserves the arraignment of posterity for having commanded such dishonourable punishment, his ministers and nobles are no less culpable for having connived this action of the sovereign. "Ten thousand swords must have leaped from their scabbards to avenge even a look that threatened her with insult." According to Harakanta the Chaudangs, the hereditary executioners and punishers of the Ahom Kings were responsible for having tortured Jaymati to death. Torture and execution constituted the daily occupation of these hangmen, and there is nothing unusual in a group of Chaudangs exceeding the limits of law, though the particular victim in this case was a woman coming from one of the highest Ahom families.

The language of the book is highly simple. It is essentially Assamese and is distinguished from the so-called cosmopolitan brogue at present resorted to by many educated and far-travelled Assamese gentlemen. Harakanta's book will be easily followed and understood by villagers even, and as such the book is expected to have the widest possible circle of readers. It should have an invariable effect of popularising historical studies among all sections of the Assamese people.

This chronicle purports to be the first volume, dealing with events up to the final expulsion of the Burmese. The second volume was to deal with the administration of the country during British occupation, as we learn from the concluding paragraph of the book. The manuscript of the book cannot be traced, and in every likelihood it was lost when Harakanta's houses were burnt.

The Department of Historical and Antiquarian Studies has arranged for printing and publishing three more chronicles, *Kamrupar Buranji* detailing the wars of Assam and Cooch-Behar with the Moguls ; *Assam Buranji* up to the reign of Pratap Sinha written in Assamese in the Deodhai Style ; and one metrical chronicle of Assam from the reign of Gadadhar Singha to the transfer of the company's territories to the Crown in 1858, by the late Srijut Dutiram Hazarika.

COTTON COLLEGE,
Gauhati, Assam.
*February* 15, 1930.

S. K. BHUYAN,
*Honorary Assistant Director of Historical and Antiquarian Studies, Assam.*

# প্ৰকাশকৰ পাতনি।

শ্ৰীশ্ৰীমহাৰাজ পুৰন্দৰসিংহ স্বৰ্গদেৱৰ আজ্ঞাৰে কাশীনাথ শৰ্ম্মা তামূলী-ফুকনৰ দ্বাৰা ৰচিত আসাম বুৰঞ্জী পুথি শিৱসাগৰৰ আমেৰিকান ব্যাপ্‌টিষ্ট মিছন প্ৰেচৰ পৰা ১৮৪৪ খৃষ্টাব্দত প্ৰকাশিত হয়। তেতিয়া দেশত হাতে লিখা সাঁচিপতীয়া আসাম-বুৰঞ্জী পুথি উভৈনদী আছিল; আৰু আহোমৰ দিনৰ শাসন-প্ৰণালী নিজ চকুৰে দেখা আৰু আহোমৰ আমোলত বিষয় আদি খোৱা "পিতৃ-বুঢ়াগোহাঁই ডাঙৰীয়াৰ" দিনৰ ডা-ডাঙৰীয়া, বৰুৱা-ফুকন, হাজৰিকা-শইকীয়াও দেশত অলেখ পৰিমাণে আছিল। এইবোৰ নানা ঠাইৰ পৰা আহিলা-সম্বল সংগ্ৰহ কৰি তেতিয়াৰ অস্তমিত আহোম ৰাজ্যৰ এখন বৃহৎ বুৰঞ্জী সঙ্কলন কৰিব পৰা গলহেঁতেন। কিছুমান তেনে বিস্তৃত বুৰঞ্জী বা "ৰবপাহী বুৰঞ্জী" সেই সময়ত বা তাৰ পাচত ৰচনা কৰাৰ সম্ভেদ পোৱা গৈছে। কিন্তু দুৰ্ভাগ্য বশতঃ সেইবোৰ ৰাইজৰ আগলৈ ওলোৱা নাই।

কাশীনাথ ফুকনৰ বুৰঞ্জীখনি আকাৰত নিচেই সৰু। নানা বুৰঞ্জীৰ সাৰমৰ্ম্ম লৈ লিখাৰ নিমিত্তে ইয়াত ভুল-ভ্ৰান্তিৰ পৰিমাণ পাৰ্য্যমানে কম। বিশেষতঃ স্বৰ্গদেৱ পুৰন্দৰসিংহ আৰু তেওঁৰ বিষয়া ৰাধানাথ বৰবৰুৱাৰ তদাৰকত এই বুৰঞ্জী লিখা হৈছিল। কিন্তু এই বুৰঞ্জীখন ৰসাল নহয়, কাৰণ ইয়াত ৰজাসকলৰ আমোলৰ ঘাই ঘটনাবোৰৰ উল্লেখৰ বাহিৰে অন্যান্য কথাৰ পৰিমাণ অতি কম।

স্বৰ্গীয় হৰকান্ত শৰ্ম্মা-বৰুৱা চৌধাৰী সদৰ-আমিন ডাঙৰীয়াই উপৰোক্ত কথাবাৰ ভালকৈ উপলব্ধি কৰি, কাশীনাথ তামূলী-ফুকনৰ বুৰঞ্জীখনকে

মূল ৰাখি এখন নতুন প্ৰণালীৰে বুৰঞ্জী সঙ্কলন কৰে। সদৰ-আমিন ডাঙৰীয়াই তেওঁৰ গ্ৰন্থৰ পাতনিত লিখিছে।—

"শ্ৰীশ্ৰীপুৰন্দৰসিংহ মহাৰাজ কোম্পানী বাহাদুৰৰ আমোলে··· ······ ··উজনিখণ্ড শদিয়া পৰ্য্যন্ত পঞ্চাশ হাজাৰ টকাত ১৭৫৫ শকত প্ৰাপ্ত হোৱাত সেই ৰাজত্বি কৰাৰ সময়ত ৰাজদেৱৰ আজ্ঞাৰে ৰাধানাথ বৰবৰুৱা আৰু কাশীনাথ শৰ্ম্মা তামুলী-ফুকনে নানা স্থানৰ পৰা বুৰঞ্জীসকল একত্ৰপূৰ্ব্বক সাৰ সংগ্ৰহ কৰি একখানি গ্ৰন্থ চুম্বকমতে কৰিলে। কিন্তু সেই গ্ৰন্থখানিত অনেক আবশ্যকীয় কথা লিখিবৰ নিতান্ত আৱশ্যক আছিল। বোধ কৰোঁ বাহুল্য হব, সেই নিমিত্তে লিখা নহল। এইজন্যে আমি সেই গ্ৰন্থখানিকে আদৰ্শ কৰি অন্য অন্য বুৰঞ্জীত যি পোৱা হৈছিল, আৰো সত্যবাদী আহোম, ফুকন, বৰুৱাদিৰ মুখে যি যি শ্ৰবণ হৈছিল, সেইসকল সঙ্কলন কৰি অনেক বিবেচনা ও পৰিশ্ৰমপূৰ্ব্বক এইখানি গ্ৰন্থ লিখিবৰ আৰম্ভ কৰিলোঁ।"

তামূলী-ফুকনৰ বুৰঞ্জীত নথকা অথচ সদৰ-আমিনৰ বুৰঞ্জীত থকা ওপৰঞ্চি কথাখিনি পৰিশিষ্টত দিয়া হৈছে। তাৰ ভিতৰত অসমৰ সাজ-পাৰ, নীতি-নিয়ম, বিষয়াৰ বাব, আৰু বিশেষতঃ মহাসতী জয়মতী কুঁৱৰীৰ স্বামীৰ হকে স্বাৰ্থত্যাগৰ নতুন আখ্যান বিশেষকৈ উল্লেখযোগ্য।

স্বৰ্গীয় হৰকান্ত বৰুৱা সদৰ-আমিন ডাঙৰীয়া অসমৰ আগৰ তৰপৰ এজন শিক্ষিত, সম্ভ্ৰান্ত আৰু গণ্যমান্য পুৰুষ আছিল। তেওঁ অসমৰ দৈবজ্ঞকুলৰ তিলক-স্বৰূপ আছিল। তেওঁৰ পৰিয়াল "সোণা-মুৱাৰ ঘৰ", "ময়ুৰ-মজুন্দাৰৰ ঘৰ" বা "নগা-মজুন্দাৰৰ ঘৰ" বুলি জনাজাত। এই পৰিয়ালৰ আদি পুৰুষ সূৰ্য্যবৰ সূৰ্য্যবিপ্ৰ আহোম স্বৰ্গদেৱ খোৰা-ৰজাৰ দিনত পৰশুৰাম কুণ্ডত স্নান কৰিবৰ সঙ্কল্পে কনৌজৰ পৰা অসমলৈ আহে। সেই সময়ত কোঁচানৰ মহাৰাজা নৰনাৰায়ণে অসম আক্ৰমণ কৰাত খোৰা-ৰজাই চৰাইখোৰোঙলৈ পলাই যায়। অসমৰ ৰাজা আৰু ৰজাৰ বিষয়ে জ্যোতিষী পণ্ডিত সূৰ্য্যবৰে গোটাচেৰেক ভবিষ্যৎবাণী কৰে। পণ্ডিতৰ গণিতা ফলিওৱাৰ আপাহুত স্বৰ্গদেৱে সূৰ্য্যবৰক সোণামুৱা উপাধিৰে নানান বঁটা-বাহন

দিয়ে। সোণামুৰাৰ পুতেক ময়ূৰে স্বৰ্গদেৱৰ ভিতৰ-বিশ্বাসী মজুন্দাৰ বৰুৱাৰ পদ লাভ কৰে। ময়ূৰৰ পুতেক দয়াশীল, দয়াশীলৰ পুতেক চাৰুচন্দ্ৰ, চাৰুচন্দ্ৰৰ পুতেক অম্বৰিষ বা নগা। অম্বৰিষে নাজিৰাহাটত বাস কৰিছিল, আৰু লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত মজুন্দাৰ বৰুৱাৰ পদত অধিষ্ঠিত হৈছিল। লক্ষ্মীসিংহৰ দিনত দেশত যি অশান্তি আৰু বিপ্লৱ হৈছিল তাৰ পৰা ডাঙৰীয়া আৰু অন্যান্য বিষয়াসকলৰ মাজতো বহুত মনোমালিন্য হয়। নগা-মজুন্দাৰ বৰুৱাও আহোম ডাঙৰীয়া-সকলৰ অবিশ্বাসৰ পাত্ৰ হয়।

গুৱাহাটীত থকা আমেৰিকান ব্যপ্‌টিষ্ট মিছনৰ টোলত পোৱা লক্ষ্মী-সিংহ স্বৰ্গদেৱৰ দিনৰ এখন বৰপাহী বুৰঞ্জীত নগা-মজুন্দাৰৰ কথা এই দৰে পোৱা গৈছে।—

"পাচে দহ দণ্ডমান বেলি থাকোঁতে গোহাঁইবোৰ বৰচ'ৰাত বহিল। বাৰ্ত্তা পাই ৺দেৱে সৰুনৰঙৰ টুপ'লৈকে মজুন্দাৰক মাতি নি বিশ্বাসে কলে,—'বৰ-গোহাঁইৰ ওচৰলৈ যা, তাঁএ৷ পোৱা ভাৱে যাবি, কি বোলমাত কৰে শুনি বুজি আহি কহি।' পাচে মজুন্দাৰে গৈ বৰগোহাঁইৰ গুৰিত বহিলগৈ। বৰগোহাঁইৰ গুৰিতে চোলাধৰা ফুকনে, খাৰঘৰীয়া ফুকনে, গন্ধীয়া বৰুৱা বহি আছিল। খাৰ-ঘৰীয়া ফুকনে হাতত কাপ এটা পাত এডোখৰ লৈ আছিল, ইটাতে মৈলামটো মেলি থৈছিল। পাচে মজুন্দাৰক দেখি বৰগোহাঁয়ে বোলে,—'তোমালোক হিন্দুক আজি নেমাৰিম, কোননো জীয়াই থাকিবা?' পাচে মজুন্দাৰে বোলে,—'দেউ, যিসকলে ৺দেৱৰ দোষ কৰিছে, ৺দেৱসকলৰ অপৰাধ কৰিছে, মৰিব তেনেবোৰ।' পাচে বৰগোহাঁয়ে বোলে,—'তইত হিন্দুত সঞ্জাত নাই এতেকে তয়ে গন্ধীয়া বৰুৱা দুয়ো ৺দেৱত কগৈ, আমি ৺দেৱৰ তিনি পাইকে ৺দেৱক নাপাই কথা আষাৰ-চেৰেক কওঁগৈ।' পাচে মজুন্দাৰে গৈ ৺দেৱত মৰঙতে সকলখনি কলেগৈ বোল-মাত কৰা কথা, আৰু কলে বোলে,—'৺দেৱ, বৰগোহাঁইৰ বৰ খং দেখিলোঁ, নাজানি কি হৈছে।'

পাচে মজুন্দাৰ ৺দেৱৰ গুৰিৰ পৰা ওলাই আহি বৰঘৰৰ টুপতে বহি থাকি ৺দেৱ বহা ঘৰত বহিলতহি মজুন্দাৰে গন্ধীয়া বৰুৱাক গন্ধীয়াঘৰৰ পৰা মতাই নি

গৰ্গীয়া খৰুৱাৰ সৈতে ছয়ো ৺দেৱত কলত ৺দেৱে কলে,—'বাক, আহক।' পাচে মজুন্দাৰে গৈ বাটৰতে কুকুৰাচোৱা বৰা পঠাই বৰুৱা-ফুকনক নিয়ালে ভিতৰলৈ, হেন্দান ধৰা পঠাই নিয়ালে ডাঙ্গৰীয়াবোৰক। পাচে বৰগোহাঁয়ে ৺দেৱক সেৱা কৰি বোলে,--'কলিতা-ফুকন, এখেলৈ আহ।' পাচে ফুকনে ৺দেৱৰ পাচখনিৰ পৰা বৰগোহাঁইৰ ওচৰত বহিলহি। আকৌ বৰগোহাঁয়ে বোলে,—'মজুন্দাৰো আহা।' পাচে মজুন্দাৰো নিবন্ধিত বহা ঠাইৰ পৰা উঠি আহি কলিতা-ফুকনৰ একে শাৰী হৈ বহিলহি। পাচে বৰগোহাঁয়ে কলিতা-ফুকনলৈকো মজুন্দাৰলৈকো হাত কৰযোৰ কৰি বোলে,—'মই ৺দেৱত কথা আবাবদিয়েক কওঁ, তোমালোকে দায় নধৰিবা।' এই বুলিয়ে পকি জকি ৺দেৱৰ দিকিলৈ চাই বৰগোহাঁয়ে বোলে,—৺দেৱ, ই মোত কলেগৈ বোলে,—দেউ, থাৰঘৰীয়া ফুকনে চোলাধৰা ফুকনে মোক কাটে হনো, দেৱে ৰাখা।—এনেকৈ বুলি যে মোত ই কলেগৈ এতেকে ৺দেৱে ইয়াত সোধক ইয়াকনো কেলেই ইহঁতে কাটে, ইয়াতনো কোনে কলে কক। ই যাক বোলে ই একো নেজানে, কিবা খেতৰৰ কথা কেতথনি জানে। ই ৺দেৱক কিবা খুৱাই ৺দেৱকো ভুলালে।'

পাচে ৺দেৱে বাইডঙ্গীয়া ফুকনক শিৱনাথকে মাতি বোলে,—'তইঁত যা, বৰবৰুৱাত কগৈ, গণক মজুন্দাৰৰ ঘৰৰ লৰা দেখি শিকাই বুজাই বাক পাইহে মজুন্দাৰ পাতি ললোঁ। ই যে বৰচ'ৰাৰ পৰা গোহাঁইবোৰে কৈ অহা কথা এইখিনিতে মোক নকয়। এতেকে ইয়াৰ ঘৰতে ভগা-মজুন্দাৰো আছে, অনেক ৰাকতীপাতি লৰাও আছে, যাকে ভাল পায় বৰুৱা তাকে মজুন্দাৰ লক।' পাচে এইৰূপ ৺দেৱৰ আজ্ঞা এই দৰে কৈ বৰবৰুৱাত কলতগৈ বৰবৰুৱা বোলে,—'মই একো নেজানো, আমি যিহকে কৈ পঠাইছোঁ মজুন্দাৰ সেইৰূপে ৺দেৱত কৈছেগৈ। মজুন্দাৰত কোনটো দোষ হ'ল? গোহাঁইবোৰে আপুনি কাক লয় মজুন্দাৰ লওক; মই নেজানো। ৺দেৱ আকে পাতিছে আমাৰো মজুন্দাৰ এৱেহে।' পাচে এইৰূপ বৰবৰুৱাই কোৱা কথা এইৰূপ ৺দেৱত কলতগৈ ৺দেৱে শুনি থাকিল, ভাঙ্গিব নিদিলে।

পাচে বৰগোহাঁয়ে পাচোৱাৰীক পঠাই মজুন্দাৰক দায় ধৰালে বোলে,—'সি মোৰ এখেলৈ কেলেই আহে? আগৰ বুঢ়াবোৰৰ মুখে শুনিছোঁ—বুঢ়া মজুন্দাৰৰ ঘৰে বৰগোহাঁইৰ ঘৰে অভিন্ন আছিল, এতিয়াও সেই আদৰ্শকে লৈ ইয়াকো আমি ৺দেৱত প্ৰাৰ্থনা কৰি মজুন্দাৰ পাতিলোঁ। ই কলিতাৰে লগাই আমাক

মৰাব-কটাৰ খুজিলে। মজুন্দাৰ পতাৰ উপকাৰ পালোঁ! এতেকে সি মোৰ এখেলৈ কেলেই আহে? গুচি যাওক, তাৰ মুখ নেচাওঁ।"

এইদৰে নানা কাৰণত অম্বৰিব বা নগা-মজুন্দাৰ বাইলুং বৰগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়াৰ অপ্ৰিয়ভাজন হৈছিল। কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত শ্ৰীনাথ বৰবৰুৱাৰ দ্বাৰা ৰচিত অসম বুৰঞ্জীত পোৱা গৈছে যে, গৌৰীনাথসিংহ স্বৰ্গদেৱৰ দিনত আনুমানিক ১৭০৫ শকত বা ১৭৮৩ খৃষ্টাব্দত "নাজিৰাহটীয়া গণক নগা-মজুন্দাৰক স্বৰ্গদেৱে দায় পাই গড়গাওঁতে চকু কাঢ়ি ঘৰলৈ খেদিলে, তাৰ ঘৰ লুড়ি ৺দেৱৰ ঘৰলৈ আনিলে, কাঠৰ ঘৰৰ মজুন্দাৰ বৰুৱা পাতিলে।"

উক্ত নগা-মজুন্দাৰৰ পুতেক কৃষ্ণকান্ত, ৰাধাকান্ত আৰু শ্ৰীকান্ত। ৰাধাকান্তৰ পুতেক গোপীকান্ত, বিষ্ণুকান্ত, শিৱকান্ত, হৰকান্ত আৰু গৌৰীকান্ত। গৌৰীকান্তৰ পুতেক চন্দ্ৰকান্ত; চন্দ্ৰকান্তৰ পুতেক বিদ্যা-কান্ত। বিদ্যাকান্তৰ পুতেক প্ৰমোদকান্তৰ পৰা হৰকান্ত বৰুৱাৰ 'আসাম বুৰঞ্জী' আৰু 'নগা-মজুন্দাৰৰ বংশাৱলী' নামক বৰ্ত্তমান প্ৰকাশিত দুয়োখন পুথি ১৯২৫ সনত পোৱা গৈছিল।

হৰকান্ত বৰুৱা ১৯০০ খৃষ্টাব্দত লোকান্তৰ হয়। তেওঁক দেখা লোকসকলে আজিলৈকে তেওঁৰ স্বাস্থ্যপূৰ্ণ প্ৰশান্ত সৌম্য মূৰ্ত্তি আৰু নিয়ত জ্ঞানলিপ্সাৰ কথা পাহৰা নাই। তেওঁৰ হাতত ভালেমান বুৰঞ্জী-পুথি আছিল। আৰু তেওঁৰ নিজৰ ৰচিত বহুত গ্ৰন্থ অপ্ৰকাশিত ভাবে আছিল। কিন্তু তেওঁৰ ঘৰ কেইবা বাৰো অগ্নিসাৎ হোৱাত সেই পুথিবোৰ লুপ্ত হয়। যিবোৰৰ উদ্ধাৰ সাধন হৈছিল সেইবোৰৰ অধিকাংশই অৱহেলাত লাহে লাহে লোপ পাবলৈ ধৰিলে। হৰকান্তৰ মৃত্যুৰ পাচত তেওঁৰ বুৰঞ্জী আৰু বংশাৱলী পুথি দুখনৰ এই দশা মিলিলহেঁতেন, কিন্তু তেওঁৰ ঘৰ-বন্দী কিনাৰাম ঘৰগিৰিয়ে সদৰ-আমিনৰ উক্ত দুখনি পুথি উদ্ধাৰ কৰি স্বৰ্গীয় প্ৰমোদকান্তৰ পিতৃদেৱ শ্ৰীযুত বিদ্যাকান্ত বৰুৱাৰ হাতত অৰ্পণ কৰে।

হৰকান্ত বৰুৱাৰ বুৰঞ্জীৰ কথা নিভাজ অসমীয়া। আগৰ দিনৰ অসমীয়া মানুহে যি ঠাচত কথা কৈছিল তাৰ নমুনা এই বুৰঞ্জীৰ পোৱা গৈছে। অসমত শিক্ষিত অশিক্ষিত সকলোৱে এই বুৰঞ্জীৰ কথা পঢ়ি বা শুনি সোৱাদ পাব আৰু অসমীয়াৰ মাজত অসম বুৰঞ্জীৰ তথ্য বহুলকৈ প্ৰচাৰ হব, এই আশাৰে আমি এই বুৰঞ্জী প্ৰকাশ কৰিলোঁ।

কাশীনাথ ফুকনৰ বুৰঞ্জী ১৮৪৪ খৃষ্টাব্দত প্ৰকাশিত হয়। হৰকান্ত বৰুৱাৰ জন্ম আনুমানিক ১৮১৩ খৃষ্টাব্দ। আৰু ১৯০০ খৃষ্টাব্দত তেওঁৰ লোকান্তৰ ঘটে। এই বুৰঞ্জীখন ৰচনাৰ কাল থিৰাংকৈ নিৰ্দ্ধাৰিত কৰিব নোৱাৰি। এই বুৰঞ্জীৰ মূল পুথিখন সাঁচিপাতত লিখা নহয়। সদৰ-আমিন ডাঙ্গৰীয়াই গবৰ্ণমেণ্ট অফিচত ব্যৱহাৰ কৰা সাধাৰণ তুলাপাত হালধীয়া ৰঙ্গেৰে বোলাই তাতে বুৰঞ্জী লিখিছিল। সেই কাকতত ঠায়ে ঠায়ে "গবৰ্ণমেণ্ট অব্ ইণ্ডীয়া"ৰ চাব দেখা যায়। আমি জনাত ১৮৫৮ সনত ইষ্ট্ ইণ্ডীয়া কোম্পানীৰ পৰা মহাৰাণী ভিক্টোৰীয়াই ভাৰতবৰ্ষৰ শাসন-ভাৰ গ্ৰহণ কৰাৰ পাচত এই চাব চৰকাৰী কাগজ-পত্ৰত ব্যৱহাৰ কৰা হৈছিল। তাৰ পৰা পুথিৰ কাল ১৮৫৮ আৰু ১৯০০ সনৰ ভিতৰত বুলি অনুমান কৰিব পাৰি। চিয়াহিৰ অৱস্থা চাই এই পুথিৰ ৰচনাৰ কাল ১৮৭০ বা ১৮৮০ খৃষ্টাব্দ বুলি ধৰিলেও বোধ কৰোঁ কোনো ভুল নহব।

১৯২৮ চনৰ জুন মাহত আসাম গবৰ্ণমেণ্টে আসামত বুৰঞ্জী চৰ্চ্চাৰ উন্নতি সাধন কৰাৰ সঙ্কল্পে "ডিপাৰ্টমেণ্ট্ অব্ হিষ্টৰিকেল্ এণ্ড্ এণ্টি-কোৱেৰিয়ান্ ষ্টাডিজ" নামৰ এটা নতুন বিভাগ সৃষ্টি কৰে।

হৰকান্ত বৰুৱাৰ পুথি বিশেষ যত্নৰে ৰাইজৰ আগলৈ উলিওৱা হৈছে। এই কামত ডিপাৰ্টমেণ্টৰ সহকাৰী শ্ৰীযুত উপেন্দ্ৰনাথ শৰ্ম্মা বি-এ, শ্ৰীযুত বাসুদেব মিশ্ৰ বি-এ, আৰু শ্ৰীযুত জীৱনচন্দ্ৰ নাথ বি-এৰ পৰা বিশেষ সহায় পোৱা হৈছে। অসমীয়া ৰাইজ আৰু অসম বুৰঞ্জীত ৰাপ থকা সকলো লোকৰ পৰা সহানুভূতি পালে অসমৰ পুৰাবৃত্ত উদ্ঘাটনত

এই ডিপাৰ্টমেণ্টৰ কৰ্ম্মচাৰীসকলে বিশেষ উৎসাহ পাব, এই কথা নকলেও হব। এই ডিপাৰ্টমেণ্টৰ পৰা "কামৰূপৰ বুৰঞ্জী," দেওধাই ঠাচত লিখা "অসমৰ বুৰঞ্জী" আৰু আসাম সাহিত্য সভাৰ পৰা পোৱা স্বৰ্গীয় হুতিৰাম হাজৰিকাৰ দ্বাৰা ৰচিত অসমৰ "পত্ত বুৰঞ্জী" সুচাৰুৰূপে সম্পাদিত কৰি চপাই উলিয়াবলৈ যো-জা কৰা হৈছে।

এই বুৰঞ্জীত অসমত আহোমৰ আধিপত্য স্থাপনৰ পৰা সকলোখিনি কথা শেষলৈকে বৰ্ণোৱা আছে আৰু বৃটিশ ৰাজত্বৰ সূচনাৰ পৰা পিচলৈকে "তদ বিবৰণ দ্বিতীয় খণ্ডে বিবৃত হব" বুলি গ্ৰন্থকাৰে বুৰঞ্জী সমাপ্ত কৰিছে। কিন্তু দুখৰ বিষয় আজিলৈকে সেই বুৰঞ্জীৰ কোনো সম্ভেদ পোৱা নগল। বোধ কৰোঁ সদৰ-আমিন ডাঙ্গৰীয়াৰ আন আন বহুমূলীয়া পুথিৰ লগত এই পুথিখনিও অগ্নিৰ গৰ্ভত বিলীন হৈছে। সদৰ-আমিন ডাঙ্গৰীয়াৰ নিচিনা বৃটিশ-শাসনৰ আৰু অভ্যুদয়ৰ প্ৰত্যক্ষ দৰ্শক এজনৰ লিখিত বৃটিশ যুগৰ বুৰঞ্জী যে এখন বহুমূলীয়া গ্ৰন্থ হলহেঁতেন তাক সকলোৱে উপলব্ধি কৰিব পাৰিব।

গুৱাহাটী, আসাম।
ইং ১৫ ফেব্ৰুৱাৰী, ১৯৩০।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

# সূচীপত্র।


| | | | | পিঠি |
|---|---|---|---|---|
| Preface | ... | ... | ... | i-v |
| প্ৰকাশকৰ পাতনি | ... | ... | ... | /০ ।৶০ |
| গ্ৰন্থকাৰৰ পাতনি | ... | ... | ... | ৶৴০ |


# আসাম বুৰঞ্জী।

## ১ম আধ্যা। ইন্দ্ৰবংশীয় ৰজাব বিৰবণ।


(১) হিন্দুমতে ইন্দ্ৰবংশী আহোমৰ উৎপত্তি। (২) খেন্‌খামৰ জন্ম। (৩) দৈবিক দ্ৰব্য। (৪) খেন্‌খামৰ পুত্ৰ ভাৰ্য্যা। (৫) খেহৰ ৰজা লঙ্গো। (৬) খুন্‌লুং খুন্‌লাইৰ ৰাজ্য॥ পিঠি ১-৩।


## ২য় আধ্যা। আহোমমতে ইন্দ্ৰবংশ স্থাপন।


(৭) ইন্দ্ৰৰ পৃথিবী ভোগৰ ইচ্ছা। (৮) ইন্দ্ৰপুত্ৰৰ আগমন। (৯) দৈবিক দ্ৰব্য আৰু বুজনি। (১০) আহোম পাত্ৰ মন্ত্ৰী। (১১) মুংৰিমুংৰামত বসতি। (১২) লঙ্গোৰ সাহ। (১৩) লাঙ্গোৰ হেঙ্গদান লাভ। (১৪) কাইচেং কুকুৰা। (১৫) ভ্ৰাতৃ বিৰোধ। (১৬) ইন্দ্ৰৰ উপদেশ। (১৭) খুন্‌লুঙ্গৰ পুত্ৰসকলৰ কৰ-কাটল। (১৮) খুন্‌লাইৰ ৰাজত্ব। (১৯) আইজেপী শক। (২০) খাম্পংকা। (২১) চুকাফাৰ পূৰ্বৰ ৰজাসকল। (২২) সৌমাৰত আহোম ৰাজ্য স্থাপন॥ পিঠি ৪-১১।

## ৩য় আধ্যা। চুকাফাৰ পৰা চুপিম্‌ফালৈকে।

(২৩) বুঢ়াগোহাঁই বৰগোহাঁই। (২৪) চুকাফাৰ ভৈয়াম যাত্ৰা। (২৫) মটকৰে মিত্ৰতা। (২৬) মটক বা মৰাণ। (২৭) বৰাহী বসুৱা। (২৮) অসম আখ্যা। (২৯) আহোম ৰাজ্য। (৩০) নৰাৰে মিত্ৰতা। (৩১) আহোমৰ সম্বন্ধ। (৩২) ৰজাঘৰীয়া খাৱন-পিন্ধন। (৩৩) চুকাফাৰ মৃত্যু। (৩৪) চুতেউফা। (৩৫) চুবিন্‌ফা। (৩৬) চুখাংফা। (৩৭) চুখ্ৰাংফা। (৩৮) চুতুফা। (৩৯) মন্ত্ৰী-শাসন। (৪০) ত্যাও-খাম্‌থি। (৪১) বৰকুঁৱৰীৰ শাসন। (৪২) সতিনীৰ খেপ। (৪৩) ব্ৰাহ্মণৰ ঘৰত সৰুকুঁৱৰী। (৪৪) ত্যাওখাম্‌থিৰ মৃত্যু। (৪৫) মন্ত্ৰী-শাসন। (৪৬) ত্যাওচুলাইৰ আক্ষেপ। (৪৭) বামুণী কোঁৱৰ চুডাংফা। (৪৮) ৰাজ-চাঙ্গত শালগ্ৰাম। (৪৯) আহোম-নৰা মিলা-প্ৰীতি। (৫০) নৰা-আসাম সীমা। (৫১) চৰগুৱাত নগৰ। (৫২) শিঙ্গৰিঘৰ উৎসৱ। (৫৩) আহোম মোহৰ। (৫৪) চুজাংফা। (৫৫) চুফক্‌ফা। (৫৬) চুচেন্‌ফা। (৫৭) চুহান্‌ফা। (৫৮) নগাৰণ। (৫৯) চুপিম্‌ফা। (৬০) নগা-চাঙ্গত চমুৱা কুঁৱৰী॥ পিঠি ১১-১২।

## ৪র্থ আধ্যা। চুহুম্মুঙ্গৰ পৰা চুখাম্‌ফালৈকে।

(৬১) চুহুম্মুং। (৬২) নৰা-যুদ্ধ। (৬৩) চুটিয়া দেশ দখল। (৬৪) বাৰভূঞা। (৬৫) আহোম সভাত ভূঞাৰ সাজ। (৬৬) চাবি ঘৰ ৰাজফৈদ। (৬৭) তুৰ্ব্বকৰ সৈতে ৰণ। (৬৮) কন্‌চেং বৰপাত্ৰ। (৬৯) তুৰ্ব্বকৰ পৰাজয়। (৭০) বিশ্বসিংহৰ বংশ। (৭১) মহাদেবৰ মোহ। (৭২) হাড়িয়াৰ সপোন। (৭৩) বিশ্বসিংহৰ জন্ম। (৭৪) বিশ্ব-সিংহৰ অসম আক্ৰমণ। (৭৫) হাতী-ঘাঁহী মৰিয়া। (৭৬) স্বৰ্গনাৰায়ণৰ মৃত্যু। (৭৭) গড়গঞা ৰজা। (৭৮) খোৰা-ৰজা। (৭৯) আপোন-ঘাতী কুঁৱৰী। (৮০) নৰাৰ জীৱৰী অসম কুঁৱৰী। (৮১) অসম আক্ৰমণৰ আয়োজন। (৮২) বিশ্বসিংহৰ অন্তিম বাণী। (৮৩) ভাগ্য-পৰীক্ষা।

(৮৪) পিতৃ-আজ্ঞা পালন। (৮৫) ন বামুণ। (৮৬) দেওবজাব পতন। (৮৭) সূৰ্য্যবৰ দৈবজ্ঞ। (৮৮) কোঁচলৈ প্ৰীতি-সম্ভাষণ। (৮৯) সোণামুৱা দৈবজ্ঞৰ ঘৰ ॥ পিঠি ২৩-৩৩।

## ৫ম আধ্যা। স্বৰ্গদেৱ প্ৰতাপসিংহ বুদ্ধিস্বৰ্গনাৰায়ণ।

(৯০) প্ৰতাপসিংহৰ ৰাজ্য গঠন। (৯১) চিলাৰায় বন্দী। (৯২) পাশা-খেল। (৯৩) ওলোটনি। (৯৪) বেহেকৰাব বসতি। (৯৫) কোঁচৰ কটকী। (৯৬) বামুণ কটকী। (৯৭) মূৰ্ত্তি-পূজা। (৯৮) আঠচুকীয়া মোহৰ। (৯৯) কোঁচৰ জীয়ৰী আহোম কুঁৱৰী। (১০০) কছাৰী ৰণ। (১০১) অসম-বঙ্গাল বেপাৰী। ১০২) ভৰলাত ভীমবল। (১০৩) কটকীৰ কাম। (১০৪) বৰাগীৰ কাম। (১০৫) ন বিষয়া—বৰফুকন বিধয়ৰ সৃষ্টি। (১০৬) ৰূপহী পুখুৰী। (১০৭) বৰবৰুৱা বিষয়ৰ সৃষ্টি। (১০৮) হাট-বাট। (১০৯) ভগা ভূঞা। (১১০) পাইকৰ বিষয়া। (১১১) কৰ-কাটল। (১১২) দেবগাৰৰ দ'ল। (১১৩) নামৰূপীয়া ৰজা। (১১৪) সঁজাতি কোঁৱৰ। (১১৫) "আল" বামুণ। (১১৬ ঢুৱৰীয়া বিষয়া। (১১৭) অসমত অমঙ্গল। (১১৮) প্ৰতাপসিংহৰ প্ৰজা-প্ৰেম ॥ পিঠি ৩৪-৪৩।

## ৬ষ্ঠ আধ্যা। চুৰম্‌ফাৰ পৰা চুহুং-ৰজালৈকে।

(১১৯) চুৰমফা ভগা-ৰজা। (১২০) মৈদামত লগৰীয়া। (১২১) নৰিয়া-ৰজা। (১২২) বিষয়া ভঙ্গাপতা। (১২৩) সাজ-পাৰ ভেদ। (১২৪) অভয়-পুৰীয়া ৰজা। (১২৫) ৰজাভঙ্গা মন্ত্ৰণা। (১২৬) চুতাম্লা বা জয়ধ্বজ-সিংহ। (১২৭) ৰজা-শহুৰ ৰাজমন্ত্ৰী। (১২৮) নিৰঞ্জন বাপুত শৰণ। (১২৯) চেউনি-আলি। (১৩০) মীৰজুম্লাৰ আক্ৰমণ। (১৩১) মীৰজুম্লাৰে মিত্ৰতা। (১৩২) ৰমণী-গাভৰু। (১৩৩) নামৰূপত ন নগৰ। (১৩৪) চক্ৰ-ধ্বজসিংহ। (১৩৫) স্বৰ্গদেৱৰ অপমান। (১৩৬) শৰাইঘাটৰ ৰণ।

(১৩৭ অসম-মোগলৰ সীমা। (১৩৮) উদয়াদিত্য। (১৩৯) পানীগড়। (১৪০) ৰামধ্বজ। (১৪১) চুহুং॥ পিঠি ৪৪-৫১।

## ৭ম আধ্যা। বিপ্লৱৰ বুৰঞ্জী।

(১৪২) গোবৰ। (১৪৩) চুজিন্‌ফা। (১৪৪) চুডৈফা। (১৪৫) সোলা বৰফুকনৰ গুৱাহাটী ত্যাগ। (১৪৬) চুলিকৃফ লৰাৰজা। (১৪৭) চুলিকৃফাৰ চক্রান্ত। (১৪৮) গদাপাণিৰ পলায়ন। (১৪৯) কুঁৱৰীৰ পতি-প্ৰেম। (১৫০) কুঁৱৰীৰ হত্যা। (.৫১) সতীৰ শাস্তি। (১৫২) গদাপাণিৰ দৈবিক ৰক্ষা। (১৫৩) গণকৰ গণনা। (১৫৪) ছদ্মবেশে গদাপাণি। (১৫৫) কোঁৱৰৰ অপমান। (১৫৬) ছান্দকুছিত গদাপাণি। (১৫৭) পাত্ৰ-মন্ত্ৰীৰ চেতনা লাভ। (১৫৮) দক্ষিণপটীয়া গোসাঁইৰ অভিশাপ॥ পিঠি ৫১-৫৭।

## ৮ম আধ্যা। স্বৰ্গদেৱ গদাধৰসিংহ।

(১৫৯) গদাধৰসিংহ। (১৬০) প্ৰথম পিয়ল আৰু বিষয়া বিদ্ৰোহ। (১৬১) গোসাঁইৰ বিলৈ। (১৬২) ময়ুৰ মজুন্দাৰৰ মৰ্য্যাদা। (১৬৩) আলি পুখুৰী। (১৬৪) ইটাখলিৰ যুদ্ধ। (১৬৫) হিন্দুধৰ্ম্মত অনাস্থা। (১৬৬) দেওধ্বনি। (১৬৭) বাইলুঙৰ বিধান॥ পিঠি ৫৬-৬১।

## ৯ম আধ্যা। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ পৰা গৌৰীনাথসিংহলৈকে।

(১৬৮) ৰুদ্ৰসিংহ। (১৬৯) গোসাঁই মহন্ত স্থাপন। (১৭০) নাওখেল। (১৭১) দ'ল, পুখুৰী, আলি, নিৰ্ম্মাণ। (১৭২) জয়ন্তা বিজয়। (১৭৩) মণিপুৰৰে মিত্ৰতা। (১৭৪) মন্ত্ৰীৰ মন্ত্ৰণা। (১৭৫) খাওন্দৰ বাব। (১৭৬) বৈৰাগীৰ বাব। (১৭৭) কটকীৰ বাব। (১৭৮) দলৈৰ বাব। (১৭৯) কাকতীৰ বাব। (১৮০) ন সাজ-পাৰ। (১৮১) হৰিদেৱত শৰণ। (১৮২) বঙ্গালী বাজনা। (১৮৩) অসমীয়া সৈন্যৰ চতুৰালি। (১৮৪) কামাখ্যাত কৃষ্ণানন্দ। (১৮৫) বেলপাতত বীজমন্ত্ৰ। (১৮৬) মহাদেৱৰ মূৰ্ত্তি।

(১৮৭) স্বৰ্গদেৱৰ স্বপ্ন। (১৮৮) মহাৰাজাৰ অন্তিম-বাণী। (১৮৯) শিৱসিংহ। (১৯০) কুঁৱৰীৰ মন্ত্ৰ গ্ৰহণ। (১৯১) স্মাৰ্ত্তমত প্ৰচলন। (১৯২) পৰ্ব্বতীয়া গোসাঁইৰ প্ৰতাপ। (১৯৩) ব্ৰাহ্মণক বৃত্তি। (১৯৪) কামৰূপৰ পিয়ল। (১৯৫) ছত্ৰভঙ্গ যোগ। (১৯৬) বৰৰজা ফুলেশ্বৰী। (১৯৭) মোৱামৰীয়া মহন্ত। (১৯৮) দ্ৰৌপদী বা অম্বিকা। (১৯৯) অনাদৰী বা সৰ্ব্বেশ্বৰী। (২০০) শাস্ত্ৰপ্ৰিয় শিৱসিংহ। (২০১) সত্ৰীয়া পাইক। (২০২) প্ৰমত্ত-সিংহ। (২০৩) ৰংঘৰ, দ'ল, দেৱালয়। (২০৪) স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ। (২০৫) তলাতল ঘৰ। (২০৬) মগ্‌লৌ ৰজালৈ সহায় দান। (২০৭) লতা-কটা ৰণ। (২০৮) কুৰঙ্গনয়নী। (২০৯) মগলু-খাত। (২১০) বুৰঞ্জী দাহ। (২১১) দোষীৰ দণ্ড। (২১২) দ'ল দেৱালয়। (২১৩) নাতি-গোসাঁই। (২১৪) বৰভেঁটা। (২১৫) দিহিঙ্গৰ মহন্ত। (২১৬) মোৱামৰীয়া দমন। (২১৭) দেৱগাৰঁৰ দ'ল। (২১৮) লক্ষ্মীসিংহ। (২১৯) মৰাণৰ প্ৰভাৱ। (২২০) বিষয়াৰ বিপদ। (২২১) ন-চুকীয়া মোহৰ। (২২২) আহোমৰ প্ৰভাৱ। (২২৩) বগী দ'ল। (২২৪) ৰংপুৰত দ'ল পুখুৰী। (২২৫) গৌৰী-নাথসিংহ। (২২৬) শিঙ্গৰিঘৰত জুই। (২২৭) স্বৰ্গদেৱৰ পলায়ন। (২২৮) বিবুধি-গড়। (২২৯) কলিকতাত আহোম উকিল। (২৩০) কানিৰ-প্ৰচলন॥ পিঠি ৬২-৮১।

১০ম আধ্যা। স্বৰ্গদেৱ কমলেশ্বৰসিংহ আৰু চন্দ্ৰকান্তসিংহ।

(২৩১) কমলেশ্বৰসিংহ। (২৩২) হেংলাং। (২৩৩) বৰবকৰা বৰ্জ্জন। (২৩৪) বিষয়া-সলনি। (২৩৫) হৰদত্তৰ পৰাভৱ। (২৩৬) পল্টন গঠন। (২৩৭) যুৱৰাজ চন্দ্ৰকান্ত। (২৩৮) পাণীমুৱাৰ খবৰ। (২৩৯) কোম্পানীৰ পৰা বন্দুক বাৰুদ। (২৪০) আলি দ'ল। (২৪১) স্বৰ্গদেৱ চন্দ্ৰকান্ত-সিংহ। (২৪২) পদ্মাৱতী কুঁৱৰী। (২৪৩) বুঢ়াগোহাঁইৰ প্ৰতিবাদ। (২৪৪) ভূতৰ পুতেকৰ খবৰ। (২৪৫) পূৰ্ণানন্দৰ প্ৰতাপ। (২৪৬) মানদেশত বদনচন্দ্ৰ। (২৪৭) মান-ৰজাৰ সহায়দান। (২৪৮) বুঢ়াগোহাঁইৰ মৃত্যু। (২৪৯) ৰুচিনাথৰ পলায়ন। (২৫০) অসমত মান। (২৫১) বদনৰ

বিক্ৰম। (২৫২) মানলৈ দিয়া হেমো আইদেও। (২৫৩) বদন হত্যা। (২৫৪) চন্দ্ৰকান্তৰ ৰাজ্যচ্যুতি ॥ পিঠি ৮২-৮৯।

১১শ আধ্যা। পুৰন্দৰসিংহৰ পৰা যোগেশ্বৰসিংহলৈকে।

(২৫৫) পুৰন্দৰসিংহ। (২৫৬) মানৰ ২য় আক্ৰমণ। (২৫৭) চন্দ্ৰকান্তৰ ২য় ৰাজত্ব। (২৫৮) বিষয়া সলনি। (২৫৯) মানৰ ৩য় আক্ৰমণ। (২৬০) চন্দ্ৰকান্তৰ পলায়ন। (২৬১) যোগেশ্বৰসিংহ। (২৬২) মহগড়ৰ ৰণ। (২৬৩) মানভগণি। (২৬৪) নগাৰঁত মানৰ অত্যাচাৰ। (২৬৫) ডেবিড্ স্কট্। (২৬৬) আহোমৰ ৰাজত্বৰ সমাপ্তি। (২৬৭) মানৰ দিনৰ বিষয়া ॥ পিঠি ৮৯-৯৪।

১২শ আধ্যা। মৰ্য্যাদানুসাৰে বিষয়াৰ নাম।

(২৬৮) ৰাজুৱা বিষয়া। (২৬৯) দাঁতিয়লীয়া গোহাঁই। (২৭০) বৰবৰুৱা, বৰফুকন। (২৭১) ফুকন। (২৭২) ৰাজখোৱা। (২৭৩) ভিতৰুৱাল বিষয়া: ফুকন। (২৭৪) বৰুৱা ফুকন। (২৭৫) ৰজা-জোৱাঁই আৰু আন আন বৰুৱা। (২৭৬) মেলডগীয়া বিষয়া। (২৭৭) দেৱলীয়া বৰুৱা ॥ পিঠি ৯৫-৯৮।

১৩শ আধ্যা। ডাঙ্গৰীয়াদিৰ নিয়ম।

(২৭৮) ডাঙ্গৰীয়াদিৰ নিয়ম। (২৭৯) চ'ৰাত বহাৰ নিয়ম। (২৮০) ৰৰঘৰলৈ যোৱাৰ নিয়ম। (২৮১) মেলমতা। (২৮২) মেলৰ নিয়ম। (২৮৩) বৰবৰুৱা ফুৰাৰ নিয়ম। (২৮৪) ভেটাভেটিৰ নিয়ম। (২৮৫) অলঙ্কাৰ পিন্ধাৰ নিয়ম। (২৮৬) বৰচ'ৰাত বহাৰ নিয়ম। (২৮৭) পাঁচনিৰ পালী। (২৮৮) বৰচ'ৰাত বহাৰ ক্ৰম। (২৮৯) পালীঘৰৰ নিয়ম। (২৯০) বিষয়া বহাৰ নিয়ম। (২৯১) অপৰাধীক দণ্ড কৰাৰ নিয়ম। (২৯২) স্ত্ৰীমৰ্য্যাদাৰ নিয়ম ॥ পিঠি ৯৮-১১০।

১৪শ আধ্যা। মহন্তৰ নিৰ্ম্মালি দিয়া নিয়ম।

(২৯৩) নিৰ্ম্মালিৰ নিয়ম। (২৯৪) মহন্তৰ মৰ্য্যাদা। (২৯৫) পৰ্ব্বতীয়া গোসাঁইৰ পয়োভৱ। (২৯৬) পদুমৰীয়া আৰু নাতি গোসাঁই॥ পিঠি ১১০-১১২।

১৫শ আধ্যা। বিষয়া-পতা ব্যৱস্থা।

(২৯৭) ডাঙ্গৰীয়া পতাৰ নিয়ম। (২৯৮) বিষয়া পতা বিধি। (২৯৯) বিষয়া ভঙ্গা-পতা ব্যৱস্থা॥ পিঠি ১১২-১১৫।

১৬শ আধ্যা। 'অথ আসামমতে গন্তিৰ নিৰোপণ'।

(৩০০) আহোমমতে গন্তিৰ নিৰূপণ। (৩০১) আহোমৰ অব্দ তাওচিঙ্গা॥ পিঠি ১১৬-১১৭।

১৭শ আধ্যা। ৰজাঘৰৰ বিষয়াৰ বাব।

(৩০২) ডাঙ্গৰীয়াসকল। (৩০৩) দাঁতিয়লীয়া গোহাঁই। (৩০৪) বৰ-বৰুৱা, বৰফুকন। (৩০৫) বৰফুকনৰ বাব। (৩০৬) পাইক। (৩০৭) ৰাজ-খোৱা। (৩০৮) ফুকন। (৩০৯) চিৰিংফুকন। (৩১০) মজুন্দাৰ বৰুৱাৰ কৰ্ত্তব্য। (৩১১) চিঠি দিয়া নিয়ম। (৩১২) ওলগনি। (৩১৩) ৰজাঘৰীয়া দান। (৩১৪) মজুন্দাৰ বৰুৱাৰ বন্দী-বেটী। (৩১৫) চাংমাই বৰুৱা, তিপমীয়া ৰাজখোৱা। (৩১৬) হাতীবৰুৱা। (৩১৭) ঘোঁৰাবৰুৱা। (৩১৮) কুকুৰাচোৱা বৰুৱা। (৩১৯) দোলাকাষৰীয়া বৰুৱা। (৩২০) চাওডাং বৰুৱা। (৩২১) জবাধৰা বৰুৱা। (৩২২) বেজ-বৰুৱা। (৩২৩) আন আন বৰুৱা। (৩২৪) সমান মৰ্য্যাদাৰ বিষয়া। (৩২৫) মৰ্য্যাদাৰ চিন। (৩২৬) হাজৰিকা। (৩২৭) কাকতীৰ খেল। (৩২৮) কটকী। (৩২৯) খাওন্দ। (৩৩০) বৰাগী। (৩৩১) দলৈৰ বাব। (৩৩২) আহোম স্বৰ্গদেৱ আৰু ডাঙ্গৰীয়াসকল। (৩৩৩) প্ৰথম খণ্ডৰ সামৰণি॥ পিঠি ১১৮-১৩১।

পৰিশিষ্ট—ক, সোণামুৱা পৰিয়ালৰ বংশাৱলী.........১৪৪-১৫০ পিঠি।

পৰিশিষ্ট—খ, সদৰামিনৰ বুৰঞ্জীত থকা ওপৰঞ্চি কথা ১৫১-১৫২ "।

# গ্ৰন্থকাৰৰ পাতনি।

এই আসাম দেশৰ বুৰঞ্জী অথচ ইন্দ্ৰবংশীয় ৰাজাসকলৰ বিবৰণ স্থানে স্থানে আছে। কিন্তু সেইসকল বুৰঞ্জী মতান্তৰ, অথচ একখনিৰ সহিত সিখনি মিল নহয়। ইয়াতে অনেক ভ্ৰান্তি জন্মে. সেই হেতু শ্ৰীশ্ৰীপুৰন্দৰ সিংহ মহাৰাজ কোম্পানী বাহাদুৰৰ আমোলে ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণে ধনশিৰী নদীৰ উত্তৰে বিশ্বনাথ দেবালয়ৰ উজান কচুজানকে সীমা কৰি উজনি খণ্ড শদিয়া পৰ্য্যন্ত ৫০০০০ পঞ্চাশ হাজাৰ টকাত লাল-বন্দী কৰি ১৭৫৫ শকত প্ৰাপ্ত হোৱাত সেই ৰাজত্ব কৰা সময়ত ৰাজাদেবৰ আজ্ঞাৰে ৰাধানাথ বৰবৰুৱা আৰো কাশীনাথ শৰ্ম্মা তামূলী-ফুকনে নানা স্থানৰ পৰা বুৰঞ্জীসকল একত্ৰপূৰ্ব্বক সাৰ সংগ্ৰহ কৰি একখানি গ্ৰন্থ চুম্বকমতে কৰিলে। কিন্তু সেই গ্ৰন্থখানিত অনেক আবশ্যকীয় কথা লিখিবৰ নিতান্ত আবশ্যক আছিল। বোধ কৰো বাহুল্য হব, সেই নিমিত্তে লিখা নহল। এজন্যে আমি সেই গ্ৰন্থ-খানিকে আদৰ্শ কৰি আৰো অনন্য বুৰঞ্জীত যি পোৱা হৈছিল, আৰো সত্যবাদী আহোম, ফুকন, বৰুৱাদিৰ মুখে যি যি শ্ৰবণ হৈছিল, সেইসকল সঙ্কলন কৰি অনেক বিবেচনা ও পৰিশ্ৰমপূৰ্ব্বক এইখানি গ্ৰন্থ লিখিবৰ আৰম্ভ কৰিলোঁ।

শ্ৰীহৰকান্ত শৰ্ম্মা বৰুৱা।

# আসাম বুৰঞ্জী।

## প্ৰথম আধ্যা

### ইন্দ্ৰবংশীয় ৰজাৰ বিৱৰণ।

হিন্দুমতে ইন্দ্ৰবংশী আহোমৰ উৎপত্তি

শোণিতপুৰ বা ইদানীক তেজপুৰ জিলাৰ অন্তৰ্গত ভৈৰৱী নদীৰ পৰা দিক্কৰবাসিনী অথচ উজান শদিয়াৰ কেচাইখাঁইতী পৰ্য্যন্ত সৌমাৰ পীঠ বোলে। এই সৌমাৰ পীঠৰ পূৰ্ব্ব, হীৰকূট পৰ্ব্বতৰ দক্ষিণ, স্বৰ্ণাদিৰ উত্তৰ, এই সৌমাৰ মধ্যতে বিহগ্ৰাদি নামক পৰ্ব্বতৰ ওপৰি বত্নভূমি নামে অতি সুৰম্য ফল-পুষ্পে শোভিত স্থান আছে। এক সময়ত ঋষিগণ সহিতে শচী ও ইন্দ্ৰ উভয়েই কামোন্মত্ত হৈ আনন্দে ক্ৰীড়া কৰি ফুৰিছিল। সেই পৰ্ব্বতৰ গুহাতে বশিষ্ঠ মুনি থাকে। তাৰে পৰা স্নান কৰিবলৈ যাওঁতে তেওঁৰ পুষ্প-বাটিকাতে ক্ৰীড়া কৰা দেখি কুপিত হৈ ইন্দ্ৰদেৱতাক অন্ত্যজ, ও অন্ত্যজা স্ত্ৰীত পতিত হওক বুলি শাপ দি সেই স্থান এৰি বত্ন-পীঠৰ ঈশান কোণৰ নীলাচললৈ মুনি গুচি গল। পৰে ইন্দ্ৰ তৎক্ষণাতে কাণে সুণুনা কলা ও বোবা এনে দৈত্যাকাৰ মনুষ্য হল। ইন্দ্ৰৰ সেইৰূপ অৱস্থা দেখি সখিগণ সহিতে অতি দুখিত হৈ শচী স্বৰ্গলৈ গুচি গল। ১॥

এনে সময়তে সেই পৰ্ব্বতনিবাসী অন্ত্যজৰ এক সুন্দৰী স্ত্রী ভ্রমণ কৰি কৰি ঐ শাপগ্রস্ত ইন্দ্রৰ ওচৰ চপাত কামোদ্বেগ দ্বাৰা উভয়ৰ সম্ভোগ হলত তেতিক্ষণেই ইন্দ্র শাপৰ পৰা মোচন হৈ ঐ অন্ত্যজা স্ত্রীত কলে বোলে তোমাৰ গৰ্ভত এটি পুত্র হব, কালত জন্মি সেয়ে ৰাজা হব। এই বুলি ইন্দ্র স্বৰ্গলৈ গল। ঐ স্ত্রীও আপনাৰ ঘৰলৈ গল। পৰে ঐ স্ত্রীৰ গৰ্ভ-সঞ্চাৰ হৈ সময়ানুসাৰে জন্মা কালত আকাশত দেৱতাসকলে আনন্দ হৈ অনেক বাদ্য কৰিলে ও গন্ধৰ্ব্বসকলে গান কৰিলে এবং অপেস্বৰা-সকলে নৰ্ত্তন কৰিলে। দশোদিশ প্রসন্ন হল। সৰোবৰসকল অতি নিৰ্ম্মল হল। এনে সময়তে অতি সুলক্ষণযুক্ত বালক এটি জন্মিল। সহযোগীসকলে সেই বালকৰ নাম খেন্‌খাম্ ৰাখিলে। ২ ॥

খেন্‌খামৰ জন্ম

পৰে ঐ খেন্‌খাম্ বালক যুৱা হোৱাত কোনো এক সময়ত ইন্দ্রে আসুৰিক মতে পূজা কৰিবৰ নিমিত্তে চোমদেও নামক এক দেৱতা, ও একখানি হেঙ্গদান নামে অস্ত্র. আৰু এজোৰ ঢাক নামে বাদ্য, ও কাইচেং নামে দোজোৰ কুকুৰা, এই-সকল দ্রব্য দি সকলো দ্রব্যৰ গুণ ও ৰকম বুজাই দিলে। ঐসকল দৈবিক দ্রব্যৰ প্রভাৱে অতি বলবন্ত হৈ স্বৰ্গাদি পৰ্য্যন্তে আক্রমণ কৰি ৰজা হল। পূৰ্ব্বে ঐ বিহগ্রাধিপতি খুন্তুনবংশী ৰাজাদেৱৰ লগতে পূজা কৰি পণ্ডিত আছিল। কিছু কালৰ পৰে এক সময়ত ইন্দ্র আহি খুন্তুনখুন ৰজাৰ সন্তানক মন্ত্রীৰ কৰ্ম্মে ও দেৱপণ্ডিতৰ অংশ লাওগ্রী ও পূজাকজি এই দুই সন্তানক কৰ্ম্মনিৰ্ব্বাহৰ নিমিত্তে চিনাই দি গল। ঐসকল সহিতে স্বৰ্গাদি পৰ্য্যন্ত ৰাজত্ব কৰি আছিল। ৩॥

দৈবিক দ্রব্য

ঐ খেন্‌খামৰে ওঠৰ জনা ভাৰ্য্যা অথচ কুৱঁৰী হল। পাচে ঐ খেন্‌খামৰ প্রথম পুত্র জন্মিল. নাম খুন্‌লুং। তাৰ পৰে খুন্‌লাই জন্মিল। তদপৰ আৰু ৯৮ আটান্নবৈ জনা কোৱঁৰ জন্মিল। মুঠে ১০০ এশ জনা কোৱঁৰ হল। পাচে খেন্‌খাম্ ৰজাই নিজে ৰাজত্বৰ ভিতৰৰ পৰ্ব্বত সহিতে জুৰি পৰ্ব্বতে

খেন্‌খামৰ পুত্র ভাৰ্য্যা

পৰ্ব্বতে ঐ ৯৮ জন কৌৱঁৰক ৰজা পাতিলে। প্ৰথম ছুই পুত্ৰ খুন্‌লুং খুন্‌লাই ছুয়োকো লগতে ৰাখি সমভূমি পৰ্য্যন্তে আক্ৰমণ নিমিত্তে চোমদেও আদি সকলো দৈবিক দ্ৰব্য ও ঐ চাৰিজনা মন্ত্ৰী পণ্ডিত কিছু সেনা দি নীতিনিবন্ধ শিকাই পঠাই দিলে। পাচে ঐ ছুই ভাতৃ লোহাৰ শিকলিৰে স্বৰ্গাদিৰ পৰা নামি মুংৰিমুংৰামতে স্থিতি হোৱাত ক্ৰমে পৃথিবীৰ অনেক অনেক লোক লগ ললে। ৪॥

ইতিমধ্যে কাইচেংমুং কুকুৰাৰ বিচাৰ হোৱাত পাহৰি অহা হেন জানি পুনৰ স্বৰ্গৰ পৰা আনিবৰ নিমিত্তে লঙ্গো নামক একজনক পঠালে।

পেহৰ ৰজা লঙ্গো

যোৱা সময়তে লঙ্গোৱে খেহ দেশখন পাবৰ কাৰণে জনাইছিল। লঙ্গোৱে গৈ ইন্দ্ৰক কাইচেং-মুং পাহৰি এৰি যোৱা কথা কোৱাত কিছু খং কৰি পঠালে। লঙ্গোৱে পাহৰি অহা দ্ৰব্যসকল আনি দিলে। সেই আপাহত থাকি খেন্‌খাম্ ৰজাই খেহ দেশখন এৰি ৰজা পাতি পঠালে। ৫॥

খুন্‌লুং ও খুন্‌লাই ছুয়ো ভায়েক মঙ্গল চাই মুংৰিমুংৰামতে নগৰ কৰি ৰজা হল। তাতে ছুয়ো ভায়েকৰে কাজিয়া হল। খুন্‌লুং

খুন্‌লুং খুন্‌লাইৰ ৰাজ্য

খেন্‌খামৰ আজ্ঞামতে মুংখুংমুংজাও দেশত ৰজা হল। খুন্‌লাই মুংৰিমুংৰামত ৰজা হল। তদপাচে তেওঁলোকৰ অনেক সতিসন্ততি হয়। হিন্দুশাস্ত্ৰৰ মৰ্ম্ম মতে এইৰূপে লিখা হল। কিন্তু মতান্তৰ অথচ আহোমৰ মতেও কিঞ্চিত তাৰতম্য মতে মিলা হেন জানি সেই মতেও এই আদি কথা লেখিবৰ আৰম্ভ কৰা হল। ৬॥

প্ৰথম আধ্যা সমাপ্ত।

## দ্বিতীয় আধ্যা

### আহোম মতে ইন্দ্রবংশ স্থাপন।

পূৰ্ব্বে কোনো এক সময়ত স্বৰ্গদেৱ অৰ্থাৎ ইন্দ্ৰদেৱতাই জাচিংফা অৰ্থাৎ সৰস্বতী আশ্ৰয় কৰি এইৰূপ বুদ্ধি স্থিৰ কৰিলে যে পৃথিৱীত চন্দ্ৰবংশী সূৰ্য্যবংশীৰ অনেকটি ৰজা হৈ গৈছে, মই সকলো দেৱতাৰ মধ্যে ৰাজা, তথাপি মোৰ সন্তানৰ পৃথিৱীত ৰাজত্ব নাই, অতএব মোৰ সন্তানকো পৃথিৱীত ৰজা হবৰ নিমিত্তে পঠাওঁ। ৭॥

ইন্দ্ৰৰ পৃথিৱী ভোগৰ ইচ্ছা

এই বুলি ৰাজা পূজাৰ যন্ত্ৰ কৰিবৰ কাৰণে লাউখে অৰ্থাৎ বিশ্বকৰ্ম্মাক আজ্ঞা দিলে। তদপৰ বিশ্বকৰ্ম্মে চোমদেও নামে ইন্দ্ৰৰ মনোগতৰূপে যন্ত্ৰ তৈয়াৰ কৰি দিলে। পৰে ইন্দ্ৰে লুংচাইনেত অৰ্থাৎ বায়ুক পঠাই ইন্দ্ৰৰ পুত্ৰ খেন্‌খামক মতাই আনি পৃথিৱীত ৰাজা হবৰ নিমিত্তে যাবলৈ বোলাত নিজে যাবলৈ স্বীকাৰ নকৰি ঐ খেন্‌খামৰ পুত্ৰ খুন্‌লুং ও খুন্‌লাই দুইক পঠাবৰ নিমিত্তে জনালত ইন্দ্ৰে স্বীকাৰ কৰি এই আজ্ঞা কৰিলে বোলে খুন্‌লুং তুমি বৰ, তুমি ৰাজা হবা ; খুন্‌লাই সৰু, এই হেতু তোমাৰ লগত যুৱৰাজৰূপে থাকিব। ৮॥

ইন্দ্ৰপুত্ৰৰ আগমন

আৰু এই চোমদেওক দিছোঁ, এই দেৱতাক নিত্য পূজা বাজে বছেৰেকত মাঘ মাহত এবাৰ, চৈত্ৰৰ সংক্ৰান্তিৰ সময়ত এবাৰ, শুক্ল কাপোৰ পিন্ধি অথচ পৰিধান কৰি নীতিমত উলিয়াই দুগ্ধ গন্ধ গাঁঠিয়ন সহিতে ধুৱাই ভালমতে পূজা দি চাবি, দৰ্শন কৰিবি। তেতিয়া আঠ লক্ষ দেৱতা নামিব, ময়ো এখেৰ পৰা চাম। আৰু দেৱতা ধুউৱা জল সকলোৱে গাত ছটিয়াবি, খাবি।

দৈবিক দ্ৰব্য আৰু বুজনি

সৰ্ব্বদা স্নুচুবি ও নাচাবি এবং অন্য কাকো চুব-চাব নিদিবি। অন্তে চুলে চালে দেশত বিভ্রাট ও মাৰি-মৰক হব। আক আহোম মতে খাল্‌খাম্‌-কাকা অৰ্থাৎ আত্মাসুক্তিক খুজি এই হেঙ্গদান্‌ অথচ দাখনি দিছোঁ। ইয়াকে তুমি আওজা খুটাতে বান্ধি থৰি। যি লোকে তোমাক দ্ৰোহ কৰে সেই লোকক এই দাখনিত সেৱা কৰাবি। যদি তাৰ কান্ধে হেঙ্গদান্‌ আপুনি ঘুৰি সমুখ হয় অথচ তাৰ কাললৈ যদি ধাৰ ভাগ হয় তেতিয়াহে কাটিবি, সেয়ে নহলে নেকাটিবি। আক যি যি আৱৰী লোক আছে তালৈ এই হেঙ্গদান্‌ টোঁৱাই দিবি, ভয় পাই আপুনি বৰিব। আক বৰ সক দুটা ঢাক দিলে ও কলে বোলে শত্রু বাঢ়িলে পূজা দি মোলৈ জাননী দিবি তেহে শত্রুনাশ হব। এই ক্রমেই অনাবৃষ্টি হলেও বৃষ্টি হব, ও বৃষ্টি হলে ৰৌদ্রখৰ হব। ও ৰাজসিংহাসনত ৰাজা হৈ বহাতো এই ক্রমে ঢাক বজাই মোলৈ জাননী দিবি, তেহে ৰাজশক্তি হব। আক কাইচেংমুং নামে দুইজোৰা কুকুৰা দি কলে ইয়াৰ ঠেঙ্গেৰে মঙ্গল চাবি, সেই মঙ্গলৰ মতে চলিবি, পাখিখনি মঙ্গল কৰ্ম্মত পিন্ধিবি, এতেকে ৰাজশক্তি বাঢ়িব। মূৰটো, ডোকা দুইখানকো খাবি, অশেষ বুদ্ধি হব ও চক্রবৰ্ত্তী প্ৰধান বাহুবলী হবি। ঐ কাইচেংমুঙ্গকে কাইৰাক-ফাঁও বোলে। ৯॥

আক খুন্‌তুঙ্গ খুন্‌বান অৰ্থাৎ চন্দ্ৰ সূৰ্য্য এই দুইৰ সন্তানকে মন্ত্ৰীৰূপে লগত দি অনেক নীতিনিবন্ধ শিকাই ভাল মতে বুজাই দেৱপণ্ডিত বৃহস্পতিৰ অংশ লাউথ্ৰী ও পূজাকজিৰ সন্তান পণ্ডিত আদি সকলো দেৱাংশ প্ৰজা সহিতে বিদায় দিলে। ১০॥

আহোম পাত্ৰ-মন্ত্ৰী

তদপৰ সকলো জ্ঞাতি সহিতে চোমদেওক মূৰত লৈ খুন্‌লুং খুন্‌লাই দুয়ো ভায়েক, হিন্দু মতৰ ৪৯০ শকৰ আঘোন মাহত স্বৰ্গৰ পৰা লোহাৰ শিকলিৰে নামি আহি অৰাজক এক স্থান পালে, এই স্থানকে আহোম মতে মুংৰিমুৰাম বোলে। সেই স্থানতে ক্রমে পৃথিবীৰ লোকে পৰস্পৰ লগ ললে। ১১॥

মুংৰিমুংৰামত বসতি

এনেতে খুন্‌লুঙ্গে কাইচেংমুঙ্গক বিচাৰ কৰিলে, কোনেও আছে বুলি কব নোৱাৰাত খুন্‌লাইত সোধাত বোলে আনিবলৈ পাহৰা হল।

লঙ্গোৰ সাহ

পাচে খুন্‌লুঙ্গে মনত বেজাৰ হৈ কাইচেংমুঙ্গৰ অঙ্গপ্ৰত্যঙ্গৰ ওপৰোক্ত গুণ বৰ্ণাই খেদ কৰি কলে, এতিয়াও আনাগৈ। পাচে খুন্‌লায়েও বোলে পাহৰি এৰি অহাত জগৰীয়া হৈছোঁ, কেনেকৈ ওলাম গৈ? ইত্যৱসৰে পৃথিৱীৰ লঙ্গো নামে এজনে এইসকল কথা শুনি থাকি বোলে আজ্ঞা কৰিলে বন্দীয়েই যাব পাৰোঁ। পাচে খুন্‌লুঙ্গে আজ্ঞা কৰিলে। পুনৰ লঙ্গোৱে খেহ দেশখন পাবৰ নিমিত্তে খুজিলত দিম বুলি স্বীকাৰ কৰিলে। ১২॥

তদপৰ লঙ্গোৱে গৈ ইন্দ্ৰত জনালত বোলে, অঃ হেঙ্গদান লাক ইয়াকো এৰি গল। ইমানতে এনেকৈ পাহৰিব লাগেনে, আগলৈ বা আৰু কি হয়? এই বুলি খুন্‌লুঙ্গ খুন্‌লাইক বৰ খং কৰি ঐ তিনিওটা দ্ৰব্য লঙ্গোৰ হাতত দি পঠালে।

লঙ্গোৰ হেঙ্গদান লাভ

লঙ্গো আহি সেই তিনিওটা দ্ৰব্য খুন্‌লুঙ্গৰ আগত দি জনালে বোলে পাহৰি দ্ৰব্য এৰি অহাত ইন্দ্ৰই বৰ খং কৰিলে, আৰো কব দিছে বোলে কাইচেংমুঙ্গক মাৰি তাৰ মাংসখনি খাব, ঠেঙ্গেৰে মঙ্গল চাব, পাখি মূৰত পিন্ধিব, মূৰটো ও ডোকা দুইখনি তঞ্ৰি খাবি, আৰু সিহঁতে যে ইমানতে পাহৰি এৰি গল, এতেকে হেঙ্গদানখন তোক দিছোঁ। তই যে খেহ দেশখন খুজি আহিছ, সি বৰ দেশ, তেহে তই সেই দেশ বশ কৰিব পাৰিবি। এইৰূপে লঙ্গোৱে জনোৱাত ইন্দ্ৰৰ আজ্ঞা বুলি পূৰ্ব্বৰ আজ্ঞাৰ বিপৰ্যই বুজি ও তাকে সত্য মানি হেঙ্গদান-খন লঙ্গোক দিলে। আৰু কাইচেংমুঙ্গকো মাৰি লঙ্গোৱে কোৱা দৰে খালে ও তাকো দিলে। ১৩॥

পাচে সেই কাইচেংমুঙ্গৰ ঠেঙ্গেৰেই মঙ্গল চালে। এখন মঙ্গলত পালে খুন্‌লুঙ্গৰ ফালে খোজ কৰ্হা হল, লোকৰ ফালে আগ বৰ্হোৱা হল। এখন মঙ্গলত পালে খুন্‌লুঙৰ ফালে শেন হল, লোকৰ ফালে চৰাই হল। এখন মঙ্গলত পালে

কাইচেং কুকুৰা

খুন্‌লুঙ্গৰ ফালে ৰজা হৈ বহি খোঙা ও হাতীত উঠি ফুৰা ও লা-সিগিৰিবে ঘৰ ভৰা হল। পাচে মঙ্গলত আটাইকে বশ কৰিব পাৰিম হেন বুলি খুন্‌লুঙ্গ সেই মুংৰিমুংৰামতে নগৰ কৰিবলৈ দুই মন্ত্ৰীক আজ্ঞা কৰিলে। পাচে নগৰ হলত তাতে খুন্‌লুঙ্গে আমুৰৰ বাটবৰ কৰি প্ৰধান ৰজা ও ভায়েক খুন্‌লাই যুৱৰাজ হৈ এই ক্ৰমেই কিছো দিন আছিল। ১৪ ॥

কিন্তু খুন্‌লায়ে সোনৰ গুণা কৰাই আউবৰৰ শিপাত পাঁচ নোৰ মেৰাই খুন্‌লুঙ্গে নজনাকৈ থৈ কিছো দিনৰ পৰে ককায়েকবেই ৰাজপদৰ আৰি কৰি বুলিলে মঞিহে ৰাজা, তুমি তুৰলীয়া।

ভ্ৰাতৃবিৰোধ

খুন্‌লুঙ্গে বোলে মঞি ৰাজা, তুমি তুৰলীয়া। এইৰূপে দুইজনৰ কাজিয়া হলত ভায়েকে বোলে আউবৰৰ শিপাত যদি তুমি দিয়া কিবা চিন আছে তেহে তুমি মূলৰ ৰাজা নতুবা তুৰলীয়াহে। পাচে খুন্‌লুঙ্গে ভায়েকত সংশয় নকৰি ও মিছা কথাও কব নোৱাৰি বোলে মঞি গছৰ শিপাত একো চিন দিয়া নাই। পাচে খুন্‌লায়ে বোলে খান্দি চাওক, মঞি শিপাতে সোনৰ গুণাৰে বন্ধাইছোঁ। এই বুলি খনালত শিপাতে সোনৰ গুণা ওলালত খুনলায়ে বোলে মঞিহে মূলৰ ৰাজা, তুমি তুৰলীয়াহে। এনে বুলি ককায়েকক লামুংতাই অৰ্থাৎ জিউতৰা দেশৰ ৰাজা পাতি বছৰি তিনিশ তিনিশ হাতী শোধাই থাকিব দিলে ও খুন্‌খকৃফা নামক পুতেকক ৭ দ্ৰোহ কৰি ৰাজা হনৰ ইচ্ছা কৰাত চুৰকৈ চোমদেওক হাতত লৈ পলাই খুন্‌লুঙ্গ গৈ ইন্দ্ৰত জনালে। ১৫ ॥

পাচে ইন্দ্ৰে চিৰকাল খুন্‌লাই ৰাজা হৈ থাকিব নাপায় বুলি শাপ দি খুন্‌লুঙ্গক বুলিলে, সি যে ছলকৈ তাত ৰাজা হল, তঞিও মুংখুমুংজাউ দেশত ৰাজা হ'গৈ। এনে বুলি পঠোৱাত চোম-

ইন্দ্ৰৰ উপদেশ

দেও সহিতে খুন্‌লুঙ্গ আহি মুংখুমুংজাউতে ৰাজা হলহি। তাতে অনেকটি সন্তান হল। চল্লিশ বছৰ ভোগ কৰি পুত্ৰ-সকলক দেশ বাটি দি পুনৰ স্বৰ্গলৈ গল। তেওঁৰে প্ৰথম পুত্ৰ আই-খুন্‌লুঙ্গ, তেওঁকে চোমদেওক দি তাইতুংকং অৰ্থাৎ মুংকং দেশৰ ৰাজা পাতিলে। ১৬ ॥

খুন্কা নামক পুত্ৰক ভাঠি দেশৰ ৰাজা পাতি বছৰি দহ লাখ দহ লাখ ঘোৰা শোধাই থাকিবলৈ দিলে। খুনজু নামক পুত্ৰক জুন্লুঙ্গ অৰ্থাৎ মুংজুং দেশৰ ৰাজা পাতি বছৰি একলাখ সেৰ সোন শোধাই থাকিব দিলে। খুন্লা নামক পুত্ৰক মুংকুলা দেশৰ ৰাজা পাতি দিহিঙ্গৰ পানী শোধাই থাকিব দিলে। খুন্তা নামক পুত্ৰক আবা অৰ্থাৎ মান দেশৰ ৰাজা পাতি বছৰি দুই সেৰ ৰাথৰ শোধাই থাকিব দিলে। খুঞ্চ নামক পুত্ৰক নিজ ৰাজ্যৰ নিমিত্তে ৰাখিলে। পূৰ্ব্বৰ কথা মতে লঙ্গোক থেহু দেশৰ ৰাজা পাতি পঠালে। এই-সকল ৰাজা পাতি পৰে খুন্লুঙ্গ স্বৰ্গ লৈ গলত পিতৃ ৰাজ্য মুংখুমুংজাউতে খুঞ্চ ৰাজা হৈ পচিশ বছৰ ভোগ কৰি স্বৰ্গী হল। এওঁৰে পুত্ৰ চাউ-চেকাওঁ ৰাজা হল, ভোগ উনৈশ বছৰ। এওঁৰে পুত্ৰ ত্যাওঁখুঞ্জা ৰাজা হল, ভোগ পোন্ধৰ বছৰ। এওঁৰে পুত্ৰ ত্যাওখুঞ্জুন ৰাজা হল। ১৭॥

খুন্লুঙৰ পুত্ৰ সক-লৰ ৰজ-কাটল

সম্প্ৰতি খুন্লাইৰ প্ৰস্তাবো লিখা যায়। এই খুন্লাই মুংৰিমুংৰামতে ৰাজা হৈ ৭০ সত্তৰ বছৰ ভোগ কৰি স্বৰ্গী হল। ইন্দ্ৰৰ শাপৰ দ্বাৰা স্বৰ্গ লৈ যাব নোৱাৰিলে। পৰে এওঁৰে পুত্ৰ ত্যাও-আইজেপত্যাতফা ৰাজা হল। চল্লিশ বছৰ ভোগ কৰি অপুত্ৰক হৈ স্বৰ্গী হল। ১৮॥

খুন্লাইৰ ৰাজত্ব

এওঁৰেই ৰাজা হোৱা বছৰৰ পৰা শকাদিত্যৰ শকৰ দৰে চলিবলৈ লেংচং অৰ্থাৎ এক দুই ক্ৰমে লাক্লি অৰ্থাৎ শক চলায়। এই হেতুকে এই লাক্লিকে আইজেপী লাক্লি বোলে। ও নৰা এবং মানৰ দেশতো এই লাক্লি চলিত হৈ আছে। ১৯॥

আইজেপী শক

পাচে অৰাজক হলত, পাত্ৰমন্ত্ৰীয়ে কটকী পঠাই মুংখুমুংজাও দেশৰ ঐ ত্যাওখুঞ্জুন ৰজালৈ জনালত তেওঁৰ পুত্ৰ খাম্পাংফাক পঠাই দিলে। পঠোৱা কালত তাওখুঞ্জুন ৰাজাৰ ভোগ ১১ এঘাৰ বছৰ হৈছিল। পাচে খাম্পাংফা আহি ৰজা হৈ ২৫ পঁচিশ বছৰ ভোগ কৰি জ্যেষ্ঠ পুত্ৰ খামত্যাপ্ফাক নিজ দেশতে

খাম্পাংফা

ৰাজা পাতি কনিষ্ঠ পুত্ৰ খাম্‌তিপ্‌কাক মাউঙ্গ দেশত ৰাজা পঠাই স্বৰ্গী হল। ২০ ॥

পাচে মাউঙ্গুঙ্গতে খাম্‌তিপ্‌কা ৰাজা ৫০ পঞ্চাশ বছৰ ভোগ কৰি স্বৰ্গী হল। তৎপুত্ৰ নিকামাও ৰাজা হল, ভোগ ৪০ বছৰ। তৎপুত্ৰ

চুকাফাৰ পূৰ্ব্বৰ ৰজা সকল

চুখুংকা ৰাজা হল, ভোগ ৪১ বছৰ। তৎপুত্ৰ চুকাইকা ৰাজা হল, ভোগ ৩৪ বছৰ। তৎপুত্ৰ চুহেন্‌কা ৰাজা হল ভোগ ৩৩ বছৰ। তেওঁ মৰণান্তে তৎপুত্ৰ চুতাওকা ৰাজা হল, ভোগ ৩২ বছৰ। এওঁ মৰণান্তে এওঁৰ পুত্ৰ চুপত্‌কা ৰাজা হল, ভোগ ২৭ বছৰ। তদনন্তৰ ঐ ৰাজা মৰণান্তে তৎপুত্ৰ চুয়ানকা ৰাজা হল। তেইশ বছৰ ভোগ কৰি স্বৰ্গী হল। ঐ চুয়ানকা ৰাজা মৰণান্তে তৎপুত্ৰ চুহন্‌কা ৰাজা হৈ ১২ বছৰ ভোগ কৰি লোকান্তৰ হল। ঐ জনা ৰাজা লোকান্তৰ হোৱাত তেওঁৰে পুত্ৰ চুহাওকা ৰাজা হল। ভোগ ১৯ বছৰ কৰি স্বৰ্গী হল। তেওঁ মৰণান্তে তৎপুত্ৰ চুলিপ্‌ফা ৰাজা হৈ ২১ বছৰ ভোগ কৰি অপুত্ৰক হৈ স্বৰ্গী হল। পাচে পাত্ৰমন্ত্ৰীসকলে মন্ত্ৰণা কৰি জুনলুঙ্গ দেশৰ ৰাজালৈ জনাই ৰাজাৰ সন্তান ত্যাওতাইপং কোঁৱৰক আনি ৰাজা পাতিলে। ১৫ পোন্ধৰ বছৰ ভোগ কৰি স্বৰ্গী হল। এই ৰাজা মৰণান্তে তৎপুত্ৰ ত্যাওতাইফা ৰাজা হল। ভোগ বাৰ বছৰ কৰি স্বৰ্গী হল। তৎপুত্ৰ ত্যাওলুলু ৰাজা হল। ১৯ বছৰ ভোগ কৰি স্বৰ্গী হল। এওঁ ৰাজা মৰণান্তে তস্য পুত্ৰ ত্যাওত্যাংমুন্ ৰাজা হল। ১৫ বছৰ ভোগ কৰি অস্ত হল। তদপৰ ঐ ৰাজাৰ পুত্ৰ তাওত্যাংজাও ৰাজা হল। সাত বছৰ ভোগ কৰি স্বৰ্গী হল। ঐ ৰাজা অপুত্ৰক হেতু ভায়েক ত্যাওতাইপ ৰাজা হল। নবছৰ ভোগ কৰি গত হল। এওঁ ৰাজা মৰণান্তে তৎপুত্ৰ তাওচেন্‌ফা ৰাজা হল। এঘাৰ বছৰ ভোগ কৰি অপুত্ৰক হৈ অস্ত হল। এই ৰাজা অপুত্ৰক হেতু ভায়েক তাওলুচু ৰাজা হল। ১৪ বছৰ ভোগ কৰি নিঃসন্তান হৈ স্বৰ্গী হল। এওঁ ৰাজা অপুত্ৰক নিমিত্তে ভায়েক ত্যাওজাচু ৰাজা হৈ আঠ বছৰ ভোগ কৰি গত হল। ঐ ৰাজা মৰণান্তে

তৎপুত্ৰ ত্যাওখুন্‌মেন্ বাজা হৈ ওঠব বছৰ ভোগ কৰি স্বৰ্গী হল। অতঃপৰ ঐ ৰাজা মৰণান্তে তস্য পুত্ৰ ত্যাওখুন্‌কুম্ ৰাজা হল। আঠ বছৰ ভোগ কৰি গত হল। তৎপুত্ৰ ত্যাওতাইপুম্ ৰাজা হল। সোতৰ বছৰ ভোগ কৰি অস্ত হল। এই ৰাজা মৰণান্তে তস্য পুত্ৰ ত্যাওতাইলুং ৰাজা হল। পোন্ধৰ বছৰ ভোগ কৰি স্বৰ্গী হল।

কিন্তু এওঁ ৰাজাই শেষ কালত বৰ পুতেক পামেওপুঙ্গক নিজ ৰাজ্য দি সৰু পুতেক ফুত্যাংখাঙ্গক মুংমিত্‌কুপ্‌কিংনাও দেশৰ ৰাজা পাতি স্বৰ্গী হল। এই দেশকে অহমীয়াই মুংমিহকুপ্‌ক্লিং বোলে। পাচে পামেওপুং ৰাজা আঁৰবি বোগ হৈ সাত বছৰ ভোগ কৰি অপুত্ৰক হৈ স্বৰ্গী হল। ২১॥

এই ৰাজাৰ সন্তান নাই দেখি পাত্ৰমন্ত্ৰীসকলে মুংখুমুংজাও দেশৰ খুন্থু ৰাজাৰ বংশৰ ত্যাওআইম্‌খাম্‌নেঙ্গ কোঁৱৰক আনি ৰাজা পাতিলে।

সোমাৰুত আহোম ৰাজ্য স্থাপন

এই ৰাজা দহ বছৰ ভোগ কৰি স্বৰ্গী হল। এই ৰাজা মৰণান্তে তৎপুত্ৰ চুখান্‌ফা ৰাজা হল। ঐ মুংমিত্‌কুপ্‌কিংনাও দেশতে ফুত্যাংখাং ৰাজা সাত বছৰ ভোগ কৰি চুজত্‌ফা নামক এক পুত্ৰক তাইপ দেশৰ ৰাজা পাতি পঠালে। চুখান্‌ফা নামক এক পুত্ৰক তাইপং দেশৰ ৰাজা পাতি পঠালে। সৰু জনা পুত্ৰ চুকাফাক নিজ দেশতে ৰাজা পাতি স্বৰ্গী হল। পাচে ঐ চুকাফা ৰাজা ১৮ বছৰ ৰাজভোগ কৰাতে ও চুখান্‌ফা ৰাজাৰো ভোগ আঠ বছৰ হওঁতেই জুনলুঙ্গ দেশৰ ৰাজাবে চুখান্‌ফা ৰাজাৰ ৰণ হোৱাত সেই ৰণলৈ চুখান্‌ফা ৰজাই চুকাফা ৰাজাক মতাত নগল। সেই হেতু চুখান্‌ফা ও চুকাফা দুয়ো ৰাজাৰ বিৰোধ হল, এবং চুখান্‌ফা ৰাজাই চুকাফা ৰাজাক ধৰিবৰ মন্ত্ৰণা কৰা বুজ পাই, বলে নোৱাৰা হেন জানি মুংকং দেশলৈ গৈ সেই দেশৰ নইচান্ ৰাজাবে কথাবাৰ্ত্তা হৈ ঐ ৰাজাৰ চোমদেওক লুকাই হাত কৰি লৈ অহাত আইজেপী লাক্ৰিৰ হাঁ-পাক্-কাউ-চিপ অৰ্থাৎ ৫৯০ বছৰ গত হৈ, হাঁ-পাক্-কাউ-চিপ্-লেং অৰ্থাৎ ৫৯১ বছৰৰ প্ৰথম লাক্নি ক্যাপ্‌ত্যোও শক ও হিন্দুমতে

১১৫০ শকৰ ১৫ আঘোনত ভটীয়াই আহি এই সৌমাৰৰ পূৰ্ব্ব এক খণ্ডত স্থিত হল। স্থিত হৈ যি যি কৰ্ম্ম কৰিলে তৎবৃত্তান্ত নীচে লিখিবৰ আৰম্ভ কৰিলোঁ। অথ বুৰঞ্জীসাৰে দ্বিতীয় আধ্যা সমাপ্ত। ২২ ॥

দ্বিতীয় আধ্যা সমাপ্ত।

---

## তৃতীয় আধ্যা

---

### চুকাফাৰ পৰা চুপিম্ফালৈকে।

শকাব্দা ১১৫০ শকৰ ১৬ আঘোনত, ইংৰাজী ১২২৮ চনত, চুকাফা ৰাজাদেও আহোঁতে লগত মানুহ ১০৮০ জন, ও দতাঁল এক হাতী, ও মাকুন্দী এক হাতী, ঘোৰা ৩০০ তিনিশ, থাওমুংক্লিং-লুনমাংবাই বুঢ়াগোহাঁই, ও থাওমুংকানজন্ বৰগোহাঁই, এইখনি সহিতে চোমদেও দেৱতাক লগত লৈ আহিল। এনেতে দৈবাৎ মুংকং দেশৰ নইচান্ফা নৰা ৰাজাই চোমদেওক বিচাৰি নেপাই চুকাফাই নিলে হেন ভাবি চুকাফা ৰাজাক ধৰিবলৈ মানুহ পঠালে। ২৩ ॥

বুঢ়াগোহাঁই বৰ-গোহাঁই

সেই মানুহে খেদি আহি চুকাফা ৰাজাক লগ নেপাই যি ঠাইৰে পৰা উলটি গল সেইখনি ঠাইকে নৰা-ওলটা বোলে। পাচে ক্রমে চুকাফা ৰাজা আহি ওপৰ খাম্‌জাং স্থান পাই তাতে নগা প্রভিতিক জিনি সীমা পাতি লগৰে বৰ-

চুকাফাৰ তৈয়াম যাত্রা

গোঁহাইৰ ডেকা কাংখ্রাংমুঙ্গক গাওঁখোৱা পাতি সেই গাৱঁৰে উৎপন্ন দ্রব্যবে চই অথচ পঁচা শোধাই থাকিবলৈ আজ্ঞা দি পাটকাই নামক স্থান পালে। সেই স্থানতে নগাবে ৰণ হলত নগাৰ চাং সহিতে গৰকি অথচ জিনি মামৰূপ পালে। তাতে এক বৎসৰ থাকি তিপাম ও শলগুৰি ও হাবুং ও শিমলুগুৰি এইসকল স্থানত ঠাই ঠাই দুই তিন বছৰ থাকি সেই সেই ঠাইৰ নীতি-ধাৰণ বুজি চৰাইদেওত নগৰ কৰিলে। ২৪॥

মটকৰে মিত্ৰতা

কিন্তু ইতঃপূৰ্ব্বে ১১৬৪ শকত মটকৰ বদৌচা ৰাজা ও বৰাহীৰ থাকুম্থা ৰাজা এই দুই ৰাজাৰে চুকাফা ৰাজাদেও মিত্ৰ কৰি ও মিলেৰে বশ কৰি ১১৭৩ শকত মটকক খৰিভাৰী ও বাৰীচোৱা কৰি ললে। এই মটককে মৰাণ বা মোৱামৰা বোলে। ২৫ ॥

মটক বা মৰাণ

তেওঁলোকৰ আচল স্থান শদিয়াৰ দক্ষিণ ফালে কাকতল বোলে তাতে আদ স্থান। অন্য অন্য স্থানেও তেওঁবিলাকৰ ধৰ্ম্মধাৰী লোক অনেক আছিল। কালক্ৰমে ইদানীক বিছো হ্রাস হৈ আহিছে। তেওঁলোকক এক মতে হিন্দু বুলিব পাৰি। কিন্তু তেওঁলোকে সময় মতে সৰ্ব্ব দ্রব্যকে গ্রহণ কৰে, বেদাচাৰ ৰৰকৈ মান্য নকৰে। আচলে তেওঁলোকে বিষ্ণুকে ভজন কৰে, এই হেতুকে বৈষ্ণৱো বোলা যাব পাৰে। সেই যাহওক, চুকাফা ৰাজাদেৱে মটকক খৰিভাৰী ও বাৰীচোৱা কৰি কৌশলে ললে। ২৬।

বৰাহী বন্দুৱা

বৰাহীক কাঠকটীয়া, ও চাংমাই, ও ৰান্ধনী চাংমাই, ও ভৰালী, ও জবাধৰা, ও বেজ, ও কুকুৰাচোৱা, এনে বন্দুৱা কৰি ললে। এই বৰাহায়ে এই ৰাজ্যত কোৰাকৰা কৰিবলৈ ধৰিলে, বোলে এই ৰজা প্রজাখন আহি আমাক ছলেৰে বন্দুৱা কৰি ললে, তথাপি আমাৰ মনে বিষম নালাগে। এই দৰেই খাটি-লুটি অহা যোৱাকৈ থাকিবৰ মনহে যায়। ২৭॥

এতেকে ইহঁত দেও-গঁচ মানুহ। ইহঁতৰ সম কোনো নাই, ইহঁত অসম মানুহ। এই ৰূপে ৰাজ্যত কৈ ফুৰোঁতে অসম নাম খ্যাত হল দেখি, তেতিয়াৰ পৰা ৰজা ও লগত অহা প্ৰজা সকলকো অসম বুলিলে। এই অসমৰে দেশ হল কাৰণ অসমৰ দেশ বোলে, ও আহম জাতিও বোলে। ২৮ ॥

অসম ৰাখ্যা

পূৰ্ব্বে মত্ত মাংস সৰ্ব্ব ভক্ষ্য আছিল। সে যাহওক, ঐ চুকাফা ৰাজাদেৱে যোগানৰ নিমিত্তে মৰাণৰে মানুহ দি ৰজাৰ দেওপূজালৈ গছিকলা খাত, ও পিতৃকৰ্ম্মলৈ ৰবাখোৱা খাত, ও নিজ উপভোগলৈ এঙ্গেৰা খাত, এই তিনিখন খাত কৰিলে। এবং ক্ৰমে গাওঁভূঁইসকল বশবৰ্ত্তী কৰি চুকাফা ৰাজাদেও স্বৈৰ্য্য হল। ২৯ ॥

আহোম ৰাজ্য

পাচে নৰা ৰাজাৰ সহিতে প্ৰীতিৰে থাকিবৰ মনেৰে পত্ৰ-সন্দেশ দি নৰা দেশৰ নইচান্‌ফা ৰাজাত বাৰ্ত্তা কৰলৈ কটকী পঠালে। নৰা ৰজা সেই পত্ৰ পাই চোমদেওক অনা বুলি মনেৰে ভৱা কথা অস্থিৰ মানিলে, এবং ঘৰৰে এজনাই দেশ মাৰি লোৱা বাৰ্ত্তা শুনি নইচান্‌ফা ৰাজাই পৰম হৰ্ষ পালে। ও পুনৰ চুকাফা ৰাজাদেৱলৈ সোনোৱালী টুপী ও ঘোৰা দি পঠালে। তাৰে পৰাহে নৰা ৰাজাৰে গতাগত চলিত কৰি ৰাখিলে। এই নইচান্‌ফা ৰাজাকে অসমীয়া বুৰঞ্জীত চুখ্ৰান্‌ফা বোলে। ৩০ ॥

নৰাৰে মিত্ৰতা

আৰু পূৰ্ব্বত খুন্‌লুং ককায়েক, আৰু খুন্‌লাই ভায়েক, এই হেতুকে খুন্‌লাইৰ পৰা তোলনীয়া ৰূপেই বা তেওঁৰ পদত স্থিতি হৈ যি কেইঘৰ বাঢ়িল, সেই কেইঘৰক খুন্‌লুঙ্গৰ সেই ক্ৰমে বঢ়া কেই-ঘৰে বয়োধিক হলেও ভাই-ৰাজাহে বোলে। এবং খুন্‌লাইৰ পৰা বঢ়া কেই ঘৰেও খুন্‌লুঙ্গৰ পৰা বঢ়া কেইঘৰক বয়স কনিষ্ঠ হলেও ককাই-ৰাজা বোলে। কিন্তু এই সমন্ধ ভাই ভাই সমানতহে। দদাই ভতিজা ককা নাতি এনে যাৰ যেতিয়া হয়, তেতিয়া ঐ দদাই ভতিজা

আহোমৰ সম্বন্ধ

বা কক্কা নাতি এই সমন্ধকে ধৰে। তাতে ককাকক পোথাও, নাতিয়েকক নাতি, ববৰাপেকক নিচাও, এনে ভাবা মাত্র লবে। এই হেতুকে অসম সমন্ধ অন্ত পৰ্য্যন্ত গুৰিব বৰ ঘৰেই বৰ, সৰু ঘৰেই সৰু। এই ৰূপে ভাই ভাই সমান পুৰুষত চলিত হৈ আছে। ৩১ ॥

আৰু এই ৰজাদেৱৰ দিনতো পৰিধান কৰা বস্ত্ৰ, বচোৱাল, টঙ্গালী মুৰত পথৰৌ অথচ ছুই মূৰে ৰঙ্গা আচুৰ ফুল দিয়া কপাহীৰ গামোচা মত মূৰত মেৰাই বন্ধা নিয়মহে আছিল। ও খোৱা বিষয়তো টোপোলাত মদ, গাহৰি, কুকুৰা গ্ৰহণ কৰিছিল। ৩২ ॥

ৰজাৰবীৰা খাৱন-পিৱন

পৰে ঐ চুকাফা ৰজাৰ চুথাংফা নামেৰে এক, চুতেউফা নামেৰে এক, আৰু একজন, মোঠে তিনিজন পুত্ৰ ৰাখি চুকাফা ৰাজাদেও সৌমাৰত ৩৯।৪।১৫ অৰ্থাৎ ৩৯ বছৰ, চাৰি মাহ, পোন্ধৰ দিন ভোগ কৰি স্বৰ্গী হল, এওঁ ৰাজাই প্ৰথম। ৩৩ ॥

চুকাফাৰ মৃত্যু

চুকাফা ৰাজা মৰণান্তে এওঁৰ তিনি পুত্ৰ মধ্যে চুতেউফা ১১৯০ শকত ৰাজা হৈ পিতৃৰ আৰ্জ্জিত ৰাজ্যখনি মাত্ৰ ভোগ কৰি আছিল। এবং এওঁ ৰাজাৰ দিনতে ওপৰৰ ক্লিংলুন্‌মাংৰাই মৃত্যু হোৱাত পুতেক থাওকক বুঢ়াগোহাঞি হল ও কানজন্‌ ৰৰগোহাঞি মৰিলত পুতেক চাওবিন ৰৰগোহাঞি হল। পৰে ঐ চুতেউফা ৰাজাৰ চুবিন্‌ফা নামে এক আৰু তিনি জন পুত্ৰ ৰাখি ১২০৩ শকত স্বৰ্গী হল, ভোগ ১৩ বছৰ। দ্বিতীয় ৰাজা গত। ৩৪ ॥

চুতেউফা

এওঁ চুতেউফা ৰাজা মৰণান্তে এওঁৰ চাৰি পুত্ৰৰ মধ্যে চুবিন্‌ফা ১২০৩ শকত ৰাজা হৈ পিতৃৰ আৰ্জ্জিত ৰাজ্যকে ভোগ কৰিলে। এবং এওঁৰ দিনতে ঐ থাওকক বুঢ়াগোহাঞি স্থানান্তৰ হৈ মৰিল, থাওমং-চাওবিন-চেঙ্গ-ৰৰপোন ৰৰ-গোহাঞি হল। ৰৰপাত্ৰ, ৰৰবৰুৱা, ৰৰফুকন এই ৰাজাৰ দিনত নাই। এওঁ ৰাজাৰ চুখাংফা আৰু এটি পুত্ৰ ৰাখি ১২১৫ শকত ঐ চুবিন্‌ফা ৰাজা স্বৰ্গী হল, ভোগ বাৰ বছৰ। তৃতীয় ৰাজা গত। ৩৫ ॥

চুবিন্‌ফা

ঐ চুবিন্‌ফা ৰাজা মৰণান্তে দুই পুত্ৰৰ মধ্যে চুখাংফা ১২১৫ শকতে ৰাজা হল। এওঁলৈকে কমতেশ্বৰে দুই জীয়েকক দি মিত্ৰ কৰিলে। এই দুই জনা জীয়ৰীৰ বৰ জনাৰ নাম ৰাজনী ও সৰু

চুখাংফা

জনাৰ নাম ভাজনী। এওঁ ভাজনীৰ সন্তান নাথাকিল। ৰাজনীৰ গৰ্ভে তাওচুলাই নামে এটি কোঁৱৰ হল। আৰু অন্য এজনা কুঁৱৰীৰ গৰ্ভে তিনি জনা কোঁৱৰ হল। বৰজনাৰ নাম চুখ্ৰাম, মধ্যম জনাৰ নাম চুতু, সৰু জনাৰ নাম ত্যাওখাম্‌থি এই তিনি জনা পুত্ৰ হল। এওঁ ৰাজাৰ দিনত নতুনকৈ বুঢ়াগোহাঁই নহল। সাত-ঘৰীয়াৰ তাক্ৰিখিন্ বৰগোহাঞি হল। বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নাই। এওঁ ৰাজাদেও পিতৃ ৰাজাৰ ৰাজ্যকে ভোগ কৰি ১২৫৪ শকত ঐ চুখাংফা ৰাজা স্বৰ্গী হল, ভোগ ৩৯ বছৰ। চতুৰ্থ ৰাজা গত। ৩৬॥

ঐ চুখাংফা ৰাজা মৰণান্তে এওঁৰ বৰ পুত্ৰ চুখ্ৰাংফা ১২৫৪ শকত ৰাজা হৈ পিতৃৰাজ্যকে ভোগ কৰিলে। এওঁ ৰাজাৰ দিনত ঐ থাওকক বুঢ়াগোহাঞিৰ বৰ পুত্ৰ থাওক্ৰংডাম্ বুঢ়াগোহাঞি

চুখ্ৰাংফা

হল। ও চাওবিন মৰিলত সাতঘৰীয়াৰ খুন্তালাকৰ তাক্ৰিখিন্ বৰগোহাঞি হল। পাচে এওঁ ৰাজাদেওৰ দিনতো বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নহল। পূৰ্ব্বোক্ত ৰাজ্যকে ভোগ কৰি ১২৮৬ শকত ঐ চুখ্ৰাংফা ৰাজা স্বৰ্গী হল, ভোগ ৩২ বছৰ। পঞ্চম ৰাজা গত। ৩৭॥

এই চুখ্ৰাংফা ৰাজা মৰণান্তে এওঁৰ ভায়েক চুতুফা ১২৮৬ শকত ৰাজা হল। এওঁৰ দিনতো থাওক্ৰংডাম্ বুঢ়াগোহাঞি ও তাক্ৰিখিন্ বৰগোহাঞি আছিল। এওঁ ৰাজা পিত্ৰাৰ্জ্জিত

চুতুফা

ৰাজ্যকে ভোগ কৰি থাকোঁতে চুটিয়াৰ ৰাজাই সখি কৰি চ'ৰানাও খেলাবলৈ নি ১২৯৮ শকত মাৰিলে। এই হেতুকে এই চুতুফা ৰাজাৰ ভোগ বাৰ বছৰ। ষষ্ঠ ৰাজা গত। ৩৮॥

এওঁ চুতুফা ৰাজা মৰণান্তে মন্ত্ৰীসকলে কোঁৱৰ সকলৰ কাবো আঁশে ভাল নাপাই ১২৯৮ শকৰ পৰা ১৩০২ শকলৈকে ৰীতিমত ৰাজ্য শাসন কৰে। এই হেতুকে অৰাজ্য বোলা যায়। ৰাজত্ব ৪ বছৰ। ৩৯ ॥

মন্ত্ৰী শাসন

পৰে মন্ত্ৰীসকলে আঁশে ভাল পাই চতুৰ্থ চুখাংফা ৰাজাৰ সৰু পুত্ৰ ত্যাওখামথিক ১৩০২ শকত ৰাজা পাতি ললে। এওঁ ৰজাৰ দিনতে চাওথাইথুম্ বুঢ়াগোহাঞি হল। বৰগোহাঞি পৰীয়া ত্যাতানবিন্ বৰগোহাঞি হল। এওঁ ৰাজাৰ দিনতো বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নাই। ৪০ ॥

ত্যাওখামথি

এই জনা ৰাজাৰে বৰ সৰু দুই জনা কুঁৱৰী। সৰু জনা কঁৱৰীৰ গৰ্ভ হৈছিল। ইতিমধ্যে পূৰ্ব্বোক্ত জ্যেষ্ঠ-ভ্ৰাতৃ-বধী চুটিয়া ৰাজাক ধৰিবাৰ মনেৰে বৰকুঁৱৰীকে ৰজাদেৱে নিজ ৰাজ-পাটৰ অধিকাৰিণী পাতি অথচ ৰাজা পাতি থৈ খেদি গল। চুটিয়া ৰাজা এই বাৰ্ত্তা শুনি পলাই পৰ্ব্বতলৈ গল। সেই হেতু চুটিয়া ৰাজাক নাপাই ৰাজাদেৱ নগৰলৈ ফিৰি আহিল। ৪১ ॥

বৰকুঁৱৰীৰ শাসন

কিন্তু নগৰ আহি নোপোৱাতেই এখেত বৰকুঁৱৰীয়ে সৰুজনা কুঁৱৰীৰ গৰ্ভ হোৱা দেখি তেওঁৰ পুত্ৰসন্তান হলে ৰাজাৰ বল্লভ ও ৰাজমাতা হব এই ভাবি ক্ৰূৰচৰিত্ৰা স্ত্ৰীজাতি নিৰ্দ্দয় ও নিষ্ঠুৰ সতিনীৰ খেপত থাকি মিছা দায় এটা উলিয়াই সৰু জনা কুঁৱৰীক কাটিবলৈ আজ্ঞা দিলে। পাচে কাটিবলৈ নিওঁতে বাটত বুঢ়াগোহাঞি ডাঙৰীয়াই পাই সগৰ্ভা দেখি নকাটিকৈ ৰাখি ভুৰত তুলি সেই কুঁৱৰীক দিহিঙ্গ নৈত উটাই দিলে। ৪২ ॥

সতিনীৰ খেপ

এবং উটি গৈ হাবুং পালে। তাতে হাবুঙ্গীয়া ব্ৰাহ্মণ এজনে গা ধুবলৈ যাওঁতে ভুৰ ধৰি সোধাত আদ্যোপান্ত সকলো কথা কলে। ব্ৰাহ্মণেও ৰাজাৰ কুঁৱৰী আৰু সগৰ্ভা জানি দয়া-পূৰ্ব্বক ভুৰৰ পৰা তুলি নি আপোন ঘৰতে গোপন ভাবে প্ৰতিপালন কৰি ৰাখিলে। কালক্ৰমে সেই ব্ৰাহ্মণৰ ঘৰতে কোঁৱৰ

ব্ৰাহ্মণৰ ঘৰত সৰু কুঁৱৰী

এটি জন্মিল। পাচে কিছু দিনৰ মূৰতে কুঁৱৰী মৃত্যু হল। কিন্তু মৃত্যু হবৰ সময় কুঁৱৰীয়ে সেই লৰাটিক ব্ৰাহ্মণ-ব্ৰাহ্মণীক গতাই দি মৃত্যু হল। পাচে ব্ৰাহ্মণীয়েও আপোনাৰ পুত্ৰেকসকলৰ সহিতে পুত্ৰ হেন বোধ কৰি প্ৰতিপাল কৰি কোঁৱৰক তুলিলে। ৪৩ ॥

এখেত ৰাজাদেও নগৰলৈ আহিলত বৰকুঁৱৰীয়ে সতিনীয়েকৰ অনেক তুচ্চৰিত্ৰ মিথ্যা কথা প্ৰবঞ্চনা কৰিলে। ৰাজাদেও বৰকুঁৱৰীৰ কুহক কথাকে সত্য মানি থাকিল, যিহেতু স্ত্ৰীজিত পুৰুষৰ সৰ্ব্বত্ৰ অমঙ্গল ও অপযশ। পাচে ৰাজাদেও

ত্যাওখামথিৰ মৃত্যু

আপোন পিতৃ-ৰাজ্যকে ভোগ কৰি কিছুকাল আছিল। পৰে পাত্ৰ-মন্ত্ৰী-সকলে ভাল নেপাই ১৩১১ শকত ঐ ত্যাওখামথিক ৰাজা ভাজি প্ৰকাৰন্তৰে মাৰিলে, ভোগ নবছৰ। সপ্তম ৰাজা গত। ৪৪ ॥

পাচে মন্ত্ৰীসকলে আশৈ ভাল নাপাই চতুৰ্থ চুখাংফা ৰাজাৰ ৰাজনীৰ গৰ্ভত জাত ত্যাওচুলাই কোঁৱৰক ৰাজা নাপাতি ১৩১১ শকৰ পৰা ১৩২০ শকলৈকে ৰাজ্য শাসন কৰি আছিল। এই হেতুকে অৰাজ্য বোলা যায়, কাল নবছৰ। ৪৫ ॥

মন্ত্ৰী-শাসন

পাচে ৰজা হবলৈ নোপোৱা বেজাৰ থাকি ত্যাওচুলাই কোঁৱৰ উজাই নৰা দেশলৈ যাই চুকাম্ফা নৰা ৰাজাত জনালে, বোলে অসম দেশত আপোনাৰ বংশ নাইকিয়া হল। পাত্ৰ-মন্ত্ৰীসকলেহে ৰাজা হৈছে। ৪৬ ॥

ত্যাওচুলাইৰ আক্ষেপ

এই কথা কবলৈ যাওঁতেই এখেত গৰু সলাবলৈ যোৱা মানুহে ঐ হাবুঙ্গীয়া ব্ৰাহ্মণৰ ঘৰত বৰ মানুহৰ সন্তান হেন দেখি পৰস্পৰে সুধি আদ্যোপান্ত বুজি আহি কোঁৱৰটিৰ বাৰ্ত্তা জনোৱাত ডাঙৰীয়াসকলে আনিবলৈ মানুহ পঠালে। সেই মানুহে গৈ আনিবলৈ ধৰাত, কোঁৱৰটিয়ে কলে, আই-ভাইসকল লগত নগলে মই নাযাওঁ। এনে বুলি কোৱাত ডাঙৰীয়াসকলে ব্ৰাহ্মণৰ ঘৰো আহক, অথচ সমূলি তুলি আনিলে। পাচে ডাঙৰীয়াসকলে কোঁৱৰটিক দেখি আৰো সমূলি বৃত্তান্ত জানি-শুনি ত্যাওখামথি ৰাজাৰ বীৰ্য্য-

বামুণী কোঁৱৰ চুডাংফা

পুত্ৰ নিশ্চয় জানি ১৩২০ শকত সেই কোঁৱৰকে চুডাংফা নাম দি ৰাজা পাতিলে। ৪৭ ॥

এবং ৰাজা হৈ ব্ৰাহ্মণৰ লৰাইতক আপোনাৰ ককাই ভাই হেন বুলি কোঁৱৰ কৰি দিহিঙ্গত পাতিলে। সেই বামুণৰ লক্ষ্মী-নাৰায়ণ শালগ্ৰাম এখনি আছিল। সেই শালগ্ৰাম ভিতৰত ৰাখিলে। তাৰ পৰা চাঙ্গত লক্ষ্মী-নাৰায়ণ গোসাঞি চলিল। আৰু এই জনা ৰাজাকো এবং বামুণৰ সেই লৰাবোৰকো এই হেতুকে বামুণী কোঁৱৰ বুলিলে। ৪৮ ॥

ৰাজ-চাঙ্গত শালগ্ৰাম

পাচে ঐ ত্যাওচুলাই কোঁৱৰৰ মুখে অসমত বংশ নাই হেন জানি, নৰা ৰজা চুকণ্‌ফাই তেওঁৰ ফালৰ ত্যাচিন্‌পৌ বৰগোহাঞিক সেনাপতিকৈ দেশ লোৱাৰ মনেৰে সৈন্য-সামন্ত সহিতে পঠালে। সেই বৰগোহাঞি কুঁহিয়াৰবাৰীত কোঠ দিলেহি। পাচে আমাৰ ৰাজাদেও সৈন্য-সামন্ত সহিতে আগ বাঢ়ি গৈ যুদ্ধৰ আৰম্ভণ কৰাত, নৰাইঁতে বোলে, আমাৰ ৰজাৰ বংশৰ কোনো ৰাজা নাই বোলাত হে আমি আহিলোঁ। এতিয়া আমাৰে ৰাজাৰে একো বিবাদ নাই। এই বুলি কৈ হুঁইকি গল। এনেতে চুডাংফা ৰাজাৰ ফালৰ ত্যাতান-বিন্ বৰগোহাঞি বাঢ়ি গৈ পাটকাইতে দুয়োদলে মিলামিলি হল। ৪৯ ॥

আহোম-নৰা মিলা-প্ৰীতি

পাচে দুয়োফালৰ ৰাজ-আজ্ঞাৰে দুয়ো দলে পাটকাই ওপৰৰ নঙ্গ-ঞাঙ্গ পানীতে অথচ পৰ্ব্বতৰ জুৰিতে হাত জোৰৰাই, অথচ হাত সোমাই, এবং কুকুৰাকো কাটি সপত কৰি লাক্ৰি ডাপমাও ১৩২৩ শকত পাটকাই পৰ্ব্বতকে সীমা কৰি, দুয়ো বৰগোহাঞিৰ দুইটা মূৰ্ত্তি শিলত কটালে। নঙ্গঞাঙ্গৰ অৰ্থ এই, নঙ্গ=বিল, ঞাঙ্গ=আছে, আৰু বুলিলে, এই পৰ্ব্বতকে আমি সীমা কৰিলোঁ। এতেকে দুয়োৰো মূৰ্ত্তিয়েই চিন থাকিব। আৰু এই সীমা এৰি কোনোৱে কোনো কালে বাঢ়ি আক্ৰমণ কৰিব নাপায়। এইৰূপে মিলা-মিলি কৰি সীমা পাতি উভয়ে আপোন আপোন ঠায়ে গল। ৫০ ॥

নৰা-আসাম সীমা

এই পাটকাই পৰ্ব্বতক চুকাফা ৰাজাদেও অসম দেশলৈ অহা কালত ভই-কাউ-ৰঙ্গ বুলিছিলে। তাৰ অৰ্থ এই, ভই = পৰ্ব্বত, কাউ = নটা, ৰঙ্গ-গোট খোৱা। পাচে এই সীমা কৰাৰ পৰা পাটকাই-চেংকান্ বুলিলে। পাচলৈ কেৱল পাটকাই নামহে চলিল। ঐ পাটকাই-চেংকানৰ অৰ্থ এই, পাট = কাটি, কাই = কুকুৰা, চেং = শপত, কান = লগালে। সেই ঠাইতে পৰে চুডাংফা ৰাজাদেও, দিহিঙ্গৰ কোষৰ চৰগুৱাত নগৰ কৰিলে। এই জনা ৰজাদেৱৰ দিনতো ঐ ওপৰৰ চাওথাইথুম্ বুঢ়াগোহাঞি ও ত্যাতানবিন্ বৰ-গোহাঞি আছিল। বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নাই। ৫১॥

চৰগুৱাত নগৰ

পাচে ৰাজাদেও সেই চৰগুৱা নগৰতে শিঙ্গৰিঘৰ, পাটঘৰ কৰি উঠিলে। অৰ্থাৎ এই নিয়ম হল, শিঙ্গৰি কাঠৰ তক্তা কৰি তক্তাবে ঘৰ কৰে। সেই ঘৰ নানা মতে জাতিকাৰ ও অল-ত হয়। এবং দিন ধাৰ্য্য হয়, সেই দিনে ডাঙ্গৰীয়া ও অপৰ ফুকন বৰুৱা বিষয়াদি সকলো সেই সুন্দৰমতে বস্ত্ৰালঙ্কাৰ পিন্ধি উপস্থিত হব লাগে। ও ৰাজাদেও মুখ্য পটেশ্বৰী সহিত বিধি-মতে স্নানপূৰ্ব্বক বস্ত্ৰালঙ্কাৰ সহিত বিভূষিত হৈ দেওধাই ও বাইলুঙ্গ সহিত সেই ঘৰে সিংহাসনত মুখ্য পটেশ্বৰী সহিতে বহে, এবং ডাঙ্গৰীয়া ও ফুকন বৰুৱাদি ও দেওধাই বাইলুঙ্গসকল যথা নিয়মমতে বহে। সেই সময় গায়ন-বায়নসকলে গান-বাজন ও নৃত্যকীসকলে নৰ্ত্তন কৰে। ও দেওধাইসকলে ইন্দ্ৰাদি দেৱতাক আহোমমতে পূজা কৰি ও বাইলুঙ্গসকলে আহোমমতে পূজা ও স্তুতি-পাঠ-পূৰ্ব্বক ৰাজাদেওক আশীৰ্ব্বাদ কৰে। সেই সময়তে যথাসাধ্য আহোম অক্ষৰে ৰূপৰ সোনৰ মোহৰ মাৰে। তদপৰ ডাঙ্গৰীয়া প্ৰভৃতিকে ভোজন কৰায়। সকলো বিষয়া ও ডাঙ্গৰীয়াসকলো যাক যি বস্ত্ৰালঙ্কাৰ পৰিধান কৰিবৰ বিধান হৈছে, সেই মতে বস্ত্ৰালঙ্কাৰ বঁটা দিয়ে, অথচ বকৃচিচ্-স্বৰূপ পুৰস্কাৰ দিয়ে। কিন্তু সেই সময় বস্ত্ৰালঙ্কাৰৰ বিশেষ নক্সা নাই; কেৱল বচোৱাল টঙ্গালী মূৰত পিন্ধা, গামোচাৰ মত পথৰোজ বোলে, তাকে মূৰত

শিঙ্গৰিঘৰ উৎসৱ

সেৰাই বান্ধি থয়। এই জনা ৰজাদেৱৰ দিনৰ পৰাহে শিঙ্গৰিঘৰ উঠা নিয়ম হল। ৫২ ॥

শিঙ্গৰিঘৰত উঠিলেহে মোহৰ মাৰিব পায়। মহাৰাজা অথবা ৰাজৰাজেশ্বৰ চক্রবর্ত্তী নৰপতি সংজ্ঞা হয়। এই শিঙ্গৰিঘৰ উঠাতে বস্ত্ৰালঙ্কাৰাদিও খাদ্যসামগ্রীতে বিপুল ধন ব্যয় হয়।

আহোম মোহৰ

এই হেতুকে নীচোক্ত কোনো ৰাজাসকলে শিঙ্গাৰ-ঘৰ নুঠাকৈও মোহৰ মাৰিছিল। যাহওক শিঙ্গৰিঘৰ ৰাজাদেও উঠিলেহে প্ৰতিষ্ঠিত ৰাজা হয় ও দেশদেশান্তৰে খ্যাতি হৈ যায়। এই মতে বঁটা অথচ পুৰস্কাৰ দিলেই ৰাজাদেও ও পটেশ্বৰী সিংহাসনৰ পৰা উঠি স্বগৃহে যায়, ও অন্যসকলো আপোন আপোন স্বগৃহাগত হয়। এই মতে সভা বিসৰ্জ্জন হয়। তদপৰ ৰাজাদেও শিঙ্গৰিঘৰ উঠি ঐ উজনি ফালৰ সীমাৰ কিছু ওচৰ হোৱাকৈ আপোনাৰ মাটিত গড় বাহৰ কৰি ৰাখিলে। পাচে কালক্ৰমে ১৩২৯ শকত ঐ চুডাংফা ওৰফে বামুণী কোঁৱৰ ৰাজা স্বৰ্গী হল, ভোগ নবছৰ। অষ্টম ৰাজা গত। ৫৩ ॥

ঐ বামুণী কোঁৱৰ ৰাজা মৰণান্তে এওঁৰ তিনিজন পুত্ৰ মধ্যে চুজাংফা ১৩২৯ শকত ৰাজা হৈ পিতৃ-ৰাজ্য ভোগ কৰিলে। খেন্‌পুং বুঢ়া-গোহাঞি হল, নাংচুখাম্ বৰগোহাঞি হল। পাচে ৰাজাদেও চাৰি জনা পুত্ৰ ৰাখি ১৩৪৪ শকত স্বৰ্গী হল, ভোগ পোন্ধৰ বছৰ। নবম ৰাজা গত। ৫৪ ॥

চুজাংফা

ঐ চুজাংফা ৰাজা মৰণান্তে এওঁৰ চাৰি জন পুত্ৰৰ মধ্যে চুফকৃফা ১৩৪৪ শকত ৰাজা হল। এই ৰাজা কেৱল পিতৃ-ৰাজ্য মাত্ৰ ভোগ কৰিলে। এবং খেন্‌পুং নামে বুঢ়াগোহাঞি ও লাংনিম্ বৰগোহাঞি হল। এইজনা ৰাজাদেৱৰ দিনতো বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নাই, নহল। পাচে দুই পুত্ৰ ৰাখি ১৩৬১ শকত চুফকৃফা ৰাজাদেও স্বৰ্গী হল, ভোগ সোত্ৰৰ বছৰ। দশম ৰাজা গত। ৫৫ ॥

চুফকৃফা

ঐ চুকক্‌ফা ৰাজা মৰণান্তে দুই পুত্ৰ মধ্যে চুচেন্‌ফা ১৩৬১ শকত ৰাজা হল। এই ৰাজাৰ দিনতো খেন্‌পুং বুঢ়াগোহাঞি ও লাংনিম্ বৰগোহাঞি হল। বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নাই। এই জনা ৰাজাদেৱে টঙ্গচু নগাৰে ৰণ হলত নগাৰ চাং অথচ বাসস্থান সহিতে দখল কৰি ৰণ জিকিল। এই জনা ৰাজাদেওৰ দিনতে নাগশঙ্কৰ দেৱালয় দ'ল ১৪০২ শকত কৰিলে। পৰে ৰাজাদেও ১৪১০ শকত স্বৰ্গী হল, ভোগ ৪৯ বছৰ। একাদশ ৰাজা গত। ৫৬॥

চুচেন্‌ফা

এওঁ চুচেন্‌ফা ৰাজা মৰণান্তে, এওঁৰে পুত্ৰ চুহান্‌ফা ১৪১০ শকত ৰাজা হল। এই ৰাজাদেওৰ আমোলেও খেনপুং বুঢ়াগোহাঞি আছিল। ত্যাওকাংবান্‌ৰেকক বৰগোহাঞি পাতিলে। বৰপাত্ৰ ও বৰবৰুৱা ও বৰফুকন নহল। পাচে কছাৰী ৰজাৰ সহিতে যুদ্ধ হল। এই যুদ্ধত কাৰো পৰাজয় নোহোৱাত থাকি মিলামিলি হৈ ৰাজাদেও কছাৰী ৰাজাক ছোৱালী দি মিত্ৰ কৰাত কছাৰী ৰাজাই মৰঙ্গিলৈকে দেশ এৰি ৰাজাদেওক দিলে। ৫৭॥

চুহান্‌ফা

পুনৰ টঙ্গচু নগাৰে ৰণ হল। সেই ৰণতে ত্যাওকাংবান্‌ৰেক বৰগোহাঁইৰ মূৰ কাটি নগাই নিলে। পাচে নঙ্গাৰাঙ্গ বৰগোহাঞি পাতি যুদ্ধলৈ পঠালে। বৰগোহাঞি গৈ চাং গৰকি নগাক মাৰি, নগাৰে লৰা-ছোৱালী যাঠী ফয় এনে আনিলে। আৰু সেই নগাৰে গোষ্ঠী টঙ্গচু এক ঘৰ, নেফেৰা এক ঘৰ, মৌপিয়া এক ঘৰ, এই কেই ঘৰ ঘৰোৱাহীকৈ আনিলে। এবং ৰাজাদেৱৰ তিনি পুত্ৰ হৈ এবংক্ৰমে ৰাজত্ব কৰি আছিল। পৰে ঐ খেনপুং বুঢ়াগোহাঞিৰ অনুমতিৰে লান্‌তুকন্‌বান্ নামক খুন্তাই অহমে ৰাজাৰ চাঙ্গৰ চঁছ আওঁতাবলৈ গৈ ১৪১৫ শকত জোঙ্গলা বাঁহেৰে ঐ চুহান্‌ফা ৰাজাদেওক খুঁচি মাৰিলে, ভোগ পাঁচ বছৰ। দ্বাদশ ৰাজা গত। ৫৮॥

নগাৰণ

ঐ চুহানৃফা ৰাজা মৰণান্তে এওঁৰ তিনি পুত্ৰ মধ্যে চুপিম্‌ফা ১৪১৫ শকত ৰাজা হল। পাচে পিতৃবধী লানৃতুকনৃবানক ঘৰোৱাহীকৈ শূলত দি মাৰিলে। তাৰ বংশৰ সকলো লোকক দৰিয়াত পাতিলে। এবং ঐ খেনপুং বুঢ়াগোহাঁইকো দোষস্বৰূপ দণ্ড কৰি ফনৃলুংখাম্‌পেঙ্গক ৰাজমন্ত্ৰী বাব দি বুঢ়াগোহাঞি পাতিলে। এবং ত্যাওফংবানৃকক বৰগোহাঞি, পাৰে নাতিয়েক স্ক্ৰাচেংমুং বৰগোহাঞি হল। বৰপাত্ৰ, বৰবৰুৱা ও বৰফুকন নাই। ৫৯॥

চুপিম্‌ফা

আৰু এক সময়ত নগাৰ খুনবাৱে পালসেৱা কৰোঁতে চমুৱা কুঁৱৰী এজনাই ভিতৰৰ পৰা জুমি চাই আছিল। পাচে ৰাজাদেও ভিতৰলৈ অহাত, খুনবাওটো বৰ ভাল মানুহ বুলি শলাগিলত, মোতকৈ নগাহে ভাল দেখিলে বুলি ৰাজাদেৱে সগৰ্ভা সেই চমুৱা কুঁৱৰীক সেই নগাৰে খুনবাওলৈ এৰি দিলে। পাচে নগা-চাঙ্গত গৈ লৰা এটি জন্মিল। পাচে ৰাজাদেও পিত্ৰাৰ্জ্জিত ৰাজ্যখনিকে ভোগ কৰি আছিল। পৰে ১৪১৯ শকত ৰাজাদেও স্বৰ্গী হল, ভোগ চাৰি বছৰ। তেৰ জন ৰাজা গত। ৬০ ॥

নগাচাঙ্গত চমুৱা কুঁৱৰী

তৃতীয় আধ্যা সমাপ্ত।

## চতুৰ্থ অধ্যায়

### চুহুম্মুঙৰ পৰা চুখাম্ফালৈকে।

এওঁ চুপিম্ফা ৰাজা মৰণান্তে এওঁৰে পুত্ৰ চুহুম্মুং ১৪১৯ শকত ৰাজা হল। দিহিঙৰ চৰগুৱাৰ ঐ বৰ নগৰত শিঙৰিঘৰ উঠি মোহৰ মাৰিলে।

চুহুম্মুং

এবং কোঁৱৰৰ দিহিঙীয়া ফৈদৰ মাজত প্ৰধান ৰাজা হল দেখি এওঁকে ওপৰ-দিহিঙীয়া ৰাজাও বোলে। এই ৰাজাদেৱে দিহিঙৰ মথাউৰি বন্ধালে। এবং তিপমীয়া ও চাৰিঙীয়া এই দুইখন খেল অথচ মেল পাতি আপোন বংশৰ এক এক জনক ৰাজা নাম দি ৰাখিলে। আৰু এওঁ ৰাজাদেৱৰ দিনতে ফন্‌লুংখামপেং ও থাওমংচাংৰাই ও থাওমংনাং-ধুপুৰা এই তিনি জনা ক্ৰমাত বুঢ়া-গোহাঞি হল। ফ্ৰাচেংমুং ও দদায়েক কালীখাম ও পুতেক তন্‌খাম এই তিনি জনা ক্ৰমান্বয়ে বৰগোহাঞি হল। ৬১॥

কন্‌চেং নামেৰে বৰপাত্ৰ গোহাঞি হল। এই ৰজাদেৱৰ দিনৰ পৰাহে বৰপাত্ৰ হল। আৰু এওঁ ৰজাদেৱৰ দিনৰে পৰা শকাদিত্যৰ শক

নৰা-যুদ্ধ

চলায়। আৰু প্ৰথমে চুকাফা ৰজাদেৱে ৰৰাই অহা খামজাঙত থকা আইতনীয়া ও পানী-নৰাৰেই যুদ্ধ হল। সিহঁত ঘাটিলত বৰকাহ, জাংফাই, নৰা-দা এইসকল দ্ৰব্যৰে পাল-সেৱা কৰি থাকিবলৈ নিবন্ধ কৰি দিলে। আৰু চুটিয়াৰ ৰাজা ধীৰনাৰায়ণ, মন্ত্ৰী কাচিতাৰা, এই দুইৰে লাক্ষি কাপচিঙা ১৪২১ শকত দিখৌ নদীৰ মুখতে যুদ্ধ হল। পাচে চুটিয়া ভাগি চন্দনগিৰি পৰ্ব্বতত উঠিল গৈ। তালৈকে ঐ দিহিঙীয়া ৰাজাদেৱৰ সেনাই খেদি গল। তাৰে কিছোসেনা পৰ্ব্বত উঠাত চুটিয়াই শিল বগৰাই মাৰিলে। অৱশেষ ৰণুৱা সেনা পৰ্ব্বতত উঠি চুটিয়া ৰাজাৰ মন্ত্ৰী আৰু চুটিয়া ৰাজাৰো মূৰ দুটা কাটি

আনি স্বৰ্গদেৱক দেখালে। পাচে সেই মূৰ দুটাকে চৰাইদেও ও সৰগদেও এই দুই দেওঘৰৰ জপলাৰ মূৰতে পুতি তাৰ ওপৰত শিল দিলে। সেই শিলতে ভৰি দি দেওঘৰলৈ ৰাজাদেওসকল উঠে। ৬২ ॥

এই ৰণ জিত হৈ চুটিয়া দেশ আক্ৰমণ অথচ দখল কৰি হাতী, ঘোৰা, সোন ও ৰূপ, অস্ত্ৰ-শস্ত্ৰ অনেক দ্ৰব্য পালে। আৰু সোনৰ হাথী, ও সোনৰ মেকুৰী, ও জৰা ও বেলা, ও মাইহাঙ্গ, ও সোনোৱালী তিনিচুকীয়া সিংহাসন ও খাত এইসকল দ্ৰব্য পাই সৰগদেও-ঘৰলৈ উৎসৰ্গি দিলে। আৰো তলে কেকোৰা-দোলা, আৰোৱান, ও দবা, ও কালি, ও ছিলৈ-তোলা চ'ৰানাও এইসকল দ্ৰব্য পাই ৰাজা ও ডাঙ্গৰীয়াসকলে বেৱহাৰৰ জন্যে ললে। আৰু শদিয়াৰ দেওঘৰত মানুহ নিবন্ধ কৰি দি শদিয়াখোৱা নামে বিষয় নিবন্ধ কৰি বুঢ়াগোহাঞি বংশৰ শদিয়াখোৱা পাতিলে। পাৰে চুটিয়া ৰাজাৰ পো-ভাই সহিতে চুটিয়াক পাকৰিগুৰিত পাতিলে অথচ বসত কৰালে। ৬৩ ॥

চুটিয়া দেশ দখল

পাচে লাক্নি কাতকেউ ১৪২৭ শকত বাৰভূঞাক ধৰালে অথচ বসঙ্গত কৰিলে। বাৰেভূঞাৰ অৰ্থ এই, তেওঁলোক এক ৰকম হিন্দু। সময় সময় দেশত ৰাজা নাইকিয়া অথবা ৰাজা থাকা সময়তো তেওঁলোকে ৪, ৫, ১০, ১২ গ্ৰাম অথবা তত্তোধিক গাৱঁৰ অধিপতি আপু• একত্ৰে হৈ দখল কৰে। সময় মতে স্বাধীনমত হৈ কোনো কোনো সময় ৰাজাৰ অধীন হৈ, সেই সেই গ্ৰামৰ কৰকাল দিয়ে; ইয়াকে বাৰেভূঞা বোলে। ৬৪ ॥

বাৰভূঞা

ঐ বাৰভূঞাক ৰাজাদেৱে বসঙ্গত অথচ অধীন কৰি তেওঁলোকৰ বচোৱাল, টঙ্গালী ও হাঁচটি এইসকল দ্ৰব্যৰ আদৰ্শ ললে। আৰু সিহঁতৰ লৰা কিছো সৰ্গদেৱে তামূলী ও পাঁচনিকৈ লগত ললে। আৰু ফ্ৰাচেংমুঙ্গক ৰাজমন্ত্ৰী স্বাব সহিতে বৰগোহাঞি পাতিলে। ঐ বৰগোহাঞি ডাঙৰীয়াই ঐ তলে

আহোম সভাত ভূঞাৰ সাং

কেকোৰা-দোলাকে লুটিয়াই, ওপৰে কেকোৰা মাৰি দি তলে কাপোৰৰ পহি ও নালৰ পৰা ছুটিকৈ চৈকৰ দাপণ লগাই নক্সা লগাই কেকোৰা-দোলা কৰিলে। আৰু ১৪৫৮ শকত নগা জিনি মহঙৰ লোণ-পুং ললে। ৬৫ ॥

চাৰি ঘৰ ৰাজকৈন্দ

আৰু স্বৰ্গদেৱে ওপৰ কেই জনা ৰজাদেৱৰ যি যি কোঁৱৰসকল আছিল, সেইসকলক পৃথক পৃথক শ্ৰেণী, কৈন্দ কৈন্দ কৰি দিহিঙ, ও চাৰিঙ, ও তিপাম, ও তুংখাং এই সকল ঠাইত পাতিলে। পাচে সেই সেই ঠাইৰ নামেৰেই কৈন্দৰ নাম হল। আৰু নাম ভেদ কৰি ফুকন ও ৰাজখোৱা পাতি গাওঁ দিলে। আৰি বকতাত নগৰ কৰিলে। অতঃপৰ মৰজিতে কছাৰীৰে যুদ্ধ হল। ৰণত কছাৰী ঘাটি ডেমেৰা খাচপুৰলৈ ভাগি গল। কাঁজলী-মুখলৈকে স্বৰ্গদেৱৰ অধীন দেশ হল। ৬৬ ॥

তুৰ্ব্বকৰ সৈতে ৰণ

পাচে দিল্লীৰ বাদ্‌সাহৰ তৰফ তুৰ্ব্বক সহিতে কলিয়াবৰতে প্ৰধান যুদ্ধ হল। এই ৰণতে ৰাজাদেৱৰ ফন্‌লুংখাম্‌পেং বুঢ়াগোহাঞি ও ফ্ৰাচেংমুং বৰগোহাঞি সহিতে আঠখন হেঙ্গদানৰ আঠজনা সেনাপতি সেনা সহিতে পৰিল। পাচে ত্যাওচাংৰাই বুঢ়াগোহাঞি ও কিলিংখাম্ বৰগোহাঞি এই দুই জনা ডাঙ্গৰীয়াক সেই ৰণলৈ পঠালে। কিন্তু শত্ৰুপক্ষৰে মিলিব খোজে হেন শুনি দুয়ো জনাক আনি অথচ তলবপূৰ্ব্বক নিয়াই ডাঙ্গৰীয়া ভাঙ্গি, লাঙ্গিধুপুৰাকে বুঢ়াগোহাঞি পাতিলে ও তন্‌শামক বৰগোহাঞি পাতিলে। ৬৭ ॥

কন্‌চেং বৰপাত্ৰ

ইতঃপূৰ্ব্বে প্ৰকাশ হৈ আছে, পুনঃ লিখা গল।— পূৰ্ব্বে এক সময়ত চুপিম্‌ফা ৰাজাদেৱক নগাৰ খুন্‌বাৰে পালসেৱা কৰোতে চমুৱা কুঁৱৰী এজনাই ভিতৰ ফালৰ পৰা জুমি চাই থাকি খুন্‌বাওক ভাল দেখি ৰজাদেও ভিতৰলৈ আহিলত, খুন্‌বাওটো ভাল মানুহ বুলি ৰাজাদেৱৰ আগত শলাগিলত মোতকৈও নগাকহে ভাল দেখিলে বুলি ৰাজাদেৱে সগৰ্ভা সেই চমুৱা কুঁৱৰীক সেই নগাৰ

খুন্‌বোওলৈকে দিলে। পাচে নগা-চাঙ্গত গৈ লৰা এটি জন্মিল। সেই লৰাই পালসেৰাত অজ্ঞাত কথোপকথনত ঐ চমুৰা কুঁৱৰীৰ গৰ্ভত থোৱা লৰা বুলি জনাজনি হলত, এই জনা ৰাজাদেৱে পিতৃ-বীৰ্য্য দেখি বিচাৰপূৰ্ব্বক ৰাখি আচল কুঁৱৰীৰ সন্তান নহয় কাৰণে সেই লৰাটিকে কন্‌চেং নাম দি বৰপাত্ৰ-গোহাঞি ডাঙ্গৰীয়া পাতিলে। এই কাৰণে নগা-বৰপাত্ৰৰ খৰ বোলে। এবং তেতিয়াৰ পৰা বৰপাত্ৰ-গোহাঁয়ে সহিতে তিনি জনা ডাঙ্গৰীয়া হল। ৬৮॥

পাচে তুৰ্ব্বকৰ সেই ৰণলৈকে ঐ কন্‌চেং বৰপাত্ৰ-গোহাঞি ও ঐ তন্‌খাম্ বৰগোহাঞি দুয়ো সৰ্গদেৱৰ আজ্ঞাৰে ডেকাৰজা সহিতে

তুৰ্ব্বকৰ পৰাজয়

গৈ তুৰ্ব্বকক মাৰি খেদি নি কৰতোয়া নদীত অস্ত্ৰ ধুই তাতে ১৪৫৪ শকত সীমা পাতি দৌল ও পুখুৰী কৰি চিন ৰাখিলে। ঐ দৌল ও পুখুৰী অদ্যাপিও থাকিব পায়। এই আপাহতে থাকি কন্‌চেং বৰপাত্ৰ-গোহাঞিক ৰাজ-মন্ত্ৰী পাতিলে। আৰু এই ৰণ জিকি অস্ত্ৰ-শস্ত্ৰ, বম, বৰটোপ ও হাতী ঘোৰা অনেক দ্ৰব্য পালে। পাচে গাজাৰ ফৌজে সহিতে ভৰাঁলী চেটিয়াক পত্ৰ-সন্দেশ দি গৌড় বাদ্‌সাহৰ ঠাইলৈ প্ৰীতিৰ নিমিত্তে পঠালে। বাদ্‌সাহে পূৰ্ব্বাপৰ কথাবাৰ্ত্তা সুধি পত্ৰ-সন্দেশ দি পঠালে। তাৰে পৰা গৌড় বাদ্‌সাহেৰে প্ৰীতি হল। পাচে কোঁচানৰ অথচ কোঁচবেহাৰৰ বিশ্বসিংহ ৰাজা, ঐ বিশ্বসিংহ ৰাজা কোন বংশ-সম্ভূত তদবিৱৰণ সংক্ষেপ মতে লিখা গল। ৬৯॥

কোঁচবেহাৰত হাড়িয়া নামে এক জন কছাৰী আছিল। তেওঁৰে হীৰা ও জীৰা নামৰে দুইটি স্ত্ৰী আছিল। ঐ হাড়িয়া কছাৰী পৰ্ব্বতত

বিশ্বসিংহৰ বংশ

কপাহ খেতি কাৰণ নিত্যে প্ৰাতসে যাই কোদাল পাৰে। দুপ্ৰহৰ সময় হলে, ঐ দুই স্ত্ৰী মধ্যে হীৰা বা জীৰা এটা চকৰ মধ্যে পঁইতা ভাত, মদ্য, মাংস লৈ ঐ পৰ্ব্বতে যাই দিয়ে। তাকে ভোজন কৰে, এবং স্ত্ৰী ভাণ্ড লৈ গুচি ঘৰলৈ আহে। হাড়িয়া পৰ্ব্বতত কোদাল পাৰি থাকে। সন্ধ্যা সময় আপোন ঘৰে আহে। ৭০॥

একদিন হীৰা ঐ মত পইতা ভাত, পোৰামাছ, মদ মূৰত লৈ গৈছিল। মধ্যে বাটতে ঈশ্বৰ মহাদেৱ ঐ হাড়িয়াৰ ৰূপ ধৰি এক গছৰ তলে আছে। হীৰা ষাই আপোন স্বামী হেন জানি তেওঁকে ঐ খাৰৰ সামগ্ৰী দিয়াত ভোজন কৰিলে। তদপৰ ঐ হীৰা সহিত কামকৌতুক শৃঙ্গাৰ কৰি গল। ও হীৰাও ভাণ্ড লৈ আপোন গৃহে গল। কিন্তু হাড়িয়া দুই প্ৰহৰ সময় মন্ত ভাত নাপাই ক্ষুধাতুৰ হৈ আপোন পত্নীৰ প্ৰতি অত্যন্ত ক্ৰোধ হল। কিছোক্ষণ কোদাল পাৰি পৰ্ব্বতে আছিল। পৰে ক্ষুধাতে আতুৰ হৈ আপোন গৃহে দুই ভাৰ্য্যাক অনেক তৰ্জ্জন-গৰ্জ্জন কৰিলে। পৰে হীৰা নাম্নী স্ত্ৰী উপস্থিত হৈ কলে, "অমুক গছৰ তলে তুমি বহি আছিলা। মই মদ, ভাত লৈ যাওঁতে তাতে বহি খালা, আৰু মোৰ সহিতে সম্ভোগো কৰিলা। এতিয়া কিয় মিছা মাতা?" এই মত কোৱাতে হাড়িয়া অত্যন্ত কোপিত হৈ কোনোবা লোকৰ সহিত সম্ভোগ কৰিলি বুলি মাৰিবৰ জন্যে খেদি গল। তদপৰ হীৰা পতিৰ ক্ৰোধ দেখি পলাই স্থানান্তৰ হল। ৭১ ॥

মহাদেৱৰ মোহ

ইতিমধ্যে সন্ধ্যা সময় হোৱাতে হাড়িয়া মনত দুখেৰে ৰাতি শয়ন কৰি থাকিল। নিদ্ৰা অহাতে ঈশ্বৰ মহাদেৱ সপনত দেখা দি কলে, "মই মহাদেৱ, তোৰ ভাৰ্য্যা হীৰাই মন্ত, মাংস ও ভাত লৈ গৈছিল। অমুক গছৰ তলে তোৰ ৰূপ ধৰি মই খালোঁ; আৰু তোমাৰ ভাৰ্য্যাকো ৰমণ কৰিছোঁ। তাইৰ গৰ্ভত লৰা এটি জন্ম হব। সেই বাহুবলী ৰাজা হব। তই তোৰ ভাৰ্য্যাক ঈৰ্ষা নকৰিবি।" এই বুলি মহাদেৱ অন্তৰ্ধ্যান হল। হাড়িয়াও এই কথা নিশ্চয় জানি ঈৰ্ষা পৰিত্যাগপূৰ্ব্বক প্ৰাতঃকালে বিচাৰি হীৰাক আপোন ঘৰে আনিলে। ৭২ ॥

হাড়িয়াৰ সপোন

পাচে কালক্ৰমে প্ৰসব হৈ লৰা এটি জন্মিল। সেই সময় অনেক সুমঙ্গল বাদ্য-ভাণ্ড হৈছিল। সেই বালকৰ নাম বিছু ৰাখিলে। তদপৰ হাড়িয়া মণ্ডল হল। এই কাৰণে হাড়িয়া-মণ্ডল বোলে। অতঃপৰ ঐ বিছু ক্ৰমে কৌমাৰ কাল

বিশ্বসিংহৰ জন্ম

প্ৰবেশ হোৱাত গৰু চাৰিবৰ কাৰণে গোৰক্ষক হৈ অল্প কালৰ মধ্যে ৰৰগৰৰীয়া নাম খ্যাত হল। তাহাৰ পৰ মণ্ডল, এবং তদপৰ কয়েক গ্ৰামৰ অধিপতি, ও তদপৰ দেশাধিপতি হৈ বিশ্বসিংহ নামে ৰাজা খ্যাত হল। ৭৩ ॥

সেই বিশ্বসিংহ ৰাজা আসাম দেশখন লবৰ মনেৰে কিছু সৈন্য-সামন্ত লহিতে নৌকাপথে গৈ শিঙ্গৰি পৰ্ব্বত পালে। এনেতে

বিশ্বসিংহৰ অসম আক্ৰমণ

খাবৰ সামগ্ৰী টুকুৱাত হুঁহকি আপোন ৰাজ্য বেহাৰলৈ গল। কিন্তু মনে মনে আসাম-ৰাজা কোপিত হৈছে বুলি কটকী পঠাই প্ৰীতিপূৰ্ব্বক আশ্ৰিত হল। সৰ্গদেৱে মোৰ স্থাপিত হল বুলি হাতী হেঙ্গদান্ দি ৰাজ-মৰ্য্যদা দিলে। তদপৰ কছাৰী ৰাজাই ডেকাৰজাক পঠাই ৰাজাদেওক বৰিল। কলঙ্গ নদীকে সীমা কৰি বছৰি পাঁচোটা ঘোৰা শোধাবলৈ নিবন্ধ কৰিলে। ৭৪ ॥

পাচে তুৰ্ব্বকৰ ৰণ জিকি অনা সেনাখনিক হাতী-ঘাঁহী কৰি দিলে। কিন্তু হাতীৰ নেজৰ ফালে ঘাঁহ দিয়াত, নাজানে বুলি খাতত দিলে।

হাতী-ঘাঁহী মৰিয়া

তাতো নিলগৰ পৰা বোকা আনি কঠিয়াৰ গুৰিত দিয়াত, একো নাজানে বুলি আদানী কৰি ধনী কৰিলে। ইহঁতকে ইদানীক মৰিয়া বোলে। ৭৫ ॥

হিন্দুমতে এওঁ ৰাজাকে স্বৰ্গনাৰায়ণ বোলে। এওঁৰ দিনতে কমতেশ্বৰে কোনো সংশয়াপন্ন হৈ স্বাধিপত্য ছাৰি কছাৰী দেশ

স্বৰ্গনাৰায়ণৰ মৃত্যু

সোমালগৈ। আৰু এই চুহুম্মুং দিহিঙ্গীয়া ৰাজাৰ পুতেক চাৰি জনা, ৰৰপুত্ৰ চুক্লেন্, এৱেঁই ডেকা-ৰজা; সৰু দেওৰাজা চুৰেং, এৱেঁই ঐ চাৰিঙ্গীয়া মেলৰ ৰাজা; তুপৰাজা চুখ্ৰেং, এৱেঁই ঐ তিপমীয়া মেলৰ ৰাজা; আৰু চুডেং নামে সৰুজনা। পাচে কালক্ৰমে, ৰৰপুত্ৰ চুক্লেন্ ডেকাৰাজাৰে ঘাই ৰাজাৰে বিৰোধ হল। পাচে ডেকাৰজাই ৰহস্তে ডাঙ্গৰীয়াসকলক বশ কৰি লৈ, লোহেতীয়া লিগিৰাক বুদ্ধি দি ১৪৬১ শকত ৰাতি দিহিঙ্গীয়া

ৰাজাদেৱৰ প্ৰাণ বিয়োগ কৰিলে, ভোগ ৪২ বছৰ। চৌধ জন ৰজা গত। এই ৰজা প্ৰধান বুদ্ধিমন্ত বাহুবলী আছিল। ৭৬ ॥

ঐ দিহিঙ্গীয়া ৰজা মৰণান্তে এওঁৰ পুত্ৰ ঐ চুক্লেন্ ডেকাৰজা ১৪৩১ শকত ৰজা হৈ গড়গাৱঁত নগৰ কৰি শিঙৰিঘৰ উঠি চক্লেন্মুং নাম ললে। হিন্দুমতে এৱেঁই গড়গঞা ৰজা। পাচে স্বৰ্গদেৱে ভিতৰতে চোমদেও ও লক্ষ্মী-নাৰায়ণ দুয়ো দেৱতা হল দেখি ৰাজত বৰদুৱাৰৰ ভিতৰতে দেৱালয় পুতা দবে ঘৰ কৰি চোমদেৱক ৰাজলৈ নি দেৱতাৰ পৰে-পালীয়ে থাকিবলৈ ডাঙৰীয়া-সকলৰ লৰা-লুৰিকে অৰ্থাৎ গোহাঞি চেটিয়া দিলে। প্ৰথমে ডাঙৰীয়া-সকলেই দিনচাৰেক পৰ দিছিলে। সেই হেতুকে ছঠাই-চ'ৰা কৰিলে ও নগা-আলি বন্ধালে। আৰু এওঁ ৰজাৰ দিনত নাজান বুঢ়াগোহাঞি হল। তদপৰ নাপেতত্যাওক্ৰংডাম্, তাৰ পাচত আইখেক বুঢ়াগোহাঞি হল। এবং এই বুঢ়াগোহাঞি আইখেক ৰাজমন্ত্ৰীও বাৰ পালে। এবং ফ্ৰাচেংমুং বৰগোহাঞিৰ দদায়েক কালীখাম্ বৰগোহাঞি হল। তদপৰ তৎপুত্ৰ তন্খাম্ বৰগোহাঞিও ৰাজমন্ত্ৰী হল। ও কন্চেং বৰপাত্ৰ-গোহাঞিৰ পুত্ৰ কন্জাং বৰপাত্ৰ-গোহাঞি হল। এওঁ ৰজা সাধাৰণমতে ৰাজত্তি কৰি দুই পুত্ৰ ৰাখি ১৪৭৪ শকত স্বৰ্গী হল, ভোগ ১৩ বছৰ। পোন্ধৰ জন ৰজা গত। ৭৭ ॥

গড়গঞা ৰজা

ঐ ৰজা মৰণান্তে এওঁৰ দুই পুত্ৰ মধ্যে চুখাম্ফা ১৪৭৪ শকত ৰজা হল। হাতীয়েৰে ফুৰাত ভৰি এটাত পূৰ্ব্বৰে দুখ পোৱা আছিল। সেই হেতুকে এওঁকে খোৰা-ৰজাও বোলে। এওঁ ৰজাৰে সোনাৰিৰ জীয়ৰী সকমেচ্লৌ, বৰমেচ্লৌ দুজনা কুঁৱৰী আছিল। ঐ দুই জনা কুঁৱৰীয়ে সোনাৰিৰ লৰা নাহৰক দুয়ো কুঁৱৰীয়ে পো বোলাত নাহৰে কুঁৱৰীত বলেৰে তাৰ নামে আলি, ও পুখুৰী কৰি আনো অনেক শকতালি কাম-কাজ কৰিবলৈ ধৰিলে। এক দিন কুঁৱৰীহঁতে ৰজাত কলে, বোলে আমাৰ বজহ অথচ বংশ সৰহ, তোমাৰ বজহহে নাই। এনে বোলাত ৰজাদেৱে ভাবিলে,

খোৰা-ৰজা

মোৰ বঙ্গহ নাই হেন বুলি তোলনীয়া লৰা নাহৰলৈহে টানিছে। এনে ভাবি পৰ দিনা ৰাজাদেৱে আপুনি ফুৰি যাকে ভাল পালে, তাকে আনি বঙ্গহ বুলি সোনোৱালী ছিলৈ দি লগত ললে। ৭৮ ॥

পাচে ৰাজাত অনুমতি লৈ ডাঙৰীয়াসকলে নাহৰক মাৰিলে। আমাৰ লৰা মাৰিলে বুলি নাহৰৰ বেজাৰত ছুয়োজনা কুঁৱৰী আপোনা-আপুনি কটাৰী হানি মৰিল। এওঁ ৰাজাদেৱৰ দিনত কন্‌খাম্‌ ও চাওপেত বুঢ়াগোহাঞি হল। ও তন্‌খাম্‌ ও খাম্‌পাত বৰগোহাঞি হল। ও কন্‌জাং ও বলিয়া বৰপাত্ৰ হল। এই জনা বুঢ়াগোহাঞে কেকোৰা-দোলাৰ নক্সা লৰাই ওপৰে চালি মাৰি পোনাই দি টেঁকৰ দীঘলাই পহিচাঙ্গী নাম দি চ'ৰাৰ ফুকন কেই জনাক দিয়ালে। ৭৯ ॥

আপোনঘাতী কুঁৱৰী

পাচে মানৰ অপত্ৰৱত থাকি নৰা দেশৰ ৰাজা আহি নামৰূপত থাকি, "ভাই ৰাজা কিছো অনুকূল কৰক" বুলি কৈ পঠালে। পাচে স্বৰ্গদেৱে অতি সমাদৰ-পূৰ্ব্বক সোধ-পোছ কৰাত, নৰা-ৰাজাৰ বৰ প্ৰীতি হুই, আপোনাৰ বৰগোহাঁইৰ জীয়েকক অনেক যৌতক সহিতে ৰাজাদেৱলৈ দিলে। যৌতকত অহা মানুহ নৰা কোঁৱৰ, ও নৰা বাইলুং, ও নৰা মানুহ ১০০০ এক হাজাৰ, এই-খিনি পালে। আৰু এওঁ ৰাজাদেৱেই বিশ্বনাথৰ উজান খণ্ডত সলাল-পাট নামে দেশ নিবন্ধ কৰি বৰগোহাঞি-পৰীয়া মাতুৰিয়াল ফৈদৰ লেচাইদাং গোহাঞিক সলাল গোহাঞি পাতিলে। তাৰে পৰাহে সলাল গোহাঞি হল। ৮০ ॥

নৰাৰ-জীয়ৰী অসম কুঁৱৰী

আৰু পূৰ্ব্বে কোঁচবেহাৰৰ বিশ্বসিংহ ৰাজা আশ্ৰয় লোৱাৰে পৰা বছৰি মানুহ পঠাই প্ৰীতিৰে দ্ৰব্যজাত দি আছিল। পৰে সেয়ে কম হৱৰে দেখি অৱহেলা হেন বুজি স্বধি পঠালত লাজ পাই অসমৰ কৰতলীয়া নাম গুচাও বুলি যুদ্ধৰ আয়োজন কৰি ব্ৰহ্মপুত্ৰ নদীত নাৱেদি উজাই গৈ পুনৰ শিঙৰি পৰ্ব্বত

অসম আক্ৰমণৰ আয়োজন

পালে। এনেতে সৈন্যসকলৰ খাবৰ সামগ্ৰী ঢুকালত হুঁইকি আপোন দেশ কোঁচবেহাৰলৈ গল ৮১ ॥

এনেতে বিশ্বসিংহ ৰাজা নৰিয়া পৰি ক্ৰমে অতি শক্ত হৈ উঠিল। পাচে বিশ্বসিংহ ৰাজা তেওঁৰ বাৰ জন পুত্ৰক মতাই আনি কলে বোলে, আসাম দেশ-খন সোনৰ থাল, আৰু কৰতলী এনে নামটিও আছিল। সেই হেতুকে মই কৰতলীয়া নামটি গুচাই দেশ লবৰ মনেৰে সৈন্য সহিতে গৈছিলো; কিন্তু খাবৰ সামগ্ৰী ঢুকালত ফিৰি আহিলোঁ। মোৰ দেশখন লবৰ অত্যন্ত মন আছিল। এতিয়া মই নৰিয়া পৰিলোঁ। ভাল যে হম এনে ভাৰসা নাই। এতেকে তহঁত যদি মোৰ পুত্ৰ হ’ এই দেশখন লবি। আৰু মই নৰিয়া পৰিছোঁ। মই অবিহনে তহঁত ভাই-ভাই দন্দ কৰিবি। এই হেতুকে মই যাক যি লাগে দিও। ৮২ ॥

বিশ্বসিংহৰ অন্তিম বাণী

আপোন ইচ্ছা মতে ল, এই বুলি ১২টা টোপোলা গোপনে বান্ধি থৈ আগত দিলে, মেলি চাহক। এনে বোলাতে প্ৰথম পুত্ৰ নৰনাৰায়ণে মেলি চোৱাত এডোখৰি মাটি পালে। তেওঁত কলে, তুমি পৃথিবীৰ অধিপতি হবা। দ্বিতীয় পুত্ৰ চিলাৰায়ে টোপোলা মেলাতে লোহা এক খণ্ড পালে। তেওঁত কলে, তুমি অস্ত্ৰ-শস্ত্ৰৰ অধিপতি সেনাপতি হবা। তৃতীয় পুত্ৰ নৰসিংহ টোপোলাত একখণ্ড সোন পালে। তেওঁত কলে, উত্তৰে ভোটৰ দেশত ৰাজত্তি কৰিবা। এবং প্ৰকাৰ অন্যান্য পুত্ৰসকল যিমতে পালে সেই-মতে ব্যৱস্থা দিলে। পাচে বিশ্বসিংহ ৰাজা মৃত্যু হলত প্ৰথম পুত্ৰে নৰ-নাৰায়ণ ৰাজা হল, ও চিলাৰায় সেনাধক্ষ সেনাপতি হল। ৮৩ ॥

ভাগ্য পৰীক্ষা

পাচে পিতৃ-আজ্ঞামতে আসাম দেশ লবৰ যুক্তি কৰি স্থলপথে সৈন্যসামন্ত সহিত যাবৰ স্থিৰ হল। এবং সক ভায়েক গোহাঞিকমলক ভোটৰ সীমাইদি হাবুং পৰ্য্যন্ত আলি অথচ ৰাস্তা কৰিব দিলে। সেই অনুসাৰেই গোহাঞিকমলে আলি কৰিলে। সে আলিয়েদি নৰনাৰায়ণ ৰাজা ও চিলাৰায়

পিতৃ-আজ্ঞা পালন

নৈতলামন্ত সহিতে ১৪৮৪ শকত হাবুঙ্গত ওলাই খোৰা-ৰজাদেৱৰ সৈন্য সহিতে যুদ্ধ হলত ৰজাদেৱৰ সৈন্য যুদ্ধত পৰাজয় হৈ ভাগিল। ৮৪ ॥

পাচে ৰজাদেৱে কোঁচ ৰজাই বামুণ যুদ্ধত নামাবে হেন জানি অনেক শূদ্ৰক লগুণ পিন্ধাই গকত তুলি যুদ্ধ কৰিবৰ পঠালে। বামুণ দেখি চিলাৰায়ে হুঁইঁকি গল। শূদ্ৰসকলে লগুণ লৈ যোৱা সকলো গল। কিন্তু তাৰ মধ্যে কতো কতোৰ লগুণ গুচালে, কেতবোৰ থাকিল। অদ্যাপিয়ো হাবুঙ্গীয়া শূদ্ৰই বামুণ হোৱা বুলি হীনতা কৰে। ৮৫ ॥

ৰ বামুণ

পাচে স্বৰ্গদেৱে এইৰূপ ছল কৰিলে বুলি চিলাৰায়ে শুনি পুনৰ ১৪৮৫ শকত যুদ্ধলৈ উত্তম হৈ যোৱাত স্বৰ্গদেৱৰ দেওৰজা চুবেং সহিতে প্ৰধান যুদ্ধ হল। দুয়ো সমানে যোদ্ধা, কাৰো পৰাজয় নাই। পাচে একদিনা গা ধোৱা সময়ত দেওৰজাৰ ঔষধৰ যন্ত্ৰৰ বিৰি ডিঙ্গিৰ পৰা খহাই থোৱাৰ পৰা চিলনীয়ে থাপ্ মাৰি নি চিলাৰাইৰ ফৌজৰ মাজত পেলাই দিলে। দেওৰজাই শুনি ঈশ্বৰৰ নিগ্ৰহ হল বুলি মৈদাম কৰি অথচ চাৰিঙ্গলৈ গৈ মৈদাম কৰি লগৰ মানুহে সৈতে আপুনি মৈদামত সোমাল। খোৰা-ৰজাদেও ভাগি পৰ্ব্বত উঠিল। ৮৬ ॥

দেওৰজাৰ পতন

এনে সময়তে কান্যকুব্জ দেশৰ সূৰ্য্যবিপ্ৰ ব্ৰাহ্মণ দৈত্যাৰি, ওৰফে সূৰ্য্যৰ দৈৱজ্ঞ, পশুৰাম কুণ্ডত স্নান কৰিবৰ অহাত কলিয়াবৰৰ চকীত ধৰা পৰিলত, তেতিয়া পানীসিয়া নামক বিষয়হে আছিল, বৰফুকন নাই। বৰগোহাঞি প্ৰভিতি সোধাত, দৈৱজ্ঞ বোলে কান্যকুব্জ দেশৰ পৰা পশুৰাম কুণ্ডত স্নান কৰিব আহিছোঁ; দৈৱজ্ঞ কি বুলি সোধাত, সূৰ্য্যবিপ্ৰ ব্ৰাহ্মণ ভূত-ভবিষ্য-বৰ্ত্তমান গণনা কৰি কব পাৰো বুলি কোৱাতে তেতিয়া সুধিলে, ভাল, নৰনাৰায়ণ ৰজা আমাৰ দেশ লৈছে পুনৰ ৰজাদেৱে দেশ পাব কি নাপাব ? সোধাত গণনা কৰি কলে, অমুক মাহ ভাৰিখে আহপানা-আপুনি দেশ এৰি দি

সূৰ্য্যৰ দৈৱজ্ঞ

যাৰ খুলি ঠিক কৰি কলে সেই কাৰণে স্বৰ্গদেৱৰ পাশ পঠাই দিয়াত ৰাজাদেৱে সোধাত সেই মতে কলে। পাচে সেই কাল পৰ্য্যন্ত লগতে ৰাখিলে। ৮৭ ॥

পৰে ৰাজাদেৱে দেশ এৰি দিবৰ নিমিত্তে প্ৰীতিৰে চিলাৰায়লৈ কৈ পঠালে। চিলাৰায়ে কৈ পঠালে, ৰাজাৰ পৱন নামে হাতী আৰু

কোঁচলৈ প্ৰীতি-সম্ভাষণ

ৰাখৰ-পতা তৰোৱাল আৰু পাত্ৰ-মন্ত্ৰী সকলোৰে লৰা একোটা তুলি দি ৰবে যদি দেশ এৰি দি যাম। পাচে ৰজাদেৱে এই কথাতে পৱন নামে হাতী, ও তৰোৱাল, ও চুগম কোঁৱৰ, ও বৰগোহাঞিৰ ভতিজাক আপচু গোহাঁইকে মুখ্য কৰি সকলোৰে ঘৰৰ লৰা একোটি দিলত চিলাৰায়ে ৰাজাদেৱক দেশ এৰি দি আপোন দেশ কোঁচবেহাৰে গল। এই আপচু গোহাঁই দেখিবলৈ বৰ সুন্দৰ আছিল দেখি ভাটীৰ সকলো লোকে সোন্দৰ গোহাঁই বুলিলে। পাচে খোৰা-ৰাজাদেৱে নগৰ ললে। লগত যোৱা মানুহক বাঁটা-বাহন ও বৃত্তি-বিধান দিলে। ৮৮ ॥

এবং ত্ৰেকাণ ঘটোৱা দৈৱজ্ঞ সূৰ্য্যবৰক সোনৰ লগুণ ও সোনৰ মুখ দিলে, এই কাৰণে সোনামুৰা ঘৰ বোলে। আৰু সেই কালতে

সোনামুৰা দৈৱজ্ঞৰ ঘৰ

তাৰলুঙ্গীয়া নগাই আপাহ কৰাত গুকটা খানলৈ বিল ও ডোমৰ হতীয়া ঐ নগাক দিলে। আৰু ৰাজা-দেৱে সোনাপুৰ নামে নগৰ কৰিলে। পাচে তিনি পুত্ৰ ৰাখি ১৫৩৩ শকত খোৰা-ৰাজাদেও স্বৰ্গী হল, ভোগ ৫৯ বৎসৰ। ১৬ জনা ৰজা গত। অথচ চতুৰ্থ আধ্যা সমাপ্ত। ৮৯ ॥

## পঞ্চম অধ্যায়

—www—

### স্বৰ্গদেৱ প্ৰতাপসিংহ বুদ্ধিস্বৰ্গনাৰায়ণ।

প্ৰতাপসিংহৰ ৰাজ্য গ্ৰহণ

ঐ খোৰা-ৰাজাদেও মৰণান্তে এওঁৰ তিনি পুত্ৰৰ মধ্যে চুচেংফা ১৫৩৩ শকত ৰজা হল। বুঢ়া কালত ৰজা হল দেখি এওঁকে বুঢ়া-ৰজাও বোলে। আৰু এওঁ ৰজা মহা বুদ্ধিমন্ত আছিল দেখি হিন্দুমতে এওঁকে বুদ্ধিস্বৰ্গনাৰায়ণো বুলিছিলে। আৰু অতি প্ৰতাপী আছিল সেহেতু প্ৰতাপনাৰায়ণো বোলে। এই ৰজাৰ দিনতে থক্‌বক্ বুঢ়াগোহাঞি ও ক্ৰমে শুকুলাহুঢ় বুঢ়াগোহাঞি হল। খামপেত্ ১, চেংমুন্-মুনিয়াদত্তা ২, খাম্‌চিন্ ৩, শুইমেলা ৪, বেকা ৫, পৰ্ব্বতীয়া সকবুঢ়া ৬, পিলিঙ্গা ৭, তেওঁক ভাঙ্গি পুনৰ ঐ সকবুঢ়া ১, এই ৮ জনা বৰগোহাঞি হল। ওলেযোৱা বৰপাত্ৰ-গোহাঞি হল। এওঁৰ পাচত মৰাণৰ লাকু বৰপাত্ৰ হল। ক্ৰমে কন্-জাং, ও বলিয়া, ওলেযোৱা, ও মৰাণৰ লাকু বৰপাত্ৰ হল। আৰু থক্-বক্ বুঢ়াগোহাঞি প্ৰথমে ৰাজমন্ত্ৰী হল। এওঁৰ পাচতে লাকু বৰপাত্ৰ ৰাজমন্ত্ৰী হল। এওঁ ৰজাদেৱেই প্ৰথমে পৰ্ব্বতত নগৰ ও পুখুৰী কৰি লিঙ্গৰিমনত উঠিল। তালৈকে গড়গাৱঁৰে পৰা আলি বন্ধালে। পৰে আজৰাত ৰাহুৰ এবং তাওকাকত নগৰ ও পুখুৰী কৰিলে, ও দলৌগুৰিতো ৰাহুৰ কৰিলে। আৰু মহজৰে পৰা পৰ্ব্বতলৈ গড় বঢাই মুৰকটা কাটত লগালেনি। এবং চিনাতলিতো গড় বন্ধালে। আৰু পৰ্ব্বতকে পৰা দুইতলৈকে টিয়কৰ কটাবীথানৰ গড় বন্ধালে। ৯০ ॥

পাচে কোঁচবেহাৰৰ নৰনাৰায়ণ ৰজাই দিল্লীৰ বাদ্‌চা সহিত যুদ্ধ কৰিছিল। সেই যুদ্ধতে চিলাৰায়ৰ সেনাপতিক কএদ কৰি ৰাখিলে।

চিলাৰায়ৰ বন্দী

ককায়েক নৰনাৰায়ণ ৰজা পৰাস্ত হৈ স্বদেশলৈ আহি ভায়েক চিলাৰায়ৰ নিমিত্তে দুখিত হৈ মুকলি হৈ আহিবৰ কাৰণে অনেক পাঠ, স্বস্ত্যয়ন, দৈবিক কৰ্ম্ম কৰাই আছিল। এনে সময়তে চিলাৰায়ে কএদত থাকোতে ককায়েক নৰনাৰায়ণ ৰজালৈ গোপনে চিঠি লিখি পঠালে যে, আসাম ৰজাৰ দেশলৈ সেই দেশৰ ভাল মানুহ অনেক আমাৰ দেশলৈ অনা হল ; তাতে মই কএদত থাকিলোঁ। এই সময় আসাম ৰজাই বিৰোধ কৰিব পাৰে। কাৰণ প্ৰীতি কৰি সেই দেশৰ অনা মানুহখিনি এৰি দিয়ক ও মিত্ৰ কৰি থাকক। ৯১॥

এইৰূপ চিঠি-পত্ৰ পাই নৰনাৰায়ণ ৰজাই ভাবিলে, যি কথা ভায়ে লিখিছে হয়, কিন্তু এতিয়া মই থামাথা যদি অনা মানুহখিনিক এৰি দি

পাশা-খেল

প্ৰীতি কৰোঁ ভাবিব যে ভায়েক কএদত থকা দেখি ভয়তহে এৰি দিলে। এতেকে প্ৰকাৰন্তৰে এৰি দিম এনে ভাবতে থাকিলে। পাচে এক সময়ত নৰনাৰায়ণ ৰজাই চিলাৰায়ে নিয়া আপচু অথচ সোন্দৰ গোহাঁয়ে সহিতে বৰ-পাশা খেদিবৰ মন কৰি এই পণ কৰি গোহাঁইক বুলিলে যোৱে ২০ চাল জিকিলে তোমাৰ দেশৰ অনা মানুহখিনি সহিতে তোমাক এৰি দিম। ৯২॥

এই বুলি পাশা খেদোঁতে ১৯ চাল সোন্দৰ গোহাঞি জিকিল। পাচৰ চালৰ জোৰ দহত লাগিল। ৰজাই বুলিলে এই জোৰ দহ চালিব

ওলোটনি

পাৰিলে মোৰ দেশৰো যি যি মানুহ যায় তাকে এৰি দিম। পাচে গোহাঁয়ে একজোৰ [illegible] বুলি বিমুখে জোৰ দহ চালি পাশা জিকিল। পাচে [illegible] ৰজাই আসামৰ নিয়া সকলো মানুহখনিক বঁটা-বাহন দি সোন্দৰ গোহাঞি সহিতে গজসিংহ কাজিক লগত দি [illegible] পঠালে। ৯৩॥

CENTRAL LIBRARY
A.C No. 351

এবং বেহাৰ দেশৰো তাঁতী সোনাৰি অনেক বৃত্তিয়াল মানুহ আসাম দেশে আহিল। এই দেশৰ মানুহখিনি আপোন খেলে খেলে নিলে। কোঁচানৰ দেশৰ অহা মানুহখিনি নাম-দাঙ্গতে পাতিলে। ভাটীৰ পৰা অহা মানুহ বহিল দেখি সেইখনিকে ভটীয়াপাৰ বোলে। ৯৪ ॥

বেহেকৰাৰ বসতি

আৰু ইতপূৰ্ব্বে বুঢ়াৰাজাদেৱে আহম কটকী বেহাৰলৈ পঠাইছিল। সেই কটকী গজসিংহ কাজি সহিত বেহাৰৰ পৰা এক সঙ্গে আহিছিল। সেই কটকীয়ে স্বৰ্গদেৱত জনালে বোলে, কোঁচ-ৰজাই প্ৰীতিপূৰ্ব্বক এই দেশৰ নিয়া মানুহখনি সোন্দৰ গোহাঞি প্ৰভৃতিক এৰি দিছে। আৰো বেহাৰৰ পৰা কটকীও আহিছে। তাতে স্বৰ্গদেৱে সুধিলে, "কোন কটকী আহিছে ?" তাতে আহম কটকীয়ে নাম পাহৰি কলে, বোলে গৰুৰ শিং এটা যে তললৈ যায়, সেই কটকী আহিছে। তাতে স্বৰ্গদেৱে কলে, "কি কয় ?" অন্যান্য-সকলে কলে, "গৰুৰ শিং তললৈ যোৱাকে পাতাল-শিঙ্গা গৰু বোলে।" আহোম কটকীয়ে বোলে সেই কটকী আহিছে। ৯৫ ॥

কোঁচৰ কটকী

তাতে ৰাজাদেৱে কিছু লাজ পাই বোলে পাতাল-শিঙ্গা বুলিব নোৱাৰে, গৰুৰ নাম ধৰিহে কয়। এতেকে পৰদেশলৈ আহোম কটকী পঠোৱা ভাল নহয়। ব্ৰাহ্মণ পণ্ডিত কটকী কৰাহে ভাল। এই বুলি বল্লকন্দলী, ও মাধকন্দলী প্ৰভিতি ১৩ ঘৰ কটকী ললে। তাৰ পৰাহে ব্ৰাহ্মণ কটকী হল। ৯৬ ॥

বামুণ কটকী

পৰে সোন্দৰ গোহাঞিৰ মুখে সেই দেশৰ বেৱহাৰ বুজি স্বৰ্গদেৱে কটকী তোলাই অথচ পাতাল-শিঙ্গা বা গজসিং কাজিক তোলাই নীতি-মত সেই দেশৰ ৰাজাৰ কুশল-মঙ্গলাদি সুধিলে। এবং পৰদেশী কটকী তোলাত ডাঙৰীয়াসকলে তিনি-খনীয়াকে চন্দ্ৰতাপ তৰি ৰহিবলৈ আজ্ঞা দিলে। আৰু বেহাৰ দেশত মাটিৰ দুৰ্গোৎসৱ প্ৰতিমা কৰি পূজা কৰা দেখি সেইমতে প্ৰতিমা

মূৰ্ত্তি পূজা

কৰিবৰ মৰজিয়াল মানুহ পঠাই খনিকৰ শিকোৱাই আনিবৰ কাৰণে পাতাল-শিঙ্গা কাজিৰ লগত পত্ৰ-সন্দেশ দি বেহাৰৰ ৰজালৈ পঠালে, এবং অচিৰ কালতে শিকাই আনি কোঁচানৰ দেশৰ দৰে মৃণ্ময় মূৰ্ত্তি কৰি দুৰ্গোৎসৱ পূজা চলালে। সেই অবধি প্ৰতিমা পূজা চলিল। ৯৭।

আৰু কোঁচানৰ ৰজাই নিজ নামেৰে হিন্দু আখৰৰ মোহৰ মৰা শুনি সেই আখৰৰাকৈ মোহৰ কৰিবলৈ কেনে ঠানৰ মোহৰ কৰা হুব বুলি হিন্দুপণ্ডিত আদিত সোধাত পণ্ডিতসকলে যোগিনীতন্ত্ৰ শাস্ত্ৰ চাই কলে বোলে,

আঠচুকীয়া মোহৰ

অথচ শ্লোকঃ—

অষ্টকোণঞ্চ সৌমাৰং যত্ৰ দিক্কৰবাসিনী।
তস্মিন্ বিশন্তি যে লোকা জ্ঞানাদজ্ঞানতোঽপি বা।
তেঽপি দেব্যাঃ প্ৰসাদেন সিদ্ধিং গচ্ছন্তি নান্যথা।

এই বচনেৰে বুজাত স্বৰ্গদেৱে আঠচুকীয়া সৌমাৰৰ অধিপতি হৈছে এবং অন্য ৰজাৰ এনে মোহৰ দেখা নাই এতেকে আঠচুকীয়া মোহৰকে মাৰা সকলোৱে ভাল দেখোঁ, এনে বোলোতে সেই ৰূপেই ৰূপ সোনৰ চাকলি কৰাই বুদ্ধিস্বৰ্গনাৰায়ণ নামৰে ও কেৱল স্বৰ্গনাৰায়ণ নামেৰেই হিন্দু আখৰৰাকৈ মোহৰ মৰালে। তাৰ পৰাহে ৮ চুকীয়া ৰূপৰ সোনৰ মোহৰ চলিল। ৯৮ ॥

পাচে কোঁচানৰ ৰঘুদেৱে মঙ্গলদৈ নামে কন্যাক স্বৰ্গদেৱলৈ দি মিত্ৰ কৰিলে। এবং তেওঁলোকৰে বলিনাৰায়ণ ৰজা আহি স্বৰ্গদেৱৰ শৰণাগত হোৱাত ধৰ্ম্মনাৰায়ণ নাম দি দোলা আৰোৱান দি ৰাজ-মৰ্য্যাদাৰে থলে। আৰু হেড়ম্বেশ্বৰৰ অপত্ৰৰত জয়ন্তাৰ ধনমাণিক ৰজাই ভেদ লগাবৰ মনেৰে এটি কন্যা উদ্দেশ কৰি কছাৰীৰ সাতগাওঁৰ মাজে লিবলৈ ভাল বাট বুলি কৈ পঠালে। কছাৰীয়ে জয়ন্তা আমাৰ শত্ৰু বুলি বাট নিদিও বোলাত আমাৰ অথচ স্বৰ্গদেৱৰ ফৌজ গৈ সেই বাটেই কন্যা আনি দি পঠালে। ৯৯ ॥

কোচৰ জীয়ৰী
আহোম কুঁৱৰী

পাচে ভীমবল কোঁৱৰে বাতি দগা মাখি সকলো ফৌজ অথচ সেনা মাৰিলে। বৰগোহাঞি, ও সুন্দৰ গোহাঞি দুয়োৰো মূৰ কাটি নিলে, ১৫২৪ শকত। পাচে জয়ন্তাৰ যশমাণিক ৰজাৰ

কছাৰী ৰণ

অপদ্ৰৱত ডিমৰুৱাৰ মঙ্গল ৰজা আহি ৰজা-দেৱৰ শৰণাগত হল। স্বৰ্গদেৱে মোৰ শৰণাগত স্থাপিত হল বুলি হাতী ও হেঙ্গদান্ দি মৰ্য্যদাৰে থলে। তাৰে পৰা ডিমৰুৱা ৰজা কৰ-তলীয়া অধীন হল। ১০০।

পাচে হাজোৰ পৰা দিল্লীৰ বাদসাহৰ তৰফৰ বঙ্গাল চৈয়দ বাবাকৰ ও সত্ৰাজিতে আসাম দেশৰ চলাচল বুজিবলৈ বেপাৰৰ চলে এক গোমস্তা পঠাই দিলে। কলিয়াবৰত থকা স্বৰ্গ-

অসম-বঙ্গাল বেপাৰী

দেৱৰ ফৌজে শুনি খেদি আহি শিঙ্গৰি পৰ্ব্বতত ধৰি সেই গোমস্তাক কাটি নাওসকল লুটিলে। পাচে সত্ৰাজিতে এই কথা শুনি খেদি গৈ কলিয়াবৰৰ ৰজাদেৱৰ ভৰালৰ আহিলা-পাতি লুটি বিশ্বনাথৰ নটিনী ধৰি নিলে। স্বৰ্গদেৱৰ সৈন্য মানুহ অল্প দেখি হুঁহকিল। ১০১॥

পাচে কছাৰীৰ ভীমবল বৰ্জালে কন্যা ও পত্ৰ-সন্দেশ দি পুনৰ মিলাই আহিলা-পাতি ফৌজ সকলো যো কৰি ডাঙ্গৰীয়াসকলক ৰণলৈ পঠালে। ভৰলীতে সত্ৰাজিতে সহিতে ১৫৪৯

ভৰলীত ভীমবল

শকত প্ৰধান যুদ্ধ হল। এই ৰণতে চৈয়দ বাবাকৰ মৰাব পৰিলত তাৰ লগৰ মীৰা শেনচোৱাক কুহিশেনে সহিতে ধৰি ৰাখিলে। তাৰে পৰা সকশেনৰ খেল চলিল। এই ৰণতে সত্ৰাজিতো হাটিল। গুৱাহাটী প্ৰৰন্তে ৰজাদেৱৰ দখল হল। আৰু সেই ৰণতে অস্ত্ৰ-শস্ত্ৰ, নাও, মানুহ অনেক ধৰা পৰিল। ১০২॥

পাচে স্বৰ্গদেৱে ডাঁবিকাত নগৰ কৰি ১৫৫১ শকত ঐ ধৰ্ম্মনাৰায়ণক দৰঙ্গ ৰজা ও ভায়েক গজনাৰায়ণক বেলতলাৰ ৰজা পাতি পঠালে। আহোম কটকী হোজা কাৰণে দেশান্তৰলৈ চলাবলৈ

কটকীৰ কাম

ভাল নেদেখি ব্ৰাহ্মণ কটকী পাতিলে।

কটকীৰ কৰ্ম্ম এই,—দেশান্তৰ্গ অথচ অন্যত্ৰ দেশৰ ৰজা বা নবাবৰ ঠাই যাব লাগিলে স্বৰ্গদেৱৰ আজ্ঞাৰে চিঠি-পত্ৰ লৈ যাব লাগে ও পুনৰ চিঠি-পত্ৰ দি সম্বাদ কব লাগে। ১০৩ ॥

আৰু লাংটা বৰাগীৰ খেল পাতিলে। তেওঁলোকৰ কৰ্ম্ম এই,—দেশ-দেশান্তৰে বেশ ছদ্ম কৰি বৰাগী বা সন্যাসীৰ বেশ ধৰি যায়, সেই সেই দেশৰ কি প্ৰকাৰে সোধ-পোছ ও দণ্ডবন্ধ কৰে আৰু স্ত্ৰী-পুৰুষ কি প্ৰকাৰ বস্ত্ৰ-অলঙ্কাৰ পৰিধান কৰে তাৰ নমুনা দেখাব লাগে ও কব লাগে। ১০৪ ॥

বৰাগীৰ কাম

আৰু এইজনা স্বৰ্গদেৱে উত্তৰে চামধৰাগড় বন্ধালে। মেচাখৰত পুখুৰী খনালে। আৰু হাজোৰ তনয়া গ্ৰামৰ পৰ্ব্বতৰ ওচৰতে ১৫৩৮ শকত বঙ্গালৰে ৰণ হোৱাত সেই ৰণতে থক্বক্ বুঢ়াগোহাঞি পৰিলত শুকুলাহুতুক বুঢ়াগোহাঞি পাতিলে, আৰু পানীসিয়াক বৰফুকন পাতি পঠালে। তাৰে পৰাহে বৰফুকন নাম ও বিষয় হল। পাচে ক্ৰমে সেই জনা ৰজাদেৱৰ দিনতে নেওগ ১, লানমাধুৰ হালধি ঠেঙ্গা ১, পিক্চাই চেটিয়া ১, এক বুঢ়াগোহাঞিপৰীয়া, সকচকুৱা ১, আকৌ পিক্চাই চেটিয়া ১, ঐ লাঙ্গিয়ে সহিতে ৬ জনা বৰফোকন হল; এবং দেশবাণী ৰজা হল। আৰু লুকী ১, বকো ১, বনগাওঁ ১, চয়গাওঁ ১, বগাই ১, পানতান ১, বৰদুৱাৰ ১, ভোলাগাওঁ ১, দ্বাৰমৈৰাপুৰ ১, এই ৯ খন দ্বাৰৰ ৯ জনক ৰজাপোৱালি নাম দিলে। পৰে ৰাহগড়া, সেই গড়তে ৮ খন দুৱাৰ কৰিলে এবং সলালৰ গড় কৰি সলালফাট নাম দি গোহাঁই নাম দিলে। আৰু বিশ্বনাথৰো দ'ল বন্ধালে। ১০৫ ॥

...ন বিষয়া

বৰফুকন বিষয়ৰ সৃষ্টি

পাচে জামিৰগুৰিত ৰূপহী নামেৰে পুখুৰী ও নগৰ কৰি হাতীগড় বান্ধি ১০০০ হাতী ধৰিলে। কিন্তু হাজাৰে পূৰহে হাতী জীয়াই নাথাকিল হেতুকে নগৰৰ হস্তিনাপুৰ নাম দিয়া মনত ভজ হলত গজপুৰ নাম দিলে; আৰু ঐ

ৰূপহী পুখুৰী

নগৰৰে পৰা গড়গাৱঁলৈকে বৰ-আলি ও তাৰে পৰা গাৱঁলৈ ছটাই আলি বন্ধালে; আৰু পৰ্ব্বতৰে পৰা মেকুৰীখোৱালৈ আলি বন্ধালে; ও উঁৰিকাত শিল-শাকো বন্ধালে। ১০৬॥

পাচে মোমাই তামূলীক বৰবৰুৱা পাতিলে। তাৰে পৰা বৰবৰুৱা নামে বিষয় হল। এওঁ বৰবৰুৱাই বচা, দৈয়াঙ্গ ও নগাওঁ প্ৰভৃতি মানুহবোৰক নিবন্ধ কৰি জাতি ২ খেল ২ কৰি গাওঁ ও চুবুৰি কৰি পাতিলে। ও কামৰূপতো দক্ষিণপাৰৰ পৰা আৰু আনঠাইবো তাঁতীসকলক নি শোৱালকুছিত পাতিলে। আৰু তেলীসকলকো আন আন ঠাইৰ আনি ৰামদিয়াত পাতিলে। পাচে উত্তৰে দক্ষিণে জুৰি ৰাজ্যখনকে মেৰাই ৰাজগড় বন্ধালে। এই গড়কে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে লাহদৈ ও কোটোহ্য-গড় বোলে। মাজোলী পাৰে মেৰাগড় বোলে। উত্তৰ পাৰে চোৱাতলগড় বোলে। ১০৭॥

বৰবৰুৱা বিষয়ৰ সৃষ্টি

এবং দোপগড় হাট কৰিলে। জবকাৰ আলি, বকতাৰ আলি, পৰ্ব্বতৰ আলি, হাবিপৰা আলি এই কেইটা আলি কৰিলে। আৰু মুমলিগড়, মুমলি বাহৰ, বাঙ্গলুগড়, বাঙ্গলু বাহৰ, সোনাৰি নৈৰ বাহৰ এইসকল কৰালে। আৰু লোণপুৰীয়া, কাটলুয়াদি নামচাং বৰহাটৰ নিৰ্ব্বন্ধ কৰিলে। আৰু বোৰবীয়া গণক ভবাঁলী বৰুৱাই জনাই হাঁট-ফাটৰ দান পহাৰে-পতি মাহে ৪ কড়া দৰে লগালে। আৰু লুহিতৰ পৰা পৰ্ব্বতলৈকে দক্ষিণ পাৰে চাঁমধৰাগড় বন্ধালে। ১০৮॥

হাট-ঘাট

ৰাৰভূঞাই পুনৰ মত ধৰাত ১৫৫৬ শকত ভাজি আনি স্থানান্তৰ কৰি বিলাতত পাতিলে। আৰু ডফলাগড় বন্ধাই গৰুমূৰীয়া পাতি মিৰি ডফলালৈ পচা লগাই আবৰ ও মিৰি ও ডফলাৰ দুৱাৰ ভেদকৈ মাটি, বিল, বহতা, কঁকী দি বছৰি পাল-সেৱা নিবন্ধ কৰিলে। ১০৯॥

ভঞা ভূঞা

পাল-সেৱাত দিব লগা দ্ৰব্য,—বকা, মেঠন, বজাটি আক উত্তৰে ৰখিলে বচা, বৈৰাজ, ময়জি এনে নাম ভেদ কৰি ভাগি-পাতি হাজাৰ,

পাইকৰ বিষয়া

শ, একুৰি নিবন্ধ কৰি হাজাৰ পাইকত হাজৰিকা, ও একশত শইকীয়া, বুদ্ধিত বৰা নিয়ম কৰি পাতিলে। ১১০ ॥

এবং ১৫৫৫ শকত কছাৰী দেশৰে ও আসাম দেশৰে মাজত ম নৈত্তে সীমা কৰি মৰঙ্গিত ভাধৰা চেটিয়াৰ মৰঙ্গিখোৱা পাতিলে; ও

কৰ-কাটল

নগাগড় বন্ধাই নগাৰ ছুৱাৰ ভেদকৈ পোহনী মাটি, কটকী, চৌডাং দি বছৰি পাল-সেৱা নিবন্ধ কৰিলে। পাল-সেৱাত দিব লগা দ্ৰব্য,—মেঠন, বোলোৱা ছাগ, বজা চুলি, বজা বেত, লোণ, আতবাজে যি যি ছুৱাৰত যি যি দ্ৰব্য উৎপন্ন হয় তাকো দিবৰ নিবন্ধ কৰিলে। ১১১ ॥

পৰে কিছো উৎপাত অমঙ্গল হল। এবং ৰাজমাওদেও মৃত্যু হল। এই হেতুকে শান্তি ও শ্ৰাদ্ধ কৰিবলৈ স্বৰ্গদেও ৰাককটা ঘাটলৈ গৈ

দেৱগাঁৱৰ দান

শান্তি, স্বস্ত্যয়ন, শ্ৰাদ্ধ কৰি অনেক ব্ৰাহ্মণক সোন, ৰূপ, মাটি বহুত দান কৰিলে। এবং দেৱৰগাওঁ দেৱালয়ৰ দৌল কৰি মাটি মানুহ উছৰ্গ কৰি দিলে। সেই দিনৰে পৰা দেবোত্তৰ ব্ৰহ্মত্তৰ চলে। ১১২ ॥

পাচে কামৰূপৰ পৰীক্ষিত ৰাজাৰে বিৰোধ লগাই ভায়েক মালসিংহ আহি ৰাজাদেৱৰ শৰণাগত হল। ৰাজগোষ্ঠি দেখি দোলা, আবোৱাম

মালৰপীৰা ৰজা

দি সিংহ নাম গুচাই মালৰাজা নাম দি নামৰূপত পাতিলে। আক কোবোকা থহাই বুটুকাতলিত জই-থামদাং খাত কৰালে, আক চয়ানৰ গড় বন্ধালে। ১১৩ ॥

তদপৰ পূৰ্ব্বে চুথাম্ফা ৰাজাদেৱে ৰজহ বুলি সোনাৱালি

সঁজাতি কোঁৱৰ

হিলৈ দিয়া মানুহখনিকে ও ৰামুনী কোঁৱৰইজকে গোটাই কোঁৱৰ হিলৈদাৰি-খেল পাতিলে, এবং সিয়াতি পাতি কোঁৱৰ নাম দিলে। ১১৪ ॥

আৰু পূৰ্ব্বে কৌচাঙ্কৰ বগলে পচা বামুণসকলৰ লগুণ তেনেই আছিল। সেই লগুণবোৰ গুচাবলৈ লেকাই চেটিয়াক আজ্ঞা কৰিলে। আজ্ঞামতে সকলো বামুণৰ লগুণ গুচালে। তাৰে ৮ ঘৰ মানুহৰ লগুণ ৰাখিলে। কিন্তু আগলৈ চিন থাকিবৰ নিমিত্তে আল অন্তত লগাই ৮ ঘৰৰ ৮টা নাম দিলে। এই কাৰণ "লগুণৰ গুৰি লেকাই চেটিয়া" বোলে। ১১৫ ॥

"আল" বামুণ

আৰু বহাত থাকি কছাৰী ফালৰ বাৰ্ত্তা জনাই থাকিবলৈ নগৰত বেতিয়া যাব ঘৰৰ বৰবৰুৱা হৈ থাকে সেই বংশৰে এটা থাকিবলৈ দিলে। এওঁকে ৰহিয়াল বৰুৱা বোলে। এবং জয়ন্তাৰ বাৰ্ত্তা বুজি জনাই থাকিবলৈ জাগীত বুঢ়া-গোহাঞি-পৰীয়া জাগীয়াল গোহাঞি নাম দি দিলে, ও কাজলীত ঐ জয়ন্তাৰো কিছো এবং ডিমৰুৱাৰ গাবো ফালৰো বাৰ্ত্তা জনাই থাকিবলৈ বৰপাত্ৰ ও বৰগোহাঞি দুয়ো ঘৰৰ বংশৰ দুইজন কাজলী-মুখীয়া গোহাঞি নাম দি দিলে। এই বৰুৱা, গোহাঞিহঁতৰ পানী-জাপিত ৰূপৰ চুলা, ঢেকৰলগা চাঙ্গী অথচ দোলা ও বাজখোৱা মৰ্য্যদা দিলে। যেহেতু, এই জনা ৰাজাদেয়ে অনেক অনেক প্ৰধান কৰ্ম্ম ও নিয়ম কৰিলে, এই হেতুকে প্ৰতাপসিংহ বোলে। ১১৬ ॥

দুৱৰীয়া বিষয়া

পাচে কালক্ৰমে দেশত অনেক উৎপাত হবলৈ ধৰিলে। মনুষ্যত গাহৰিৰ আকাৰ জন্মিল ও উবুৱা ধান গজিল, উত্তৰে ফুলবৰীত তিনি চকুৱা মানুহ জন্মিল, দেশ চানি কপৌতীয়া শেন ওলাল, ও ১৫৭১ শকত তামূলী ফৰিং ওলাল, ইত্যাদি নানা উৎপাত হল। ক্ৰমে স্বৰ্গদেৱৰ শৰীৰ বিষম পাই দেৱগাওঁ দেৱালৈ মানুহ পঠালে বোলে, বুপাত সোধগৈ, মোৰ কিমান দিন আছে। পাচে মানুহে গৈ দেৱতাত জনালত ৰাত্ৰি স্বপ্নত কলে বোলে, দেৱালয়ৰ ভিতৰতে ফুলনিত চাব, অকালত নাহৰ ফুল এটা পাব, তাকে নি ৰাজাত দিলে বুজিব। পাচে পৰ্দ্দিনা ফুলনিত চাই সৰভৰতে অথচ অকাল সময়তে, তিনি-পহীয়া নাহৰ

অসময় অমঙ্গল

ফুল একটা পাই স্বৰ্গদেৱক দিলত ৰাজাদেৱে বোলে, বুপাৰ আজ্ঞা হল মোৰ তিনি পক্ষহে ভোগ আছে; এতেকে সকলো ৰাজ্য আহক, মই চাওঁ, মোকো চাওক। ১১৭ ॥

এই কথা শুনি সকলো ৰাজ্য আহিল। স্বৰ্গদেৱেও নাৱেৰে গৈ দিখৌ নদীৰ দুৱো পাৰে আহি থকা প্ৰজাসকলক গা দেখাই বোলে, মোৰ কাল হল, সকলো লোকে মোক চাইক, মযো চাওঁ, এই বুলি ব্ৰাহ্মণ, বুঢ়া, লৰা, তিকতা, এই সকলক দান-দক্ষিণা দিলে। পাচে ৰাজাদেৱলৈ প্ৰজাসকলৰ মোহ জন্মাত স্বৰ্গদেৱৰ সলনি আমাৰে এক শ নৰ-বলি শদিয়াৰ আইলৈ দিমইক, তেও স্বৰ্গদেৱ কুশলে থাকক, এই বুলি হৰিধ্বনি কৈ কোলাহল কৰিবলৈ ধৰিলে। পাচে স্বৰ্গদেৱে বোলে, মোৰ কাল হল, কেনেকৈ ৰাখিবিইক, এই বুলি প্ৰজাক প্ৰবোধ দি নগৰলৈ আহি ১৫৭১ শকত ঐ বুঢ়াৰাজা ওৰফে প্ৰতাপসিংহ ও বুঢ়াস্বৰ্গনাৰায়ণ, ৰাজপুত্ৰ চুৰম্ প্ৰথম, দ্বিতীয় চুত্যাং, তৃতীয় আৰো একজন ৰাখি স্বৰ্গী হল, ভোগ ৩৮ বৎসৰ। ১৭ জনা ৰাজা গত। অথঃ পঞ্চম আধ্যা সমাপ্ত। ১১৮ ॥

প্ৰতাপসিংহৰ প্ৰজা-প্ৰেম

---

## ষষ্ঠ অধ্যায়

---

### চুৰম্‌ফাৰ পৰা চুহুং-ৰজালৈকে।

এওঁ ৰাজাৰ মৰণান্তে এওঁৰে ৰৰপুত্র চুৰম্‌ফা ১৫৭১ শকত ৰাজা হল। গুকুলাহুহু বুঢ়াগোহাঞি ও খামপেত্‌ ও চেনমুন্‌ ও খাম্‌চিন্‌ ও গুঁই-মেলা ও বেকা ও পর্ব্বতীয়া সকবুঢ়া ও পিলিঙ্গা এই ৭ জনা ৰৰগোহাঞি হল। মৰাণৰ লাকু ৰৰপাত্র হল; তদপৰ ক্রমে কনজাং ও বলিয়া ও ওলেযোৱা ৰৰপাত্র এই ৪ জনা হল। কিন্তু ঐ মৰাণৰ লাকু ৰৰপাত্র ৰাজমন্ত্রীও হল। লাহো ৰৰবকৰা ও পিক্‌চাই ৰৰফুকন হল। এওঁ ৰাজাদেৰে সল-গুৰিৰ আলি কৰালে ও লাকু ৰৰপাত্রৰ পুত্র লাহোক ৰৰবকৰা পাতিলে। ১১৯॥

চুৰম্‌ফা ভগা-ৰজা

এওঁ ৰাজাৰে কুঁৱৰীয়ে ভোলনীয়াকৈ কোঁৱৰ এটি তুলিছিল। সেয়ে মৃত্যু হলত কুঁৱৰীয়ে বোলে, মোৰ লথাই কাৰ সহিতে উমলিব ও অকলে কেনেকৈ থাকিব? এই বুলি কুঁৱৰীয়ে মৰাশৰ লগত লৰা কিছুমান দিবলৈ ৰজাদেৰত জনালত, বৰুৱা ফুকনক লৰা একোটা দে বুলি বন্দী কৰিলে। পাচে ডাঙ্গৰীয়াসকলে নিবেদন কৰি জনোৱাতে এৰিবলৈ হুবুলিলে। এনে আৰু অনীতি কাম কৰিবলৈ ধৰিল দেখি সকাহি ডাঙ্গৰীয়াসকলে এওঁৰে ভায়েক চুত্যিঙ্গক আনি ১৫৭৪ শকত চুৰম্‌ফাক ৰাজা ভাঙ্গি চুত্যিংফাক ৰৰচ'ৰাতে ৰজা পাতি সেৱা কৰি ভগা জনাক নগৰৰ পৰা উলিয়াই পর্ব্বতত ৰাহৰ-কৰি তাকে যোগান দি থলে। এই হেতুকে এওঁকে ভগা-ৰাজাও বোলে। পাচে চাংমাইৰ হতুৱাই বিষ-ক্রিয়া

মৈদামত লগৰীয়া

কৰাই মৰালে, এওঁকে এওঁ মৃত্যু-ভোগ তিনি বছৰ। ১৮ জনা ৰজা গ'ল। ১২০ ॥

নৰিয়া-ৰজা

পাচে ওপৰৰ লিখা বুঢ়াৰজাৰ দ্বিতীয় পুত্ৰ চুত্যিংফাক ৰজা ১৫৭৪ শকত পাতিলে। এওঁ সদায় নৰিয়া দেখি এওঁকে নৰিয়া-ৰজাও বোলে। ১২১ ॥

বিষয়া ভগা-পতা

এই ৰজাদেৱে শিঙৰিঘৰ উঠি বেৰস্থানতে মোহৰ মাৰিলে, এবং ১৫৭৪ শকত শিঙৰিঘৰত কুন্‌বিন্ কুন্‌খা, পাটঘৰত পাগ জেমা, ৰজা পতাত বচোৱাল টঙালি এইৰূপে বঁটা দিবৰ-নিবন্ধ কৰিলে। এওঁৱেই শুকুলাহুহুক ভাঙি টেপৰ-তলীয়াৰ সবিয়হক বুঢ়াগোহাঞি পাতিলে। এওঁক গুচাই বৰবৰুৱা হৈ থকাৰ পৰা আনি হাতীপোৱালিক বুঢ়াগোহাঞি পাতিলে। সক-বুঢ়াক ভাঙি চপৰাখোৱাক বৰগোহাঞি পাতিলে। এওঁৰ পাচত আকৌ সকবুঢ়াকে ৰাজমন্ত্ৰী বাবে সহিতে বৰগোহাঞি পাতিলে। ও লাকুক মাৰি সান্‌চঙীয়া টেমাক বৰপাত্ৰ পাতিলে। ক্ৰমে চেকেলীয়া ও কলাই বৰপাত্ৰ হ'ল। বুঢ়াগোহাঞি-পৰীয়া হাতীপোৱালিক বৰবৰুৱা পাতি পাচে বুঢ়াগোহাঞি পাতিলে দেখি সান্দিকৈৰ টেঙুক বৰবৰুৱা পাতিলে। পিৰ্‌চাই ৰাজ্য-শহৰ বৰফুকন হ'ল। ১২২ ॥

সাজ-পাৰ ভেদ

আৰু বদৰ তাপ সহিব নোৱাৰি আবোৱানত শুকুলা গিলিপ দিলে। তাৰ পৰাহে আবোৱানত শুকুলা গিলিপ হ'ল, ও শুকুলা পইজাৰ হ'ল। ডাঙৰীয়াসকলেও লবলৈ ধৰাত ৰজাদেৱে বোলে, ভেদ হলেহে ভাল। তেও যদি লয় মাজতে গামোচা একোখনি লওক, এই আজ্ঞা কৰিলে। তাৰে পৰা ডাঙৰীয়াসকলে আবোৱানৰ মাজত নালতে গামোচা ললে, এবং পইজাৰৰ ভিতৰতো শুকুলা কাপোৰ হ'ল। ১২৩ ॥

পাচে চুঙিৰ ৰাজ্য ভাঙিবলৈ ডাঙৰীয়াসকলক আজ্ঞা কৰিলে। চুঙিৰ ঘৰিয়াল-পৰা বজাই শুনি ভয় পাই আপুনি ১৫৭৫ শকত

অভয়পুৰীয়া ৰজা

বৰিলহি। পাচে ভাঙ্গি আনি অভয়পুৰত চুঙ্গিক পাতিলে। এবং ঐ শকে ভটীয়াপাৰত পুখুৰী খান্দিলে; আৰো খামজাঙ্গীয়া চৰাই আহি নামৰূপৰ ওঁৰাল পুখুৰি আহিলা, পাতিখনি নিলে। পাচে ৰণলৈ তিপাম-ৰজাক দিলে, ৰণত নবা ভাগি গল। পুনৰ নতুনকৈ ওঁৰাল কৰিলে আৰু সকলো দেওঘৰত ১৫৭৬ শকত মানুহ দি নিবন্ধ কৰিলে। এবং মিচিমি-গড় বন্ধালে। ১২৪ ॥

পাচে ঐ ১৫৭৬ শকত এই ৰাজাৰ ৩ পুত্ৰৰ মধ্যে ৰৰপুত্ৰ চুতামলাই শুকুলাহুদু বুঢ়াগোহাঁইৰে মন্ত্ৰণা কৰি চুত্যিংফা ৰাজাক ভাঙ্গিলে।

ৰজাহন্তা মন্ত্ৰণা

পাচে ভগা-ৰজাই হোৱা ৰাজা পুতেকলৈ কৈ গল বোলে, এনে কথা কৰা পুৰণি পাত্ৰ-মন্ত্ৰীখনি ভাঙ্গি নকৈ যদি পাতি লয় তেহে ভালে থাকিব পাৰিব। এই কথা হোৱা জনা ৰজাই শলাগিলে। পৰে মন্ত্ৰীলোকে ভগা-ৰজাক বিষ-ক্ৰিয়া কৰি মাৰিলে। এতেকে এওঁৰ ভোগ ২ বৎসৰ। উনিশ জনা ৰাজা গত ১৫৭৬ শকত। ১২৫ ॥

পাচে চুতামলা ১৫৭৬ শকে ৰাজা হৈ ৰামুগাওঁ, ডঁবিকা-দলঙ্গৰ ওচৰত খাৰঘৰ বাৰীতে নগৰ কৰি শিঙ্গৰিঘৰ উঠিল। হিন্দুমতে

চুতাম্লা বা জয়ধ্বজসিংহ

জয়ধ্বজসিংহ নাম ললে। এই ৰাজাৰ দিনতে ঐ শুকুলাহুদু বুঢ়াগোহাঞিক মাৰিলত কুৰৈগঞা লাচাম বুঢ়াগোহাঞি হল। এওঁৰ পাচত বাঁহগৰীয়াৰ আতন, এই দুই জনা বুঢ়াগোহাঞি হল। আৰু পিলিঙ্গাৰ লেচাই ১, বাৰুকিয়ালৰ লাঙ্গিচং ১, এই দুই জনা বৰগোহাঞি হল। ক্ষাই ১, এক চেৰেলীয়া, এক ভগা, এই তিনি জনা ক্ৰমে বৰপাত্ৰ-গোহাঞি হল। ১২৬ ॥

ও সকবুঢাক মাৰিলত এইজনা ৰাজাদেৱৰ শহুৰ নাওবৈচা ফুকন ৰাজমন্ত্ৰী হল। ঐ সন্দিকৈৰ টংচুৰে কিছুদিন ৰৰবৰুৱা আছিল। পৰে

ৰজা-শহুৰ ৰাজমন্ত্ৰী

* চেংধৰাৰ বেংখোৱা ৰৰবৰুৱা হল। গড়গাঞা ৰাজাদেৱৰ শহুৰেক ৰাজা-শহুৰ ৰৰফুকন হল। ১২৭ ॥

ঐ জনা ৰজাদেৱে অথচ জয়ধ্বজসিংহ স্বৰ্গদেৱে পালপুৰীত গোবিন্দ ঠাকুৰক নি যত্ন কৰি বহু মাটি, মানুহ উছৰ্গি দেৱত্তৰ তামৰ

নিৰঞ্জন বাপুত শৰণ

ফলি কৰি দি নিৰঞ্জন বাপুত শৰণ ললে। এই ৰজাদেৱৰ দিনৰ পৰা তামৰ ফলি চলিল। আৰু স্বৰ্গদেৱে বিশ্বনাথলৈ গৈ অনেক ব্ৰাহ্মণক দান-দক্ষিণা কৰিলে। ১২৮ ॥

পাচে লাকমা নগাই ৰজাদেৱেৰে ৰণ পাতিলে। পৰে সেই ৰণ ৰজাদেৱে জিকিল। ও শদিয়াৰ মিৰিৰেও ৰণ হল, তাকো জিকিল।

চেউনি-আলি

আৰু ভটীয়াপাৰৰ পুখুৰী খনালে, ও বুকজ পাতি কেড়িমেড়ি-গড়, ও মাছখোৱা-গড়, ভোমোৰাগুৰিৰ আলি, ও বাহুলি বৰফুকনৰ দ্বাৰা চেউনি-আলি বন্ধালে। ১২৯ ॥

পাচে দিল্লীৰ বাদ্‌সাহৰ তৰফ্ ৯ ন লক্ষ ফৌজেৰে ২২ বাইশ ওমৰাও সহিতে ১৫৭৭ শকত মজুম্‌খা বা মীৰজুম্লা, এই নবাব আহি দেশ ললে।

মীৰজুম্লাৰ আক্ৰমণ

আমাৰ ৰজাদেও ঠাৰবিন লোৱাৰি নামৰূপৰ চৰাইদেও-খোৰোঙলৈ ভাগি গল। এই হেতু এওঁকে ভগনীয়া-ৰজাও বুলিলে। পাচে বাদ্‌সাহৰ ফৌজ বৰাহাটত বলক্ৰমত থানা পাতি বল। ১৩০ ॥

তাৰে পৰা মজুম্‌খাই কৈ পঠালে বোলে, ৩ তিনি লাখ টকা,

মীৰজুম্লাৰে মিত্রতা

৯০টি হাতী ইয়াকে চই দিয়ে যদি দেশ এৰি যাম, আৰু বাদ্‌সাহলৈ এক কন্যা দিয়ক। ১৩১ ॥

পাচে স্বৰ্গদেৱে ভাল বুলি বন্দী ১০০, বেটা ১০০, হাতী ৩০টা, সোন ২ দুই হাজাৰ ৰূপ বাৰ হাজাৰ, এইখিনি যৌতক দি লালকুতাকে

ৰমণী-গাভৰু

ৰমণী গাভৰুক আওৰেংজেৰ বাদ্‌সাহলৈ দিলে। পাচে দেশ এৰি দি মীৰজামুলা ভটীয়াই গল। ১৩২ ॥

স্বৰ্গদেৱেও কিছুকাল ৰাজ্য ভোগ কৰি থাকি আগন্তুক ভাবি নামৰূপত সোন-ৰূপৰ ভঁৰাল কৰালে। এবং পূৰ্ব্বে উজনি সীমা

নামৰূপত ন নগৰ

পাটকাইৰ ওচৰত চুডাংফা ৰজাদেৱে কৰাই থোৱা গড় ও বাহৰকো পৰিষ্কাৰ কৰাই নিজেও তাতে

ইৰাকৈ শিজালে ঠাই চাই বাহুৰ কৰাই ভালৈকে ৰবহিলে বাৰু প্ৰভৃতি যুদ্ধ সামগ্ৰী নিয়াই ৰাখি চাবৰ নিমিত্তে ন গড়লৈ আহি খেদ্ কৰাত চকুৰ লোতক ওলাল। এই চকুৰ লোৱেই ধাৰাবাহিক হৈ ৰোগ-তুল্য হল। পাচে সেই ৰোগতে ১৫৮৫ শকত ৰাজা জয়ধ্বজসিংহ স্বৰ্গী হল, ভোগ ৯ বৎসৰ। বিশ জনা ৰাজা গত। ১৩৩ ॥

পাচে পাত্ৰ-মন্ত্ৰীসকলে চুতামলাৰ দুই পুতেকক ৰাজা নাপাতি ১৫৮৫ শকত ঐ দেৱ-ৰাজাৰ নাতি চুপংমুঙক ৰাজা পাতিলে। এৱেঁই

চক্ৰধ্বজসিংহ

লেচাং নৈৰ দক্ষিণে শলখামৰা ঘাটৰ খাৰঘৰৰ বাবীত নগৰ কৰি শিঙৰিঘৰ উঠিল। এই ঘৰতে দুদু পৰাত এৰি গৈ গড়গাৱঁৰ নগৰত পাটঘৰ উঠিল। এওঁৰে হিন্দুনাম চক্ৰধ্বজসিংহ হল। এওঁ ৰাজাৰ দিনত কুৰৈগঞা লাচাম, তদপৰ বাঁহগৰীয়া আতম, এই দুই জনা বুঢ়াগোহাঞি হল। লেচাই ১, বাককিয়ালৰ লাঙ্গিচং ১, এই দুইজনা বৰগোহাঞি হল, ও লাঙ্গি বৰপাত্ৰ হল। এওঁকে ভাঙ্গি লাতাও বৰপাত্ৰ হল। ঘোঁৰাকোঁৱৰ ও চাৰিঙ্গীয়া পেলন বৰবৰুৱা হল। ঘোঁৰাকোঁৱৰ বৰফুকন হল, পৰে লাচিত বৰফুকন হল। কিন্তু ৰাজা-শত্ৰুৰ নাওবৈচা ফুকনক মাৰি বাঁহগৰীয়া আতম বুঢ়াগোহাঞি ৰাজমন্ত্ৰী সহিতে হল। ১৩৪ ॥

পাচে এওঁ ৰাজাদেৱে দিল্লীৰ বাদ্সাহক চই দিয়াৰ কাৰণে ৰাজ্যত পঁচা তুলি সাত লাখ টকা নগৰতে গোলাঘৰ কৰি ডাঙৰীয়াসকলে

স্বৰ্গদেৱৰ অপমান

সহিতে থলে। তাৰে পৰা গোলাঘৰ হল। পৰে বাদ্সাহৰ ঠাইৰ পৰা শিৰপাও বঁটা অহাত অথচ পাগ এটাত আলতাৰে বাদ্সাহৰ পাও ওপৰে লিখি দিলে যে আমাৰ কৰতলীয়া হল, এ কাৰণে শিৰপাও মাথাত ধাৰণ কৰিব নতুবা যুদ্ধকে কৰিম। পাচে ৰাজাদেৱে অলপ অৱমান কৰিলে বোলে পূৰ্ব্বে মিত্ৰ কৰি ৰাজ্য দি গল বুলি চই নিদি বাদ্সাহৰ উকিলক ফিৰাই পঠালে। পাচে বাদ্সাহে ১৫৯১ শকত ৯ লাখ কোঁজেৰে ৰাজা ৰামসিংহক যুদ্ধলৈ পঠালে। ১৩৫ ॥

গোহাটীৰ শৰাইঘাটতে প্ৰধান যুদ্ধ হল। এই যুদ্ধতে থাকৰ জয়ধ্বজী চুতুৰাত কামৰূপী কোন সৈন্য দুৰ্ধাতুৰ হৈ ঘোৰা কাটি ও কেতোৰাক মুমুৰ কাটি মাৰিলে। পাচে মোৰাই তামুলী বৰবৰুৱাৰ পুত্ৰ লাচিত বৰফুকন হৈ সৈ ৰণ কৰাত জিনি

শৰাইঘাটৰ ৰণ

ঘেৰি নি মানাহা নদীত সীমা কৰি হাদিৰাত ঐ ১৫৯১ শকতে চকী-ঘাট নিৰ্ব্বন্ধ কৰিলে। এওঁ ফুকনেই যোগীৰঘোপাৰ তাটাতে আসাম নগৰ কৰিবৰ মনস্থ কৰিছিল। পাচে চল যেন নেদেখি এৰি আহি হাদিৰাত চকী-ঘাট কৰিলে। আৰু গুৱাহাটীৰ গড়-প্ৰাকি, দোপদৰ কৰি সকলো বেৱস্থা কৰিলে। আৰু বৰগোহাঞি-পৰীয়া পৰ্ব্বতীয়া কৈবৰ্ত্ত কচলুখোৱাক সলালগোহাঞি পাতিলে। পূৰ্ব্বে খোৰা-ৰাজাদেৱৰ দিনত যে লেচাইডাং সলালগোহাঞি হৈছিল তাৰে পৰা এই বিষয় লুপ্ত হৈ আছিল। এওঁ ৰাজা দিনৰ পৰাহে পুনৰ প্ৰকাশ হৈ প্ৰণালীৰূপে চলিল। ১৩৬॥

আৰু এওঁ ৰাজাদেৱেই মহৎ যুদ্ধ কৰি আসামৰে ও বঙ্গালৰে মানাহা নদীকে দৃঢ়ৰূপে সীমা কৰিলে। অদ্যাপিও সেই সীমা ধাৰ্য্য আছে। পাচে বানফেৰীয়া নগাই গাওঁ মাৰি লণ্ডভণ্ড কৰিলে। পাচে স্বৰ্গদেৱে সেই নগাক ধৰি মাৰিলে। এবং ক্ৰমে চক্ৰধ্বজসিংহদেৱে ৰাজত্ব কৰি ১৫৯২ শকত স্বৰ্গী হল, ভোগ ৭ বৎসৰ। একইশ জন ৰাজা গত। ১৩৭॥

অসম-মোগলৰ সীমা

এওঁ চক্ৰধ্বজসিংহ ৰাজা মৰণান্তে পুতেকটি ৰাজা হব নোৱাৰিলে। ভায়েক চুন্তৎফা ১৫৯২ শকত ৰাজা হৈ শিঙৰিঘৰ উঠি হিন্দুমতে উদয়াদিত্য নাম ললে। বুৰৈগয়া ঘনশ্যাম ও বাঁহগবীয়া আতন্ ক্ৰমে বুঢ়াগোহাঞি হল। লেচাই ১, পুত্ৰ সৰুবুঢ়া ১, বাককিয়াল লাঙ্গিচং ১, ক্ৰমে বৰগোহাঞি হল। হাড়ি ১, এক চপা ১, ক্ৰমে বৰপাত্ৰ হল। এবং চাৰিঙ্গীয়া লাতাও আহোমৰ পেলন ১, দুধুবাসনৰ দেবেৰা ১, ক্ৰমে বৰবৰুৱা হল, ও লালুক-সোলা বৰফুকন হল। ১৩৮॥

উদয়াদিত্য

৭

এই জনা ৰাজাদেৱেই গোহাটীৰ ৰামগড় ও পানীগড় ইত্যাদি কৰি পৰিপাতিৰূপে নিবন্ধ কৰে। আৰু পানীগড়ৰ ৰামৰ পৰা কেইহাত পানীত কৈ হস্তীয়া শালৰ খুটা খায়, আৰু অথাউনি পানীত বৰ বৰ ৰাইডাঙ্গৰ দুই মুৰ লোহাৰে বান্ধি কল লগাই শিল বান্ধি, কি জোখেৰে কেনে গড় কৰিব লাগে, ইয়াৰ কাকত-পাতি অতি সুন্দৰ নিবন্ধ কৰিলে। ও উজনিত ৰৰাগী-আলি কৰালে। পাচে ঐ দেবেৰা বৰবৰুৱাই ১৫৯৪ শকত বিষ পান কৰাই উদয়াদিত্য ৰাজাদেৱক মাৰিলে, ভোগ ২ বৎসৰ মাত্ৰ। বাইশ ৰাজা গত। ১৩৯ ॥

পানীগড়

এওঁ উদয়াদিত্য ৰাজা মৰণান্তে এওঁৰ পুতেকটি ৰাজা হব নোৱাৰিলে। ভায়েক চুক্লন্ফা ১৫৯৪ শকত ৰাজা হল। হিন্দুমতে এওঁকে ৰামধ্বজ বোলে। এওঁ ৰাজাৰ দিনতো বাঁহগৰীয়া আতন্ বুঢ়াগোহাঞি আছিল। আৰু এই ৰাজাদেৱে ৰাককিয়ালৰ ঐ লাঙ্গিচঙ্গক ভাঙ্গি দেবেৰা বৰবৰুৱাৰ ভাগিনীয়েক চেংমুনক বৰগোহাঞি পাতিলে। আহুক বৰপাত্ৰ পাতিলে। দেবেৰা বৰবৰুৱা ও সোলা বৰফুকন আছিল। এওঁ ৰাজাদেৱৰ দিনত বিশেষ কোনো কৰ্ম্ম নহল। ওপৰি ৰাজ্যকে ভোগ কৰি কালক্ৰমে নৰিয়া পৰি ১৫৯৬ শকত ৰামধ্বজ স্বৰ্গদেৱ স্বৰ্গী হল, ভোগ ২ বৎসৰ। ২৩ ৰাজা গত। ১৪০ ॥

ৰামধ্বজ

এওঁ ৰাজা মৰণান্তে চামগুৰীয়া কৈদৰ কোঁৱৰ চুহুঙ্গক আনি ১৫৯৬ শকত ৰাজা পাতিলে। শিঙ্গৰিঘৰত উঠিবৰ নহল কাৰণ হিন্দু মতে নাম নহল। এবং এই ৰাজাৰ আমলেও বাঁহগৰীয়া আতন্ বুঢ়াগোহাঞি ও চেংমুন্ বৰ-গোহাঞি ও আচুক বৰপাত্ৰ-গোহাঞি আছিল। ও দেবেৰা বৰবৰুৱা, সোলা বৰফুকন আছিল। এই ৰাজাদেৱে কেৱল ৰাজা হৈছিল মাত্ৰ, বিশেষ কোনো কৰ্ম্ম নহল। দুৰবৃত্ত, দুৰাশয়, কঠিনহৃদয়, নৃসংশ দেবেৰা বৰবৰুৱাই ঐ ১৫৯৬ শকত বিষ পান কৰাই মৰালে, ভোগ

চুহুং

১ মাহ ১৫ দিন মাত্ৰ। চৌবিশ ৰাজা গত। ইতি ষষ্ঠ আখ্যা সমাপ্ত। ১৪১ ॥

---

## সপ্তম আখ্যা

### বিপ্লৱ বুৰঞ্জী।

পৰে তুঙ্গখঙ্গীয়া কৈদৰ গোবৰ কোঁৱৰক আনি ১৫৯৬ শকতে ৰাজা বুলি ললে। শিঙ্গৰিঘৰ উঠিবৰ নহল; এই হেতু হিন্দুমতে নাম নহল। এই ৰাজা হোৱাতো বাঁহগৰীয়া আতন্ বুঢ়াগোহাঞি ও চেংমুন্ বৰগোহাঞি ও আছুক ৰবপাত্ৰ আছিল। দেবেৰা বৰবৰুৱা আৰু সোলা বৰফুকন আছিল। এই ৰজাদেৰৰ বিশেষ কোনো কৰ্ম্ম কৰিব নহল। বাঁহগৰীয়া বুঢ়াগোহাঞি, সোলা বৰফুকন সহিত দেবেৰা বৰবৰুৱা মন্ত্ৰণা কৰি ঐ ১৫৯৬ শকতে মাৰিলে, ভোগ ২০ দিন মাত্ৰ। ২৫ ৰাজা গত। ১৪২ ॥

গোবৰ

পাচে দিহিঙ্গীয়া কৈদৰ চুজিন্‌ফাক আনি ১৫৯৬ শকত ৰাজা পাতিলে। শিঙ্গৰিঘৰ উঠিবৰ নহল হেতু হিন্দুমতে নাম নহল। এওঁ ৰাজাৰ দিনতে বাঁহগৰীয়া আতন্ বুঢ়াগোহাঞি আছিল। ওঁইমেলাৰ লালুক বৰগোহাঞি পাতিলে।

চুজিন্‌ফা

আৰু চেংকং ৰৰপাত্ৰ হল, ও ছুৰবাৰ কিৰ্কিৰীয়া ৰৰৰকৰা হল। ও সোলা ৰৰফুকন আছিল। এওঁ ৰাজাদেৱেই বাঁহগৰীয়া বুঢ়া-গোহাঞিৰ দ্বাৰা চিতামণি গড় বন্ধালে মাত্ৰ। অন্য বিশেষ কোনো কৰ্ম্ম নহল। পাচে ঐ বুঢ়াগোহাঞিয়ে ৰাজাদেৱক মাৰিব খোজা হেন জানি আপুনি শিলত মূৰ মাৰি ১৫৯৯ শকত ৰাজাদেৱ মৰিল, ভোগ ২ বৎসৰ ৯ মাহ ২৫ দিন। ছাবিশ্ ৰাজা গত। ১৪৩ ॥

ঐ চুজিনফা ৰাজা মৰণান্তে তেওঁৰ পুত্ৰটি ৰাজা হব নোৱাৰিলে। পৰ্ব্বতীয়া চুডৈফাক আনি ১৫৯৯ শকত ৰাজা পাতিলে। পৰ্ব্বতৰ

চুডৈফা

নগৰত শিঙ্গৰিঘৰ উঠিল, আৰু উঁৰিকাতো নগৰ কৰিলে, নাম হল বোকা-নগৰ। এই জনা ৰাজাদেৱেই সোলা ৰৰফুকনে বাঁহগৰীয়া বুঢ়াগোহাঞিক মাৰিলত দিলিহিয়ালৰ দীঘলাক ৰাজমন্ত্ৰী বাৰে সহিতে বুঢ়াগোহাঞি পাতিলে। গুইমেলাৰ লালুকক ভাঙ্গি মেচাঘৰীয়া শেনক ৰৰগোহাঞি পাতিলে। লাচামকলাক ৰৰপাত্ৰ পাতিলে। মেচা ১, লুখুৰাসনৰ চক্ৰপাণি ১, এই দুইক ক্ৰমে ৰৰৰকৰা পাতিলে। সোলা ৰৰফুকন আছিল। ১৪৪ ॥

এওঁ ৰাজাৰ দিনতে সোলা ৰৰফুকন গোহাটীতে থাকি মধ্যে মধ্যে দিল্লী বাদসাহৰে ৰণ হৈ প্ৰজাসকলক মাৰি ঢুকাই দেখি মিলিলেই ভাল

সোলা ৰৰফুকনৰ গুৱাহাটী ত্যাগ

বুলি ১৬০১ শকত বাদসাহৰ তৰফ আজমতৰা নবাবেৰে মিলি গুৱাহাটী এৰি দি ছুঁইকি কলিয়া-ৰৰকে ধৰ কৰি সকলোটি বলহি। তাৰে পৰা উজাই আহি এই সোলা ৰৰফুকনে ১৬০১ শকত ৰাজাদেৱক পৰ্ব্বতলৈ নি বিষ খুৱাই মাৰিলে, ভোগ ২ বৎসৰ। সাতাইশ ৰাজা গত। ১৪৫ ॥

এওঁ ৰাজা মৰণান্তে চুডৈফা ৰাজাৰ দুই পুত্ৰ ৰাজা নহল। চামগুৰীয়া কৈদৰ চুলিকফা ১৬০১ শকত ৰাজা হল। এওঁকে লৰাৰাজাও বোলে।

চুলিকফা লৰাৰজা

এওঁৰ দিনতো দিলিহীয়া দীঘলা ৰাজমন্ত্ৰীৰ বাৰ সহিতে বুঢ়াগোহাঞি আছিল। আৰু শেনৰ ভাঙ্গি মাহুৰিয়ালৰ লাইথেপেনাক ৰৰগোহাঞি পাতিলে। এবং চেংকং

ববপাত্ৰ-গোহাঞি হল। লুখুৰাখনৰ মৰজি ১, দিহিঙ্গীয়াৰ আলন ১, এই দুই ক্ৰমে ববৰকৰা পাতিলে। ও লোলা ববফুকনক মাধ আৰু ভোটায়ে কাটিলত ভায়েক ভাধবাক ববফুকন পাতিলে। কিন্তু এওঁ অলপ দিনতে পলাই গৈ বঙ্গদেশত সোমালত লান্‌মাখৰুক বঙ্গকক ববফুকন পাতিলে। ১৪৬॥

চুলিক্‌ফাৰ চক্ৰান্ত

এওঁ বাজাদেৰেই লাওকি-আলি কৰালে। আৰু এওঁ বাজাদেৰে বাজ-বঙ্গহত অতি সংশয় কবি অথচ বাজ-বংশত কোঁৱৰ থাকিলে তেওঁক মাৰি আগলৈ বাজা হব এই ভাবি কোনো কোনো কোঁৱৰক মাৰিবৰ ও কোনোসকলক নাক কাণ কাটি অথবা চকু কাঢ়িবৰ মন কবি মুখ্য ২ কোঁৱৰ বুজি মাৰিবৰ উদ্ধত হল। চাৰিওফালে কোঁৱৰ বিচাবিব ধৰিলে। ১৪৭॥

গদাপাণিৰ পলায়ন

এনেতে তুঙ্গখুঙ্গীয়া গোবৰ বাজাব পুত্ৰ লাজি গদাপাণি অৰ্থাৎ গদাধৰ কোঁৱৰ নামখ্যাত প্ৰধান বাহুবলী কাৰণ, তেওঁক বিচাৰ কবি ধৰিবৰ আজ্ঞা হোৱাত বৰ ভয় পাই পলাই গৈ তেওঁৰ ভাৰ্য্যা গাভৰু সহিতে অটব্য অৰণ্যত সোমাই আছিল; তাতে এটি সৰু ঘৰ গছৰ পাতবে কৰি কাল যাপন কবি আছিল। গ্ৰাম কি নগৰে বিচাৰি তেওঁক নাপাই বাত্ৰিন্দিবা বিচাবিব ধৰিলে। ১৪৮॥

কুঁৱৰীৰ পতি-প্ৰেম

একদিন বাত্ৰি ৫।৬ দণ্ড সময় ঐ গদাপাণি কোঁৱৰ গাভৰু সহিতে পত্ৰ-ঘৰে বহি আছিল। ইতিমধ্যে গাভৰু পেছাপ্ কবিবৰ কাৰণে বাহিবে অহাত চাৰিওফালে মানুহে বেঢ়ি অহা যেন অনুমান কবি আপুন পতি কোঁৱৰত কলে। কোঁৱৰে প্ৰথম বিশ্বাস নকবি এই কলে, "এই অৰণ্যক কোন আহিব আৰু আমি ইয়াত আছোঁ বুলি বা কেনেকৈ জানিব?" গাভৰুৱে কলে, "বুজিব নোৱাৰি, কোনো কহুকীয়া অথচ চৰৰ দ্বাৰা জানিব পাৰে, আমি যে ইয়াতে আছোঁ।" এইৰূপে কিয়ৎকাল কথোপকথন হৈ থাকোতেই মানুহৰ গন-গান হেন শুনিলে। পৰে দুই জনে শীঘ্ৰে বাহিৰ ওলাই নিশ্চয় জানিলে যে, চাৰিওফালৰ পৰা মানুহে বেৰি আহিছে। পাচে

কোঁৱৰে, হয়, আমাকে ধৰিবৰ কাৰণেই আহিছে, আহা দুই জনে পলাও। গাভৰুৱে বোলে, মঞি সহিতে গলে তুমি ধৰা পৰিবা। এতেকে মই ইয়াতে থাকোঁ। মোৰ যি গতি হয় হব, যদি মই মৰোঁ, কি মোক মাৰে, তুমি আৰু দহ জনী স্ত্রী বিবাহ কৰিব পাৰিবা। তুমি বিহীন হলে আৰু ক'ত হব? ১৪৯॥

এবং প্রকাৰে কোৱাতো গদাপাণি কোঁৱৰ সম্মত নহৈ দুই জন সহিত যাববহে মনস্থ আছিল। কিন্তু গাভৰুৱে অগত্যা বধ দি নিজে এৰীয়া

কুঁৱৰীৰ হত্যা

কাপৰৰ গাতি মাৰি বেশছন্ন কৰি যোৰাগৈ বুলি আগ বাঢ়ি পঠাই দি পত্রৰ ঘৰৰ ভিতৰ গাভৰু সোমাল। ইতিমধ্যেই ধৰিব অহা লোকসকল চৌতৰফৰ বেৰি আহি ঘৰ সোমাল। কিন্তু কোঁৱৰক নাপালে। গদাপাণি কোঁৱৰ লোক-সকলৰ হাতৰ তলে বা কোনোমতেই হওক পাচফাল হল, পাচফাল হৈয়ো গাভৰুৰ মোহত থাকি অদৃশ্যে তেওঁলোকৰ পাচে২ আহিল। লোকসকলে গাভৰুক ধৰি কোঁৱৰৰ কথা সোধাত, কলৈ গল মই নাজানো বুলি কোৱাতো পাপিষ্ঠ নিষ্ঠুৰতা ও নির্দ্দয় লোক গাভৰুক ধৰি শাস্তি কৰি বধ কৰিলে। ১৫০॥

পৰম্পৰ লোকৰ মুখে শ্রুত আছে যে, নেজাল কোৰ তপত কৰি গাভৰুৰ পিঠিৰ ওপৰত ধৰাতে ভকৃভক্ কৰি উতলে। গাভৰুৱে

সতীৰ শাস্তি

চিৎকাৰ কৰে। কোঁৱৰে ঐ চিৎকাৰ শুনি অল্প অল্প মতে ক্রন্দন কৰে। গাভৰুৱে অনুমানে জানি শাস্তি কৰোতেই চিৎকাৰ কৰি বোলে, কোন পুৰুষ স্ত্রীৰ লগত মৰে? অন্তৰ হ, কলৈ গল মই নাজানোঁ। এবং প্রকাৰ পুনৰ পুনৰ শাস্তি কৰোতে গাভৰু মৰিল। চিৎকাৰ নাইকিয়া হল। ১৫১॥

কোঁৱৰেও মৰা হেন জানি দুখে-শোকে তাৰ পৰা অন্তৰ হৈ এজোপা বিলা লতাৰ গছৰ তলতে থাকিল। বিচৰা লোকসকলে মৰা গাভৰুক

গদাপাণিৰ দৈৱিক ৰক্ষা

এৰি সকলোৱে কোঁৱৰ হাবিত আছে বুলি বিচাৰিব ধৰিলে। বিধাতাৰ লিখন কোনে খণ্ডাব পাৰে?

এই বিলা লভাই গদাপাণি কোঁৱৰক আবৃত কৰি ধৰিলে। বিচৰা লোকসকলে নাপাই গুচি গল। তদপৰ প্ৰভাত হলত কোঁৱৰে পত্নীৰ ঘৰে যাই দেখে যে, গাভৰু মৃত্যু হৈ আছে। অতি দুখিত হৈ কান্দি কান্দি হাবিয়ে হাবিয়ে গৈ, মানুহে আহোতলি ধৰিছে, কিছু মুকলি হৈছে, তাতে গৈ হঠাৎ ওলাল। ১৫২ ॥

কিছু ওচৰতে একজন মানুহে টঙ্গাৰ কাৰত কোৰ পাৰি আছে। দেখি কলে, "তুমি কোন? ৰাজাৰ লক্ষণ দেখোঁ ও ৰাজা হবা।" এনে কোৱাতে ভয় খাই গদাপাণি কপিব ধৰিলে। তাতে সেই লোকটিয়ে কলে, "ভয় নাই, তুমি ৰাজা হবা, কোন কোৱা।" তাতে গদাপাণিয়ে সংক্ষেপে আপোনাৰ বিবৰণ কৈ বোলে, মইনো কত ৰক্ষা পৰিম, আৰু কেতিয়া ৰাজা হম, ঠিক কৰি কোৱা। তাতে সেই লোকজনে ভেতিয়াই কিছু গণনা কৰি কলে, "৬ মাহমান এই অঞ্চলে গোপনে থাকা, তাৰ পৰা ভটীয়াই যাবা। অমুক শক ভাৰিখে ভাটীতে ৰাজা হৈ আহিবা।" ঠিক কৰি কলে। গদাধৰ কোঁৱৰে বোলে, মই যদি ৰাজা হব পাৰোঁ তোমাক ভাল মানুহ কৰিম বুলি চলি গল। ১৫৩ ॥

গণকৰ গণনা

ঐ গদাপাণি কোঁৱৰ বেশছদ্ম কৰি গৈ গড়গাৱঁৰ নাজিৰাৰ সোনামুৰাৰ ঘৰৰ ময়ূৰ মজুমদাৰ বকৰাৰ ঘৰত ওলালত, আদি-অন্ত কথা কৈ গোপনে ৰাখিবৰ কথা কোৱাত ৰাজাৰ কোঁৱৰ জানি ৰাখিবৰ স্বীকাৰ কৰি গোপনে আপোন বৰঘৰতে ৰাখিলে। এখেত লৰাৰজাদেৰে কোঁৱৰসকলক ধৰি ধৰি আনি কতোৰ প্ৰাণবধ ও কোনোসকলক চকু কাঢ়ি ও নাক কাণ কাটি অঙ্গ ক্ষত কৰিলে। গদাপাণিক বিচাৰি নেপালে। কিন্তু তেওঁক বিচাৰতে থাকিল। নিতান্ত গদাধৰ কোঁৱৰ বিচাৰ হয়, এই কথা প্ৰত্যেক ৰোজ মজুমদাৰ বকৰাই কোঁৱৰত কয়, এই দৰে ৬ মাহমান আছিল। একদিন গদাপাণি কোঁৱৰে বুঢ়া মজুমদাৰত কলে, "মই অনেক দিন তোমাৰ ঘৰত নগৰতে আছোঁ। নিতে নিতে মোৰ বিচাৰ হৈ আছে, যদি কেনেবাকৈ জানে

ছদ্মবেশে গদাপাণি

মোকো কাটিব এবং তোমাকো সপৰিবাৰে কাটিব। এতেকে মই ভটীয়াই যাওঁ।” বুঢ়া মজুন্দাৰে কলে, “গোহাঁইদেও, মই যোৱা এনে বুলিব নোৱাৰোঁ। আপোনাৰ জন্যে মোৰ সপৰিবাৰকো লৰাৰজাই কাটে-মাৰে যি কৰে কৰোক।” গোহাঁইদেৱে বোলে, নহয়, মই যাওঁ, যদি দৈবাৎ মই ৰাজা হব পাৰোঁ মোক গোপনে প্ৰতিপালন কৰি ৰখাৰ ধাৰ শুজিম। ১৫৪ ॥

কোঁৱৰৰ অপমান

এই বুলি ভাঠী যাবৰ মনেৰে যাই আউনীআটী সত্ৰ সোমালত কোনো ভকতে, এইটো কৰ মানুহ ইয়াৰ পৰা যা, এই বুলি তামূল খাই পিক্ পেলোৱাত ছাটি পৰিল। তাৰ পৰা বাহিৰ হৈ গৈ স্নানে ২ বেশছন্ন কৰি ফুৰাত কোনো-সকলে খাবৰ দি উপকাৰ কৰিছিল। কোনো ২ সকলে দেগ্যভাও কৰিছিল। সেইসকল মনে ৰাখি ক্ৰমে ভাঠী আহি কামৰূপৰ ছান্দ-কুছি গ্ৰামে পানমহলীয়া বেৱসায় কৰি থাকিল। ১৫৫ ॥

ছান্দকুছিত গদাপাণি

পৰম্পৰে শ্ৰুত আছে ঐ ছান্দকুছি গ্ৰামে থকা কালে পানমহলীয়া কৰাতো হেঙ্গদান্ গোপনে ভাৰ-বাৰি বা বাংকাত ৰাখিছিল। ১৫৬ ॥

পাত্ৰ-মন্ত্ৰীৰ চেতনা লাভ

সে যা হওক, ঐ গদাপাণি কোঁৱৰ ছান্দকুছি গ্ৰামে কিছু দিন থাকি তাৰ পৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰ বাণীত গৈ আছিল। লৰাৰজাই অনেক কোঁৱৰসকলক ধৰি ২ আনি দণ্ডবন্ধ কৰি অনেক অনীতি কৰ্ম্ম কৰিব ধৰিলে। সেই দেখি বুঢ়াগোহাঞি প্ৰভৃতি ডাঙৰীয়াসকলে মনত বিৰক্ত হৈ অন্য এক-জনকে ৰাজা পাতি লবৰ মনস্থ কৰিলে, যে হেতু ৰাজ্য ভঙ্গা-পতাৰ ভাৰ ডাঙৰীয়াসকলৰে আছিল। পাচে ডাঙৰীয়াসকলে ৰাজা হবৰ যোগ্য লোক নেদেখি ও গদাপাণি কোঁৱৰ কামৰূপত থকা শুনি তেওঁৱেই ৰাজা হবৰ উপযুক্ত হেন জানি ৰাজা পাতি লৈ যাবৰ কাৰণে বৰফুকন প্ৰভৃতিলৈ লিখাত, ও লান্‌মাখৰুৰ বজহ বন্দৰ বৰফুকনৰ ঐ গদাপাণি আশ্ৰয় কৰাত, ঐ বন্দৰ বৰফুকনে সকলো ফুকন ৰাজখোৱাৰে

পৰামৰ্শ কৰি গদাধৰ কোঁৱৰকে যোগ্য হেন জানি ৰাজা লোৱা স্থিৰ কৰি বাণীৰ পৰা নিয়াই সৰিয়হতলিতে হেঙ্গদানত তুলি বৰফুকন ও পানী-ফুকন ও ডেকাফুকন, ৰাজখোৱাসকলে ৰাজা বুলি সেৱা কৰিলে। ১৫৭॥

দক্ষিণপটীয়া গোসাঁই-ইৰ অভিশাপ

তদপৰ সকলো সহিতে উজাই গৈ দক্ষিণপাট সত্ৰৰ ঘাট পালে। পাচে এই বাৰ্ত্তা শুনি দক্ষিণপটীয়া অধিকাৰী বাপুৱে বন্দৰ বৰফুকনক মতাই নি কলে, বোলে, " ফোকন, তুমি মোৰ প্ৰধান শিষ্য, আৰো তুমিও জানা লৰাৰাজাও মোৰ শিষ্য। এই হেতুকে প্ৰায় ময়ে ৰাজা হৈ আছোঁ। এতেকে তুমি এনে কাম নকৰিবা, মই তোমাক ৰাজত্ব ভিক্ষা কৰিছোঁ।" পাচে বৰফুকনে বোলে, " মোৰ অকলৰ কাম নহয়, কেনেকৈ কৰিম," বুলি সম্মত নোহোৱাত থাকি বাপুৱে বেজাৰ হৈ তোৰ ঘৰত আগলৈ বৰফুকন সম্পত্তি নহওক বুলি শাপ দিলে। পাচে বৰফুকনে বোলে, "অবিচাৰে যে মোক শাপ দিলে ময়ো বুলিছোঁ, আপোনাৰ বঙ্গহতো এই সত্ৰাধিকাৰ সম্পত্তি নাথাকক।" এই বুলি তাৰ পৰা উজাই যাই গড়গাৱঁৰ নগৰৰ বৰচ'ৰাতে ১৬০৩ শকত ডাঙ্গৰীয়াসকলৰ সহিতে মিলি পুনৰ গদাধৰ কোঁৱৰক সেৱা কৰি ৰাজা ললে। লৰাৰজাক নগৰৰ পৰা উলিয়াই নি যোগান দি নামৰূপত থলে, ভোগ ২ বৎসৰ। আঠাইশ জনা ৰাজা গত। ইতি সপ্তম আধ্যা সমাপ্ত। ১৫৮॥

---

# অষ্টম অধ্যায়

—ww—

## স্বৰ্গদেৱ গদাধৰসিংহ।

পাচে ১৬০৩ শকৰ পৰা গদাধৰসিংহ ৰজা হল। কিন্তু ৰজা হৈ কিছুদিন মাত্ৰ হোৱাতে লৰাৰজাই পুনৰ ৰজা হবৰ মনস্থ কৰি বোল-মাত কৰা শুনি গদাধৰসিংহ স্বৰ্গদেৱে প্ৰকাৰ-

গদাধৰসিংহ

ন্তৰে মৰালে। এবং দীঘলা বুঢ়াগোহাঁইক মাৰি কুৱৈগয়া মোক বুঢ়াগোহাঁই পাতিলে। এওঁৰ পাচত লক্ষকিয়াৰ খামপেঙ্গক বুঢ়াগোহাঞি পাতিলে। লাইথেপেনা বৰগোহাঞিক ৰাজমন্ত্ৰী পাতিলে। আচুকক বৰপাত্ৰ পাতিলে। লাহনৰ টৈমাক বৰবৰুৱা পাতিলে। এবং বন্দৰ বৰফুকনক প্ৰাণমাত্ৰ নামাৰি সৰ্ব্বস্ব আগ্ৰহি বৰফুকন ভাঙ্গি ঘৰলৈ খেদিলে। তাৰে পৰা বন্দৰৰ বঙ্গহত ঐ গুৰু-শাপত বৰফুকন সম্পত্তি গুচিল ও বন্দৰ ফুকনৰ শাপতো সেই ঘৰ দক্ষিণ পটীয়া বাপুৰ বঙ্গহত তাৰে পৰা সত্ৰাধিকাৰ গুচিল। পাচে সন্দিকৈ ফুকনক বৰফুকন পাতি গুৱাহাটীলৈ পঠালে। আৰু বৰ-কলাত নগৰ কৰি শিঙ্গৰিঘৰ উঠি চুপাতফা নাম ললে। হিন্দুমতে গদাধৰসিংহ নাম হল। ১৫৯॥

এওঁ ৰজাদেৱেই দেশত পিয়ল কৰাই কাকত-পত্ৰ নিবন্ধ কৰিলে, ও পিয়ল উলিয়ালে। পাচে চুলিকৃফা অথচ লৰাৰজা হৈ থকাত যি যি ফুকন ৰাজখোৱাই স্বৰগদেও অথচ গদাধৰসিংহক

প্ৰথম পিয়ল আৰু বিষয়া বিদ্ৰোহ

ৰজা পাতি ললে, একজন ৰজা পাটত থাকোতে অপৰ একজন ৰজা পাতে বুলি সেইসকলক ৰাজ-দ্ৰোহী বুলি শালত দি ভুৰ বান্ধি উটাই দিলে। সেই শালত দিয়া ঠাইকে অদ্যাপিও শালমৰা-মুখ বোলে। পাচে স্বৰ্গদেৱে সন্দিকৈ ফুকনক বৰফুকন পাতি পঠাই

পূৰ্ব্বে পলাই থকা কালত যি যি সকলে সেৱা কৰিছিল, সেই সেই সকলক ধৰি ধৰি আনি অনেকক কাটি-মাৰি দণ্ড কৰিলে। ১৬০ ॥

এবং আউনীআটী সত্ৰত কেশৱৰ্দ্ধ হৈ থোৱাত কোনো ভকতে, "এইটো কৰ মানুহ, ইয়াৰ পৰা—" এনে বুলি তামুল খাই পিক পেলোৱাত ছিটিকি পৰিছিল, সেই কথা মনে স্মৰি সত্ৰাধিকাৰ কেশৱদেও বাপুক ধৰি নি শিল বান্ধি পানীত পেলাই মাৰিবৰ মনস্থ কৰিলে। সেই কথা বাপুৰ শিষ্য বেজদলৈয়ে ভু পাই বাপুলৈ কৈ পঠোৱাত, তেতিয়াই গোবিন্দ ঠাকুৰক লৈ বাপু পলাই যাই শদিয়াৰ হাবিত আছিল। বাপুক নাপালে আৰু সেই পলায়ন কালে যাৰ যাৰ কিঞ্চিৎ ২ অপকাৰ পাইছিল, তাকো দণ্ডবদ্ধ কৰিলে। ১৬১ ॥

গোসাঁইৰ বিষৈ

মঙ্গল চোৰা বোকা-খাতৰ অৰ্জ্জুন দৈৱজ্ঞক দলৈ পাতি সোনৰ লগুণ দিলে। আৰু সোনামুৱা ঘৰৰ ময়ূৰ মজুন্দাৰ বৰুৱাক অনেক মৰ্য্যাদা কোন-মনি কোন-খা বঁটা দি নবা-টোপী আৰু লাখাম্-চেটিয়া খেলত ললে। লাখাম্-চেটিয়াৰ অৰ্থ ৰাজবংশ। এই ৰাজাদেৱৰ দিনত ময়ূৰ মজুন্দাৰ বৰুৱা অতি বল্লভ আছিল। সৰ্ব্বদা স্বৰ্গদেৱৰ কাষতে থাকিব লাগে আৰু ভোজন কৰা সময় মেল কৰা বোলে। সেই সময়তো নানা ৰকম কথা কৈ মজুন্দাৰ বৰুৱা থাকিব লাগে, তাতে স্বজাতি আহোম, চাংমাই বৰুৱা প্ৰভৃতি হিন্দু মানুহ থাকে বুলি ঘৃণা কৰি নাথাকিবৰ কাৰণে ৰাজাদেৱত জনায় এবং ৰাজাদেৱে সেই কথাত সন্মত নহয়, তথাপি পুনঃ পুনঃ জনোৱাত, "জাত ধ্বংস কৰিয়ে লোৱা যাওক," এনে বোলাতো আহোম জাত মৰা ভাল নহয় বুলি জনোৱাত ৰজাদেৱে বোলে, জাতো ৰওক ও মেল কৰা সময়তো থকাত স্বনিন্দিত নহওক, এনে উপায় কৰ, বুলি কোৱাত সকলোৱে আলচি লাখাম্-চেটিয়া খেলত তোলিবৰ কথা জনালত, ৰাজাদেৱে তিনি জনা ডাঙৰীয়া সহিতে যুক্তি কৰি চেটিয়া-পাত্ৰত তুলিলে, সেই অবধি চাংমাই শালৰ পৰা পকা সাজ, ৰজাদেৱে যিমতে ভোজন কৰে সেইমতে প্ৰত্যেক দিন উপযুক্ত পাত্ৰত

ময়ূৰ মজুন্দাৰৰ মৰ্য্যাদা

দিয়ে। মজুলাবে সাদৰ কৰি লৈ আহোম জাতিক দিয়ে, সেই আহোমে নিত্যান্তে ভোজন কৰে। ১৬২ ॥

তদপৰ হিন্দুসকলে অনেক ৰূপে ধৰ্ম্ম প্ৰবৰ্ত্তাই দেশ নষ্ট কৰিব বুলি মহন্তসকলক চেউনি ও বচা আদি ঠায়ে ঠায়ে দূৰ কৰি পাতিলে। অথচ ঠাকুৰীয়া ভকত মহন্তক ১৬১৪ শকত নাম-ৰূপত পাতিলে ও মূৰ্ত্তিসকল পানীত পেলোৱালে।

আলি পুখুৰী

পাচে স্বৰ্গদেৱে জিজিঁখনাত শিল শাকো কৰি বহদৈ পুখুৰী, দ'ল আদি এবং তাতো শিল শাকো ও অকাৰ আলি ও ধোদৰ আলি ও দিহিঙ্গীয়া ৰৰবকৰাই কৰা আলি ও হুলৌ ফুকনে কৰা আলি ও খৰা-দল ও খৰা-গড় ও চৰাইদেওত গোটা দল, পুখুৰী এইসকল কৰম কৰিলে। তাবে পৰা ৰাজ্যতো, ৰাজাঘৰতো নিৰুপদ্ৰবে চলিল। ১৬৩ ॥

পাচে দিল্লীৰ বাদ্সাহৰ তৰফ্ মঞ্চুল-খাঁ নবাবেৰে গোহাটীৰ শুক্লেশ্বৰৰ ইটাখুলিতে ১৬০৫ শকত যুদ্ধ হল। সেই যুদ্ধতে নবাবক পৰাস্ত কৰি বঙ্গামাটি পৰ্য্যন্তে খেদি থলে। এই অবধি আসামৰে নবাবেৰে ৰণ নহল। এই ৰণৰ পৰা উলটি আহি মানাহা নদীকে পুনৰ ধজি অথচ সীমা কৰি ৰাখিলে। ১৬৪ ॥

ইটাখলিৰ যুদ্ধ

পাচে স্বৰ্গদেৱে ১৬১৬ শকে উমানন্দ দেৱালয়ৰ দ'ল কৰালে। এবং প্ৰকাৰে ৰাজাদেৱে ৰাজত্ব কৰিলে। কিন্তু স্বৰ্গদেৱে আহোম-মতে প্ৰবৰ্ত্তন আছিল ও হিন্দু ধৰ্ম্মত আস্থা নাছিল। সৰ্ব্বভক্ষক আছিল এবং মৃত্যু হলে মৈদাম কৰি তাতে অলঙ্কাৰ বস্ত্ৰাদি ও ঘোৰা-লোৰা সঁজুলি দাস-দাসী আদি সকলোকে মৈদামত সোমাই মাটি জাপি দ'ল অথবা মটীয়া পৰ্ব্বত হেন কৰি এৰে। এইসকল নিয়ম অতি দৃঢ় ৰূপে পূৰ্ব্বে আছিল। কিন্তু মধ্যে মধ্যে ও পৰে সিথা কোনো ৰজাসকল শৰণ লৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰাতে আহোম মত হ্ৰাস হৈ আছিল। অথচ মৈদামত লোকজন দিয়া কম হৈ আছিল। তথাপি গদাধৰসিংহ স্বৰ্গদেৱ পৰ্য্যন্ত বস্ত্ৰ-অলঙ্কাৰ আদি ও তাম-পিতল,

হিন্দু ধৰ্ম্মত অনাস্থা

ৰূপৰ ও সোনৰ ও মাইহাং খাট আদি মৈদামত দিয়া নিয়ম আছিল। ঐ মৈদাম চৰাইদেও নামক পৰ্ব্বতীয়া স্থানত সকলোৰে মৈদাম হয়, অথচ ৰজা ও ডাঙ্গৰীয়া তিনি জনাৰ ও গোহাঞি তিনি জনা ও বৰবৰুৱা ও বৰফুকন প্ৰভৃতিৰো হয়। কিন্তু ৰজা ও ডাঙ্গৰীয়া ও গোহাঁইসকলৰ মৈদাম চৰাইদেৱতহে হয়; অন্যসকলৰ অন্য অন্য স্থানেও উত্তম ও মধ্যম ও সামান্য প্ৰাকৃতমতে হয়। ঐসকল কৰ্ম্ম দেওধাই ও বাইলুং দ্বাৰা সম্পাদন হয়। ১৬৫ ॥

দেওধাইএ মদ গাহৰি আদি দি ইন্দ্ৰাদি দেৱতাসকলক আহোম-মতে পূজা কৰি ঢোল আদি বাদ্য কৰাতে তন্মধ্যে কোনো কোনো আহোম জাতি জঁকে অৰ্থাৎ উন্মত্তমত হৈ নৃত্য কৰে, তাতে ভূত ভবিষ্য বৰ্ত্তমানৰ কথা সুধিলে কয়। কোনো কোনো কথা ফলে ও কোনো কোনো সত্য নহয়। কিন্তু আহোম জাতিয়ে তাকে বিশ্বাস কৰি সেই সেই মতে আচৰণ কৰে। ১৬৬ ॥

দেওধানি

বাইলুং।—এওঁলোক পুৰোহিতৰ মত কৰ্ম্ম কৰে। মৃত লোকৰ যি যি কৰ্ম্ম কৰিব লাগে তেওঁলোকৰ বিধানমতে কৰে। আৰু তেওঁলোকৰ আহোম ভাষা দোৱানৰ মত ও আহোম অক্ষৰ আছে। সেই আহোম অক্ষৰেৰে সোনৰ ৰূপৰ মোহৰো মাৰিছিল। সে যাহক, গদাধৰসিংহ স্বৰ্গদেৱৰ দুই পুতেক হল। বৰজনাক লাই বুলিছিল, সৰু জনাক লেচাই বুলিছিল। এই দুই জনাক ৰাখি কালক্ৰমে ১৬১৭ শকৰ ১৩ ফাগুন কৃষ্ণা চতুৰ্থীত গদাধৰ স্বৰ্গদেৱে স্বৰ্গী হল, ভোগ ১৪ বৎসৰ ১০ মাহ ১৩ দিন। অথঃ অষ্টম আধ্যা সমাপ্ত। ঊনত্ৰিশ জনা ৰজা গত। ১৬৭ ॥

বাইলুঙৰ বিধান

## নৱম অধ্যায়

—~~~—

### স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ পৰা গৌৰীনাথসিংহলৈকে।

এওঁ ৰাজা মৰণান্তে এওঁৰে ৰৰপুত্ৰ লাই গোহাঞিদেও ১৬১৭ শকৰ ১৪ ফাগুনত ৰাজা হল। গড়গাওঁ নগৰত শিঙৰিঘৰ উঠি চুখ্ৰুংফা নাম ললে। হিন্দুমতে ৰুদ্ৰসিংহ নাম হল। ১৬৮॥

ৰুদ্ৰসিংহ

এওঁ ৰাজাদেৱে থাম্‌পিং ১, কুঞ্চেগয়া লাইচেং ১, দিলিহিয়াৰ আফুআ খাম্পাত ১, এই তিনি ক্ৰমে বুঢ়াগোহাঞি পাতিলে। লাইথেপেনা ৰৰগোহাঞি মৰিলত পুতেক কমলাকান্তক ৰৰগোহাঞি পাতিলে। এবং কেন্দুগুৰীয়া চেংকেঙক ৰাজমন্ত্ৰী ৰাৱে সহিতে ৰৰপাত্ৰ পাতিলে। ও দিহিঙ্গীয়াৰ বুঢ়া ১, পাতৰৰ কোটা ১, দিহিঙ্গীয়াৰ ডেকা ১, সন্দিকৈৰ ৰৰাগী ১, এই চাৰিক্ৰমে ৰৰবৰুৱা হল। ও সন্দিকৈ ৰৰফুকনেই কত কাল ৰৰফুকন হৈ আছিল। এওঁৰ পাচত দুৱৰাৰ ৰৰজনা ১, পাতৰ ১, এই দুইক ক্ৰমে ৰৰফুকন পাতিলে। পাচে গদাধৰসিংহ স্বৰ্গদেৱে চেউনী, ৰচা আদিত পতা মহন্তসকলক চপাই আনি স্ব স্ব স্থানত পুনৰ্ব্বাৰ পাতিলে। ও শদিয়াৰ পৰা আউনীআটীয়া কেশবদেৱ অধিকাৰী বাপুক আনি স্ব-সত্ৰত পাতিলে। ১৬৯॥

গোসাঁই মহন্ত স্থাপন

ও সন্দিকৈ ৰৰফুকনেই প্ৰথম হিলৈ-চৰা নাৱত দুই মূৰে মগৰ লগাই বাৱলৈ নাওবৈচা শিকাই লাচ-চাব লগাই স্বৰ্গদেৱক বং দেখাই মগৰী-চৰা ও বহৰী-শেন দুইবো খেল উলিয়ালে। ঐ ৰৰফুকনৰ পাচতে দুৱৰাৰ ৰৰজনা, তদপাৰ পাতৰ ৰৰফুকন হল। ১৭০॥

নাও খেল

আৰো স্বৰ্গদেৱে তেজিত গড় বান্ধিলে। মেটেকাত ৰংপুৰ নগৰ ও জয়সাগৰৰ দ'ল পুখুৰী ও ৰংনাথৰ দ'ল পুখুৰী ও কাকুৱা দ'ল ও নামদাঙ্গৰ শিল শাকো ও ডিমৌৰ দুই শিল শাকো ও খবিকটীয়া আলি, দুবৰনি আলি, মেটেকাৰ আলি, এইসকল কৰিলে। ১৭১ ॥

দ'ল, পুখুৰী, আলি, নির্মাণ

পৰে নগাৰঁৰ মিছামুখৰ বাহুবলে গৈ জয়ন্তাৰ দেশ আক্ৰমণৰ নিমিত্তে জয়ন্তাৰ ৰামসিংহ ৰাজা ভয় পাই স্ব-ইচ্ছাতে আহিল। আৰু কছাৰী-ৰজালৈ কটকী পঠাই তাম্ৰধ্বজ ৰাজাক অনালে। পাচে স্বৰ্গদেও উজাই আহি এই দুই ৰাজা সহিতে বিশ্বনাথতে সম্ভাষা হল। পূৰ্ব্বে যোৱা ফৌজে জয়ন্তাৰ শ্ৰীশ্ৰীজয়ন্তীদেবীক অনাত ৰামসিংহ ৰাজাৰ দুই পুতেক আপোন ফৌজ গোটাই লৈ যুদ্ধ কৰি দেবীক ৰাখিলে। এবং ৰাজা স্বৰ্গদেৱৰ অথচ অহম ৰাজাৰ ফৌজে অনেক মাৰিলে। পৰে দুই ৰাজাক লৈ ৰুদ্ৰসিংহ স্বৰ্গদেও ৰংপুৰলৈ আহিল। জয়ন্তাৰ ৰাজা কিছো দিন থাকি মৃত্যু হল। কছাৰী-ৰাজাক ৰাজ্য যোগ্য বঁটা দি দেশলৈ পঠাই দিলে। ১৭২ ॥

দুয়ো ৰাজা বিজয়

তদপৰ স্বৰ্গদেৱে মণিপুৰ দেশ লবৰ মনেৰে অনেক সেনা পঠালে। কিন্তু বাট-পথ ভাল নহয়, হাবি-লতা কাটি যাওঁতে অনেক সেনা মৰিল হেতু ইয়াকেঁ লতাকটা ৰণ বুলি কয়। পাচে স্বৰ্গদেৱৰ আজ্ঞানুসাৰে অবশেষ সেনাখিনি ঘূঁহঁকি আহিল। কিন্তু মণিপুৰীয়া ৰাজাৰে মিত্ৰ কৰি মিত্ৰভাবে থাকিল। ১৭৩ ॥

মণিপুৰৰে মিত্ৰতা

তদপৰ ৰুদ্ৰসিংহ ৰাজা ৰাজত্বি কৰি থকাতে কুচৰিত্ৰ কুমন্ত্ৰীয়ে ৰাজাদেৱত জনালে বোলে, ভায়েক লেচাই গোহাঁইদেৱে ৰাজা হবৰ মনহ কৰিছে। এই কথা স্বৰ্গদেৱে শুনি ভায়েক লেচাই গোহাঞিদেৱক চকু কাঢ়ি হাবিত থলে। পাচে অকাৰণ মিছা কথা হেন জানি নামৰুপীয়া ৰাজা পাত্তি ৰাজ-মৰ্য্যাদা

ভ্ৰাতৃৰ যন্ত্ৰণা

দি প্ৰধান ৰূপে নামৰূপত থলে। এই হেতুকে নামৰূপীয়া ফেল প্ৰধান হল। ১৭৪ ॥

আৰু এইজনা ৰাজাদেৱে ওপৰে লেখা ঐ বৰাগীৰ খেলতে খাওন্দ পাতিলে। এবং তেওঁলোকৰ এই কৰ্ম্ম,—ৰাজা ও ডাঙৰীয়া ও

খাওন্দৰ বাৰ

গোহাঞিসকলৰ মৃত শৰীৰৰ অস্থি গঙ্গাদি তীৰ্থত বিধিমতে লগাই ব্ৰাহ্মণ আদিক তদৰ্থে দান দক্ষিণাদি কৰিব। ১৭৫ ॥

বৈৰাগীৰ বাৰ

বৈৰাগী।—এওঁলোকে বেশছন্ন কৰি দেশদেশান্তৰ যাই মুনিহ ও স্ত্ৰী বস্ত্ৰ অলঙ্কাৰ পিন্ধাৰ নমুনা যোগাব। ১৭৬ ॥

ও কটকীয়ে ৰাজাৰ চিঠি-পত্ৰ লৈ ৰাজ-ৰাজৱানসকলৰ স্থানে যাব। পুনৰ সমাচাৰ চিঠি-পত্ৰ সন্দেশ লৈ ৰাজাদেৱৰ পাশ আহিব। কটকী

কটকীৰ বাৰ

মধ্যে বৰ কটকী, ও মাজু কটকী ও সৰু কটকী, তিনি শ্ৰেণী। যোগ্যবান বৰ কটকীৰ মধ্যে ৰাজা ও নবাব আদিৰ স্থানে যায়। অন্যসকলে দেশৰ ভিতৰতে চলাচল কৰে আৰু ৰাজখোৱা ইষ্টক চোট চোট বিষয়া পাতিব লাগিলে মজুন্দাৰ বৰুৱাৰ প্ৰেৰিতমতে কটকীয়ে পাতে। ১৭৭ ॥

দলৈ।—দলৈ মধ্যেও তিনি শ্ৰেণী, বৰ দলৈ, মাজু দলৈ, সৰু দলৈ; তেওঁলোকে জ্যোতিষ শাস্ত্ৰ গণনা কৰি দেশৰ ভাল মন্দ কব লাগে।

দলৈৰ বাৰ

আৰু ৰাজা ও ডাঙৰীয়া গোহাঞি প্ৰভৃতিৰ কোষ্ঠি, জন্ম-পত্ৰিকা ও দশা কৰিব লাগে। আৰু দশা কি জন্ম-পত্ৰিকা চাই গ্ৰহ অনিষ্ট হলে গ্ৰহ-যজ্ঞ ও গ্ৰহ-যাগ ও শান্তি আদি কৰিব লাগে। পঢ়া শুনা পণ্ডিত জ্যোতিষ শাস্ত্ৰত ভালমতে ব্যুৎপত্তি হলে বৰদলৈ হয়, অপৰ সকল মাজু দলৈ সৰু দলৈ হয়। ঐ দলৈৰ মধ্যে কোনোসকল বণ হলে সেনাৰ মধ্যে যাব লাগে। তেওঁলোকে খেন চাই যুদ্ধলৈ সেনা যাবৰ [সময় দিব। আৰু দলৈলোকে গ্ৰহ-যজ্ঞাদি কৰাতে অনেক লভ্য হয় আৰু কোনো গণনাদি ফলিলে ৰাজা

আঙ্গৰীয়া প্ৰভৃতিয়ে বঁটা অথচ বকৃচিচ দিয়ে। আৰু কোনো হলেক দেৱালয় একখন দিয়ে, তদ্বাৰা প্ৰবৰ্ত্তন হয়। এইসকল কৰ্ম্ম বৈৰক্ত দ্বাৰা হয়। ১৭৮ ॥

কাকতী।—কাকতী মধ্যেও তিনি শ্ৰেণী, বৰ কাকতী, মাজু কাকতী, সৰু কাকতী। বজাঘৰত চাংকাকতী সংজ্ঞাহে; বৰ, মধ্যম, সৰু, নাই। তেওঁলোকে বজাঘৰত ধনৰ জমা খৰচ ও পাইকৰ হিচাব ৰাখে। আৰু তাঁতী ও জোলাশালৰ সূতা ও গুণাৰ হিচাব কৰি দিব লাগে। ও চ'ৰানাও প্ৰভৃতি কৰিব লাগিলে কিমান দীঘল ডাঙ্গৰ ও কিমানখিনি গজাল লাগে তাৰ নিৰ্ণয় কৰি দিব লাগে। গৌহাটীতো বৰফুকনৰ তাতে চাংকাকতী নাই; খোলাৰ কাকতী, বৰকাকতী ও কাকতী, এনে বোলে। তেওঁলোকেও পাইকৰ হিচাপ ও কটলৰ ধনৰ হিচাপ, জমা খৰচ, ৰাখিব লাগে। এই পাচ খেল অথচ কাকতী, কটকী, বৈৰাগী, খাওন্দ, দলৈ, এই পাচ খেল ৰুদ্ৰসিংহ স্বৰ্গদেৱে পৰিপাটিমতে নিবন্ধ কৰিলে। ১৭৯ ॥

কাকতীৰ বাব

বৈৰাগীৰ মুখে বুজিও নমুনামতে স্ত্ৰী পুৰুষৰ পিন্ধা অলঙ্কাৰ আৰু চুৰিয়া, চোলা, পাগুৰি, পাগ, জামা ও বুকু-চোলা, এঙ্গা ও কটা ফুলৰ বুকু শু তোৰতাৰ জিজিৰা ও কাৰছিপি ও স্ত্ৰী-সকলৰ মেখেলা, বিহা আদি পিন্ধাৰ নিয়ম হল। আগে এইমত নাছিল। বচোয়াল টঙ্গালি মূৰত মেৰাই থোৱা গামোচাৰ মত কছুছো বোলে, তাকে মেৰাই গাঁঠি দি থয়। আৰু এই ৰজাদেৱৰ দিনতে সভাপণ্ডিত খেস পাতি শাস্ত্ৰমতে দণ্ডবন্ধৰ বেৱস্থা কৰিলে। আৰু এইজনা ৰাজাদেৱৰ দিনৰে পৰা হাতীৰ যুদ্ধ ওলাল। ১৮০ ॥

ন সাজ-পাৰ

আৰু ৰুদ্ৰসিংহ স্বৰ্গদেৱে আউনীআটীয়া হৰিদেৱ অধিকাৰী বাপুত শৰণ লৈ মাজোলীত চাৰি গড় কৰি সত্ৰ পাতি অনেক বৃত্তি-বিধান দিলে। এইজনা ৰাজাদেৱৰ পৰাহে শৰণীয়া কৈ একাদিক্ৰমে হিন্দুধৰ্ম্ম ধৰা হল। তদপৰ সমীয়া,

হৰিদেৱত শৰণ

শান্তিপুৰৰ শিমলাগ্ৰামৰ কৃষ্ণৰাম স্থায়বাগীশ টিঙ্গৰামৰা ভট্টাচাৰ্য্যৰ অনেক মহিমা শুনি মন্ত্ৰ লৈ শিষ্য হবৰ অভিপ্ৰায়ে গৌৰ বাদ্‌সাহৰ ঠাই কটকী পঠাই আৰু ভট্টাচাৰ্য্যলৈকো চিঠি লিখি সেই অভিপ্ৰায়তে আছিল। ১৮১ ॥

এতৎভিন্ন এইজনা ৰজাদেৱৰ দিনতে বঙ্গদেশৰ বঙ্গালী গান-বাজনা আহাতে ৰাজা ভাঙ্গৰীয়া প্ৰভিতিয়ে শুনি বৰ হৰ্ষ পালে। সেই হেতুতে

বঙ্গালী বাজনা

সেই ৰজাদেৱৰ দিনৰে পৰা বঙ্গালী গান-বাজনা প্ৰবৰ্ত্তে। আৰু এই ৰুদ্ৰসিংহ ৰজাদেৱৰ এজনী কুঁৱৰীৰ সন্তান শিবসিংহ ও প্ৰমত্তসিংহ; এজনা কুঁৱৰীৰ সন্তান দেবমোহন ধৰজনা গোহাঞিদেও; এজনা কুঁৱৰীৰ ৰাজেশ্বৰসিংহ। এই চাৰি জনা কোঁৱৰ হল। ১৮২ ॥

পাচে দিল্লীৰ বাদ্‌সাহে আসাম দেশ লবৰ মনেৰে ফৌজ সেনা পঠালত তেওঁলোক আহি কামৰূপ গৌহাটী আক্ৰমণ কৰিলে। এইসকল

অসমীয়া সৈন্তৰ চতুৰালি

ৰাজাদেৱে শুনি বাদ্‌সাহৰ কৰতলীয়া নামটি গুচাওঁ বুলি প্ৰথম পুত্ৰ শিবসিংহক যুবৰাজ পাতি লৈ এবং সৈন্য সংগ্ৰহ কৰি ডাঙ্গৰীয়া ও ফুকন বৰুৱা বিষয়াদি সহিতে ভটীয়াই আহিল। পাচে কালশিলা বাহৰতে এজনা কুঁৱৰীৰ গৰ্ভে লক্ষ্মীসিংহ জন্মিল। সেই জন্মা বাহৰৰ নামেৰেই এওঁকে কালশিলা গোহাঞি বুলিছিল। দিল্লীৰ বাদ্‌সাহৰ ফৌজে গোহাটী প্ৰভৃতি স্থানতে জুৰি নিশ্চিত ভাবে থাকোতে ৰাজাদেৱৰ যুদ্ধাক সৈন্যসকলে তুঁহৰ ভুৰ কৰি ঐ ভুৰতে মানুহ অথচ সৈন্য উঠি মাজে মাজে অগ্নি ও জোৰা লগাই দুই-চাৰি হিলৈ মাৰি ৰাত্ৰি ব্ৰহ্মপুত্ৰ জুৰি ভটীয়াই আহোতে বাদ্‌সাহৰ সৈন্তসকলে নিদ্ৰাভঙ্গ হৈ হঠাৎ আহি ধৰিলে বুলি ভেতিয়াই ভাগি গৈ শোৱালকুছি ও পলাশবাৰী প্ৰভৃতিত সৈন্য ৰলগে। গাহাটী উজং হোৱাত স্বৰ্গদেৱৰ সৈন্ত-সামন্তে গোহাটীত সোমাল এবং ৰাজাদেৱেও আহি উত্তৰপাৰৰ বাহৰতে থাকি বাদ্‌সাহৰ সৈন্ত-সামন্ত সহিতে যুদ্ধ কৰি হটালে। ১৮৩ ॥

কিন্তু ৰুদ্ৰসিংহ স্বৰ্গদেৱে গজাদেৱীক ভিতৰ কৰি লবৰ মনেৰে যুদ্ধৰ অনেক অস্ত্ৰ-শস্ত্ৰ আহিলা-পাতি আয়োজন কৰি থাকোতেই পূৰ্ব্বোক্ত নদীয়া শান্তিপুৰৰ শিমলাগ্ৰামৰ কৃষ্ণৰাম বা কৃষ্ণানন্দ ন্যায়বাগীশ উজবামৰা ভট্টাচাৰ্য্য আহি পাই কামাখ্যা পৰ্ব্বতত ভগৱতীক দৰ্শন কৰি তাতে থাকি ৰজাদেৱলৈ কৈ পঠালে, "ভগৱতী স্থানতে থাকিব খোজোঁ।" পাচে স্বৰ্গদেৱে সম্মত হৈ বাহৰ সজাই দিয়াতে নীলাচল পৰ্ব্বততে থাকিল। তাতেহে পৰ্ব্বতীয়া গোসাঁই নাম হল। ১৮৪ ॥

কামাখ্যাত কৃষ্ণানন্দ

কিন্তু স্বৰ্গদেৱে মন্ত্ৰ লবৰ মনস্থ কৰি গোসাঁইত কোৱাত অন্ত্যজ বুলি কিছো অবহেলা কৰি আছিল। কিন্তু ৰজাদেৱে আগ্ৰহি ধৰাতে একদিনা বেলপাতত ৰক্তচন্দনৰে মন্ত্ৰ লিখি টেমা এটিত ভৰাই একজন ব্ৰাহ্মণৰ হাতত দি পঠালে। সেই ব্ৰাহ্মণে উত্তৰপাৰে ৰজাদেৱ থাকাতে গোসাঁই ঘৰে যোৱা সময়তে দিয়াতে টেমা মেলি চাই মন্ত্ৰ দেখিলে। এবং মনে জানিলে যে, মন্ত্ৰ অন্ত্যজ বুলি ঘৃণা কৰি নিজে আহি মন্ত্ৰ নিদিলে। এই বুলি ব্ৰাহ্মণক বিদাই পঠালে। ৰজাদেৱে মন্ত্ৰ গ্ৰহণ নকৰিলে। তথাপি ভট্টাচাৰ্য্যক পূৰ্ব্বমতে পৰ্ব্বততে ৰাখিলে। ১৮৫ ॥

বেলপাতত বীজমন্ত্ৰ

তদপৰ ৰজাদেৱে গজাদেৱীক ভিতৰ কৰি দেশ লবৰ মনেৰে যুদ্ধৰ আয়োজনতে আছিল। গড়-প্ৰাকাৰসকল পৰিষ্কাৰ কৰাইছিল। সেই সময় যুদ্ধৰ সামগ্ৰী পাথৰ-কলাই বন্দুক আৰু কাঁড়, ধনু ও ঢাল, বাৰু আৰু শেল, শূল, যাঠী, বৰটোপ আছিল। সে যাহক, এইজনা ৰজাদেৱে যদিবা আউনীআটী হৰিদেৱ গোসাঁইত শৰণ লৈছিল তথাপি মহাদেৱত বৰ ভক্তি কৰিছিল। পৰম্পৰে লোকসকলে কয় যে, ৰজাদেৱে একসেৰ মৃত্তিকাৰ শিবলিঙ্গ কৰি গন্ধ-পুষ্প, ধুপ-দীপ, নৈবেদ্য দি পূজা কৰে। কদাচিত কোনো সময় সেই শিব হৈতে অগ্নি উদ্ভৱ হৈ বিল্বপত্ৰাদি পুৰি ভস্ম কৰে। এবং সৰ্ব্বদা মহাদেৱক বোপা বোপা বুলি স্মৰণ কৰে। ১৮৬ ॥

মহাদেৱৰ মূৰ্ত্তি

ৰাজাদেৱে থকা ৰুদ্ৰেশ্বৰ থানৰ পৰা ব্ৰহ্মপুত্ৰৰ মধ্যত থকা উমানন্দ শিবৰ পৰ্ব্বত দেখিব লাগে, সেই জন্য আৰকৰা পৰ্ব্বত এটি আছে। তাকে খহাবৰ'কাৰণে অনুজ্ঞা কৰাতে খহাবৰ আৰম্ভ

স্বৰ্গদেৱৰ স্বপ্ন

কৰিছিল। ইতিমধ্যে ৰাত্ৰি স্বপ্নত ৰাজাদেৱক মহাদেৱে দৰ্শন দি কলে, "পৰ্ব্বত খহাবৰ কাম নাই। আৰু গঙ্গাদেবীক যে ভিতৰ কৰি লবৰ মন কৰিছ সিয়ো প্ৰয়োজন নাই। কালিলৈ প্ৰভাতে মানুহ এটি পঠাবি। হাবিত চাব, অকালতে ফুলা পুষ্প এপাহ পাব। সেই পুষ্পৰ যেইটি পাহ সেই পক্ষহে জীয়াই থাকিবি।" এই বুলি অন্তৰ্হিত হল। ৰাজা স্বপ্ন দেখি নিদ্ৰিত নহল। অল্পতে প্ৰভাত হল। লোক পঠোৱাত অকালত নাগেশ্বৰ ফুল এপাহকে পালে। তাকে আনি দিয়াতে দেখিলে তিনি পাহ মাত্ৰ আছে। মনেৰে ৰাজাদেৱে জানিলে, তিনি পক্ষহে জীয়াই থাকিম। কিন্তু ৰাজাদেৱে এই কথা কাতো প্ৰকাশ নকৰি মনে ২ উৎসাহ ভঙ্গ হল। এনেতে স্বৰ্গদেৱ নৰিয়া পৰিল। ১৮৭ ॥

পুত্ৰসকলক সমীপে মতাই আনি কলে, "আমাৰ আহোমৰ দুই তিনটি লৰা হলেই ভাই ভাই দন্দ কাজিয়া কৰি একজনে অপৰ জনক নষ্ট কৰে। এতেকে কাকো কোনে হিংসা নকৰিবি।

মহাৰাজাৰ অন্তিম-বাণী

যদি মোৰ কথা শুনি ভাই ভাই হিংসা কৰ নাশ যাবি, এতেকে মঞি আশীৰ্ব্বাদ কৰিছোঁ মোৰ অবিহনে ক্ৰমান্বয়ে সকলোটি ভায়েৰ ৰাজা হবি।" এই কথা কৈ কেইদিন মানৰ পাচতে সেই নৰিয়াতে গোহাটীৰ উত্তৰপাৰে ৰুদ্ৰসিংহ স্বৰ্গদেৱ ১৬৩৬ শকৰ ১৩ ভাদ্ৰ কৃষ্ণা দ্বিতীয়াত স্বৰ্গী হল, ভোগ ১৮ বৎসৰ ৬ মাহ হল। ত্ৰিশ জনা ৰাজা গত। ১৮৮ ॥

এওঁ ৰুদ্ৰসিংহ ৰাজা মৰণান্তে এওঁৰ প্ৰথম পুত্ৰ শিবসিংহ যুবৰাজেই ১৬৩৬ শকত ৰাজা হল। শিঙৰিঘৰ উঠি চুতন্‌ফা নাম ললে। হিন্দু-মতে শিবসিংহ নাম হল। পাচে পিতৃ স্বৰ্গদেৱৰ

শিবসিংহ

পূৰ্ব্বানুমতিমতে ঐ শিমলাগ্ৰাম নিবাসী কৃষ্ণানন্দ

ন্যায়বাগীশ ভট্টাচাৰ্য্যত মন্ত্ৰ লৈ শিষ্য হল, এই হেতুকে ভট্টাচাৰ্য্য নাম হল। আৰু স্বৰ্গদেৱৰ প্ৰথম ভাৰ্য্যা শ্ৰীমতী ফুলেশ্বৰী আইকুঁৱৰীও মন্ত্ৰ ললে। এবং এওঁ ৰজাৰ দিনত বাইলুঙ্গীয়া বায়ন ১, দোআই গোহাঞি ১, পুখুৰীপৰীয়া চেংমন ১, এই তিনি ক্ৰমে বুঢ়াগোহাঞি হল। ও কমলাকান্ত বৰগোহাঞিয়ে ৰাজমন্ত্ৰী বাৰ সহিতে হল। পাচে এওঁ মৰিলত ৰাজমন্ত্ৰী বাৰে সহিতে কালুগঞা হৰিনাথ বৰগোহাঞি হল। পাচে এওঁ ৰাজমন্ত্ৰী বাৰে সহিতে বৰপাত্ৰ হল। কাৰণ বৰগোহাঞি-পৰীয়া দিহিঙ্গীয়া ফৈদৰ থানুনাথ বৰগোহাঞি হল। কেন্দুগুৰীয়া চেংকঙ্গৰ পুতেক পৰমানন্দ বৰগোহাঞি ডাঙ্গৰীয়া বিষয়ৰ পৰা আহি ৰাজমন্ত্ৰী বাৰে সহিতে ও বৰৰজাৰ ভায়েক কালুগঞা হৰিনাথ এই দুই ক্ৰমে বৰপাত্ৰ হল। বুঢ়াদদাই ১, বকতিয়াল ৰূপচন্দ্ৰ ১, এই দুই ক্ৰমে বৰবৰুৱা হল। তৰুণ দুৱৰাৰ বিজয় ১, দিহিঙ্গীয়াৰ দেবেৰা ১, বিজয়ৰ পুতেক ডেকা দুৱৰা ১, ক্ৰমে এই তিনি বৰফুকন হল। ১৮৯।

আৰু স্বৰ্গদেও ও ফুলেশ্বৰী বৰকুঁৱৰী পৰ্ব্বতীয়া ভট্টাচাৰ্য্যত মন্ত্ৰ লৈ শিষ্য হনৰ পৰা ঐ গোসাঁই ভট্টাচাৰ্য্যক উজনি ও ভাটী কামৰূপত মাটি মানুহ ক্ৰমে বৃত্তি-ব্ৰহ্মোত্তৰ কৰি দি ভট্টাচাৰ্য্যৰ মনস্থ-মতে গুৱাহাটীৰ নীলাচল পৰ্ব্বতে সততে থাকিবলৈ ঘৰ কৰাই দিলে, এই হেতুতে পৰ্ব্বতীয়া গোসাঞি নাম খ্যাত হল। আৰু গোসাঞিৰ দ্বাৰা শাস্ত্ৰানুসাৰে গুৱাহাটীৰ সকলো দেৱালয়ৰ দেৱতাৰ পূজাৰ বেৱস্থা বিধি উলিয়াই দেৱালয়সকল নিবন্ধ কৰিলে। ১৯০॥

কুঁৱৰীৰ মন্ত্ৰ গ্ৰহণ

আৰু ঐ ভট্টাচাৰ্য্য গোসাঞিয়ে নব্য স্মাৰ্ত্ত মত উলিয়াই সেইমতে আচৰণ কৰিব দিয়াত এদেশীয় প্ৰাচীন ব্যক্তা পণ্ডিত আৰু সত্ৰসকলৰ মহন্তসকলে মান্তি নহৈ অনেক বাদানুবাদ শাস্ত্ৰমতে কৰিলে। পাচে পৰাস্ত কৰিব নোৱাৰাত ৰজাঘৰৰ পৰা এইমত আজ্ঞা হল যে, পৰ্ব্বতীয়া ভট্টাচাৰ্য্যৰ শিষ্যসকলে ঐ ভট্টাচাৰ্য্যৰ মতাবলম্বি স্মাৰ্ত্ত মতে চলিব। অপৰসকল পৌৰাণিক প্ৰাচীন মতে চলিব। ১৯১॥

স্মাৰ্ত্ত মত প্ৰচলন

আৰু ব্ৰাহ্মণ দৈবজ্ঞৰো বাদানুবাদ হ'ল। ভট্টাচাৰ্য্য গোসাঁইৰমতে দৈবজ্ঞ গণক জাতি হীন। তেওঁলোকে শৰ্ম্মা লিখিব নাপায় আৰু দক্ষিণাকো গ্ৰহণ কৰিব নাপায়। ইয়াতে থাকি ৰাজাঘৰত বৰ বিচাৰ হৈ জ্যোতিষীয়া পণ্ডিতাদিৰ সহিতে শাস্ত্ৰমতে বিচাৰ হৈ হীন কৰিব নোৱাৰাত ৰাজাঘৰৰ পৰা এই আজ্ঞা হ'ল যে, ব্ৰাহ্মণ দৈবজ্ঞ সমান, ও সমানমতে শৰ্ম্মা শৰ্ম্মণ লিখিব পাৰিব। আৰু দক্ষিণাকো গ্ৰহণ কৰিব পাৰিব। এবং গ্ৰহ-যজ্ঞাদি কৰ্ম্ম কৰিব, কিন্তু প্ৰায়শ্চিত্ত শ্ৰাদ্ধ কৰ্ম্ম কৰিব নোৱাৰিব, আৰু ব্ৰাহ্মণেও গ্ৰহ-যজ্ঞাদি কৰ্ম্ম নকৰিব। এই বেৱস্থা হোৱাতে সেইমতে চলিত হৈ আছিছে। ১৯২ ॥

পৰ্ব্বতীয়া গোসাঁইৰ প্ৰতাপ

পাচে এইজনা স্বৰ্গদেৱে আসাম দেশত ব্ৰাহ্মণ-সজ্জন, সত্ৰ-মহন্তক অনেক বৃত্তি-বিধান, দেবত্তৰ, ব্ৰহ্মত্তৰ ও ধৰ্ম্মত্তৰ ও নানকাৰ কৰি নিজৰ-মতে দিলে। এবং সেইসকলত কৰ্ম্ম কৰিবৰ কাৰণে মানুহ অথচ পাইক যি যি কৰ্ম্ম কৰিব নিবন্ধ কৰি দিলে। আৰু অশ্বক্ৰান্তত ১৬৩৯ শকে দ'ল কৰালে। এবং দীৰ্ঘেশ্বৰী দেৱালয়তো ঐ ১৬৩৯ শকতে দ'ল কৰালে। আৰু এই-জনা স্বৰ্গদেৱৰ ধাই প্ৰধান হৈ আলি কৰালে। সেই আলিকে অদ্যাপিও ধাই-আলি বোলে। ১৯৩ ॥

ব্ৰাহ্মণক বৃত্তি

আৰু স্বৰ্গদেৱে কামৰূপ পিয়ল কৰালে। এবং বৰুত্তা পিয়ল কৰাই কটকীৰ ভগীৰথ টেকেলা বৰুৱাক কাকতীয়া নাম দিলে। তাৰে পৰাহে পেৰা-কাগজ হ'ল। ১৯৪ ॥

কামৰূপ পিয়ল

পাচে জ্যোতিষীয়া দলৈ ও পণ্ডিতসকলোৰে ও আহোমৰ দেওধাই বাইলুংসকলোৰে স্বৰ্গদেৱৰ ছত্ৰভঙ্গ যোগ হৈছে বুলি জনালত স্বৰ্গদেৱে পৰ্ব্বতীয়া গোসাঁইলৈ কৈ স্বধি পঠালে। গোসাঁয়ে সেইসকল পণ্ডিতৰে বিবেচনা কৰি অনেক শান্তি-স্বস্ত্যয়ন কৰালে, এবং স্বৰ্গদেৱৰ ছত্ৰভঙ্গ যোগ হৈছে বুলি ঐ ছত্ৰ কাক দিব বিবেচনাপূৰ্ব্বক আপোনাৰ ভাৰ্য্যা অৰ্দ্ধেক শৰীৰ বুলি

ছত্ৰভঙ্গ যোগ

আইকুঁৱৰীজনীক ছত্ৰ দি ৰাজা নাম দিলে। এইজনা কুঁৱৰীৰ নাম ফুলেশ্বৰী আৰু প্ৰমথেশ্বৰী। ১৯৫ ॥

এই দুয়ো নামেৰে মোহৰো মাৰিলে। এওঁকে বৰৰাজাও বুলিছিল। একে স্ত্ৰী যৌবনকাল, তাতে ৰাজ-ভাৰ্য্যা; গৰ্ব্ব, দৰ্প, অহঙ্কাৰৰ ঠাই নাই। বিশেষ ৰাজ-পদপিও পালে। এহাতে অনায়াসে বুজিব পৰা যায় তেওঁৰ অহং-গৰিমা নহই কাৰ হব? পাচে এই বৰৰজাই গৌৰীসাগৰৰ দ'ল পুখুৰী পাতি দেৱালয় পাতিলে। ভায়েক হৰিনাথ ঐ ক্ৰমে ডাঙৰীয়া হৈ কালুগাৱঁত ৰাৰীঘৰ কৰিলে। এই হেতুকে কালুগঞা বৰপাত্ৰ-ঘৰ বোলে। পাচে বৰপাত্ৰে স্বৰ্গদেৱেত জনাই কালুগাৱঁত দ'ল পুখুৰী কৰি দেৱালয় পাতিলে। এবং এইজনা ৰাজাদেৱ ও আইকুঁৱৰীয়ে পৰ্ব্বতীয়া গোসাঁইত মন্ত্ৰ লৈ শিষ্য হলত ক্ৰমানুসাৰে অন্যান্য ফুকন, বৰুৱা ও ডাঙৰীয়া, গোহাঞি প্ৰভৃতিও শিষ্য হল। আৰু বৰৰাজা মন্ত্ৰ লৈ অতি প্ৰগল্‌ভতা হৈ ভগৱতীৰ পূজা-সেৱা বলি-বিধানতে আসক্তি হৈ অন্যান্য লোককো সেই পথে চলাই শিষ্য কৰালে। ১৯৬ ॥

বৰৰজা ফুলেশ্বৰী

এনেতে শূদ্ৰ মহাজন কোনোবোৰে গোসাঁনীক নামানে বুলি বৰ-ৰাজাই দুৰ্গোৎসৱ পূজাৰ ভিতৰতে মোৱামৰাৰ মহন্ত আদি কয়েক মহন্ত ও মেধিক আইকুঁৱৰী বৰৰাজা অনাই গোসাঁনী সেৱা বলেৰে কৰাই সিন্দুৰ ৰক্তচন্দন, বলিৰ ৰক্ত এই-সকল দ্ৰব্যেৰে কোঁট দি নিৰ্ম্মালি প্ৰসাদ লোৱাই কিছো দুৰ্গতি কৰিলে। এই দুৰ্গতি-দুখকে অন্ত মহন্তকৈ মোৱামৰাৰ মহন্তে পেটে মৰণ তুল্য মানি সিবিলাকৰ অনেক শিষ্য জোঁটাই মনে মনে দেশ লৰৰ মন্ত্ৰণাতে থাকিল। ১৯৭ ॥

মোৱামৰীয়া মহন্ত

পাৰে কালক্ৰমে বৰৰাজা স্বৰ্গী হলত তেওঁৰে ভনীয়েক দ্ৰৌপদীক স্বৰ্গদেৱে কুঁৱৰীকৈ আনিলে। এওঁৰে নাম দিলে অম্বিকা। এই নামেৰেও মোহৰ মাৰিলে। পাচে বায়েকৰ আদৰ্শৰেই এওঁ শিৱসাগৰৰ দ'ল, পুখুৰী, দেৱালয় পাতিলে। ১৯৮ ॥

দ্ৰৌপদী বা অম্বিকা

অনাদৰী বা সৰ্ব্বেশ্বৰী

এওঁ কুঁৱৰীও মৰিলত, সলাল গোহাঁইৰ জীয়েক অনাদৰীক আনি সৰ্ব্বেশ্বৰী নাম দি কুঁৱৰী পাতিলে। এই নামেৰেও মোহৰ মাৰিলে। আৰু ৰাজমাওদেৱে দ'ল কৰালে, এই দ'লকে কেঁৰী ৰাজমাওৰ দল বোলে। ১৯৯॥

শাস্ত্ৰপ্ৰিয় শিৱসিংহ

এওঁ ৰাজা শিৱসিংহ অতি গম্ভীৰ্য্য, ও ধৈৰ্য্য শান্তমতি আছিল এবং পুৰাণাদি শাস্ত্ৰ সংস্কৃতৰ পৰা অনেক পদ পণ্ডিতৰ দ্বাৰা কৰালে। সেই পণ্ডিতসকলক ব্ৰহ্মত্তৰ দি. কোনো ২ সকলক ভট্টাচাৰ্য্য ও আচাৰ্য্য ও কবিচূড়ামণি ইত্যাদি পদবি দিছিল। ২০০॥

সত্ৰীয়া পাইক

আৰু অনেক সত্ৰসকলত মাটি ধৰ্ম্মত্তৰ কৰি দি মানুহ সত্ৰৰ কৰ্ম্ম কৰিবৰ কাৰণে পাইক খাটনিৰ নিবন্ধ কৰি দিলে। পাচে কালক্ৰমে নৰিয়া পৰি ১৬৬৬ শকত ২৪ আঘোণ কৃষ্ণা প্ৰতিপদ তিথিত শিৱসিংহ স্বৰ্গদেৱ স্বৰ্গী হ'ল, ভোগ ৩০ বৎসৰ ৩ মাহ ১১ দিন। একত্ৰিশ ৰাজা গত। ২০১॥

প্ৰমত্তসিংহ

এওঁ ৰাজা মৰণান্তে এওঁৰ পুতেকটি ৰাজা নহল। ভায়েক ১৬৬৬ শকৰ ২৫ আঘোণত ৰজা হৈ শিঙ্গৰিঘৰ উঠি চুনেন্‌ফা নাম ললে হিন্দুমতে প্ৰমত্তসিংহ নাম ললে। এওঁৰ দিনতে বাইলুঙ্গীয়া সোনাই বুঢ়াগোহাঞি হল। খাম্‌চেং দলবন্ধা ৰাজমন্ত্ৰী বাবে সহিতে বৰগোহাঞি হল। কেন্দুগুৰীয়া মৃত্যুঞ্জয় বৰপাত্ৰ হল। বকতিয়ালৰ গেন্ধেলা বৰনকৰা হল। তুৰুবাৰ বিজয় ১, দিহিঙ্গীয়াৰ দেবেৰা ১, তুৰুবাৰ তৰুণ তুৰুবা বৰফুকন হল। ২০২॥

ৰংঘৰ, দ'ল, দেৱালয়

পাচে এওঁ ৰাজাদেৱেই বাঁহৰ কাঠৰ ঘৰৰ দৰে দুই টুপীয়াকৈ ৰংপুৰত ৰংঘৰ পকী কৰিলে ও গড়গাওঁ নগৰৰ দুৱাৰ ঘৰ কেইটা পকী কৰিলে। আৰু গুৱাহাটী শুক্ৰেশ্বৰ দেৱালয়ত দ'ল কৰিলে। এবং ৰুদ্ৰসিংহ স্বৰ্গদেৱ স্বৰ্গী হোৱা ঠাইত গোহাটীৰ উত্তৰ পাৰত ১৬৭৪ শকে দোল কৰি ৰুদ্ৰেশ্বৰ নামে

শিৱ স্থাপন কৰি দেৱালয় পাতি মাটি, পাইক দেবত্তৰ কৰি দিলে। সেই কাৰণে ৰুদ্ৰেশ্বৰ-গ্ৰাম নাম হল। আৰু কামৰূপ পিয়ল কৰাই কাগজ-পত্ৰ নিবন্ধ কৰিলে। এওঁ ৰাজাৰ দিনত বিশেষ কোনো কৰ্ম্ম নহল। কেৱল পূৰ্ব্বোক্ত ৰাজ্যকে ভোগ কৰি পৰে,—

শ্লোক।—

শাকে বৈশ্বানৰবিধ ভ্ৰমৰপদবিধৌ আশ্বিনে ঊনত্ৰিংশদ্দিবসে।
ভৌম-বাৰে পুষ্যাসংযুক্তে গ্ৰহগণপূজিতে কৃষ্ণপক্ষে নবম্যাং॥
ৰাত্ৰৌ দ্বাবিংশদণ্ডে নৰপতিতিলকঃ শ্ৰীপ্ৰমত্তসিংহঃ দেহং।
ত্যক্ত্বা গতঃ শ্ৰীমধুৰিপুভবনং যোগবহ্নিপ্ৰদগ্ধঃ॥

পৰে ১৬৭৩ শকৰ ২৯ আশ্বিন কৃষ্ণা নবমী তিথিত স্বৰ্গী হল, ভোগ ৬ বৎসৰ ১০ মাহ ৫ দিন। বত্ৰিশ জনা ৰাজা গত। ২০৩॥

এইজনা ৰাজাদেৰেও পৰ্ব্বতীয়া গোসাঞিত মন্ত্ৰ লৈছিল। এওঁ ৰাজা মৰণান্তে পুতেকটি ৰাজা নহল। ভায়েক সৰুজনা গোহাঞিদেও

স্বৰ্গদেৱ ৰাজেশ্বৰ-সিংহ

১৬৭৩ শকৰ ৩০ আহিনত ৰাজা হল। বৰুতিয়াল বৰবৰুৱাই বিষয়ে বুঢ়াই ৰবজনা গোহাঞিদেওক নগৰৰ ৰাজকৈ উলিয়ালে। পাচে সৰুজনা গোহাঞিদেও শিঙৰিঘৰ উঠি চুৰেম্‌ফা নাম ললে। হিন্দুমতে ৰাজেশ্বৰসিংহ নাম হল। এওঁ ৰাজাৰ দিনতে লাংমাই কলীয়া ১, কুৰৈগঞা ভগি ১, এই দুই বুঢ়া-গোহাঞি হল। দ'লবৰুৱাৰ ভায়েক ঘুমলি ১, মাঠুৰিয়ালৰ ৰবজনা ১, এই দুই ক্ৰমে বৰগোহাঞি হল। মৃত্যুঞ্জয় ১, তৎপুত্ৰ কম্বুকণ্ঠ ১, লেচেঙিয়াল ১, ক্ৰমে বৰপাত্ৰ হল। ঘুমলি বৰগোঁহায়েই ৰাজমন্ত্ৰী হল। এওঁ মৰিলত লেচেঙিয়াল বৰপাত্ৰ ৰাজমন্ত্ৰী হল। ৰূপচন্দ্ৰ ১, কীৰ্ত্তিচন্দ্ৰ ১, ক্ৰমে বৰবৰুৱা হল। বিজয় তৰুণ দুৱৰাৰ নাতি ৰাহিখোৱা ১, এওঁৰ দদায়েক তাম্বুলী ১, এই দুই ক্ৰমে বৰফুকন হল। ২০৪॥

আৰু এওঁ ৰাজাদেৰেই ৰংপুৰ, গড়গাওঁ, দুয়ো নগৰত দুইটা পকী তলাতল ঘৰ কৰালে। এবং দুটুপীয়া ৰবটো ৰংঘৰৰ ওচৰতে দ'লঘৰৰ দৰে সকৈকে এটা পকী ৰংঘৰ কৰিলে। এওঁ ৰাজাদেৱৰ দিনতে বহিখোৱা বৰফুকন ও ডেকা বৰবৰুৱা ও লুঠুৰি কাঠকটীয়া বৰুৱা, এই তিনিয়ে তিনিটা আলি কৰিলে। কৰোৱা তিনিৰ নামেই আলি তিনিটাৰ নাম হল। ২০৫॥

তলাতল ঘৰ

এনেতে মণিপুৰৰ দেশ মানতবাই লোৱাত মণিপুৰীয়া ৰাজা সপৰিবাৰে ভাগি আহি কছাৰী দেশত থাকি আপোন দেশ লবলৈ ফৌজ পাবৰ নিমিত্তে স্বৰ্গদেৱলৈ জনাই পঠোৱাত খ্যাতি, ধৰম, দুয়োটা হয় দেখি সকলোৰে সমালোচন কৰি দুৱৰাৰ হৰনাথ ভিতৰুৱাল ফুকনক সেনাপতি-ফুকন নাম দি এৱে সহিতে বহু ফৌজ পঠাই দিলে। ২০৬॥

মণ্‌দৌ ৰজালৈ সহায় দান

সেই ফৌজেই মৰাঙিৰ বাটে সোমাই বিস্তৰ হাবি-লতা কাটি পোনাই যাওঁতে বাটতে অনেক দিন হল। খোৱা দ্ৰব্য-বস্তু টুকালত স্বৰ্গদেৱলৈ জনাই পঠালে। এখেৰ আজ্ঞা পায়গৈ মানে বহুত ফৌজ মৰিল। এনেতে মণিপুৰ দেশৰ মানতবাই অসম দেশৰ অনেক ফৌজ আহিছে বুলি শুনি মণিপুৰ এৰি গুচি গল। ফৌজ উলটি আহিবৰ স্বৰ্গদেৱৰ আজ্ঞাও পালেগৈ। পাচে মৰাৰ শেষ ফৌজ লৈ সেনাপতি-ফুকন উলটি আহিল। যত্তপি ৰণেই নহল তথাপি দেশত এইখনকে লতাকটা ৰণ বুলিলে। ২০৭॥

লতাকটা ৰণ

আৰু বিষমকৈ নি ফৌজ মৰোৱা বাবে সেনাপতি-ফুকনক বিহিত দণ্ড কৰি বৰুতিয়ালৰ বৰবৰুৱাক পুনৰ পঠালত বৰবৰুৱা গৈ বহা পাওঁতেই মানতবা ভাগি গল বুলি মণিপুৰীয়া ৰজাই শুনি বোলে, আমি স্বৰ্গদেৱৰ অনুগ্ৰহতেইহে দেশ পাওঁ আৰু মোৰে পৰা অনেক হানি হৈছে, এতেকে মোৰ কুৰঙ্গনয়নী জীক স্বৰ্গদেৱলৈ দি মিত্ৰ কৰোঁ, বুলি বৰবৰুৱালৈ কলত, বৰবৰুৱাই মণিপুৰীয়া ৰজাক আনি সোনাৰি নৈ বাহৰতে সাক্ষাৎ কৰালে, তাতে

কুৰঙ্গনয়নী

অনেক যৌত কৰে। ৰজাই জীয়েকক স্বৰ্গদেৱত বিবাহ দি দেশলৈ গল। ২০৮॥

এই আপাহতে স্বৰ্গদেৱে বকতিয়ালৰ গেঞ্জেলা নৱবকৰাক কীৰ্ত্তিচন্দ্ৰ নাম দি জাপিত সোনাৰ চুলা ও ৰবচ'ৰাত বহিবলৈ তলচা দিলে। আৰু

মগলু-খাত

পাচৰজীয়া ৰজা পোৱালি.কেইটা ৰবৰুৱাই জনাই লৈ ঐ বহিয়াল বৰুৱাৰ তাৰে দি ভাগিৰ সাজিল কৰিলে। পাচে মণিপুৰীয়া ৰজাই যৌতকত দিয়া মানুহখিনিক খিচে কাৰবতে খাত খন্দাই থলে। মণিপুৰীয়াকে এই দেশত মোগল বোলে। এই কাৰণে ঐ খাতক মগলু-খাত বোলে। আৰু এওঁ কুঁৱৰী এইখনতে এটা পুখুৰী খনালে। তাকো মগলু জীয়েকৰ পুখুৰী বোলে। পাচে স্বৰ্গদেৱে হৰ-গৌৰী দেৱালয় কৰিলে। ২০৯॥

এনেতে বৰগোহাঞি ডাঙ্গৰীয়াই চকৰিফেটা নামে এখন বুৰঞ্জী উলিয়াই বকতিয়ালৰ ঘৰ জলম-বটা বুলি কোৱা শুনি ৰবৰুৱাই নৰা-

বুৰঞ্জী দাহ

দেশৰ পৰা বঙ্গহৰ মানুহ আনি যি আচল অহম হয় যেন বুজাই স্বৰ্গদেৱত জনালে, বোলে, বন্দী প্ৰধান হৈ থকাতে এই বেৱস্থা, আগলৈ বা কাৰ ঘৰৰ গুৰি কি লিখি থয় আৰু ৰাজাঘৰৰ বা কোন কথা কেনে দৰে লেখে? এতেকে অহম ডাঙ্গৰীয়া, কাকতী, কটকী, যাৰ যাৰ ঘৰত যত বুৰঞ্জী আছে সকলোখনি আনিব দিওক। এই ৰূপে জনালত স্বৰ্গদেৱে আজ্ঞা কৰিলে। তদনুসাৰে দেশত যাৰ যাৰ ঘৰত বুৰঞ্জী আছিলে সকলোখনি স্বৰ্গদেৱে চাবলৈ বিচাৰিছে বুলি কৈ যি কেইখন পালে তাকে চপাই লৈ তাৰে যি কেইখনত বিষম পালে পুৰি পেলালে। ২১০॥

আৰু ১৬৮৫ শকত বকতিয়াল ৰবৰুৱাক আধা-কটা কৰিলত সেই মানুহ ধৰি দিহিঙ্গীয়া ঢেঁকিয়াল বৰুৱা প্ৰভৃতিক দণ্ডবন্ধ কৰি স্বৰ্গদেৱলৈ

দোষীৰ দণ্ড

জনাই লগত ফুৰিবলৈ টাঙ্গনধৰা ললে ও গড়ৰ ভিতৰতে ওপৰত ধৰিবলৈ ৰজাপি ললে। এবং পানীচোৱাত টুপৰ দৰে চৈবে চেকেৰি চালি ললে। ২১১॥

আৰু স্বৰ্গদেৱে গোহাটীৰ বশিষ্ঠাশ্ৰমত দ'ল কৰালে ও মণিকৰ্ণেশ্বৰ দেৱালয়তো ও চিত্ৰাচল দেৱালয়তো দ'ল কৰালে। পৰে স্বৰ্গদেও কামাখ্যা সেৱা কৰিবলৈ গুৱাহাটীলৈ গৈ বঠাখনাত বাহৰ কৰিলে। এবং তাতে থাকি কামাখ্যা ভগবতী সেৱা কৰিলে। আৰু তাতে ফাকুৱা দ'ল কৰি মহোৎসৱ কৰিলে। এবং বাঁহগৰা ও বমনত শেন মেলি ৰং কৰিছিল। এবং এইজনা স্বৰ্গদেৱেও পৰ্ব্বতীয়া গোসাঞিত মন্ত্ৰ লৈ শিষ্য হল। ২১২ ॥

দ'ল দেৱালয়

এবং এইজনা স্বৰ্গদেৱৰ দিনতে পৰ্ব্বতীয়া গোসাঞিৰ জিয়ৰী ফালৰ সন্তান নাতি-গোসাঞি বুলি আহি পৃথক হৈ পাণ্ডুনাথত ঘৰ কৰি থাকিল। ক্ৰমে বৃত্তি-বিধান ব্ৰহ্মান্তৰ পালে। ও স্বৰ্গদেৱৰো পো-নাতি পৰিয়াল অনেক হল। ২১৩ ॥

নাতি-গোসাঁই

পাচে স্বৰ্গদেৱ গুৱাহাটীৰ পৰা উজাই আহি দেৰগাৱঁৰ পুৰণি দ'ল আদি কিছু ব্ৰহ্মপুত্ৰে খহোৱাত নেঘেৰিটিঙ্গত ন দ'ল কৰিবৰ ধৰাত মোৱামৰা মহন্তে পূৰ্ব্বে বৰৰাজা আইকুঁৱৰীয়ে দুৰ্গতি কৰা মনে স্মৰি, আমাৰনো কিমান লোক আছে বুজিবৰ কাৰণে যোৰহাটৰ মালৌ পথাৰৰ দ ঠাইকে নামঘৰ কৰি লওঁ বুলি সকলো ভকতক আজ্ঞা কৰিলে, বোলে, মানুহটে এচপৰাকৈ মাটি দি ভেঁটা বান্ধক, আমি তাতে সত্ৰ কৰিম। পাছে সেই আজ্ঞামতেই মাটি দি বান্ধিলত বৰ ওখ ভেঁটা হল। তাতে সত্ৰ নামঘৰ কৰিলে। তাকে আজিলৈকে বৰভেঁটা বোলে। তাকে বান্ধিবলৈ সকলো শিষ্য ভকত চপাতে আলচ কৰিলে, বোলে, এতেক প্ৰজা হৈছে অৱশ্যে পূৰ্ব্ব-প্ৰতিকাৰ কৰা যাব। এই বুলি যো-জা হৈ থাকিবলৈ বুলিলে। এই ভেঁটাৰ কাৰণে চপা প্ৰজা অসংখ্য বুলি স্বৰ্গদেৱে শুনি ভাবিলে, পূৰ্ব্বে বৰজনা ককাইদেৱে মোৱামৰা মহন্তক অভিমান দি থৈছে। সেই মহন্তৰে শিষ্য-প্ৰজাৰ এই প্ৰভাও শুনিছোঁ, অৱশ্যে বৈৰ কৰাৰ আগন্তুক আছে। কিন্তু এই মহন্তৰ কিমান শিষ্য-প্ৰজা ও বিভূতি দিহিঙৰ শিলিখাতলীয়া মহন্তৰো সিমান বিভূতি, আৰু ভাই ভাই হয়। ২১৪ ॥

বৰভেঁটা

এতেকে দিহিঙৰ মহন্তক ভিতৰুৱাল কৰি থোৱা ভাল বেন বুলি দিহিঙৰ অধিকাৰী মহন্তক অনাই সততে চাঙলৈ অহা-যোৱাকৈ স্বৰ্গদেৱক
দিহিঙৰ মহন্ত দেখা হৈ থাকিবৰ আজ্ঞা কৰি দিগিবা বাৰ দি ভিতৰুৱাল কৰিলে। ঐ শিলিখাতলীয়া মহন্তে ঐ মোৱামৰা মহন্তৰ ভেদাভেদ মন্ত্ৰণাৰ কথা স্বৰ্গদেৱক জনাই আছিল যে তেওঁলোকে অথচ মোৱামৰা মহন্তেই স্বৰ্গদেৱক খেদি দেশ লবৰ মন কৰিছে। ২১৫ ॥

পাচে ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে এই কথা নিশ্চয় জানি তিনি জনা ডাঙৰীয়া সহিতে যুক্তি কৰি শত্ৰু প্ৰবল নোহওঁতে দমন কৰা ভাল
মোৱামৰীয়া দমন বুলি ঠায়ে ঠায়ে যিসকল মোৱামৰাৰ ভকত লোক আছে সেইসকলক মাৰক, আৰু প্ৰবলসকলক বুদ্ধিৰে বশীভূত কৰক, এই আজ্ঞা কৰিলে। সেই আজ্ঞানুসাৰে দেশৰ ঠাই ঠাই যি মোৱামৰীয়া আছিল প্ৰকাৰন্তৰে মাৰিলে আৰু প্ৰকাৰন্তৰে দমন কৰিলে। সেহেতুকে সাম্য হৈ থাকিল। ২১৬ ॥

পাচে ক্ৰমে* স্বৰ্গদেৱে দেবৰগাৱঁৰ ন দ'ল তৈয়াৰ কৰালে ও হল। এনেতে নৰিয়া পৰি দেবৰগাৱঁৰ বাহৰতে ১৬৯১ শকৰ ২০ জৈষ্ঠ
দেবগাৱঁৰ দ'ল * কৃষ্ণা দশমীত ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ স্বৰ্গী হল, ভোগ ১৭ বৎসৰ ৭ মাহ ২১ দিন। তেত্ৰিশ জনা ৰাজা গত। ২১৭ ॥

পাচে এওঁ ৰাজা মৰণান্তে এওঁজনা ৰাজাৰ ভায়েক ১৬৯১ শকৰ ২১ জৈষ্ঠত ৰাজা হল। পাচে শিঙৰিঘৰ উঠি চুন্ক্লেউফা নাম ললে।
লক্ষ্মীসিংহ হিন্দুমতে লক্ষ্মীসিংহ নাম হল। এবং পৰ্ব্বতীয়া গোসাঁইৰ শিষ্য নহল। এই দেশী ৰামানন্দ আচাৰ্য্যত মন্ত্ৰ লৈ শিষ্য হল। ক্ৰমে অনেক বৃত্তি-বিধান দি পৰ্ব্বতীয়া গোসাঁই নাম দিলে। এওঁৰো যৰবে নগোসাঞিও নাম চলিল। ২১৮ ॥

পাচে ঐ শকতে আঘোণত মোৱামৰীয়াৰ নাহৰ খোবা ও ৰাঘ মৰাণ ছুয়েই মুখ্য হৈ আহি পূৰ্ব্বে খেদি থোৱা ৰৰজনা গোহাঞিদেৱক আগত লৈ দেখাই বিনা ৰণে নগৰ জিনি লৈ খোবাৰ পুতেক ৰমাকান্ত ৰাজা হল, ৰাঘ ৰৰবৰুৱা হল। পাচে লক্ষ্মীসিংহ স্বৰ্গদেৱক জয়সাগৰৰ ৰৰদ'লতে কয়েদ কৰি থলে। এই-জনা লক্ষ্মীসিংহ স্বৰ্গদেৱৰ প্ৰথম আমোলতে কুৰৈগয়াঁ ভগি বুঢ়া-গোহাঞি ও মাছুৱিয়াল ৰৰজনা ৰৰগোহাঞি ও মৰাণৰ পাতৰ ৰৰপাত্ৰ-গোহাঞি ও কেন্দুগুৰীয়া কদ্ৰেশ্বৰ ৰৰপাত্ৰ ও ৰকতিয়াৰ ভদ্ৰসেন, কীৰ্ত্তিচন্দ্ৰ ও সন্দিকৈৰ আদাবৰীয়া শিবনাথ ৰৰবৰুৱা ও দিহিঙ্গীয়াৰ কাশী ১, লাহন ১, ক্ৰমে ৰৰফুকন আছিল। ২১৯ ॥

মৰাণৰ প্ৰতাপ

কিন্তু মোৱামৰাৰ ৰমাকান্ত ৰজা হৈ ঐ কুৰৈগয়াঁ ভগি বুঢ়াগোহাঞি ও ঐ মাছুৱিয়াল ৰৰজনা ৰৰগোহাঞি, ছুয়ো জনা ডাঙ্গৰীয়াক মাৰিলে। ৰকতিয়ালৰ কীৰ্ত্তিচন্দ্ৰ ৰৰবৰুৱাক শালত দিলে, পুতেকইতক কাটিলে। ২২০ ॥

বিৰয়াৰ বিপদ

আৰু ৰমাকান্ত ৰজা হৈ স্বৰ্গদেৱৰ ৮ চুকীয়া মোহৰ দেখি আমাৰ ভেদ হব লাগে বুলি ৯ চুকীয়াকৈ মোহৰ মাৰিলে। ২২১ ॥

ন-চুকীয়া মোহৰ

পাচে লক্ষ্মীসিংহ স্বৰ্গদেৱে সকলোৰে আলচি ঐ ১৬৯১ শকৰ চৈত্ৰৰ বিহুত ৰাঘ ও ৰমাকান্ত ৰজা ও খোবাক ধৰি সকলোকে মাৰি স্বৰ্গদেৱে নগৰ ললে। সেই আপাহতেই কুৰৈগয়াঁৰ ঘনশ্যাম বুঢ়াগোহাঞি হল। ও বাইলুঙ্গ ৰৰগোহাঞি হল, এৱেই ৰাজমন্ত্ৰীও হল। মৰাণৰ ৰৰপাত্ৰ হল। ৰকতিয়ালৰ ভদ্ৰসেন ৰৰবৰুৱা হল। এই ৰূপেই সকলোৱে ঐ মোৱামৰা মহন্তক সপৰিবাৰে ধৰি আনি মাৰিলে। মোৱামৰীয়াও বহুত এই সময়তে মাৰিলে। আৰু ঠায়ে ঠায়ে যত আছিলে মাৰিলে। কোনো ঠাই আজিলৈকে মোৱামৰানামে খ্যাত আছে। ২২২ ॥

আহোমৰ প্ৰতাপ

পাচে ঐ মৰাণৰ পুত্ৰেক ববপাত্ৰ হল। এওঁৰ পাচত কেন্দুগুৰীয়া ৰুদ্ৰেশ্বৰ বৰপাত্ৰ হল। ও ভদ্ৰসেনৰ পাচত সন্দিকৈৰ আদাববীয়া

বন্দী হল

বৰবৰুৱা হল। ও দিহিঙ্গিয়াল কাশী ১, লাহন ১, এই দুই ক্ৰমে ববফুকন হল। আৰু স্বৰ্গদেৱে দেববগাৰ্হৰ ন দ'ল উছৰ্গা কৰি গড় ভিতৰতে নিজ দেৱতাৰ পূজা কৰিবৰ কাৰণে স্বৰ্গদেৱে এটা তামৰ ঘৰ কৰিলে, আৰু ৰাজমাও-দেৱে দ'ল এটা কৰালে। তেওঁৰ নামেৰেই ৰংপুৰত বগীদ'ল নাম হল। ২২৩॥

আৰু ৰংপুৰ নগৰৰ ভিতৰতে ঈশান কোণত ফুলনি বাৰী পাতি দ'ল পুখুৰী কৰি দেৱালয় পাতিলে। এবং ঐ ৰামানন্দ

ৰংপুৰত দ'ল পুখুৰী

আচাৰ্য্য পহুমৰীয়া গোসাঞিৰ পুত্ৰ ডেকা গোসাঞি ববজনাই দ'ল পুখুৰী কৰি গৌৰীবল্লভ নামে দেৱালয় কৰিলে। পাচে স্বৰ্গদেৱে গুৱাহাটীৰ অশ্বক্ৰান্ত নাম জনাৰ্দ্দনৰ দ'ল কৰি উজনিত ৰুদ্ৰসাগৰ দেৱালয়ৰ পুখুৰী ও দ'ল কৰি নৰিয়া পৰি নিজ পুত্ৰ লোকনাথ গোহাঞিদেৱক যুৱৰাজ পাতি ১৭০২ শকৰ ৩০ আষাঢ় কৃষ্ণা প্ৰতিপদ তিথিত স্বৰ্গদেৱ লক্ষ্মীসিংহ স্বৰ্গী হ'ল, ভোগ ১১ বছৰ ৬ মাহ ১০ দিন। চৌত্ৰিশ জনা ৰাজা গত। ২২৪॥

এওঁ ৰাজা মৰণান্তে এওঁৰ পুত্ৰ লোকনাথ গোহাঞিদেও যুৱৰাজেই ১৭০২ শকৰ ১ পৌষত ৰজা হৈ শিঙ্গৰিঘৰ উঠি চুহিতপংফা নাম ললে।

গৌৰীনাথসিংহ

হিন্দুমতে গৌৰীনাথসিংহ নাম হল। এওঁ ৰাজাৰ দিনত কুৰৈগৰীয়া ঘনশ্যাম ও পূৰ্ণানন্দ বুঢ়াগোহাঞি হল। আৰু এইজনা ৰাজাদেৱৰ দিনতে বাইলুঙ্গ বৰগোহাঞিক মাৰিলত ৰুদ্ৰেশ্বৰ ববপাত্ৰই ৰাজমন্ত্ৰী হল। মাজুবিয়ালৰ সকজনা ভিচোনাৰায়ণ, এওঁকে নামদাঙ্গৰ কোঠ ভাঙ্গি মোৱামৰীয়াই কাটিলত পুত্ৰেক নিৰ্ভয়-নাৰায়ণ ১, ছটাই-অলীয়া গঙ্গাৰাম ১, এই তিনি জনা ক্ৰমে বৰগোহাঞি হল। ২২৫॥

পৰে গঙ্গাৰামক ভাঙ্গি ১৭১৫ শকৰ চৈত্ৰ মাহত নিৰ্ভয়নাৰায়ণে আকৌ বৰগোহাঞি হল। পাচে ১৭০৪ শকৰ ২ বৈশাগত ৰাত্ৰি শিঙ্গৰি-ঘৰত মোৱামৰীয়াই জুই দিয়াত ৰুদ্ৰেশ্বৰ বৰপাত্ৰ ডাঙ্গৰীয়া পলাই ভটীয়াই গোহাটীলৈ গলত ডাঙ্গৰীয়া ভাঙ্গিলে, এবং ৰাজমন্ত্ৰী বাব ঐ ঘনশ্যাম বুঢ়াগোহাঞি ডাঙ্গ-ৰীয়াক দিলে। এই সময়তো মোৱামৰীয়া বহুত মৰিলে। ৬ মাহৰ পৰে পুনৰ ঐ ৰুদ্ৰেশ্বৰকে বৰপাত্ৰ পাতিলে। ঐ ঘনশ্যাম বুঢ়াগোহাঞি মৰিলত সেই ৰাজমন্ত্ৰী বাবে সহিতে পুতেক পূৰ্ণানন্দ ডেকাজনা বুঢ়া-গোহাঞি হল। আদাবৰীয়াক বৰবৰুৱা ভাঙ্গি খেদিলত নামতিয়াল সন্দিকৈৰ ভাগতী ১, বকতিয়ালৰ জয়নাথ ১, লাহনৰ বাছকটীয়া ১, এই তিনি ক্ৰমে বৰবৰুৱা হল। দুৱৰাৰ সেনাপতি হৰনাথ ১, সন্দিকৈৰ গগৈ ১, এই দুই ক্ৰমে বৰফুকন হল। ২২৬॥

শিঙ্গৰিঘৰত জুই

এইজনা স্বৰ্গদেৱ অথচ গৌৰীনাথ সিংহ স্বৰ্গদেৱ ঐ পহুমৰীয়া আচাৰ্য্য ৰমানন্দৰ পুত্ৰ মধ্যম জনাত মন্ত্ৰ লৈ শিষ্য হল। পাচে স্বৰ্গদেৱে ৰুদ্ৰসাগৰৰ দ'ল পুখুৰী উছৰ্গা কৰিলে। ও বৈমাতৃ ৰাজমাওদেৱে নাফুকত ৰাজমাও দ'ল কৰালে। ও গড়মূৰৰ বাহৰ কৰালে। পাচে ১৭০৯ শকৰ মাঘত পূৰ্ব্ব শত্ৰু মোৱা-মৰীয়াই পুনৰ উজনিখনি দেশ ললে। এবং স্বৰ্গদেও ৰংপুৰ নগৰত থকাত ৰাত্ৰিত হঠাৎ জুই দিয়াতে স্বৰ্গদেও ভটীয়াই নগাৰঁত সোমাল, তাতে নগঞাইঁতে সমাদৰ কৰি ৰখাতো স্বৰ্গদেৱে কোনো সংশয় কৰি তাৰো পৰা ভটীয়াই গুৱাহাটীলৈ গল। ২২৭॥

স্বৰ্গদেৱৰ পলায়ন

বুঢ়াগোহাঞি ডাঙ্গৰীয়া ও বৰপাত্ৰ ডাঙ্গৰীয়াই উজনিত মোৱামৰীয়া সহিত ৰণ কৰি ফুৰাতে বৰপাত্ৰ ডাঙ্গৰীয়াক মোৱামৰীয়াই কাটিলত স্বৰ্গদেৱে অনিক বৰপাত্ৰ পাতিলে। বুঢ়াগোহাঞি ডাঙ্গৰীয়াই এই ৰণলৈকে বিবুধি-গড় বান্ধি ৰণ কৰি আছিলে। এনেতে গোহাটীত গগৈ বৰফুকন পলাই গলত দিহিঙ্গীয়াৰ মেধি ১, দুৱৰাৰ শিবনাথ ১, বুঢ়াচেটিয়া ১, দুৱৰাৰে ঐ সেনাপতি

বিবুধি-গড়

হৰনাথ বৰফুকনৰ পুত্ৰ ঘিণাই বদনচন্দ্ৰ ১, ক্ৰমে এই চাৰি বৰফুকন হল। ১২৮॥

পাচে স্বৰ্গদেৱে মোৱামৰীয়াক বলে নোৱাৰিম হেন জানি গুৱাহাটীৰে পৰা কোম্পানী ঘৰলৈ গুৱাহটীয়া বিকা মজুমদাৰ ও দত্ত খাওন্দ, দুইক উকিলকৈ পঠাই কলিকতাত গবৰ্ণৰ-জানেৰেল চাহেবক জনাই ফৌজ সহিতে মেজৰ ওৱালিছ কাপ্তান চাহাবক আনি উজাই আহি ১৭১৫ শকৰ চৈত্ৰ মাহত মোৱামৰীয়াক খেদি নি ৰংপুৰ নগৰ লৈ ১৭১৬ শকৰ শাওণ মাহত যোৰহাট বাহৰলৈ আহিল। ২২৯॥

কলিকতাত আহোম উকিল

ঐ ওৱালিছ কাপ্তান চাহেবে আফুৰ গুটি আনি খেতি কৰিবৰ শিকোৱাত খেতি কৰি কানি কৰিলে। তাৰ পৰাহে আফু খেতি কৰি কানি খাব ধৰিলে, ততপূৰ্ব্বে নাছিল। পাচে স্বৰ্গদেৱে যোৰহাট বাহৰতে নৰিয়া পৰি ১৭১৭ শকৰ ২২ শ্ৰাৱণ কৃষ্ণা চতুৰ্থীত গৌৰীনাথ স্বৰ্গদেৱ স্বৰ্গী হল, ভোগ ১৪ বৎসৰ ৭ মাহ ২২ দিন। পয়ত্ৰিশ জনা ৰাজা গত। অথঃ নৱম আধ্যা সমাপ্ত। ২৩০॥

কানিৰ প্ৰচলন

## দশম অধ্যায়

## স্বৰ্গদেৱ কমলেশ্বৰসিংহ আৰু চন্দ্ৰকান্তসিংহ।

এওঁ গৌৰীনাথসিংহ ৰাজা মৰণান্তে অন্য কাকো ৰাজা হবৰ যোগ্য হেন নেদেখি পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙ্গৰীয়া প্ৰভৃতিয়ে লাই অথচ ৰুদ্ৰসিংহ মহাৰাজাৰ ভাতৃ লেচাই নামৰুপীয়া ৰাজাৰ পুত্ৰ আয়ুসূত গোহাঞি তৎপুত্ৰ কদম দীঘলা-গোহাঞি তৎপুত্ৰ কিনাৰাম গোহাঞিদেৱক যোগ্য হেন জানি আনি ১৭১৭ শকৰ ২৩ শ্ৰাৱণত ডাঙ্গৰীয়া প্ৰভৃতি সকলোৱে ৰাজা পাতি সেৱা কৰিলে। ২৩১ ॥

কমলেশ্বৰসিংহ

আৰু শিঙ্গৰিঘৰত সুঠিলে সিংহাসনত বহিব নাপায় কাৰণে প্ৰথমে ৰাজা হোৱাত বাঁহৰ চাৰিচুকীয়া খুৰা লগা হেংলাঙ্গত কাপোৰ পাৰি ৰজা পাতিব লগা জনা গোহাঞিদেৱক তাতে তুলি ডাঙ্গৰীয়াসকলত স্বৰ্গী হোৱা জনা ৰাজাদেৱৰ আজ্ঞা কৈ ৰৰবৰুৱাই কয় যে, শেষ কালত স্বৰ্গদেৱে এইজনা গোহাঞি-দেৱতে ৰাজ্যভাৰ দি গৈছে; দেওসকলে সেৱা কৰক; এই ৰূপে প্ৰণালী-মতে বৰবৰুৱাই কলেই ডাঙ্গৰীয়াসকলে সেৱা কৰি ৰজা পাতে। ২৩২ ॥

হেংলাং

কিন্তু এই গৌৰীনাথসিংহ স্বৰ্গদেও স্বৰ্গী হবৰ দিনাই লাহনৰ ঐ ৰাচকটীয়া বৰবৰুৱাক ধৰি দণ্ড কৰিলে। এই হেতুকে বৰবৰুৱা নাইকিয়া হলত বৰবৰুৱাৰ কৰ্ত্তব্য কৰ্ম্মখিনি ৰজা পতা কালত কাকতীয়াৰ শিৱনাথ তামুলীফুকনৰ দ্বাৰা কৰালে। পাচে ৰজাদেও শিঙ্গৰিঘৰ উঠিবলৈ নহল দেখি আহোম-মতে নাম নহল। হিন্দুমতে কমলেশ্বৰসিংহ নাম হল; বাপেক কদম দীঘলা-গোহাঞি চাৰিঙ্গীয়া ৰজা হল। ২৩৩ ॥

বৰবৰুৱা বৰ্জন

আৰু এইজনা স্বৰ্গদেৱৰ দিনতে পূৰ্ণানন্দ বুঢ়াগোহাঞি, ও নিৰ্ভয়-নাৰায়ণক ভাজি গঙ্গাৰাম বৰগোহাঞি হল। এওঁকো ভাজি কপৌৰ্বীয়া নৰহৰি বৰগোহাঞি হল, ও অনিক ভাজি কেন্দু-গুৰীয়া কন্দ্ৰেশ্বৰৰ পুতেক দুৰ্গেশ্বৰ বৰপাত্ৰ হল। সন্দিকৈৰ ভদৰি ১, দুৱৰাৰ শ্ৰীনাথ ১, এই দুই ক্ৰমে বৰবৰুৱা হল। সন্দিকৈৰ গেন্ধেলা ৰাজখোৱাই কলীয়াভোমোৰা দ্বিতীয় নামে বৰ-ফুকন হল। ২৩৪ ॥

বিষয়া-সকলৰি

কামৰূপত হৰদত্ত বুজৰবৰুৱাই অন্যান্য বৰকাঠ ও চৌধাৰী কতেকক মাৰি-কাটি বশঙ্গত কৰি গোহাটীত বৰফুকনক খেদি বৰফুকন হৈছিল। পাচে কলীয়াভোমোৰা বৰফুকনে প্ৰকাৰন্তৰে ধৰি হৰদত্তাদি দন্দিয়া মাৰি কামৰূপ চাক কৰাত স্বৰ্গদেৱে প্ৰতাপবল্লভ নাম দিলে। এওঁৰে তৃতীয় নাম প্ৰতাপবল্লভ হল। ২৩৫ ॥

হৰদত্তৰ পৰাজয়

এইজনা ৰাজাদেৱৰ দিনতে পৰদেশী চিপাহী চাকৰ ৰাখি ও দেশী চিপাহীও শিকাই তৈয়াৰ কৰে। আৰু পাথৰ-কলাই বন্দুক কতক কিনি আনি গুৱাহাটী ও যোৰহাট দুয়ো ঠাইত দেশীয় বিদেশীয় মিলাই পল্টন খাৰা কৰে, ও বুঢ়া-গোহাঞি-পৰীয়া চন্দ্ৰা গোহাঞিক পল্টনৰ কাপ্তান পাতে। তাৰে পৰাহে কাপ্তান-গোহাঞি নাম হল। ২৩৬ ॥

পল্টন গঠন

পাচে ১৭১৮ শকত উজনিত খামৃটিৰ ৰণ ওলালত ফৌজে গৈ ৰণ জিকি খামৃটিৰ বুঢ়া ৰজাক কিছু খামৃটি সহিতে ধৰি আনিলে। পৰ বছৰ চন্দ্ৰকান্ত দেৱতা জন্মে। পাচে ১৭২১ শকত আহিনৰ শুকুলা পঞ্চমীত চাবিজীয়া ৰজাদেও লোকান্তৰ গমন কৰে। সেহেতু চন্দ্ৰকান্ত দেৱতাই চাবিজীয়া ৰাজা হল। ২৩৭ ॥

যুৱৰাজ চন্দ্ৰকান্ত

পাচে ১৭২৪ শকত কছাৰী ৰণ হল। এই ৰণতে অনেকটি চিপাহী ও বন্দুক লোকচান হল। তথাপি এই ৰণতে স্বৰ্গদেৱৰ জয় হল। পাচে ঐ শকৰ পুহ মাহে ৰজা, বুঢ়াগোহাঞি ভাজৰীয়া, দুইকো ধৰা-মৰা মনস্থেৰে মন্ত্ৰণা

গাদীচুৰাৰ খবৰ

কন্দা পানীমুৱা প্ৰভৃতি বহুলোকক ধৰি পূৰ্ণানন্দ ভাণ্ডৰীয়াই মাৰিলে। ২৩৮॥

পাচে ঐ ৰণত চিপাহী ও সৰঞ্জাম লোকচান, তাকে আনিবৰ নিমিত্তে ১৭২৫ শকত কাকতীয়াৰ বলোৰাম খঙ্গীয়া ফুকনক উকিলকৈ চলিহাৰ

কোম্পানীৰ পৰা বন্দুক বাৰুদ

ভূধৰ চাংকাকতী ও গোবিন্দৰাম শৰ্ম্মা খাওন্দ ও ভনুস্তাম খাওন্দ ও মধু শৰ্ম্মা, কমলাবৰীয়া দোলা-কাখৰীয়া বৰা, এইসকলক লগত দি চহৰ কলিকতাৰ কোম্পানীৰ তৰফ শ্ৰীশ্ৰীগবৰ্ণৰ জেনেৰেল চাহেবৰ হুজুৰলৈ পত্ৰ-সন্দেশ সহিতে পঠাই বন্দুক বাৰুদ গোলা ও চিপাহী, ইয়াকে অনালে। ২৩৯॥

এই আপাহতে খঙ্গীয়া ফুকনক পল্টনৰ দ্বিতীয় কাপ্তান পাতিলে। আৰু কলীয়াভোমোৰা বৰফুকনে স্বৰ্গদেৱৰ আজ্ঞানুসাৰে গুৱাহাটীৰ

আলি হ'ল

কামাখ্যাত তামৰ ঘৰ এটি কৰিলে ও ছত্ৰাকাৰত দেৱালয় কৰিলে। আৰু স্বৰ্গদেৱে যোৰহাটতে ন বাহৰ কৰিলে, ও ভোগদৈ নদী খনালে। হাতীখোক বান্ধি কিছো হাতী ধৰালে এবং ন আলি আৰু ৰজা-বাহৰৰ আলি, মহেৰন্ধা আলি, কমাৰৰন্ধা আলি, চুচন্দেৰন্ধা আলি, এই কেইটা আলি বন্ধালে। আৰু গৌৰীনাথসিংহ স্বৰ্গদেৱৰ পৰ্ব্বতীয়া আইকুঁৱৰীদেৱে চেউনি আলিৰ ওচৰতে এক পুখুৰী কৰালে। পাচে বসন্ত পীড়া হৈ ১৭৩২ শকৰ ৫ মাঘ কৃষ্ণা সপ্তমীত কমলেশ্বৰসিংহ স্বৰ্গী হল, ভোগ ১৫ বৎসৰ ৫ মাহ ১৩ দিন। ছয়ত্ৰিংশ ৰাজা গত। ২৪০॥

এওঁ কমলেশ্বৰসিংহ স্বৰ্গদেৱ মৰণান্তে এওঁৰ ভায়েক চন্দ্ৰকান্ত চাৰিঙীয়া ৰাজাদেৱেই ১৭৩২ শকৰ ৬ মাঘৰ পৰা ৰাজা হল। শিঙৰি-

স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহ

ঘৰ উঠিবলৈ নহল দেখি অহমমতে নাম নহল। হিন্দুমতেই চন্দ্ৰকান্তসিংহ নাম হল। এওঁ ৰাজা-দেৱৰ দিনত পূৰ্ণানন্দ বুঢ়াগোহাঞি ও কপৌমৰীয়া নৰহৰি বৰগোহাঞি ও কেঁচুগুৰীয়া কন্দ্ৰেশ্বৰ পুতেক দুৰ্গেশ্বৰ বৰপাত্ৰ আছিল। মন্ত্ৰিকৈৰ গেজেলা ৰাজখোৱাই কলীয়াভোমোৰা দ্বিতীয় নামে, ও প্ৰতাপবল্লভ

তৃতীয় নামে বৰফুকন, ও শ্ৰীনাথ বৰবৰুৱা আছিল। এই ৰাজাদেৱে ন বাহৰতে পুখুৰী খন্দাই উছগি শিৱসাগৰ নাম দিলে। এবং হাতী-গড়ৰ ওচৰতে বুঢ়াগোহাঞি ডাঙ্গৰীয়াও এক পুখুৰী খন্দালে। আৰু এইজনা স্বৰ্গদেৱৰ দিনতে প্ৰতাপবল্লভ বৰফুকন মৰিলত হুৱৰাৰ বদনচন্দ্ৰ বৰফুকন হল। ২৪১ ॥

এইজনা স্বৰ্গদেৱে বেঙ্গেনাআটীয়া সত্ৰৰ ভকতৰ জীয়ৰী পদ্মাৱতী নামক ছোৱালী এটী চকুত লগা দেখি নাচনীয়াৰ কৰি ৰাখিলে। পৰে যুৱত হোৱাতে লিগিৰী কৰি চাঙ্গত তুলিলে। পাচে স্বৰ্গদেৱে ভাল পাই কুঁৱৰী পাতিবৰ মনস্থ কৰিলে। ২৪২ ॥

পদ্মাৱতী কুঁৱৰী

কিন্তু কুঁৱৰী পাতিবৰ হলে ডাঙ্গৰীয়াসকলৰ সম্মতি লব লাগে। বুঢ়াগোহাঞি ডাঙ্গৰীয়াত সোধাত ডাঙ্গৰীয়াই এইমত কলে বোলে, স্বৰ্গদেও, কুঁৱৰী পাতিব লাগিলে গোহাঞি-পৰীয়া আহোম অথবা চাৰি-ঘৰীয়া অথচ লাহন ও সন্দিকৈ ও দিহিঙ্গীয়া ও দুৱৰা আহোমৰ ছোৱালী আনি কুঁৱৰী পতাৰ নিয়ম আছে। সেই অনুসাৰে তেওঁলোকৰ ঘৰৰ ছোৱালী আনি কুঁৱৰী পতা শ্ৰেয়স্। অতি সামান্য ভকতৰ জীয়ৰী, বিশেষ হিন্দুৰ জীয়ৰী, এতেকে বৰকুঁৱৰী ও পৰ্ব্বতীয়া কুঁৱৰী ও ৰাইডঙ্গীয়া কুঁৱৰী পতা ভাল নহয়। তথাপি যদি স্বৰ্গদেৱে কুঁৱৰী পাতিবৰ মনস্থ কৰিছে চমুৱা কুঁৱৰীকে পাতক; এই কথা কলে। পৰে স্বৰ্গদেৱে ডাঙ্গৰীয়াৰ কথা শুনি পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। কিন্তু ডাঙ্গৰীয়াই সেই কুঁৱৰীক সেৱা নকৰিলে। ২৪৩ ॥

বুঢ়াগোহাঁইৰ প্ৰতিবাদ

সেই দেখি পৰ্ব্বতীয়া কুঁৱৰী ডাঙ্গৰীয়া প্ৰতি অন্তঃকৰণে কোপ হৈ থাকিল, যেহেতু স্ত্ৰীসকলৰ দুৰন্ত গতি, আপোনাৰ মনোনীত কৰ্ম্ম কোনোমতেই সাধন কৰাত ত্ৰুটি নকৰে। ক্ৰমে স্বৰ্গদেৱত কৰ ধৰিলে যে, "আপুনি নামমাত্ৰ ৰাজা, বুঢ়াগোহাঞিহে ৰাজা।" এবং প্ৰকাৰে নানাৰকম কথা ৰাজাদেৱত জনাই মন বিহ্বালে। এনেতে কুকুৰাচোৱা বৰা ভুতৰ পুতেক সংৰাম স্বৰ্গ-

কুৱৰ পুতেকৰ খবৰ

দেৱৰ প্ৰধান বল্লভ হৈ চাবিঙ্গীয়া ফুকন হল। এবং দৈচুঙ্গীয়া বামুণ জগধৰ, চাবিঙ্গীয়া বকৰা, ও বদনচন্দ্ৰ বৰফুকন প্ৰভৃতি কিছো লোক ঐ বৰফুকন সহিতে এক-পৰামৰ্শী হৈ ৰাজমন্ত্ৰী বুঢ়াগোহাঞি পূৰ্ণানন্দ ডাঙ্গৰীয়াক নষ্ট কৰিব খোজাত পূৰ্ণানন্দ ডাঙ্গৰীয়াই বুজ পাই ১৭৩৬ শকৰ আষাঢ় মাহত ঐ চাবিঙ্গীয়া ফুকন প্ৰভৃতি সেই পৰামৰ্শী লোকসকলক ধৰি বৰচ'ৰাতে তিনিও ডাঙ্গৰীয়া বৰবকৰা সহিতে ফুকন-সকলো বহি সোধ পাতি দণ্ডবন্ধ কৰিলে। এবং ভূতৰ পুতেক সংৰাম চাবিঙ্গীয়া ফুকনে ডাঙ্গৰীয়াক মাৰিবৰ মন্ত্ৰণা কৰাদি সকলো কথা প্ৰকাশ ও কবুল কৰিছিল। ডাঙ্গৰীয়া এওঁকো প্ৰাণ বধ কৰাৰ মনস্থ আছিল। কিন্তু স্বৰ্গদেৱে অগত্যা বধ দি প্ৰাণদণ্ড নকৰাৰ কাৰণ ডাঙ্গৰীয়াক সমৰ্পণ কৰাতে দণ্ড নকৰি হাবিত ৰখীয়া দি ৰাখি পাচে কতো দিনৰ পাচত নগাৰ দ্বাৰা খোচাই মৰালে। ২৪৪॥

পৰে ১৭৩৭ শকৰ আহিন মাহত গোহাটীৰ পৰা ঐ বদনচন্দ্ৰ বৰফুকন বুঢ়াগোহাঞি ডাঙ্গৰীয়াত ভয়েৰে পলাই বঙ্গাল দেশলৈ গল।

পূৰ্ণানন্দৰ প্ৰতাপ

তেওঁৰ কামত দিহিঙ্গিয়ালৰ ঘনশ্যাম ন-ফুকন বৰ-ফুকন হল। পৰে ১৭৩৮ শকৰ কাৰ্ত্তিক মাহে দুৰ্গেশ্বৰ বৰপাত্ৰ ডাঙ্গৰীয়াও পলাই বঙ্গাল দেশলৈ গৈ মৃত্যু হল। ২৪৫॥

পাচে স্বৰ্গদেৱে এনে বুজিলে যে, আশ্ৰিত লোকসকলো বুঢ়াগোহাঞি ডাঙ্গৰীয়াৰ প্ৰতাপতে ৰক্ষা নপৰিল, কিজানি মোকো ধৰে; এনে ভাবি

মানদেশত বদনচন্দ্ৰ

বদনচন্দ্ৰ বৰফুকনলৈ গোপনে মানৰ দেশলৈ যাই কিছু ফৌজ আনিবৰ কৈ পঠালে। বদনচন্দ্ৰ বৰফুকনে ভাটীৰ পৰা ছিলহট্যেদি গৈ মানৰ দেশ ওলাই ব্ৰহ্মা অথচ মানৰ ৰজাৰ আগত কলে যে, পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙ্গৰীয়াই চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱক গুচাই বুঢ়াগোহাঁয়ে ৰজা হৈছে। এতেকে ভাই-ৰাজা, মোক অনুকূল কৰি কিছো ফৌজ পঠাই মোক স্থাপন কৰক। ২৪৬॥

এই কথা বৰফুকনৰ মুখে মান-বজাই শুনি কিছো ফৌজ দি এই আজ্ঞা কৰিলে, যদি বুঢ়াগোহাঞি ডাঙৰীয়াই ৰাজা ভাঙি নিজে ৰজা হৈছে তেৱে ৰাজাক স্থাপন কৰি ডাঙৰীয়াক ধৰি আনিব। যদিহে বৰফুকনে মিছা কথা কৈছে সেনা ফৌজ নিয়ে তেওঁকে লৈ আহিব। ২৪৭ ॥

মান-বজাৰ সহায় দান

পৰে মানৰ ফৌজ সহিতে বদনচন্দ্ৰ বৰফুকন উজনি গদিয়াদি গুলাল। বুঢ়াগোহাঞি ডাঙৰীয়া কিছো দিনৰ পূৰ্ব্বৰে পৰা বাত বেদনাৰ নৰিয়া দেখি নিজে ৰণলৈ যাব নোৱাৰি মান অহা শুনি যুদ্ধ কৰিবলৈ বেৰম্বাকে ফৌজ পঠাই ১৭৩৮ শকৰ চৈত্ৰ মাহত ডাঙৰীয়াও মৃত্যু হল। পাচে স্বৰ্গদেৱে ডাঙৰীয়াৰ বৰপুতেক ৰুচিনাথক ৰাজমন্ত্ৰী-বাৰে সহিতে বুঢ়াগোহাঞি পাতিলে। কিন্তু বুঢ়াগোহাঞি হৈ কেইদিন মানহে আছিল। ২৪৮ ॥

বুঢ়াগোহাঁইৰ মৃত্যু

এনেতে বদনচন্দ্ৰ বৰফুকনে চলেৰে যুদ্ধ কৰিবলৈ যোৱা ফৌজখিনি ধৰি লৈ আহি যোৰহাট পাব লগা হলত ৰুচিনাথ ডাঙৰীয়াই স্বৰ্গদেৱে সহিতে গোহাটীলৈ যাবলৈ জনোৱাত সম্মত নহল। পাচে ডাঙৰীয়াই স্বৰ্গদেৱৰ মনস্থ মতে বদনচন্দ্ৰ বৰফুকনে আমাৰ ঘৰলৈহে মান আনিছে হেন বুজি স্বৰ্গদেৱক নগৰতে এৰি ডাঙৰীয়া সপৰিবাৰে ভটীয়াই গোহাটীলৈ গল। সেই সময়তে বুঢ়াগোহাঞি ডাঙৰীয়াৰ খাটনীয়াৰ কতো কতো লোক ভটীয়াই গোহাটী আৰু স্থানে অন্তৰ হল। ২৪৯ ॥

ৰুচিনাথৰ পলায়ন

পাচে মান সহিতে বৰফুকন আহি যোৰহাট নগৰত স্বৰ্গদেৱক সাক্ষাৎ কৰি বুঢ়াগোহাঞি ডাঙৰীয়াৰ ঘৰ লুৰি দ্ৰব্য-বস্তু, ৰাজহ লৈ আনিলে। আৰু ঐ অনিৰ ভায়েক ধনীক বৰপাত্ৰ পতালে। ও কপৌমৰীয়া নৰহৰিক ভাঙি ঐ নিৰ্ভয়নাৰায়ণক ৰাজমন্ত্ৰী-বাৰে সহিতে বৰগোহাঞি পতালে। শ্ৰীনাথক ভাঙি সন্দিকৈৰ নীক বৰবৰুৱা পতালে। ২৫০ ॥

অসমত মান

বদনচন্দ্ৰ বৰফুকন নিজে মন্ত্ৰী-ফুকন হৈ বুঢ়াগোহাঞিত খঙেৰে যি যি লোকলৈ খেপ আছিল বুঢ়াগোহাঞি ফলীয়া বুলি কিছো লোকক ধৰি

বদনৰ বিক্ৰম

ও স্থানান্তৰ হোৱা কিছো ২ লোকক ছল-চক্ৰান্তে নি চক্ষু, নাক, কাণ কাটি দণ্ডবন্ধ কৰিলে। সেই সময় বদনচন্দ্ৰ বৰফুকনেই প্ৰায় ৰাজক্ষমতাৰ কৰ্ম্ম কৰিছিল, কেৱল ৰাজা নামমাত্ৰ আছিল। স্বৰ্গদেৱেও ঐ বদনচন্দ্ৰ বৰফুকনৰ যুক্তি-মন্ত্ৰণাতে চলিছিল। বৰফুকনে কোন ২ কথা স্বৰ্গদেৱত জনায়, কোন ২ নজনোৱাকৈয়ে কৰিছিল, যেহেতু বৰফুকন স্বৰ্গদেৱৰ প্ৰধান বল্লভ আছিল। ২৫১ ॥

সে যাহক, পাচে স্বৰ্গদেৱে মানৰ ৰজাৰে মিত্ৰতা থাকিবৰ নিমিত্তে তুঙখঙীয়া ফৈদৰ বগা কোঁৱৰৰ জীয়েকক আনি ছুহিত্ৰী বুলি সালঙ্কৃতাকৈ

মানলৈ দিয়া হেমো আইদেও

দোলা, আবোৱান, লা-লিগিৰী, হাতী, ঘোঁৰা আদি দ্ৰব্যাৰে মান-ৰজালৈ দিলে। অহা মানৰ সেনাপতি-সকলোকে যথাযোগ্য বঁটা-বাহন দি মানৰ ফৌজক বিদায় দিলে। ২৫২ ॥

পাচে স্বৰ্গদেৱে কচিনাথ ডাঙৰীয়াক আনিবলৈ মানুহ পঠোৱাত ঘৰ-লোৱা আৰু উপাসক কৰা লোকসকলো ৰক্ষা নপৰা শুনি ডাঙৰীয়া

বদন হত্যা

নগল। তদপৰ বুঢ়াগোহাঞি ডাঙৰীয়া মন্ত্ৰী-ফুকনলৈ সংশয় কৰিহে নাহে যেন ভাবি আৰু মন্ত্ৰী-ফুকনক নষ্ট কৰিলে। অৱশ্যে ডাঙৰীয়া আহিব বুলি ৰাজমাওদেও ও বৰ-গোহাঞি ও বৰবৰুৱাই পৰামৰ্শ কৰি ১৭২৯ শকৰ শাওণত ৰূপচিং চুপাদাৰৰ হতুৱাই বদনচন্দ্ৰ বৰফুকনক কটাই সৰ্ব্বস্ব লুটিলে। ২৫৩ ॥

তথাপি কচিনাথ ডাঙৰীয়াই উজাই নাহি দিহিঙীয়া বৰফুকন প্ৰভৃতি সকলো ফুকন ৰাজখোৱাৰে পৰামৰ্শ কৰি ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ পুতেক

চন্দ্ৰকান্তৰ ৰাজ্যচ্যুত

ৰত্নেশ্বৰ সকজনা গোহাঞিদেও, তেওঁৰে পুতেক বিজয় বৰমূৰা গোহাঞিদেও, তেওঁৰে পুত্ৰ ব্ৰজনাথ গোহাঞিদেৱক, ডাঙৰীয়াৰ ভায়েক জগন্নাথ ঢেকিয়াল ফুকনক পঠাই

আনি সহায় লৈ ভেওঁৰ পুতেকক ৰজা পতা স্থিৰ কৰা চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে শুনি ৰণ কৰিবলৈকে আজ্ঞা কৰি লুথুৰাসনৰ চিকণ তামূলীৰ ঘৰৰ লুকু গুৱাহটীয়া ভেকাফুকনক দিলে, এবং যোৰহাটৰ পৰা স্বৰ্গদেও ৰংপুৰ নগৰলৈ গল। পাচে ব্ৰজনাথ গোহাঞিদেও ভাজৰীয়া সহিতে কৌজেৰে উজাই আহি ঐ ভেকাফুকনক কাটি আবোণ মাহুত যোৰহাটলৈ ঐ ঢেঁকিয়াল ফুকনক পঠাই ৰংপুৰৰ পৰা যোৰহাট বাহৰলৈ স্বৰ্গদেৱক আনি ঐ ১৭৩৯ শকৰ ৫ ফাগুনত ব্ৰজনাথ গোহাঞিদেৱৰ পুত্ৰ পুৰন্দৰসিংহ দেৱতাক গড়্‌গয়াঁ, গুৱাহটীয়া সকলোৱে সেৱা কৰি যুৱৰাজ পাতিলে। পৰে সেই ফাগুনৰ ১০ তাৰিখত চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱক ৰাজা ভাঙ্গি পুৰন্দৰসিংহ যুৱৰাজক ৰাজা পাতি সকলোৱে সেৱা কৰিলে। এই হেতুকে চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱৰ ৰাজভোগ ৭ বৎসৰ ১ মাহ ৫ দিন। দশম আধ্যা সমাপ্ত। সাইত্ৰিশ জনা ৰাজা গত। ২৫৪ ॥

---

## একাদশ আধ্যা

### পুৰন্দৰসিংহৰ পৰা যোগেশ্বৰসিংহলৈকে।

পাচে ভগাজনা ৰজা চন্দ্ৰকান্তসিংহক অঙ্গক্ষত অথচ কৰ্ণ কিছু ছেদ কৰি স্থানান্তৰ কৰি যোগান দি থৈ ১৭৩৯ শকৰ ১১ ফাগুনৰ পৰা পুৰন্দৰসিংহ স্বৰ্গদেৱে ৰাজত্ব কৰে। এওঁ ৰাজাৰ দিনতে ঐ অলিৰ ভায়েক ধনীক ভাজি দণ্ডেৰ

পুৰন্দৰসিংহ

ৰৰপাত্ৰ ও নিৰ্ভয়নাৰায়ণক ভাজি ৰাককিয়ালৰ মালভোগ ৰৰগোহাঞি,

ও ধনীক ভাঙ্গি সন্দিকৈৰ ঘিণাই বৰবৰুৱা, ও ঘনশ্যামক ভাঙ্গি পুতেক নিৰ্গুণ বৰফুকন, এইসকল বিষয়া হল। এওঁ বৰফুকনেই ৰাজা হোৱাত কাৰবাৰ কৰা আপাহত পানীজাপিত সোনৰ চুলা দিলে অথচ পালে। ২৫৫ ॥

এনেতে মানৰ ফৌজ গৈ উজান শদিয়া পোৱাত চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে সকলো বৃত্তান্ত কৈ পঠোৱাত মানৰ আলুঙ্গমিঙ্গি বৰগোহাঞিৰ

মানৰ ২য় আক্ৰমণ

মানৰ ফৌজেৰে ফিৰি অহাত মাছখোৱা গড়তে বৰ ৰণ হল। এই ৰণত ৰুচিনাথ বুঢ়াগোহাঞি ভাঙ্গৰীয়া পৰাস্ত হৈ মন্ত্ৰিবৰ্গ সহিত ১৭৪০ শকৰ ২৪ ফাগুনত সপৰিবাৰে ও পুৰন্দৰসিংহ স্বৰ্গদেও গোহাটীলৈ গৈ ঐ নিৰ্গুণক ভাঙ্গি পাতৰৰ গগৈ নফুকনক বৰফুকন পাতি মানবে ৰণ কৰিবলৈ পঠোৱাত কপুৰা কোঁঠতে নৰিয়া পৰি বৰফুকন খাগৰিজানত মৃত্যু হোৱাত ঐ ঘিণাই বৰবৰুৱাক বৰফুকন ও লাহনৰ গুৱাহটীয়া ডেকাফুকন ভিচোক বৰবৰুৱা পাতি সেই ৰণলৈকে পঠোৱাত পৰাস্ত হৈ গুৱাহাটীৰ পৰাও ভাটী বঙ্গাল দেশলৈ সপৰিজনেও পুৰন্দৰ স্বৰ্গদেও ভাগি গল। এই হেতুকে ভোগ ১ বৎসৰ ১৪ দিন। আঠত্ৰিশ জনা ৰাজা গত। ২৫৬ ॥

পাচে মানৰ ঐ আলুঙ্গমিঙ্গি বৰগোহাঁয়ে শ্ৰীশ্ৰীচন্দ্ৰকান্তসিংহ স্বৰ্গদেৱক পুনৰ ৰজা পাতি থৈ দেশলৈ গল। এওঁ ৰাজাদেৱে মটকৰ

চন্দ্ৰকান্তৰ ২য় ৰাজত্ব

মাটিবৰ বৰসেনাপতিৰ ভায়েক কলিবৰক বুঢ়াগোহাঞি পাতিলে। ও অনিৰ ভায়েক ধনীক বৰপাত্ৰ পাতিলে। ২৫৭ ॥

ঐ নিৰ্ভয়নাৰায়ণক ধৰি আনি স্বৰ্গদেৱৰ দ্ৰোহী বুলি মানে মাৰিলত জিহিঙ্গীয়া কৈদৰ গোবিন্দক বৰগোহাঞি পাতিলে। সন্দিকৈৰ ঐ

বিষয়া সকলি

ধনীক বৰবৰুৱা পাতি স্বৰ্গদেৱৰ দ্ৰোহী বুলি মানে মাৰিলত ছুৱবাৰ বুড়কীয়া বকৱাক বৰবৰুৱা পাতিলে, এওঁকে ভাজি খেৰমিয়াল কহাৰীৰ পতালক বৰবৰুৱা পাতিলে।

ছত্ৰবাৰ বদনচন্দ্ৰৰ পুতেক জন্মিক বৰফুকন পাতিলে। এওঁকো ভাঙি বকতিয়ালৰ ভদ্ৰচন্দ্ৰক বৰফুকন পাতিলে। এওঁকো ভাঙি লানমাখুৰে লম্বোদৰক বৰফুকন পাতিলে। ২৫৮ ॥

মানৰ পুন আক্ৰমণ

পাচে ঐ বৰবৰুৱাই দিঘলীঘাটত জয়পুৰ নামে এক কিল্লা কৰি মানেৰে যুদ্ধ কৰা মনস্থৰে থকাত মান-ৰজাই স্বৰ্গদেৱলৈ বহুত ৰাজযোগ্য অলঙ্কাৰ দি সজাতি ফুকনে সহিতে মিঙিমহাতিলোৱা বৰুক পঠোৱাত তেওঁলোক আহি বৰবৰুৱাৰ ঐ মত প্ৰাবল্য দেখি ছলকৈ ধৰি বৰবৰুৱাক মাৰিলে। এই বাৰ্ত্তা স্বৰ্গদেৱে শুনি বৰবৰুৱাক মৰাত অমিল ৰূপে মান অহা যেন বুজি কলিবৰ বুঢ়াগোহাঞিক ৰণলৈ যাবৰ আজ্ঞা কৰি ঐ ভদ্ৰচন্দ্ৰক বৰবৰুৱা পাতি ১৭৪২ শকৰ ২ চৈত্ৰত স্বৰ্গদেও গুৱাহাটীলৈ গৈ বৰগোহাঞি-পৰীয়া মিৰি সন্দিকৈৰ ধনঞ্জয়ক বৰগোহাঞি পাতিলে, ও ধনী বৰপাত্ৰ মৰিলত খৰাসনক বৰপাত্ৰ পাতিলে। ২৫৯ ॥

চন্দ্ৰকান্তৰ পলায়ন

উজনিত মানে কলিবৰ বুঢ়াগোহাঞি সহিতে ৰণ কৰাত মানে জিকিলে, এবং বুঢ়াগোহাঞিক ধৰি কএদ কৰি থৈ মিল ৰূপে স্বৰ্গদেৱলৈ মিঙিমহাতিলোৱা বৰু কটকী পঠালে। তথাপি স্বৰ্গদেৱে সেই কথাত সম্মত নোহোৱাত মানৰ সহিতে ৰণ হল। ৰণত ঠাৰিৰিব নোৱাৰি গুৱাহাটীৰ পৰাও ভাগি বঙ্গাল দেশলৈ গল, এই হেতুকে চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱৰ পুনৰ ৰাজভোগ ২ বৎসৰ ৮ দিন হল। ২৬০ ॥

যোগেশ্বৰসিংহ

পাচে মিঙিমহাতিলোৱাই চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱ নাথাকৰ দেখি নিৰাশা হৈ ঐ ৰগাকোঁৱৰৰ পুতেক যোগেশ্বৰসিংহক ১৭৪৩ শকৰ ১২ আষাঢ়ত ৰাজ্য স্থিৰ হবৰ মনস্থৰে লোকদৰ্শক ৰূপে ৰাজা নাম দি নিজে ৰাজত্ব কৰি আছিল। পাচে হাদিৰাচকীৰ পৰা চন্দ্ৰকান্তসিংহ স্বৰ্গদেও ফৌজ ধৰি লৈ গুৱাহাটী আক্ৰমণ কৰি চিৰিঙৰ ৰাধানাথক বৰবৰুৱা পাতি ক্ৰমে ক্ৰমে উজাই ঠায়ে ঠায়ে মানেৰে ৰণ কৰি জিনি মহগড়ৰ ঘাট পালে। ২৬১ ॥

মানবো দেশৰ পৰা আৰু বহু কৌজেৰে মিঙ্গিমহাবান্দুলা বৰগোহাঞিৰ আহি পালেহি। উভয় দলৰে যোৰহাটৰ উত্তৰ মহগড়তে ৰণ হল। এই

মহগড়ৰ ৰণ

ৰণতে ঠাৰবিব নোৱাৰি ১৭৪৪ শকৰ জেঠত চন্দ্ৰকান্ত স্বৰ্গদেও ভাগি ভটীয়াই পৰদেশ পালেগৈ। এখেত বৰগোহাঁয়ে এই দেশৰ খাটি থকা ভাল মানুহখনিত বাজে অপাইকান চমুৱাৰ ঘৰমুৰি ও পাইকানৰ পোৱামুৰি ৫ টকাকৈ বৰগনি ধন তোলাই লৈ দেশলৈ গল। এই শকতে উত্তৰপৰীয়াই মানেৰে.ৰণ পতাত মানে ৰণ জিকি বহু মানুহ মাৰিলে। আৰু ঐ ১৭৪৪ শকতে চন্দ্ৰকান্তসিংহ স্বৰ্গদেও বৰুৱা ফুকন সকলোকে এৰি অকলেই বঙ্গালপাৰৰ পৰা স্বইচ্ছাক্ৰমে মানৰ লগলৈ আহি ৰংপুৰ নগৰ সোমাল। কিন্তু মানে ৰাজত্ব নিদি যোগান দি ৰাখিলে। পৰে মিঙ্গিমহাতিলোৱাক ১৭৪৫ শকৰ আহিনত মিঙ্গিমহানান্দক্যাডেঙ্গ মগাউন আহি বদলি কৰিলে। ২৬২ ॥

কিন্তু মানে এই সময়তে দেশত অনেক দুৰ্গতি কৰিলে। অথচ ধনীলোকক ধৰি কএদপূৰ্ব্বক সৰ্ব্বস্ব আগ্ৰহি লৈ যুবতী স্ত্ৰীসকলক হাটে-

মানতগনি

ঘাটে-বাটে পালেই বলেৰে সতীত্ব নষ্ট কৰি কতো কতো স্ত্ৰী কৰিয়েই ৰাখিলে। আৰু গৃহস্থৰ ঘৰ সোমাই বলেৰে কতো কতোৰ সৰ্ব্বস্ব লুটি সুন্দৰীসকলক বলাৎকাৰ, কতো লৈয়ে যায়, এইসকল দৌৰাত্ম্য সহ্য কৰিব নোৱাৰি অনেক ভাল মানুহ দ্ৰব্যবস্তু সকলকে পৰিত্যাগ কৰি স্থান-স্থানন্তৰে ভাঠী বঙ্গালপাৰ, ৰংপুৰ জিলা ও গোৱালপাৰা প্ৰভৃতি স্থানে সপৰিবাৰে পলাই গল। যিসকল দেশতে আছিল সেইসকলো দিবসত হাবি ও পৰ্ব্বত নিবিড় স্থানে থাকি ৰাত্ৰি হলে ঘৰলৈ আহে, ও কোনোসকলে দিনে ৰাতিয়ে পলাই হাবি ও পৰ্ব্বতত আছিল। ২৬৩ ॥

মগঞাসকলে এইমত মানৰ দৌৰাত্ম্য সহ্য কৰিব নোৱাৰি যুদ্ধ কৰাত মানে জিকি নগঞাক ধৰি পালে-পালে নি বৃহৎ ঘৰৰ ভিতৰত

নৰাৰ্থত মানৰ অত্যাচাৰ

চাঙ্গত তুলি দুৱাৰ বন্দ কৰি জুই দি পুৰি-পুৰি বহুত লোক মাৰিলে। আৰু অনেক লোক সৰ্ব্বস্ব পৰি-

ত্যাগ কৰি দক্ষিণ পৰ্ব্বত হাবি ও কছাৰী দেশত সপৰিবাৰে পলাই গল। ইদানীকো সেই স্থানে কতো কতো বসতবাস হৈ থাকিল। ও দেৱালয়-সকলৰ দলৈ বা অথবা বিষয়াক ধৰি কতো কতো ধন আগ্রহি নিলে। যিসকল পলাল সেইসকল দেৱালয়ত নিজে মান যাই ধন-দ্ৰব্য আগ্রহি নিলে, আৰু কোনো দেৱালয় ও সত্ৰৰ দ্ৰব্যবস্তু স্থানান্তৰ কৰি ৰাখিছিল, মানে বিষয়াসকলক ধৰি অনেক শাস্তি-বন্দী কৰি ধন-দ্ৰব্য ললে ও কোনো কোনো সকল শাস্তি-বন্দীতে মৰিল। ২৬৪ ॥

এবং প্ৰকাৰে মান যাই আসামৰ সীমা হাদিৰাচকী পালেগৈ। কিন্তু মানে বঙ্গালপাৰ কোম্পানীৰ সীমাত জোকালত ১৭৪৫ শকৰ চৈত্ৰ মাহত ডেবিড্ ইস্কাট কমিচনাৰ চাহেব ফৌজ সহিতে আহি মানৰ সহিত সামান্যমতে যুদ্ধ কৰাত মান হটিল, এবং কমিচনাৰ চাহেব হাদিৰাচকী লৈ ক্ৰমে ক্ৰমে উজাই গুৱাহাটী, দৰঙ্গ, নগাঁও, কলিয়াবৰ প্ৰভিতি স্থান আক্ৰমণ কৰি ধীৰে ২ আহি ইংৰাজী ১৮২৫ সনৰ ২ ফেব্ৰুৱাৰী, ১৭৪৬ শকৰ ২১ মাঘত, মানৰ শ্যাম ফুকনৰ একবাৰ লৈ ৰংপুৰ নগৰ ললে। তাৰে পৰা কতেক মানক দেশলৈ যাবলৈ এৰি দিলে, সেইবোৰ দেশলৈ গল। ২৬৫ ॥

ডেবিড্ স্কট্

দেশলৈ নগৈ থকা শ্যাম ও নেবাক দুই ফুকনক তেওঁলোকৰ সেনা-খনি সহিতে এজেণ্ট নৱাব গবৰ্ণৰ-জানেৰেল ডেবিড্ ইস্কাট চাহেবে ভটীয়াই দি পঠালে। এবং চন্দ্ৰকান্তসিংহ স্বৰ্গদেও ও যোগেশ্বৰসিংহ ৰাজাদেও দুয়োজনাক ভটীয়াই পঠালে। এই পৰ্য্যন্ত মানে দেশত অনেক দুৰ্গতি কৰা ৰহিত হল। পাচে চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱক কোম্পানী চৰকাৰৰ পৰা কিছো মোহাহেৰা অথচ পেন্‌সীন্ দি প্ৰবৰ্ত্তাই ৰাখিলে। যোগেশ্বৰসিংহ ৰাজাদেও ১৭৪৭ শকৰ কাৰ্ত্তিক মাহত ভাঠী যোগীঘোপা স্থানে লোকান্তৰ হল। আসাম-দেশৰ ৰাজা এই পৰ্য্যন্ত সমাপ্ত হল। ২৬৬ ॥

আহোম ৰাজ্যৰ সমাপ্তি

অথঃ মানৱ দিনত যি যি সকল বিষয়া হল তাৰ নাম।

১৭৪২ শকৰ ৩ চৈত্ৰৰ পৰা ১৭৪৬ শকৰ ২১ মাঘ পৰ্য্যন্ত মানৱ এখিনি দিনৰ ভিতৰত হোৱা বৰ বিষয়া।— মটকৰ কলিবৰেই কএদৰ পৰা মুকলি হৈ পুনৰ বুঢ়াগোহাঞি হল। পৰে মাসে মাৰিলত টেপৰতলীয়া ৰূপেশ্বৰ ১, কলিমন ১, এই দুই ক্ৰমে একে কৈদৰ বুঢ়াগোহাঞি হল। ও পিজলী বৰপাত্ৰ হল। ও ভাইবৌ কলিয়াৰ কৈদৰ কোটালৰ পুতেক বৰগোহাঞি হল। খাম্‌টিৰ ভাবৰ বৰবৰুৱা হল। তাৰ পৰে ঢুৱৰাৰ বদনচন্দ্ৰৰ পুত্ৰ পিয়ালি বৰবৰুৱা হল। তাৰ পৰে সন্দিকৈৰ বালি বৰবৰুৱা হল। তাৰ পৰে ভাঠীৰ পৰা আহি ঐ ভদ্ৰচন্দ্ৰ বৰবৰুৱা হল। লুখুৰাসনৰ বগাদমৰা বৰফুকন হল। এওঁকে ভাজি ঐ পিয়ালি বৰফুকন হল। যেহেতুঁ ১৭৪২ শকৰ ৩ চৈত্ৰৰ পৰা স্বতন্ত্ৰ ৰাজা নাইকিয়া হল এতেকে মানৱ দিন বোলা যায়, ৩ বৎসৰ ১০ মাহ ১৯ দিন। অথ একাদশ অধ্যায় সমাপ্ত, এবং আসাম ইন্দ্ৰবংশীয় ৰাজাৰ বুৰঞ্জী সংক্ষেপমতে সমাপ্ত হল। ২৬৭॥

মানৱ দিনৰ বিষয়া

## দ্বাদশ অধ্যায়

-----

### মর্য্যাদানুসারে বিষয়াৰ নাম।

সম্প্ৰতি মৰ্য্যাদানুসাৰে বিষয়াৰ নাম লিখা যায়।—যি যি একে মৰ্য্যাদাৰ সেইসকলক একে ছেদৰ মাজতেই লিখা যাব। তাতে লিখাৰ আগ-পাচ ক্ৰমেই মৰ্য্যাদাতো আগ-পাচে। সেই আগ-পাচকে ছেদে ছেদেও এবং ছেদৰ মাজত লিখা সকলোতো বুজিব। বুঢ়াগোহাঞি ও বৰগোহাঞি ও বৰপাত্ৰ-গোহাঞি, ৩ এই তিনি জনাৰ একে মৰ্য্যদা। কেঁকোবাদোলা, আবোৱান বাঁহৰ উকা মাজপোনে নালতে একোখনি গামোচা বন্ধা, সোনৰ চুলাৰে পানীজাপি, টুপীজাপি ও পানীবিচনী, ছুখনৰ দৰে নাললগা ঘূৰণীয়া বিচনী, কেপকৰা তলচা। কিন্তু ঘৈণীসকলে এই-সকল দ্ৰব্যৰ একোকে নেপায়। কেৱল পহিচাজী ও ডালৰবৈ লগা সোনৰ চুলাৰে সিয়া জাপি ইয়াকেহে পায়। ২৬৮॥

বাৰুৱা বিষয়া :—

কিন্তু ঐ তিনি জনাৰে যি জনা ৰাজমন্ত্ৰী হৈ ৰাজহুত অগ্ৰসৰ ৰূপে থুৰে হেতু জকাইচুকীয়া নামক মানুহ ১০০০ এক হাজাৰ পায়, ইয়াত বাজে একো লব নাই। শদিয়াখোৱা গোহাঞি ও সলাল গোহাঞি ও মৰঙিখোৱা গোহাঞি, ৩ এই তিনি জনাক দাঁতিয়লীয়া গোহাঞি বোলে। ঐ তিনি জনাতকৈ কিছো মাত্ৰ মান কম অথচ সিবিলাক নিলগ দেশত থাকে তথাপি কেঁকোবা-দোলা ও আবোৱান বাঁহৰ উকা মাজপোনে নালতে একোখনি গামোচা বন্ধা ও সোনৰ চুলাৰে পানীজাপি ও টুপীজাপি ও পানীবিচনী ও ঘূৰণীয়া বিচনী, কেপকৰা তলচা পায়। ২৬৯॥

দাঁতিয়লীয়া গোহাঁই

বৰবৰুৱা'ও বৰফুকন দুয়ো সমান। কিন্তু গুৱাহাটী দূৰ দেশ তাত বৰফুকনৰ বিচাৰো একতিয়াৰ বঢ়া, আৰু দুয়ো জনাৰ পাৰ্হিচাঙ্গী ও বানাতৰে

বৰবৰুৱা, বৰফুকন

আউঠি সিয়া বৰজাপি, ৰূপৰ চুলাৰে পানীজাপি, কোনো এজনাক সোনৰ চুলাও দিয়ে। ও খেৰপাখি বিচনী, টুপীজাপি, দীঘল নলীয়া ঘুৰণীয়াৰে আগথৰা বিচনী, ছালকঠ, বানাতৰ মচুলা, ৰূপৰ বেৰী দিয়া লাখুটি লয়। ২৭০ ॥

নাওবৈচা ফুকন, পানীফুকন, ভিতৰুৱাল ফুকন, দুই ডেকাফুকন, দুই দিহিঙ্গীয়া ফুকন, ন ফুকন, চেটিয়া ফুকন, এই নও জনাও সেই

ফুকন

সমান। কিন্তু উকা বৰজাপিহে, বানাতৰে আউঠি সিয়া বৰজাপি লব নোৱাৰে। নেওগ ফুকন, নিয়াইসোধা ফুকন, চাংকং ফুকন, এই তিনি সমান ঐ ৯ নজনাকে নিচিনা। ২৭১ ॥

নিবুকিয়াল বাজখোৱা, বচা বাজখোৱা দুই সমান, লোহাৰ ঢেকৰ লগা চাঙ্গী মাত্র পায়। দিহিঙ্গীয়া বাজখোৱা দুই, শলগুৰীয়া বাজখোৱা

বাজখোৱা

দুই, অভয়পুৰীয়া বাজখোৱা তিনি, নামদঙ্গীয়া বাজখোৱা ১, দিখৌমুখীয়া বাজখোৱা ১, গজপুৰীয়া বাজখোৱা ১, দৈচঙ্গীয়া বাজখোৱা ৩, ঘিলাধৰীয়া বাজখোৱা ১, এই ১৪ জনা একে সমান। গুৱাহাটীত থাকিলে পৰ্হিচাঙ্গী পায়, নতুবা লোহাৰ ঢেকৰ লগা চাঙ্গী মাত্র পায়। চেটিয়া-পাত্র বৰুৱা ২, ধৰফলীয়া বৰুৱা ২, চাংকঙ্গৰ বৰুৱা ৪, এই ৮ জনা একে সমান। এই পৰ্য্যন্ত বাজুৱা বিষয়া গল। ২৭২ ॥

চোলাধৰা ফুকন, ঢেঁকিয়াল ফুকন, খাৰঘৰীয়া ফুকন, নাওসলীয়া ফুকন, তামূলী ফুকন, এই ৫ জনা সমান। ৰূপৰ চুলাৰে পানীজাপি,

ভিতৰুৱাল বিষয়া :— ফুকন

পৰ্হিচাঙ্গী, খেৰ-টুপীজাপি, পাখিবিচনী, দীঘল নলীয়া ঘুৰণীয়া বিচনী, ৰূপৰ বেৰী দিয়া লাখুটি, ছালকঠ, এইসকল পায়। যদি খেৰবিচনী টুপী নাপায় তেতিয়া চোলাধৰা খাৰঘৰীয়া ঢেঁকিয়াল, এই তিনিয়ে পৰ্হিচাঙ্গী পায়। নাও-

সলীয়া ফুকন, তামুলী ফুকন, ছুয়ো ঢেকবদিয়া চাঙ্গীহে পায়। ২৭৩॥

চিৰিং ফুকন, কাঠ বৰুৱা, শূলপাণি বৰুৱা, এই তিনি সমান। ৰূপৰ চুলাৰে পানীজাপি, পহিচাঙ্গী, ৰূপৰে বেৰী বন্ধা লাখুটি, দীঘল নলীয়া ঘুৰনীয়া বিচনী পায়। জালভাৰী ফুকন, গন্ধীয়া বৰুৱা, মজুন্দাৰ বৰুৱা, খনিকৰ বৰুৱা, শেনচোৱা বৰুৱা, সেই পাচ জনা সমান। ঢেকবদিয়া পহিচাঙ্গী পায়। ২৭৪॥

বৰুৱা ফুকন

বজাৰ জোৱাঁইসকল বিষয় নেপাই থাকিলেও ৰূপৰ চুলা, পহি-চাঙ্গী আদি বৰভণ্ডাৰ বৰুৱা তুল্য মৰ্যাদা পায় আৰু চাৰিয়োকাষ বানাত দিয়া কঠ লয়। আৰু তিনি জনা ডাঙ্গৰীয়াৰ লড়ি-গোহাঞিবোৰ হলে, ৰূপৰ চুলা, ঢেকৰ দিয়া চাঙ্গী পায়। বহা কঠ ঐ ৰকম বানাত সিয়া। চাংমাইবৰুৱা তিপমীয়া ৰাজখোৱা, হাতীবৰুৱা, ঘোঁৰাবৰুৱা, কুকুৰাচোৱা বৰুৱা, এই ৫ জনা সমান। দোলাকাষৰীয়া বৰুৱা ২, চাওদাং বৰুৱা ১, জবাধৰা বৰুৱা ১, বেজবৰুৱা ১, এই ছয় জনা সমান। ছুলীয়া বৰুৱা, দৰপধৰা বৰুৱা, কাঠকটীয়া বৰুৱা, মলীয়া বৰুৱা, ঘিঁউবৰুৱা, পাখিমৰীয়া বৰুৱা, এই ৬ জনা সমান। গজপুৰীয়া বৰুৱা, শিলাকুটি বৰুৱা, চৰাইমৰীয়া বৰুৱা, ধেনুচোচা বৰুৱা, জুতকীয়া বৰুৱা, তুৰৰীয়া বৰুৱা, এই ৬ জন সমান। এই পৰ্য্যন্ত ভিতৰুৱাল বিষয়া। ২৭৫॥

বজা-জোৱাঁই আৰু আন আন বৰুৱা

বাইভঙ্গীয়া ফুকন, পৰ্ব্বতীয়া ফুকন, থঙ্গীয়া ফুকন, চাৰিঙ্গীয়া ফুকন, তিপমীয়া ফুকন, এই পাচ জনা সমান, ঢেকবলগা চাঙ্গী পায়। বাই-ভঙ্গীয়া বৰুৱা, পৰ্ব্বতীয়া বৰুৱা, থঙ্গীয়া বৰুৱা, চাৰিঙ্গীয়া বৰুৱা, তিপমীয়া বৰুৱা, এই পাচ জন সমান। নামৰূপীয়া বৰুৱা, পুৰণি মেলৰ বৰুৱা, মাজুমেলৰ বৰুৱা, সৰুমেলৰ বৰুৱা, মাহীমেলৰ বৰুৱা, ন মেলৰ বৰুৱা, গাভৰুমেলৰ বৰুৱা, কলিচেঙ্গৰ বৰুৱা, এনাইৰ্ৰীয়া বৰুৱা, এই ৯ জনা সমান। এই পৰ্য্যন্ত মেলভগীয়া বিষয়া। ২৭৬॥

মেলভগীয়া বিষয়া

দেৱলীয়া বকৱা

দেৱলীয়া বকৱাইঁতক হলে সদৰত সেৱা চলোৱাহে বোলে। এই পৰ্য্যন্তে বিষয়াৰ তাৰতম্য মৰ্য্যাদা বুজি-বৰ কাৰণ নাম লিখা গল। ২৭৭ ॥

---

## ত্ৰয়োদশ আধ্যা

---

### ডাঙ্গৰীয়াদিৰ নিয়ম।

ডাঙ্গৰীয়াসকল ঘৰৰ পৰা ওলালে আগত বিলতীয়া গায়নে গাই যায় ও কালীয়াই কালা মাৰি যাব পায়। বঙ্গাচুলিৰে বৰচি, চুলিলগা দাৰে লগত পালী ধৰি যাব পায়। হাতী ঘোঁৰাত বানাত সিয়া জৰি, ভৰিত নপুৰ, ঘোঁৰাত উঠা হালধৰা পাটৰ তলচা, হাতী উঠা কাপুৰ আগত দোলা চৈৰে আগুৱা যাব পায়। গড়ৰ চুকৰ কিছু ভিতৰ সোমালে গায়নে কালীয়াই গাব বজাব নেপায়। বাটত স্বৰ্গদেৱে দেখা-দেখি হলে ও স্বৰ্গদেও হাতীত উঠি গলে ডাঙ্গৰীয়াও হাতীত উঠি দেখা দিব পায়। স্বৰ্গদেৱ দোলাত বা ঘোঁৰাত গলে ডাঙ্গৰীয়াও ঘোঁৰাত উঠি বা কেপকৰা তলচাৰ মুৰাতে উঠি দেখা দিব পায। আৰু ৰাজমাওদেও, ৰৱজনা আইকুঁৱৰীদেও, ও পৰ্ব্বতীয়া আইকুঁৱৰীদেও, এই কেইজনাক স্বৰ্গদেৱৰ দৰেই সকলোৱে সম্মান কৰে, কিন্তু শিৰবিষৰ উঠিলেহে ডাঙ্গৰীয়াসকলে সেৱা কৰে। দাঁতিয়লীয়া গোহাঞি তিনি জনাৰে বাটত ৰজাৰেও ভেটাভেটি হোৱাতো এই ক্ৰমেই। আৰু চাৰিঙ্গীয়া, তিপমীয়া আদি ৰেলখোৱা গোহাঞিদেওসকলেৰে তিনি জনা ডাঙ্গৰীয়া

ভেটাভেটি হলে দোলাতে থাকি ডাঙৰীয়াসকলক গোহাঞিসকলে বাট এৰি দিব পায়। দাতিয়লীয়া তিনি জনাৰে যদি খাই তিনি জনা ভেটা-ভেটি হয়, তেতিয়া গোহাঞিদেওসকলৰ দাৰেই দাতিয়লীয়া তিনি জনাই খাই তিনি জনাক বাট এৰি দিব পায়। যদি দাতিয়লীয়া তিনি জনাৰে ঐ মেলখোৱা গোহাঞিসকল ভেটাভেটি হয় তেতিয়া বাট এৰা-দিয়াদিকৈ যায়, যেহেতু স্বৰ্গদেৱৰ নিজ ভাই বাপেক এনে মেলখোৱা গোহাঞিদেওসকলক সকলেই বঢ়াকৈ গৌৰৱ কৰে। বৰবৰুৱা, বৰফুকন প্ৰভৃতি চ'ৰাৰ ফুকন ও খেৰবিচনী লোৱা চমুৱা ফুকন আদি সকলোৱে চাঙীৰ নামি তিনি জনা ডাঙৰীয়াক দেখা দিব পায়, ও চাঙী লুকাব পায়। এই ৰূপে ডাঙৰীয়া আহি ৰবতুৱাৰৰ মুখতে দোলা, আবোৱান, দা, যাঠী, ৰবচি আদি সকলো আহিলা এৰি, তিনি গছমান বঙ্গা যাঠী, ৰবচিৰে নগৰত সোমাই ওপৰত সোনৰ চুলাৰে পানীজাপি ধৰি আহি ৰবচ'ৰা উঠিলেই বৰবৰুৱা মুখ্যে যি কেইজন চ'ৰাৰ ফুকন পুবফালে বহি থাকে, তাৰ পৰা উঠি চ'ৰাৰ পশ্চিম ফালে ফকামৰ কোঠা সোমাই বহেগৈ। বহোঁতে চালে সহিতে তিনিখনীয়া কঠৰ তলিয়বিখন গুচাই এবং বানাতৰ মচুলা গুচাই ৰবকাপোৰ একোখনকে ঘুৰাই পকাই মচুলাকৈ লয়। ২৭৮ ॥

পাচে ডাঙৰীয়া আহি যিখনিতে বহে তাৰ পোনেই পানীপাচন্ত লেকামেৰে বেলাত ভৰি ধুই বুলনি কাপৰত ভৰি দি আহি তলতে পিঠীয়া ওপৰত কেপকৰা অলচা দিয়ে তাতে ৰব-খুঁটাত পিঠি দি পশ্চিমমুখে বহে, পিক চোৱা পেলাবলৈ আগফালে চুপ কৰা পাত দিয়ে। বৰবৰুৱাকে আদিকৈ চ'ৰাৰ ফুকন অথবা ঐ চমুৱা ফুকনেই ডাঙৰীয়াসকলৰ নিচে ওচৰ চাপিব লাগিলে খেৰত বহিব পায়। কিছু দুৰ হৈ বহাত হলে চ'ৰাৰ ফুকন-লোকে ঐ ক্ৰমে মেলা দুখনীয়া কঠতে কাপোৰৰ মচুলা লৈ বহে। ঐ চমুৱা ফুকনসকল দুখনীয়া ছালকঠৰ ঘুৰাত বহে। সময়মতে বুঢ়া-গোহাঞি ও বৰপাত্ৰ-গোহাঞি, এই দুই ডাঙৰীয়া বহা খুঁটা দুটাৰ

চ'ৰাত বহাৰ নিয়ম

মাজপোনে পশ্চিম ফালে ফকামৰ কোঠাত চ'ৰাৰ ফুকনৰ শাৰীতকৈ কিছু পশ্চিমলৈ হুঁইকি দুখনীয়া মেলা ছালকঠতো বহে। কিন্তু কাপৰৰ মচুলা নাই। যদি ডাঙৰীয়া আগহে বহাত বৰবৰুৱা বা চ'ৰাৰ ফুকন কোনো জনা পাচে আহে তেতিয়া বৰবৰুৱা হলে চৰা আৰ দি, ই কেইজনা হলে মানুহৰ আৰতে চ'ৰাৰ দক্ষিণ টুপে ভৰি ধুই খেৰত আঠু চোঙ্গাই চ'ৰাৰ মাজেই গৈ ঐ ক্রমে পশ্চিম ফালে মেলা কঠত বহেগৈ। কিন্তু স্বর্গদেৱৰ আজ্ঞাৰে কটকী গৈ নামাতিলে নগৰলৈ ডাঙৰীয়াসকল নাহে। এবং স্বর্গদেৱৰ আজ্ঞা নহলে কোনো বৰুৱা, ফুকন আদি চৰকাৰী কামৰ লোক ডাঙৰীয়াসকলৰ ঘৰলৈ যাব নেপায়। আৰু নিমন্ত্রণ-মতে কার্য্যত ডাঙৰীয়াসকল আহিলে বিদাই সময়ত বঁটাৰে পাতনি তামোল, বটা ঢকাৰে ঢাকি ভিতৰ-তামূলীয়ে সজাই দিয়ে। হেঙ্গদাম্ ধৰাই নি ডাঙৰীয়াসকলক দিব পায়, তাকে দিলেই একক্ষনো বিলম্ব নকৰি ডাঙৰীয়াসকল উঠি যাব পায়। আৰু ডাঙৰীয়াসকল ভিতৰৰ ৰবঘৰৰ টুপলৈ যাব লাগিলে আগে বৰবৰুৱা ৰবঘৰৰ টুপলৈ যাব পায় পাচে ডাঙৰীয়া ভিতৰলৈ যায়। ২৭৯ ॥

**ৰবঘৰলৈ যোৱাৰ নিয়ম**

জখলামুখৰ মাটিতে সুদা লেকামেৰে ভৰি ধুই সোমাই যায়। লগত খাটনিয়াৰে পাখিবিচনীখন নিয়ে, তামূলীয়ে হাঁচটিখন নিয়ে, টেকেলা-বৰাই খালি তলচাখন নিয়ে। ৰবঘৰৰ টুপতে তলচা দিয়ে, ডাঙৰীয়া তাতে বহেগৈ। এই ৰূপে স্বর্গদেৱে ডাঙৰীয়াৰে কথাবার্ত্তা হোৱাত ৰবঘৰৰ টুপত স্বর্গদেও বহা কোঠালীৰ পূবভাগৰ উত্তৰ ফাললৈ সোমাই তিনি জন বৰভণ্ডাৰ বৰুৱা বহে এবং সেই মর্য্যদা পালে আনো বহে। এই তিনিৰ দক্ষিণে সেইটো কোঠাৰে টুপৰে জোৰাৰ চত্তিত পূব মূৰৰ খুঁটাৰে পৰা টুপলৈকে জুৰি উত্তৰা-দক্ষিণা শাৰীকৈ চ'ৰাৰ ফুকনসকল বহে। ঐ চমুৱা ফুকন কেই জনা হলে সেইটো চত্তিৰে পশ্চিম মূৰৰ খুঁটাৰ ওচৰৰে পৰা টুপলৈকে জুৰি উত্তৰা-দক্ষিণা শাৰীকৈ বহে। ডাঙৰীয়াসকলে বহাত স্বর্গদেৱৰ সন্মুখে ঐ চমুৱা ফুকনসকলৰ ওচৰৰে পৰা পূবলৈ জুৰি পূবা-পশ্চিমা

শাৰীকৈ উত্তৰলৈ মুখকৈ টুপতে বহে। ওজা-লিগিৰা ও অৰন্মুৱা লিগিৰা পশ্চিমখন চালিৰ তলত বহিব পায়। ইতৰ বৰুৱা ফুকন পূবখন চালিৰ তলত বহিব পায়। বৰুৱা কেইটা লিগিৰা স্বৰ্গদেৱৰ ওচৰতে খাটৰ পশ্চিম কালে থাকে। টুপৰ জোবাৰ ঐ চতিৰ দক্ষিণ হৈ টুপলৈ ওলাই বহিব নেপায়। ২৮০ ॥

ইয়াতে যদি মেল হয়, তেতিয়া হলে প্ৰথমে স্বৰ্গদেও ওলাই সেই খাটত বহিলেই ঐ চমুৱা ফুকন এজনাই মেল মাতিবলৈ ওজা-লিগিৰাত আজ্ঞা কয়, ওজা-লিগিৰাই কুকুৰাচোৱা বৰাত আজ্ঞা কয়, কুকুৰাচোৱা বৰাই বৰ বাটঘৰত থকা কুকুৰাচোৱা বৰুৱাইও পাচনীবৰাত আজ্ঞা কয়। আৰু বৰবাটঘৰৰ ভিতৰটুপৰ আৰ-ঢৰা গুচাই দিয়ে, পাচে বাজুৱা, বৰুৱা, তামূলী, পাচনী-ইতে তামোলৰ হাঁচটি, চোঁৱৰ, বিচনী, পিক্‌-বান আদি লৈ স্বৰ্গদেৱৰ ওচৰত বহেগৈ। তেতিয়া লিগিৰা ওচৰত থাকিব নেপায় কেৱল তামূলী লিগিৰাটি মাত্ৰ লুকাই ওচৰতে থাকে, আৰু ওজা-লিগিৰাৰ লগতে কুকুৰাচোৱা বৰুৱা বহেগৈ, এবং পশ্চিমখন চালিৰ দক্ষিণ মূৰে যে এখনি চালি থাকে তাৰ তলতে নাপিতৰ ওজা এটা দুই-তিনি জন নাপিতে সহিতে গৈ বহিব পায়। ২৮১ ॥

মেলযন্ত্ৰা

পাচে কুকুৰাচোৱা বৰা এটা গৈ বৰবৰুৱা, গএবহু চ'ৰাৰ ফুকন-সকলক মেললৈ জনাই আনেগৈ। সেইসকল আহি বহিলে মজুন্দাৰ বৰুৱাই ডাঙৰীয়াসকলক চ'ৰাৰ পৰা আনেগৈ। ডাঙৰীয়াসকল বহিলেহি মেল কৰে। ডাঙৰীয়া-সকল চ'ৰাত বহোঁতে বৰবৰুৱা সততে অকলে বহোঁতে যি যি ঠাইত বহে তাৰ ক্ৰম পৰে লিখা যাব। কিন্তু ডাঙৰীয়াসকলক বৰঘৰৰ টুপৰ পৰাও যেতিয়া ভিতৰলৈ নিয়ে তেতিয়া ডাঙৰীয়াৰ মানুহ লগত যাব নেপায়, হাঁচটি, বিচনী, তলচা, ইও বৰঘৰৰ টুপতেহে থাকে। কুকুৰা-চোৱা বৰা, কিম্বা বাজপনীয়া লিগিৰা এটাই কেৱল কাপৰখন নি দিয়ে। তাতে ডাঙৰীয়া বহেগৈ। ২৮২ ॥

মেলৰ নিয়ম

ববৰুৱা ঘৰৰ পৰা অহাত দুফালে দুই শাৰী টাঙ্গনধৰা আছে। আগত ৰূপৰ চুলাৰে পানীজাপি, টুপীজাপি, খেৰপাখি বিচনী, পাচনি-হতীয়া বিচনী, সেই আগখৰা ৰূপৰ বেৰী দিয়া লাখুটি, এইসকল লৈ আহি ববচুৱাৰৰ পৰা মাটিয়ে নগৰ সোমায়, ওপৰত পাচৰ পৰা বৰজাপি ধৰি আছে। বৰচ'ৰা উঠি নিজ ঠাইত বহোঁতে পানীপাচত ভৰি ধুই তিনি খনীয়া মেলা ছালকঠত বানাতৰ মচুলা লৈ বহে। আগত পাতত বালি দিয়ে, তাতে পিক্, চোবা পেলায়। এই ক্ৰমেই সিকেইজনা চ'ৰাৰ ফুকনো আহি আপোন আপোন ঠায়ে ঠায়ে চ'ৰাত বহে, কিন্তু ফুকনসকলৰ টাঙ্গনধৰা নাই আৰু বৰজাপি ভিতৰলৈ নানে। যেতিয়া ববৰুৱা ও ফুকনসকল চাঙ্গলৈ যাব লগা হয়, দোলা কাখৰীয়া চ'ৰাৰ টুপৰ সমুখে উজনিৰটো খুঁটাত ধৰি ভৰি ধুই তামোলৰ হাঁচটি আপোনাৰ ককালতে খুচি লৈ সোঁহাতে পাখিবিচনীখনি লৈ সোমাই যায়। ২৮৩॥

*ববৰুৱা বুৰাৰ নিয়ম*

আৰু বাটত ববৰুৱা অহাত মেলখোৱা গোহাঞিদেওসকলোৰে এবং দাঁতিয়লীয়া গোহাঞি তিনি জনাৰে ভেটাভেটি হলে ববৰুৱা দোলাৰ পৰা নানামে, এবং ফুকনসকলো নেনামে, বাট এৰি দিয়াদিকৈ যায়। ৰজাদেৰৰ নিচৈ-পোৱা ভাই এনে মেলখোৱা গোহাঞিদেও হলে কিছু গৌৰব বাঢ়ে। খেৰবিচনী লোৱা চমুৱা ফুকন কেই জনাৰে বাটত ভেটাভেটি হলে, ববৰুৱা, ফুকনৰ আগত চমুৱা ফুকন কেই জনা ঠাইতে পদুলি এটা সোমাই তেনেই বৰজাপিৰে ঢাকে। ইকেইজনা ফুকনৰ আগত চমুৱা ফুকন-সকল বাট এৰি দি আতৰি যায়। এবং দাঁতিয়লীয়া তিনি গোহাঞি ও মেলখোৱা গোহাঞিদেওসকলোৰে যদি চমুৱা ফুকন ভেটাভেটি হয়, দোলাৰ পৰা নামে, দোলাও কিছো কাখৰীয়াকৈ নি জাপি আৰ দিয়ে। বৰভণ্ডাৰ বৰুৱাসকলে হলে ববৰুৱাৰ আগত দোলা লুকাই নামি দেখা দিয়ে। মেলখোৱা ও দাঁতিয়লীয়া গোহাঞিদেওসকলৰ আগতো এয়ে ক্ৰম। চ'ৰাৰ ফুকনৰ আগত হলে জাপি আৰ দি বাট এৰি

*ভেটাভেটিৰ নিয়ম*

আতৰি যাব পায়। ইতৰ ফুকন বৰুয়াক চাঙ্গীৰে যোৱা চ'ৰাৰ ফুকন লোকে দেখিবলৈ পাব নাপায়। চমুৱা ফুকন কেই জনাই ঘৰৰ পৰা অহাত আগৰ ৰূপৰ চুলাৰে পানীজাপি, টুপীজাপি, খেৰপাখি বিচনী, দীঘল নালেৰে ঘুৰণীয়া বিচনী, ৰূপৰ বেৰাৰে লাখুটি, ইয়াকে লৈ আহে। দোলা কাখৰীয়া চ'ৰাৰ টুপৰ চ'ৰাৰ ফুকনে ভৰি ধোৱাটো খুঁটাৰ নাম পশ্চিম ফালৰটো খুঁটাৰ গুৰিত লাখুটি থই ভিতৰলৈ যায়। সেই ভৰি ধোৱাৰ পোনে সেই চ'ৰাৰ পশ্চিম সাৰতে পানীজাপি আৰি থয়। বাটত অহাত তিনি বৰভণ্ডাৰ বৰুৱাৰে ভেটাভেটি হলে বৰুৱা একটিয়া হুই ফুকনক বাট এৰি দিব পায়। ইতৰ ফুকন বৰুৱাই জাপি আৰ দি সাঁতৰি যাব পায়। আৰু বৰভণ্ডাৰ বৰুৱা তিনিক ইতৰ ফুকন বৰুৱাই দেখাদেখি হলে এফলীয়া হৈ বাট এৰি দিব পায়। অপৰ এই চমুৱা ফুকন কেই জনা যদি মাটিয়ে আহে ওপৰত বৰজাপি ধৰে। ৰৰ বৰঘুণ ও টান বদত তিনি বৰভণ্ডাৰ বৰুৱা এবং বৰুৱা নামেৰে থাকিলে ঢেঁকিয়াল, চোলাধৰা, খাৰঘৰীয়া, ইবিলাকেও মাটিয়ে অহাত বৰজাপি ধৰাই আছে। সদায় নোৱাৰে। তদিতৰে মাটিয়ে অহাত বৰজাপি ধৰাৰ নাপায়। আৰু তিনি বৰভণ্ডাৰ বৰুৱাৰো ঐ ঘুৰণীয়া বিচনী ও বেৰী দিয়া লাখুটি আছে। এবং উঁৰিকা তুৱাৰৰ বাজৰ চতিৰটোৰ পূবৰটো খুঁটাতে তিনিও ভৰি থুই সোমায়গৈ। ৰৰঘৰ টুপলৈ যাওঁতে তিনি জনা ডাঙ্গৰীয়া ও বৰবৰুৱা ও বৰফুকন আদি চ'ৰাৰ ফুকন ও খেৰবিচনী লোৱা চমুৱাফুকন, এইসকল আবঢৰাখনৰ পশ্চিম মূৰে ওলায় সোমায়। তিনি জনা বৰভণ্ডাৰ বৰুৱা গয়ৰহ ইতৰ ফুকন বৰুৱা ঐ চ'ৰাৰ পূব মূৰে ওলায় সোমায়। চ'ৰাৰ বৰবৰুৱা বহাত ওচৰলৈ যাব লাগিলে চমুৱা ফুকন কেই জনাই তিনি খনীয়া ছালকঠৰ দুৱাত বহে এবং বৰবৰুৱাৰ পানীচোৱা-লৈ গলেও চমুৱা ফুকন কেই জনাক বহিবলৈ পাটাঢৰা দিয়ে। তদিতৰ ফুকন বৰুৱাই আঠু লৈ বহে। ২৮৪ ॥

## বিষয়াসকলে অলঙ্কাৰাদি পৰিধান কৰাৰ নিয়ম।

আৰু বৰভগুৰ বৰুৱা হলেই জাপিত ৰূপৰ চুলা, পৰ্হিচাঙ্গী পায়, এই দুটা দ্ৰব্যলৈ জনাব নালাগে। সোনৰ খাৰু ও টেমি লবলৈ জনাব লাগে। আৰু চোলাধৰা, খাৰঘৰীয়া, টেঁকিয়াল, এই তিনি জনা ফুকন হৈ থকাত হলে বৰভগুৰ বৰুৱাৰ তুল্যাই তিনি লড়িগোহাঞি ও ৰাজা-জোৰাইক বাজকৈ নাও-সলীয়া ফুকন, তামূলী ফুকন, এই কেইজনে ৰূপৰ চুলাত বাজ দ্ৰব্যলৈ জনাব লাগে, দিলেহে লব পাৰে। খেৰ বিচনীৰো এইৰূপ। ইতৰ সকলে হলে ৰূপৰ চুলালৈকে জনাব লাগে। অপৰ বৰভগুৰ বৰুৱাৰ নামেৰে চমুৱা ফুকন, বৰুৱা জন কিছুৱে ভিতৰলৈ যাওঁতে বৰভগুৰ বৰুৱাই ভৰি ধোৱা খুঁটাটোৰ পশ্চিমটো খুঁটাতে ভৰি ধোৱে। ২৮৫ ॥

অলঙ্কাৰ পিন্ধাৰ নিয়ম

বৰচ'ৰাত স্বৰ্গদেও বহাত যি কোঠাত স্বৰ্গদেও বহে সেই কোঠাৰ পৰা দখিণলৈ মাজত একোঠা এৰি তাৰ ওচৰৰ কোঠাত চতিৰ তলতে দুই খুঁটাৰ মাজত পূব ফালৰ পৰা লালিকৈ বুঢ়া-গোহাঞি, বৰগোহাঞি, বৰপাত্ৰ-গোহাঞি এই তিনি জনা বহে। সুদা মাটিতে আগফাললৈ পিক্, চোবা পেলায়। বৰগোহাঞি ডাঙ্গৰীয়াৰ বাম কাষৰে পৰা শদিয়াখোৱা, শলাল, মৰঙ্গি-খোৱা এই তিনি বহে। কিন্তু কোনো সময়ত ইয়াতে বিপৰীতো হয়। কোনো সময়ত গোটেইটো চতিৰে পূৰখুঁটাৰে পৰা দক্ষিণলৈ ক্ৰমে তিনিটা খুঁটাত বুঢ়াগোহাঞি আদি তিনি জনা বহে। তেতিয়া সেইটো চতিৰে পশ্চিমটো খুঁটাৰে পৰা দক্ষিণলৈ লালিকৈ বৰবৰুৱা আদি ফুকন ৰাজখোৱাসকল বহে। এই ক্ৰমে বহাত দাঁতিয়লীয়া তিনি জনা চ'ৰাৰে দক্ষিণ টুপৰে জোৰাৰ চতিৰ পূৰ্ব্বটো খুঁটাতে খাইলাটৰ খুঁটাতে, খঁৰিয়ালধৰা খুঁটাতে ক্ৰমে বহে। আৰু এই নিজ লালিৰে বহাত বিজনা ডাঙ্গৰীয়া যিটো খুঁটাত বহে স্বৰ্গদেও নবহাতো সেই জনা ডাঙ্গৰীয়া সেইটো খুঁটাতে বহে। ডাঙ্গৰীয়াসকল ঐ পথলীয়া দৰে

বৰচ'ৰাত বহাৰ নিয়ম

বহিলে সেইটো চতিবে পশ্চিম ফকামব খুঁটাবে পবা দক্ষিণলৈ শাৰীকৈ পিবালিত ববৰুবা আদি চ'বাব ফুকন, বাজখোৱা বহে। এইসকলব পাচত দেওধাই, বাইলুং, চেটিয়াপাত্র বৰুৱা, ঘবকলীয়া বৰুৱা, এইসকল বহে। এই দক্ষিণ কালব চ'বাব সভা ববৰুবাই নেওগফুকনব দ্বাবাই নিবোপণ কবায়। স্বৰ্গদেও বঙ্গা কোঠাব উত্তবব কোঠাও উদঙ্গেইহে। কিন্তু ওচবতে তামুলীলিগিবা, ববতামুলী, পিকদানধবা, চোঁবলোৱা পাচনি, কদাচিত হাত বিচনী লোৱা লিগিবা, এই পাচ জন বহেগে। ১৮৬ ॥

সেই উদং কোঠাব উত্তব কোঠাব চতিব তলতে সোঁ-মাজ বাট বাখি সেই বাটবে পূব কোষবে পবা সেই চতিব মূবব পূবটো খুঁটাব ওচব-

পাঁচনিব পালী

খনিতে পাচনি ববাটোৱে বহে। তালৈকে লালি হৈ বঙ্গা চুলি লগা ছুই একখণ দাবে পাচনিব পালী বহে। এই খুঁটাবে পূবব ফালে কিছু দক্ষিণ ফলীয়া হৈ চমুৱা পাচনি ববাটো বহে। ঐ বাটবে পশ্চিম কোষবে পবা তবোৱালেবে লিগিবাহতঁব পালী বহে। সেই লগেই পশ্চিম ফাললৈ লালি হৈ বাজে চমুৱা ফুকন, বৰুৱাও কিছু বহে। ঐ তামুলী লিগিবা-হঁত বহাটো চতিব পশ্চিমটো ফকামব খুঁটাবে পবা উত্তবলৈ লালিহে ঐ ববৰুৱাব সমুখে খেববিচনী লোৱা চমুৱা ফুকনসকল বহে। ঐসকলব লালিতে পাচত ববভঁৰাব বৰুৱা তিনি জন বহে। এইসকলব পোনেই উজনি ফালে ফকামব কোঠাত মেলখোৱা গোহাঞিদেওসকল বহে। এওঁবোবক মাজতকৈ লৈ ছুয়ো ফালে চমুৱা পাচনিহঁত এই কোঠাতে বহে। এই উত্তব কোঠাব উত্তব কোঠাতে পশ্চিম ফালে স্বৰ্গদেৱব দোলা থয়। পূব ফালে গজীয়া ও মলীয়া, ভবালী, পেৰাভাবী, এইসকলে নিজ কবম কবে। এই কালব সভা পাচনি ববা কুকুবাচোৱা বৰুৱাই নিৰূপণ কবে। খলাব সভাব নিৰূপণ হলে চেঁকিয়াল ফুকন বা বৰুৱা, দোলাকাষবীয়া বৰুৱা, চাও-লাজব বৰুৱা এইসকলে কবে। কিন্তু চেঁকিয়াল বৰুৱা বা ফুকনেহে

চ'ৰাত বহিব পাৰে। দোলাকাখৰীয়া বৰুৱা, চাওদাঙৰ বৰুৱা খলাতেহে বহিব পায়। আৰু স্বৰ্গদেও বহা কোঠাৰ পূব ফালৰ ফকামৰ কোঠাত তামূলী-দাৰে, বৰতামূলী-দাৰে বৰতামুলীহঁত বহে। এই কোঠাৰ দক্ষিণ ফকামৰ কোঠাত উত্তৰ ফালে হেঙ্গদান্‌ধৰা আৰু দক্ষিণ ফালে সভাপণ্ডিত এইসকল বহে। ইয়াৰ দক্ষিণ ফকামৰ কোঠাত গণক জ্যোতিষীয়া বহে, ইয়াৰ দক্ষিণ ফকামৰ কোঠাত কটকীহঁত বহে। ইয়াৰ দক্ষিণ ফকামৰ কোঠাত কাকতীহঁত বহে আৰু দক্ষিণ টুপৰ উজনি ফালে খাওন্দহঁত বহে। ভাটীৰ ফালে তিনি জনা ডাঙৰীয়াৰ হাতীমূৰীয়াহঁত বহে। সততে স্বৰ্গদেও থকা নগৰৰ বৰচ'ৰাতো বৰবৰুৱা আদি চ'ৰাৰ ফুকন জনেক দুজন নবহি উদঙ্গে থৰ নেপায়। যদি স্বৰ্গদেও অন্য নগৰ বা বাহৰলৈ যায় ভেতিয়া নগৰ যদিবা উদঙ্গেই তেও চ'ৰা উদঙ্গে নেথাকে। নিয়াই-সোধা ফুকনেই সততে সেই চ'ৰাতে বহে আৰু সেই নগৰলৈ ৰজাদেও নাহে মানে সেই ফুকনেই বৰবৰুৱাৰ একাৰি কৰ্ম্মখনি চলায়। ২৮৭॥

এই হেতুকে নিতে বৰচ'ৰাত বহাৰ ক্ৰম লিখা যায়। বৰপাত্ৰ ডাঙৰীয়া বহাটো খুঁটাতে সদায় বৰবৰুৱা বহে। কিন্তু ৰোজ ৰোজ দুপৰ মাৰিলেই বৰবৰুৱা চ'ৰাত বহে। দুপৰ চাৰি দণ্ড মাৰিলেই পানীচোৱা লৈ গৈ জিৰাই তিনি-পৰ মাৰিলেই আকৌ চ'ৰাত বহেহি। গধূলি চাৰি দণ্ড মাৰিলেই উঠি যায়। মেলৰ নেওগ, বৰা ইত্যাদিয়ে বৰবৰুৱা বহাৰ পোনেই খলাত দুশাৰী হৈ আঠুলৈ বহি কথা যোগায়। আৰু বৰবৰুৱা নিতে পৰত পানী-চোৱাতে থাকি ৰাতিপুৱা চাৰি দৰিয়াত ৰাজঘৰলৈ গৈ খাইবৈ দুপৰত নগৰ সোমাইহি। চ'ৰাৰ ফুকনসকলে হলে থকুৰাদিয়া চৰাৰে চাৰিও কালে চাকি চ'ৰাতে পৰ দিয়ে। ৰাজখোৱাৰো এই ক্ৰম। ২৮৮॥

বৰচ'ৰাত বহাৰ ক্ৰম

আৰু নগৰৰ ভিতৰৰ পালীঘৰত শোৱা চাং বা পিৰা কোনেও লব নাপায়। মাটিৰ ভেটি কৰি লৈ কোনোৱে তাতে কাঠৰ চলিয়া পাটকে লয় এবং আঠুৱা লব নাপায়। থৰঁষ পইজাৰ ইয়াকো লব নাপায়। কুলনি চৰাহে লয়, চৰিয়া

পালীঘৰৰ নিয়ম

পিক্ পেলোৱা ইয়াকো ধাতুৰ লৰ নাপায়, কাঠৰহে লৰ পায়। বেত্ৰা-কাঁহি, মাইহাম্ ইয়াকো বেৱহাৰ কৰিব নেপায়, কাঁহৰ বাম বা কাঁহি ইয়াত বেৱহাৰ কৰে। এবং ওঁবিক। দুৱাৰৰ বাজখনৰ বুজ-বিচাৰৰ কৰ্ত্তা ববৰুৱা, এই কাৰণ ববৰুৱাৰ নিতপৰ. ঐ দুৱাৰৰ ভিতৰখনিৰ বুজ-বিচাৰ কৰ্ত্তা টেকিয়াল বৰুৱা এওঁৰো নিতপৰ. আৰু চ'ৰাতে ববৰুৱা যিটো খুঁটাতে বহে সেইটো খুঁটাৰ দক্ষিণ কালে নাওবৈচা ফুকন বহে। ইয়াৰ দক্ষিণটো খুঁটাতে উত্তৰ কালে ভেকাফুকন, দক্ষিণ কালে দিহিঙ্গীয়া ফুকন বহে। পশ্চিম কালে ঐ ববৰুৱা বহাৰ খুঁটাটোৰ পশ্চিমটো খুঁটাতে ন ফুকন বহে। এইটো খুঁটাৰ উত্তৰটো খুঁটাতে ভিতৰুৱাল ফুকন বহে। ন ফুকন বহাটোৰ দক্ষিণটো খুঁটাতে নেওগ ফুকন বহে। কিন্তু বৰখুঁটাতকৈ ভিতৰ কাললৈ আগবাঢ়ি সোমাই ববৰুৱাদি কোনো বহিব নেপায়। ঐ বৰখুঁটাকে সীমা কৰি ফকামৰ কোঠাত পথলীয়াকৈ মেলা কঠতহে বহে। আৰু দক্ষিণ টুপৰ পূব কালে টুপৰ জোৰাৰ খুঁটাৰ দক্ষিণ পূব কোণতে চাঙ্গকং ফুকন বহে। এওঁবে দক্ষিণেই নিয়াইসোধা ফুকন বহে। ১৮৯॥

ঐ টুপৰ জোৰাৰ খুঁটা ও তাৰে ফকামৰ খুঁটা এই দুইৰ মাজতে থিয়কৈ এটীয়া কঠ মেলি ফকামৰ কোঠাতে বচা ও নিবুকিয়াল দুই বাজখোৱা বহে। যেতিয়া গুৱাহাটীৰ ফুকন, বাজখোৱাসকল আছে তেতিয়া চ'ৰাৰ দক্ষিণ টুপৰ

বিৰৱা বহাৰ নিয়ম

থঁৰিয়ালধৰা খুঁটাৰ দক্ষিণ টুপতে থিয়কৈ কঠ একোটা পাবি বাজখোৱা-সকল বহে। পানীফুকন আদি ফুকনসকল মৰ্য্যাদাৰ আগপাচ ক্ৰমে উজনীয়া ফুকনসকলৰ মাজে মাজে বহে। দৰজি ৰাজা ও ৰাণী বজা থাকিলে দাঁতিয়লীয়া গোহাঞি তিনি জনা বহা দক্ষিণ টুপৰ জোৰাৰ চতিৰ পূবৰটো খুঁটাতে বহে আৰু নিতে চ'ৰাত ববৰুৱা বহাত ববৰুৱাৰ সমুখৰ উত্তৰ কালৰ খুঁটাটোৰ দক্ষিণে ভিতৰ সোমাই ফকামৰ কোঠাত ডাঙ্গৰীয়াসকলৰ এবং চাৰিসত্ৰীয়াৰ থাটনিয়াৰ ও সভাপণ্ডিত দুই একজন বহি কথাবাৰ্ত্তা জনায়। এইসকলৰ পূব কালে সেই কোঠাতে ৰবাইতে

খলাব পবা আগ কবা কথাকে মুখ দি স্থুধি বুজাবব কাবণ বৰকটকী এটা বহে। এইটো খুঁটাব ওচবকৈ পিবালিতে মোটোকোৱা চালতে ববাকাকতীটো বহে। পশ্চিম ফালে ভিতৰুৱাল ফুকন বহাবে পবা দক্ষিণলৈ ফকামৰ কোঠাব মাজে ২ কটকীদলৈ কাকতীহঁত বহে। ২৯০ ॥

---

তজবিজমতে অপবাধীক দণ্ড কবাব নিয়ম।

স্বর্গদেৱে হলে যি বকমে দণ্ড কবাব ইচ্ছা হয় তদ্ৰূপে কবে, ইয়াত নিয়ম নাই। ডাঙ্গবীয়াসকলে হলে ধুমেবে খুন্দি প্রাণ মাবে ও তোম
অপবাধীক দণ্ড কবাব বান্ধি পানীত ডুবাই প্রাণ মাবে। অন্য প্রকাবে
নিয়ম এবং অস্ত্র ঘাতে প্রাণ মাবিব নেপায়। আক চকু কাঢ়ে, নাক-কাণ কাটে, আঠুব ঘিলা কাঢ়ে। বববৰুৱাই হলে তেওঁকে মুখ্য কবি ফুকন বৰুৱা বাজখোৱাই আপোন আজ্ঞাবে পতা-ভঙ্গা কবিব পবা বিষয়া ও তাতকৈ নাম পাইকান এইসকলক নাক-কাণ কাটে। ইয়াতকৈ ওপব লোকক স্বর্গদেৱব আজ্ঞা পালেহে গতা-গবাল, কোব-চকা এনে দণ্ড কবিব পাবে। চ'বাব ফুকন, খেববিচনী পোৱা চমুৱা ফুকন, ববভণ্ডাব বৰুৱা আদি মেলডগীয়া ফুকন বৰুৱা পর্য্যন্ত এই-সকল হলেও ববৰুৱাব দবেই দণ্ড কবে, কিন্তু নাক কাটিব নোৱাবে। আক টেকেলা, ডুলীয়া, এই দুই খেলত বাজেহে পবাখিনি দণ্ড কবিব পাবে। এই খেলব মানুহক গতা-গবাল, কোব-চকা এনে দণ্ডহে কবিব পাবে। দুবদেশাধিকাব কাবণ ববফুকনে হলে ডাঙ্গবীয়াসকলব দবেই দণ্ড কবে। চোবক হাত কাটে ও অস্ত্রেবে প্রাণ মবা দণ্ড, উজনিত হলে চাওডাঙ্গে কবে, ভাটীত হলে বুৰুকে কবে। ২৯১ ॥

## স্ত্ৰীৰ মৰ্য্যাদাৰ নিয়ম।

ৰবৰুৱা, ফুকন আদি ফুকন বৰুৱাতকৈ এইসকল স্ত্ৰীৰ মৰ্য্যাদা কিছো অধিক; এই হেতু তাকো লিখা যায়। এইসকলৰ ঘৈণী-সকলক স্বৰ্গদেৱৰ ঘৰত অমুক ফুকননী বা বৰুৱানী বোলে। ডাঙ্গৰীয়া কেইজনাৰ হলে অমুক ডাঙ্গৰীয়াৰ ঘৈণী বোলে। ডাঙ্গৰীয়াসকলৰ ঘৈণীসকলৰ পহিচাঙ্গী আক নগৰৰ ভিতৰলৈ যেতিয়া যায় ৰৰখুন বা বদ নিবাৰণাৰ্থে সকদৈয়া সিয়াজাপি মূৰত লৈ উজনিখন চাওডাঙ্গৰ দুৱাৰে সোমাই সেই কালৰ চাওডাঙ্গৰ চ'ৰাতে বহেগৈ। নগৰে বমুৱা এজনীয়ে কলাপাত দুখন নিব পায়। তাকে পাৰি দিয়ে, তাতে ঘৈণী বহে। কুঁৱৰীসকলৰ ঘৰলৈ গলেও সেই ক্ৰমেই পাত দিয়ে, তাতে বহে। ৰবৰুৱা, ৰবফুকন কিম্বা চ'ৰাৰ ফুকন অথবা খেৰবিচনী পোৱা চমুৱা ফুকন এইসকলৰ বৰুৱানী বা ফুকননীসকল যোৱাতো পহিচাঙ্গীৰেই গৈ নগৰ সোমোৱাত মাটিয়ে মূৰত সিয়াজাপি লৈ ঐ দুৱাৰে সোমায়। ঐ চ'ৰাতে ডাঙ্গৰীয়াসকলৰ ঘৈণীসকলৰ নাম হৈহে এখনীয়া কলাপাতত বহে। এই ক্ৰমেই চমুৱা ফুকননীহঁতো ক্ৰমে নামশাৰীত বহে। কুঁৱৰীসকলৰ ঘৰতো এই ক্ৰমেই এখনীয়া কলপাতত বহিবলৈ দিয়ে। তদিতৰ ফুকননী, বৰুৱানী বহাত পাত নাই, মাটিতহে বহে। ঐ উজনিখন চাওডাং দুৱাৰকে কালুগয়া দুৱাৰকো বোলে ও লিগিৰী দুৱাৰো বোলে, মাটিৰ ঘৰৰ দুৱাৰো বোলে। নামনিখন চাওডাঙ্গৰ দুৱাৰকে কমলাবৰীয়া দুৱাৰো বোলে, গোঁসাই ঘৰৰ দুৱাৰো বোলে। দোলাকাষৰীয়া চ'ৰাৰ টুপৰ সমুখৰ খনকে ডঁৰিকা দুৱাৰ বোলে। নগৰৰ বাজে গড়ৰ পূবৰ খনকে পানীদুৱাৰ বোলে। দক্ষিণৰ খনকে বৰদুৱাৰ বোলে। পশ্চিমৰ খনকে নদুৱাৰ বোলে। উত্তৰ কালে দুৱাৰ নাই পিচ কাল দেখি ঘৰ কাৰেং বোলে। আৰু যে ঐ সিয়াজাপি লৈ তাতে বানাতৰ ওপৰত অনেক

ৰৰণীয়া সূতা এবং ৰূপ সোনৰ গুণাৰে বন কৰা বৰ বৰ জক লগাই ওপৰ টুপত পোৱাল মণিৰে গঠা দাল পাত লগোৱা সোনৰ চূলাতে গছ কৰি দিয়ে। এই ৰূপে সোনৰ চূলাৰে সিয়াজাপিকে ডাঙৰীয়াসকলৰ ঘৈণী-সকলে ও ৰৰবৰুৱা ও বৰফুকন, চ'ৰাৰ ফুকন, চমুৱা ফুকন, এবং তিনি ৰৰভগুাৰ বৰুৱা, এইসকলৰ ঘৈণীসকলেও লয়। কিন্তু দুই একখান বনৰ তাৰতম্য কৰি চূলা ও জক লয়। আতবাজে চমুৱা, জালভাৰী ফুকন আদি ৫ জন ও মেলডগীয়াবো ফুকন কেইজন এইসকলৰ ঘৈণী-সকলেও সময়মতে তাৰতম্য ৰূপে ঐ চূলাও লয়, জক লয়। ইতৰ-সকলৰ ঘৈণীসকলে ঐ চূলাতে দাল পাত হীনকৈ চপা একোপাহ লয়। তদিতৰসকলে ৰূপৰে চপা লগোৱা লোৱাও আছে, লব পোৱাও আছে। ২৯২ ॥

---

## চতুৰ্দশ অধ্যায়

### মহন্তৰ নিৰ্ম্মালি দিয়া নিয়ম।

ৰৰসভাহত মহন্তসকলে নিৰ্ম্মালি দিয়াৰ নিয়ম।

নিৰ্ম্মালিৰ নিয়ম

ৰৰসভাহত মহন্তসকলৰ নিৰ্ম্মালি লোৱাত স্বৰ্গদেও ৰৰচ'ৰাৰ ৰহা কোঠাৰ অগ্নিকোণৰ খুঁটাতে সকৈ ভেটি এটি কৰাই তাতে দন্তৰমত ৰহে। চাৰিসত্ৰীয়াসকলে স্বৰ্গদেৱৰ শিৰতে নিৰ্ম্মালি দিয়েহি। তাতকৈ নামসকলে স্বৰ্গদেৱৰ হাতত দিয়ে, তাতকৈ নামসকলে ভকতৰ হাতৰ পৰা আপুনি নিৰ্ম্মালিৰ শৰাই নি আগবঢ়াই দিয়েহি। স্বৰ্গদেৱে সেই শৰাইৰ পৰা আপোন হাতে

লয়। তাতকৈ ৰবম সকলে নিলগতে দেখাদি আশীৰ্ব্বাদ কৰে। স্বৰ্গদেৱৰ পাচনিহঁতে নিৰ্ম্মালিৰ শৰাই নি আগবঢ়াই দিয়েহি, স্বৰ্গদেৱে আপোন হাতে লয়। ২৯৩॥

আৰু চাবিসত্ৰীয়া অধিকাৰী হলে স্বৰ্গদেৱৰ আগত বহিবলৈ কলাপাতৰ ওপৰত বগা কামলি পায়। ডেকা অধিকাৰে জোৰ কলাপাত পায়। বৰচ'ৰাত হলে উত্তৰ টুপৰ পৰা একোঠা সোমাই তাতে ঢাবি কঠতে কাপযৰ তলচা, বৰগাক লৈ বহে। ইতৰসকলে কামলি দিলেহে পায়, নিদিলে কোনোসকলে কলাপাত পোৱাও আছে, নোপোৱাও আছে। এবং স্বৰ্গদেৱক সাক্ষাৎ কৰাত চাবিসত্ৰীয়াক বাপু, তাতকৈ নাম মহন্ত, তাতকৈ নাম মেধি এই ক্ৰমে বোলে। এই মহন্তসকল বৰবৰুৱাৰ তাবে চোকৰ ধৰা বৰাব দ্বাৰা চলাচল কৰে। ২৯৪॥

মহন্তৰ মৰ্য্যাদা

গুৱাহাটীত হলে সত্ৰীয়া বৰুৱা এটা বৰফুকনৰ তাবে থাকি চলকৰ কৰে। পৰ্ব্বতীয়া গোসাঞিসকলক ভিতৰলৈ অনাত স্বৰ্গদেৱৰ ঢুলীয়াই পহিচাঙ্গীৰে বা বিদেশী নলকিৰেই আনে। আগত বাখৰপতা সোনৰ চুলাৰে পানীজাপি আনে। দুৱাৰৰ মুখৰ বাউলিৰ ভিতৰ দুৱাৰ ঘৰৰ বাহিৰ সেইখনিতে সেই চাঙ্গি এৰে, তাতে ধোঁৱাত উঠি বানাত দিয়া বৰজাপি ওপৰত ধৰাই গোসাঞিঘৰৰ জখলামুখৰ চাওডাং চ'ৰাৰ ওচৰলৈকে আহি তাতে ধোঁৱাৰ পৰা নামি পইজাৰেৰে জখলামুখলৈকে গৈ তাতে পইজাৰ, পিক্ পেলোৱা ডাবৰ এৰি গোসাঞি ঘৰৰ টুপতে বজা থকাত বহেগৈ। আগতে কাৰবীয়াকৈ নিৰ্ম্মালিৰ শৰাই ও উপহাৰৰ শৰাই থয়। এক কাষৰে তাওকিনে গামোচা থয়। পাচে স্বৰ্গদেও আহি সেই টুপতে বানাতত বহি গোসাঁইক সেৱা কৰে। গোসাঁয়ে মূৰতে নিৰ্ম্মালি দি ধৰি ৮ক আশীৰ্ব্বাদ কৰে। এনেতে চোলাধৰা ফুকনে, যদি ফুকন নাথাকে গোসাঁইঘৰীয়া কৰ্ম্মকাৰক ফুকনেই গোসাঁইক ভেটায় আৰু ঘৰত সততে গোসাঁই বহাত ওপৰত পাণকটা চন্দোৱাৰ তৰে। ২৯৫॥

পৰ্ব্বতীয়া গোসাঁইৰ পয়োভৰ

পছমৰীয়া গোসাঞিসকলৰো এইয়ে ক্ৰম। কিন্তু সোনৰ চুলাৰ বাখৰ ও ঐ চন্দোৱাৰ ও বহাত বঙ্গা কামলি ও নলকি এই কেইবিধ

পছমৰীয়া আৰু নাতি গোসাঁই

নাই, বগা কামলিতে বহে। আৰু পৰ্ব্বতীয়া গোসঞিৰ ঘৰৰ নাতি গোসাঞিৰো পৰ্ব্বতীয়া গোসাঞিৰ দৰেই ক্ৰম। এই নাতি গোসাঞিৰ ঘৰে পছমৰীয়া গোসাঞিসকল শিষ্য। এই হেতুকে ঐ তাৰতম্য থাকিল। এবং ৰাজঘৰত কদাচিত একত্রে বহা হলেও মাজত ঠকুৰা লগা আৰঢৰা দিয়ে। ২৯৬॥

---

## পঞ্চদশ আধ্যা

### বিষয়া-পতা ব্যৱস্থা।

তিনিজনা ডাঙৰীয়া পতাৰ নিয়ম।

তিনিজনা ডাঙৰীয়া পাতিব লাগিলেই ৰৰচ'ৰাৰ উত্তৰ টুপৰ ঘঁৰিয়াল-ধৰা খুঁটাতে ধৰাই বা ওচৰতে থিয়কৈ স্বৰ্গদেৱৰ আজ্ঞা শুনালেই কাপৰ

ডাঙৰীয়া পতাৰ নিয়ম

দিয়ে, তাতে ডাঙৰীয়া বহে। অন্যবোৰ মানুহ দস্তৰমতে আঠুলৈ বহে। পাচে কথা শুনোৱা মজুন্দাৰ বৰুৱাই তাৰত কথা কয়,—অথচ ইতঃপূৰ্ব্বে অমুক ডাঙৰীয়া আছিল, সেই ডাঙৰীয়া কায়বাক্যমনে স্বৰ্গদেৱৰ হিত, চিন্তি কৰ্ম্ম কৰিছিল। পৰে ডাঙৰীয়া মৃত্যু হোৱাতে তোমাৰ পিতৃ অমুক অমুক বিষয় লৈ স্বৰ্গদেৱৰ হিত চিন্তি অনেক কৰ্ম্ম কৰিছিল। অথবা তুমিয়ো

স্বৰ্গদেৱৰ হিত চিন্তি শুদ্ধ মনে এনে কৰ্ম্ম কৰিছিলা। এই আপাহতে থাকি তোমাক এই অমুক ডাঙ্গৰীয়া পদত স্বৰ্গদেৱে পাতিলে। তুমি অতি শুদ্ধ সৰল চিত্তে আগলৈ স্বৰ্গদেৱৰ হিত চিন্তি কৰ্ম্ম কৰিবা। বিশ্বাস-ঘাতকী অন্যথা কৰ্ম্ম কৰিলে বিষয় পৰা গুচাই উপযুক্ত মতে দণ্ডনীয় হৈবা। এইমত কথা শুনালেই কাপুৰ দিয়ে। তাতে ডাঙ্গৰীয়া বহি প্ৰত্যুত্তৰ প্ৰাৰ্থনা স্বৰ্গদেৱলৈ সেই মজুন্দাৰ বৰুৱাৰ দ্বাৰা জনায়। ডাঙ্গৰীয়া পাচে তাৰ পৰা উঠি চ'ৰাৰ মাজৰ নিজ ঠাইৰ তলচাত বহে-গৈ। কিন্তু কোনো জনে নিজ ঠাইত নবহি সেই উঠাতে বাজঘৰলৈ যায়গৈ। যাওঁতে যদি পূৰ্ব্বৰে পৰা অনাই প্ৰস্তুত থয় দোলাতে বাৰলৈ পায়, যদি প্ৰস্তুত নাথাকে ৰাজশালৰ পৰা ঘোঁৰা দিয়ে, তাতে উঠি ঘৰলৈ যায়। দাঁতিয়লীয়া তিনিজনাক চ'ৰাৰ দক্ষিণ টুপে ঘৰিয়ালধৰা খুঁটাৰ কাষৰতে সি তিনি জনাৰ দৰেই পাতে। ২৯৭ ॥

বৰবৰুৱা, বৰফুকন আদি গুৱাহটীয়া, উজনীয়া দুয়ো দল চ'ৰাৰ ফুকনক পাতিৰ লগাত প্ৰথমে শপত খুৱায়। এই শপত খুওৱা কৰম

বিষয়া পতা বিধি

প্ৰথমেই ডাঙ্গৰীয়া তিনি জনা, দাঁতিয়লীয়া তিনি জনা, এই ছয় জনাতো আছে। পাচে বৰবৰুৱা বহা খুঁটাৰ চতিটোৰ সোঁ-মাজতেই স্বৰ্গদেৱৰ আজ্ঞা শুনালেই খেৰ দিয়ে। তাতে বৰবৰুৱা বা বৰফুকন ও চ'ৰাৰ ফুকন আঠুলৈ বহে। শপত খোৱাৰ ক্ৰম এই—অমাকে বা মোকে স্বৰ্গদেৱে বুঢ়াগোহাঞিৰ ডাঙ্গৰীয়া পাতিবৰ মনস্থ কৰিছে। এই কাৰণে মই শপত কৰি কৈছোঁ ঐ ডাঙ্গৰীয়া পদৰ কৰ্ম্ম মই জ্ঞান ও বিশ্বাস মতে, অকপটে, সৰল চিত্তে, স্বৰ্গদেৱৰ হিত চিন্তি কৰ্ম্ম কৰিম। ইহাৰ অন্যথা কৰিলে ধৰ্ম্মে ঘটাব।" এইমত শপত খালেই কথা শুনাই দিয়ে অথচ এই আপাহতে থাকি বিষয় পতা গল। আগলৈ অকপটে এই এই নিয়মে কৰ্ম্ম কৰিবা, এইমতে কথা শুনায়। তাকে শুনি হোৱা জনাই প্ৰত্যুত্তৰ প্ৰাৰ্থনা স্বৰ্গদেৱলৈ জনাই নিজ ঠাইত দণ্ডৱতে বহে। ২৯৮ ॥

আৰু ডাঙৰীয়াসকলৰ এজনা জীয়াই থকাতে এজনাক পাতিব লাগিলে বৰকটকী এটা গৈ আগেয়ে ঘৰত স্বৰ্গদেৱৰ আজ্ঞাৰে ডাঙৰীয়া
বিষয়া ভজা-পতা ভাঙি দোলা, আবোৱান কাঢ়ি আনিলেহে পাচে
থাকয়া এজনাক পাতিব পায়। কিন্তু তিনি জনা ডাঙৰীয়াৰে পৰা বৰবৰুৱা বাজকৈ ছুয়ো দল চ'ৰাৰ ফুকন পৰ্য্যন্তে পাতিব লগা হলেই বৰবৰুৱা চ'ৰাত বহি থকাতেহে পাতিব পায়। আৰু এই পৰ্য্যন্তে সভাত পাতিবলৈ যোৱা বৰুৱা ফুকন এটীয়াকৈ যাব নেপায়। মজুন্দাৰ বৰুৱা ও খেৰবিচনী পোৱা চমুৱা ফুকন, আন ফুকন বৰুৱাও যাক পাচে মুঠে ছুই, তিনি, চাৰি, ইমান বৰুৱা ফুকন কথা শুনাবলৈ যায়। ৰাজ-খোৱাসকলক হলে চ'ৰাৰ দক্ষিণ টুপে কথা শুনাই পাতিয়ে বা নৌ পাতোতেই বৰবৰুৱা য'তে থাকে ত'তে গৈ কথা শুনোৱা গৰাকীয়ে বৰবৰুৱাত জনাই থব পায়। চেটিয়া পাত্ৰবৰুৱা, ঘৰফলীয়া, এই ছুইক টুপৰ জোৰাৰ পশ্চিম ফালৰ ফকামৰ কোঠাতে পাতে। ঐ টুপতে চাংকং বৰুৱাইতকো পাতে, ঐ তিনি জনা ডাঙৰীয়াৰে পৰা ছুয়ো দল চ'ৰাৰ ফুকন পৰ্য্যন্তে কথা শুনাই পতাতহে অকলেই বা লগেৰেই মজুন্দাৰ বৰুৱাই কথা শুনাই পতাৰ নিয়ম ও দস্তুৰ। কিন্তু মজুন্দাৰ বৰুৱা কোনো গতিকে নাথাকিলে অথচ বেমাৰ আদি গতিকে হাজিৰ নাথাকিলে অন্য ফুকন, বৰুৱাও স্বৰ্গদেৱৰ আজ্ঞাৰে কথা শুনায়। খেৰবিচনী পোৱা চমুৱা ফুকনসকলক চ'ৰাৰ উত্তৰ টুপে পাতে। পাচে বৰবৰুৱাত কই থয়। তিনি ভণ্ডাৰ বৰুৱা, জালভাৰী ফুকন, গন্ধীয়া বৰুৱা, মজুন্দাৰ বৰুৱা, খনিকৰ বৰুৱা, সেনচোৱা বৰুৱা, ছুই দোলাকাখৰীয়া বৰুৱা, তিপমীয়া ৰাজখোৱা, হাতীবৰুৱা, ঘোঁৰাবৰুৱা, এইসকলক দোলাকাষৰীয়া চ'ৰাৰ টুপতে পাতে। ছুই চাওডাঙৰ বৰুৱাক উজনি জখলামুখৰ চাওডাঙৰ চ'ৰাত পাতে। বৰবাটঘৰৰ মাজকোঠা চাঙৰ ওপৰতে কুকুৰাচোৱা বৰুৱা, পাচনি বৰা, ৰ্বতামুলী, এইসকলক পাতে। এই ঠাইতে কুকুৰাচোৱা বৰা এটাই ছুৱৰীবৰুৱাটো পাতি ৰাজছুৱাৰত কৈ দিয়েগৈ। বৰবাটঘৰৰ পেটে পূৰ কালে

চাংমাই শালৰ নিচাংতে চাংমাই বৰুৱা, জবাধৰা বৰুৱা, বেজবৰুৱা, এইসকলক পাতে। তিনি ফুলীয়া বৰুৱাক, নেওগ বৰাইতকো স্বৰ্গদেৱে দোলাঘৰত পাতে। এতদ্ভিন্ন বিষয়াখান এবং মেলডগীয়া ফুকন, বৰুৱাখনিকো উবিকা দুৱাৰত পাতে। দেৱলীয়া, সোৱাচলোৱাইতক ঐ দুৱাৰৰ বাজখনিতে পাতে। ঐ ঠাইতে হাজৰিকাইতকো পাতে। মেলডগীয়াৰ টেকেলাৰ বৰুৱা ও নেওগ বৰা এইবোৰক লেখাৰু কুকুৰাচোৱা বৰাই নিজ মেলঘৰ কিম্বা :দোলাঘৰতে নিজ মেলৰ, আই-কুঁৱৰীদেও বা গোহাঞিদেৱৰ আজ্ঞাৰে পাতে। কুকুৰাচোৱাৰ নেওগ বৰা, এইসকলক ৰৰবাটিঘৰতে ওজা লিগিৰাই স্বৰ্গদেৱৰ আজ্ঞাৰে পাতে। চাওডাঙ্গৰ শইকীয়া, বৰাইতক ঐ চাওডাং চ'ৰাতে পাতে। দোলা-কাখৰীয়া বৰা ও বৰনেওগ ইহঁতক টেকিয়াল বৰুৱা, দোলাকাখৰীয়া বৰুৱাৰ পানীৰ মুখত ওলাই ৰহা ঘৰটিতে পাতে। আৰু মেলডগীয়া ও বৰবৰুৱা, বৰফুকন ও ডাঙ্গৰীয়াৰসকলৰ বিষয় ও বিলাত্ত বাজে নেওগ, টেকেলা বৰাবোৰ স্বৰ্গদেৱৰ আজ্ঞাৰেহে হয়। হাতী ধোঁৱাৰ দুই বৰবৰা, গুৱাহাটীৰ দুই বৰবৰা, উজনিৰো দুই বসুৱা বৰা এইবোৰ স্বৰ্গদেৱৰ আজ্ঞাৰেহে হয়। কিন্তু কাঁড়ীৰ শইকীয়াখনি মাত্র উজনীয়াৰ বৰবৰুৱাই পাতে। ভাঠীৰ খনি বৰফুকনে পাতে। জুবাৰ বৰাখনি গামেলৰ বৰুৱা ফুকনেই পাতে। ১৯৯॥

## ষোড়শ অধ্যায়

‘অথ আসামমতে গন্তিৰ নিৰোপণ।’

আসাম পণ্ডিতে আপোন ৰীতিমতে খুন্‌লুং খুন্‌লাই নামি অহাৰে পৰা চুকাফা ৰজা এই দেশে উপস্থিত হোৱা বছৰ পিচ ইত তাওচিঙ্গা হয় অৰ্থাৎ ৬৬০ বছৰ হয়। কিন্তু এই ৬৬০ বছৰ খুন্‌লাইৰ ৭০ বছৰ ভোগ সহিতেহে হয়। আৰু মুংকঙ্গীয়া, অহমীয়া, উভয়েই বছৰৰ লেখ তাওচিঙ্গা ধৰি কৰে। কিন্তু সেই লেখত শ বা হাজাৰ ৰাখি নকৰাত ভুল হয় যেন লাগে, তথাপি তাওচিঙ্গাৰ ভিতৰৰ বছৰ একোটাৰ নামকেহে লাক্নি বোলে আৰু লেখেও। এতেকে তাকো বুজিবৰ নিমিত্তে এই প্ৰস্তাৱতে লিখা যায়। হিন্দু শাস্ত্ৰত প্ৰতি বছৰতে প্ৰজাৰ শুভাশুভ বুজাৰ কাৰণ ৬০ বছৰ পৰ্য্যন্ত সীমা ধৰি প্ৰভৱ ও বিভৱও ইত্যাদি ক্ৰমে ৬০টা বছৰৰ নাম। সেই নামক বছৰতে নামানুসাৰে শুভাশুভ বুজে। ৬০ বছৰ এই ক্ৰমেই গত হলে পুনৰ সেই প্ৰভৱাদি কৰি আৰম্ভ কৰে। কিন্তু লৌকিক ও শাস্ত্ৰিকতো শকাদিত্যৰ শকেৰেহে বছৰৰ সংখ্যা ও নাম ১৭৬০ শকৰ বছৰ ও ১৭৬১ শকৰ বছৰ বুলি চলে। এই ৰূপেই মুংকঙ্গীয়া অহমীয়াই ৬০ বছৰক তাওচিঙ্গা নাম দিলে ও তাওচিঙ্গা চংতাওচিঙ্গা বুলি লেখ কৰে। ৩০০ ॥

আসামমতে গন্তিৰ নিৰূপণ

তাকে প্ৰথমে ধৰোতে মুখ্যচান্দ্ৰ মানে ৩০ ত্ৰিশ দিনীয়া মাহ ধৰে। তাতে চান্দ্ৰ আষোণৰ প্ৰথম দিনকে বছৰটোৰ প্ৰথম মাহৰ প্ৰথম দিন বুলি লৈ ঐ ত্ৰিশ দিনীয়া মাহেৰে ১২ মহীয়াকৈ বছৰ পাতে। এই দৰে পতা মাহৰ ক্ৰমিক নাম ড্যেনত্যিং ১, ডেনকাম ২, ডেনচাম ৩, ডেনচি ৪, ডেন্‌হা ৫, ডেনকক ৬, ডেনত্যিত ৭, ডেনপেত ৮, ডেনকাওঁ ৯, ডেনচিপ ১০, ডেনচিপইত ১১, ডেনচিপচং ১২, এই ১২ মাহৰে বছৰ হয়।

আহোমৰ অৰ্থ তাওচিঙ্গা

এনে ৬০ বছরে তাওচিঙ্গাটো হয়। প্রতি তাওচিঙ্গার বছর-বোরর নাম, কাপত্যাও ১, ডাপপ্লাও ২, বাইক্সিত ৩, মুংমাও ৪, প্লেকচি ৫, কাতচেও ৬, খুতচিঙ্গা ৭, কংমুত ৮, তাওচান ৯, কাবাও ১০, কামপিত ১১, ডাপকেও ১২, বাইত্যোও ১৩, মুংপ্লাও ১৪, প্লেকঙ্গি ১৫, কাতমাও ১৬, খুতচি ১৭, কংচেও ১৮, ত্যাওচিঙ্গা ১৯, কামুত ২০, পাকচান ২১, ডাপবাও ২২, বাইমিত ২৩, মুংকেও ২৪, প্লেকত্যোও ২৫, কাতপ্লাও ২৬, খুতঙ্গি ২৭, কংমাও ২৮, তাওচি ২৯, কাচেও ৩০, কাপচিঙ্গা ৩১, ডাপমুত ৩২, বাইচান ৩৩, মুংবাও ৩৪, প্লেকমিত ৩৫, কাতকেও ৩৬, খুতত্যাও ৩৭, কংপ্লাও ৩৮, তাওঙ্গি ৩৯, কামাও ৪০, কাপচি ৪১, ডাপচেও ৪২, বাইচিঙ্গা ৪৩, মুংমুত ৪৪, প্লেকচান ৪৫, কাতবাও ৪৬, খুতমিত ৪৭, কংকেও ৪৮, তাওত্যোও ৪৯, কাপ্লাও ৫০, কাপঙ্গি ৫১, ডাপমাও ৫২, বাইচি ৫৩, মুংচেও ৫৪, প্লেকচিঙ্গা ৫৫, কাতমু ৫৬, খুতচান ৫৭, কংবাও ৫৮, তাওমিত ৫৯, কাকেও ৬০। এই তিনিকুৰি বছৰেই এক তাওচিঙ্গা যায়। পুনর বার কাপত্যোও নামক বছরকে আদি করি আকৌ তিনিকুরি বছরীয়াকে তাওচিঙ্গা লিখে। এই লেখেরেইহে খুনলুং খুনলাই স্বর্গর পরা নামি অহারে পরা এই সৌমারলৈ চুকাফা রজা অহালৈকে ওপরেই চিপইত-তাও ১, চিঙ্গা গল বুলি চিংতাও চিঙ্গার প্রথম লাগ্নি কাপতেওঁ পরা চুকাফা রজার সৌমারর ভোগ লেখে। সম্প্রতি চিপইত বুজার কারণ অহমর স্তাইশাস্ত্র অর্থাৎ রাজনীতি শাস্ত্রমতে লেওতা লিখা যায়। লেং ১, চং ২, চাম ৩, চি ৪, হা ৫, কক ৬, জ্যিত ৭, পেট ৮, কাত ৯, চিপ ১০, চিপইত ১১, চিপচং ১২, এই ক্রমেই গৈ চাও ২০, চাওইত ২১, চাওচং, ২২, এবং চামচিপ ৩০, চিচিপ ৪০, চিচিপ-লেং ৪১, পাক ১০০, চংপাক ২০০, রিং ১০০০, নীত-শাস্ত্র অর্থাৎ ধরম শাস্ত্রর মতে হলে ড্যিং প্রথম, কাম দ্বিতীয়, এই ক্রমেও লিখে। আতে নবার হলে লুং ১, হোক ৬, হিং ১০০০ ; র স্থানে হ উচ্চারণ এই মাত্র ভেদ। ৩০১ ॥

## সপ্তদশ আধ্যা

## বজাঘৰৰ বিষয়াৰ বাব।

অথঃ বজাঘৰৰ বিষয়া সকলে যি যি কৰ্ম্ম কৰিব লাগে তাৰ বিবৰণ :—

ৰাজাদেও সৰ্ব্বাধিকাৰ সকলোমতে দণ্ড কৰিব পাৰে। সকলো বিষয়াক ভঙ্গাপতা কৰিব পাৰে। বুঢ়াগোহাঞি ১, বৰগোহাঞি ১, বৰপাত্ৰ-গোহাঞি ১, এই তিনি জনাৰ সমান মৰ্য্যাদা।

ডাঙৰীয়াসকল

ইবিলাকৰ হাতীমূৰ অথচ দেশ আছে। সেই-সকলৰ দোষাদোষ বিচাৰ কৰি কেৱল কাটিব নোৱাৰে। অন্য সকল প্ৰকাৰ দণ্ড কৰিব পাৰে। এই তিনি জনাৰ মধ্যে যি জনা ৰাজমন্ত্ৰী হয় সেই জনাই জকাইচুক প্ৰদেশৰ এক হাজাৰ গোট পাইক পায়। সেই পাইকে ডাঙৰীয়াৰ খাত খাবৰ, হালকোৰ আদি খেতিৰ কৰ্ম্ম আৰু ঘৰৰো কৰ্ম্ম কৰিব লাগে। সিবিলাকে পাল বদল কৰি খাটে। সেই-সকল সেই দেশৰ বিষয়া কাকতীয়ে হিচাব ৰাখি অবিলম্বে সোধাই থাকিব লাগে আৰু সিবিলাকৰ নিজা হাতীমূৰৰো লগুৱা, লিগচৌ, পাইক বজাঘৰত ও অন্যান্য বিষয়াসকলক সোধাই থাকিব লাগে। এহাৰ কিঞ্চিৎ ক্ৰুটী হলে মহলৰ যি বিষয়া, কাকতী আছে তেওঁলোক দণ্ডনীয় হয়। যেহেতু বিষয়াসকলৰ প্ৰবৰ্ত্তনৰ বেতন আদি কিছু নাই সেই লগুৱা লিগচৌৰে ঘৰৰ যাবদীয় কৰ্ম্ম কৰাই প্ৰবৰ্ত্তন হয়। আৰু ৰণ হলে স্বৰ্গদেৱৰ আজ্ঞাৰে আপোন বিলাইতৰ সেনা ও বজাঘৰৰ নিয়ন্ত সেনা সহিত যুদ্ধ কৰিব যাব লাগে। এই তিনি জনাই ৰজা ভঙ্গাপতা কৰে এবং এওঁলোক সতত নগৰত থাকে। ৩০২॥

শদিয়াখী গোহাঞি ১, মৰঙিখোৱা গোহাঞি ১, স'লাল গোহাঞি ১, এই তিনি জনাক দাতিয়লীয়া গোঁহাঁই বোলে। প্ৰায় তিনি জনা ডাঙৰীয়াৰে সমান মৰ্য্যদা। অল্পমাত্ৰ কম। এওঁলোক আপোন দেশত থাকে। ঐ মন্ত লগুৱা লিগ্‌চো যি যি মতে যোগান বজাঘৰ ও ফুকন বৰুৱা আদিক দিব লাগে সেই সেই মত মহল দেশৰ বিষয়া তাগদা কৰি পঠাই দিব ও সোধাব লাগে আৰু স্বৰ্গদেৱৰ আজ্ঞামতে আপোন বিলাইতৰ সেনা ও বাজাঘৰৰ সৈন্য সহিত যুদ্ধলৈ যাব লাগে। তিনি জনা ডাঙৰীয়াৰ সমান দণ্ড কৰিব পাৰে। ৩০৩ ॥

দাতিয়লীয়া গোহাঁই

বৰবৰুৱা ১, বৰফুকন ১, এই দুই জনাৰ প্ৰায় সমান মৰ্যাদা। বৰবৰুৱা বজাঘৰত সৰ্ব্বদা থাকিব লাগে এবং বজাঘৰৰ ঘৰ-দুৱাৰ সজা ও খাতসকলত মহ গৰু পাইক নিবন্ধ কৰি দিব লাগে তাৰ বুজ-বিচাৰ লৈ থাকিব লাগে। আৰু সতত বৰচ'ৰাত বহি স্বৰ্গদেৱে যি নিজা সোধ সুধিব লাগে সেইসকল বৰবৰুৱাই সুধি বজাদেৱত জনাই আজ্ঞা প্ৰচাৰ কৰি দিয়ে। আৰু বজাদেৱৰ আজ্ঞাৰে কোনো ২ সময় যুদ্ধলৈ যাব লাগে। বৰবৰুৱাৰো বিলাইত মহল আছে। আপোন মহল আৰু বন্দী-বেটীহঁতৰ অপৰাধ-মতে নাক কাটি ও কাণ কাটি দণ্ড কৰিব পাৰে। এহাৰ উৰ্দ্ধ হলে স্বৰ্গদেৱত জনাইহে কৰিব পাৰে। ৩০৪ ॥

বৰবৰুৱা, বৰফুকন

বৰফুকন দুৰ দেশ গোহাটীত থাকে। কলিয়াবৰ পৰ্য্যন্ত কামৰূপ ও দৰং, নগাওঁ ও দক্ষিণপাৰে দেশদুৱাৰসকল বৰফুকনৰ এলাকাধীন, এহেতু বাজদ্ৰোহী হলে ধুমেৰে খুন্দি মাৰিব পাৰে, কাটিব নোৱাৰে। অন্য সকলো দণ্ড কৰিব পাৰে। আৰু নগাওঁ ও খৰঙ্গি ও আঠগাওঁৰ যুদ্ধাৰো সৈন্যসকলৰ আথৱা পানীফুকন ও ডেকাফুকন প্ৰভৃতি সহিতে কৰাব লাগে। আগে পাথৰ কলাই বন্দুক ও কাঁড়-ধনু ও ঢাল-বাৰু, এই তিনি বকম যুদ্ধৰ প্ৰধান অস্ত্ৰ আছিল। এতভিন্ন বাঠী, দা, শূল খাপৰ আছিল। স্বৰ্গদেৱৰ আজ্ঞা

বৰফুকনৰ বাব

হলে ববফুকনো যুজালৈ যাব লাগে। আৰু বজাঘৰত ও বৰুৱা ফুকন প্ৰভৃতিক যি লগুৱা লিগ্‌চৌ আৰু যি যি যিমতে খাটিব লাগে বা দ্ৰব্যজাত অথচ কাপুৰ ও তৈল, থঙ্গা যি সোধাব লাগে সেইসকল ববফুকনে আপোন তলৰ বিষয়াৰ দ্বাৰা অবিলম্বে সোধাই থাকিব লাগে। ৩০৫ ॥

ঐসকল পাইকে অথচ চাৰি জনে একগোট পাইক আছিল। পৰে মটকে দেশত বিভ্ৰাত লগাই অনেক মানুহ মাৰিল দেখি তিনিজনে একগোট কৰিলে। সেই গোট পাইকে কপিত ৩ পুৰা অথচ ফি-জন পোৱাই কপিত ৩ পুৰা মাটি

পাইক

বাব পায়। তাৰ খাজনা দিব নেলাগে। অন্য বৰী বস্তি, ফৰিঙ্গতি, ও বাওঁতলী মাটিৰ লেখ নাই। অথচ সেইসকল আদানী নিষ্কৰ আছিল, আৰু দেৱালয় ও সত্ৰসকলতো পাইকৰ এই নিয়ম দেৱালয় ও সত্ৰত কৰ্ম্ম কৰিব। সেইমত মাটি ভোগ কৰিব, খাজনা দিব না-লাগে। প্ৰত্যেক দেবালয়ত এক এক জন সেৱা চলোৱা নামেৰে আছিল। সকলো সত্ৰৰ সত্ৰীয়া বৰুৱা নামে একজন আছিল। আৰু প্ৰত্যেক দেৱালয়তে ভোগধনী বাবে কিছু কিছু মাটি আছিল। সেই সকল নিষ্কৰ। তদ্বাৰা দেৱালয়ৰ ভোগ, নৈবিদ্য, নিত্য পূজা চলে। ইংৰেজৰ আমলেও লাখৰাজ তহকিকে সেই ভোগধনী বহাল দিছে। তাৰ খাজনা লগোৱা নাই। কিন্তু ৰেত্ বুলি কিছু লয়। পানীফুকন ১, নাওবৈচা ফুকন ১, ভিতৰুৱাল ফুকন ১, ডেকাফুকন ২, দিহিঙ্গীয়া ফুকন ২, নফুকন ১, চেটিয়া ফুকন ১, এই ৯ জনাৰ প্ৰায় মৰ্য্যদা সমান। পৰ্হিচাঙ্গী এওঁলোকৰ মহল বা ভাগী আছে। সেই সেই মহলৰ বুজ-বিচাৰ কৰি অপৰাধীৰ নাক-কাণ কাটিব পাৰে। ততোধিক দণ্ড কৰিব লগা হলে বজাদেৱত জনাইহে কৰিব পাৰে। আৰু সিবিলাকৰ লগুৱা লিগ্‌চৌও যি যি দ্ৰব্য সোধাব লাগে অবহেলে আপোন জাতীয়া বিষয়াৰ দ্বাৰা বজাঘৰ ভাঙৰীয়া ও গোহাঞি ও ফুকন বৰুৱাসকলক সোধাই থাকিব লাগে। আৰু স্বৰ্গদেৱৰ আজ্ঞামত আপোন মহলৰ

সেনা চবকাবী সৈন্য সহিত যুদ্ধলৈ যাব লাগে। ততিন্ন মাওবৈতা ফুকন, স্বৰ্গদেও চ'বানাবত উঠি খেলোৱা পাইকসকলব কৰ্ত্তৃত্বকাবী অথচ অধিকাব আক স্বৰ্গদেৱে পিন্ধা কাপুৰ ও অলঙ্কাবাদি নিবন্ধ কবি দিয়া ও গান-বাজন, নট-নটী, নাচনিয়াবসকলব কৰ্ত্তৃত্বকাবী অধিকাব। সেওগ ফুকন ১, নিয়াইসোধা ফুকন ১, চাংকং ফুকন ১. এই তিনি সমান। অথচ লোহাব চেকবৰে চাঙ্গী পায়। চাংকং ফুকনে ববৰুৱাব অধীনে থাকি বজাদেৱব ঘব আদি সজাব তদবিব কৰে। ৩০৬॥

নিবুকিয়াল বাজখোৱা ১, বচা বাজখোৱা ১, এই দুই সমান। লোহাব চেকব লগা চাঙ্গী মাত্র পায়। আপোন মহল বা ভাগিব বায়তব তজবিজমতে নাক কাণ পৰ্য্যন্ত দণ্ড কবিব পাবে

বাজখোৱা

আক বৰুৱা ফুকন প্ৰভৃতিক আপোন মহলব লগুৱা লিগচৌ ও যাক বি দ্রব্যাদি যোগাব লাগে আপোন তলব বিষয়াব দ্বাবা সেই ২ সকল যোগাব লাগে। আক বাজ আজ্ঞামত আপোন মহলব সৈন্য ও চবকাবা সৈন্য সহিত যুদ্ধলৈ যাব লাগে। দিহিঙ্গীয়া বাজখোৱা ১, শলগুৰীয়া বাজখোৱা ২, অভয়পুৰীয়া বাজখোৱা ৩, নামদঙ্গীয়া বাজখোৱা ১, দিখৌমুখীয়া বাজখোৱা ১, গজপুৰীয়া বাজখোৱা ১, দৈচুঙ্গীয়া বাজখোৱা ৩, ঘিলাধবীয়া বাজখোৱা ১, এই ১৪ জনাব সমান মৰ্য্যদা। গোহাটীত থাকিলে পহিচাঙ্গী পায়। আপোন মহল বা ভাগিব বায়তব তজবিজমতে নাক কাণ পৰ্য্যন্ত কাটি দণ্ড কবিব পাবে। ততোধিক দণ্ড কবিব নোৱাবে। আক আপোন মহলব যাক বি লগুৱা লিগচৌ ও দ্রব্যজাত শোধাবব নিয়ম আছে, সেই ২ মত তলতীয়া বিষয়াই শোধাই থাকিব লাগে তাব তদাবক কবিব লাগে। আক বাজাব আজ্ঞামতে যুদ্ধলৈ যাব লাগে। চেটিয়াপাত্র বৰুৱা ২, ৰুবকলীয়া বৰুৱা ২. চাংকং বৰুৱা ৪, এই ৮ জনা সমান। লোহাব চেকবৰে চাঙ্গী মাত্র পায়। ববৰুৱাব অধীনে বজাঘবব ঘব আদি সজাব কৰ্ম্ম আক থাতসকলত মহ গক মানুহ আদি দি তদবিব কবা কৰ্ম্ম। ৩০৭॥

চোলাধৰা ফুকন, ঢেঁকিয়াল ফুকন, খাৰঘৰীয়া ফুকন ১, নাওশলীয়া ফুকন ১, তামূলী ফুকন ১, এই পাচ জনৰ সমান মৰ্য্যদা। চোলাধৰা ফুকনে সৰ্ব্বদা ৰজাঘৰত থাকিব লাগে এবং ৰাজাদেৱে পিন্ধা কাপুৰ ও অলঙ্কাৰাদি নিয়মকৈ দিব লাগে। আৰু গান-বাজন, নাচনিয়াৰ আদিৰ কৰ্ত্তৃত্বকাৰী অধ্যক্ষ ঢেঁকিয়াল ফুকন ও খাৰঘৰীয়া ফুকন ও নাওশলীয়া ফুকন খেৰবিচনী টুপী নাপালে লোহাৰ ঢেকৰ দিয়া চাঙ্গী মাত্ৰ পায়। এই তিনি জনাৰ মহল আছে। সেই মহলৰ যাক যেনেকৈ লগুৱা লিগ্চৌ দিব লাগে আৰু যি যি দ্ৰব্য যোগাব লাগে সেইসকল অধীন বিষয়াৰ দ্বাৰা দিয়াব আৰু আপোন মহলৰ সৈন্য সহিত ৰাজ আজ্ঞামতে যুদ্ধলৈ যাব লাগে, এওঁলোকে পৰ্হিচাঙ্গী পায়। তামূলী ফুকনে পৰ্হিচাঙ্গী পায়। এওঁ সততে স্বৰ্গদেৱৰ স্থানত থাকিব লাগে। আচলে তামোল খোৱা ও দিয়া সংগ্ৰহ কৰা পাইক লোকৰ ওপৰ অধ্যক্ষ। ৩০৮॥

ফুকন

চিৰিং ফুকন ১, কাঠবকৰা ১, শূলপাণি বকৰা ১, এই তিনি জনাৰ সমান মৰ্য্যদা; পৰ্হিচাঙ্গী পায়। চিৰিং ফুকন আহোমৰ বামুণ, আহোমমতৰ কৰ্ম্ম-কাণ্ডৰ তদাৰক-কৰ্ত্তা। কাঠ-বকৰা হাবি পৰ্ব্বতৰ উত্তম উত্তম কাষ্ঠসংগ্ৰহৰ। কৰ্ত্তা শূলপাণি বকৰা ৰাজাদেৱৰ ভণ্ডাৰৰ অধ্যক্ষ। তেওঁৰ মহল আছে। মৰিয়া লোক শূলপাণি বকৰাৰ অধীন। জালভাৰী ফুকন ১, গন্ধীয়া বকৰা ১, খনিকৰ বকৰা ১, মজুন্দাৰ বকৰা ১, শেনচোৱা বকৰা ১, প্ৰায় সমান মৰ্য্যদা; পৰ্হিচাঙ্গী পায়। জালভাৰী বকৰাই পহু আদি ধৰাৰ জাল আদি পাইক লোকৰ দ্বাৰা কৰোৱাৰ অধ্যক্ষ। গন্ধীয়া বকৰাৰ জেখায় গন্ধীয়া নামক এক ভণ্ডাৰ, তাত পাইক লোকৰ কাগজ-পত্ৰ থাকে আৰু চমুৱা বকৰা ফুকন সকলোৰে কাগজ-পত্ৰ থাকে, তাৰে অধ্যক্ষ। ৩০৯॥

চিৰিং ফুকন

মজুন্দাৰ বকৰা সততে স্বৰ্গদেৱৰ লগত থাকিব লাগে। স্বৰ্গদেৱে যি আজ্ঞা কৰে তাক প্ৰচাৰ কৰিব লাগে। আৰু পৰদেশী ৰাজ-

ৰাজদ্বাৰৰ যি চিঠি-পত্ৰ আছে তাক মাতি শুনাই সেই সেই ঠাইলৈ প্ৰত্যুত্তৰ চিঠি লিখিব লাগে। সেই চিঠিসকলত স্বৰ্গদেৱে হস্তক্ষেপ নকৰে। মজুন্দাৰ বৰুৱাৰ লগতে ৰজাদেৱৰ সিংহ-চাব ও নাম-চাব থাকে সেই চাব বজা লাগে, বা আলভাবে আৰি সিংখাপৰ মোনাত শুমাই মুখতে সিংহ-চাব মাৰি কটকী পঠাব লগা হলে কটকীৰ হাতে অথবা যি লোক আছে সেই লোকৰ হাতত দিয়ে। আৰু পৰদেশৰ কটকী বা উকিল তুলিব লগা হলে তিনিজনা ডাঙৰীয়া প্ৰভৃতি বৰচ'ৰাতে নিয়মমতে বহিব। বাহিৰে হাতী ঘোঁৰা ও চিপাহীৰ পালী থাকিব। স্বৰ্গদেৱে বৰচ'ৰাত বহিলে মজুন্দাৰ বৰুৱাই পাগ জামা আৰু ৰজাদেৱৰ দস্ত সোনৰ খাৰু, লোকাপাৰ বা কুন্দুৰ বা কৰ্ণবালা কৰ্ণত পিন্ধি চ'ৰাঘৰৰ মধ্যেদি যাতায়াত কৰি চৌখাম কৰি আঠু চোৰাই স্বৰ্গদেৱত জনায়। পুনৰ উকিল বা কটকীত কথা কয়, তেতিয়া যি পত্ৰ আছে আৰু পত্ৰচিন্ যি দিয়ে তেতিয়াই শোধায়। এবং পত্ৰ যি আছে তেতিয়াই তিনিজনা ডাঙৰীয়া প্ৰভৃতিৰ মোকাবিলায় পাঠ কৰি শুনাব লাগে। ৩১০ ॥

মজুন্দাৰ বৰুৱাৰ কৰ্ত্তব্য

যদি প্ৰত্যুত্তৰ তেতিয়াই দিব লগা হলে ফাৰ্চী বা নাগেৰী বা অহমীয়াৰে সোনৰ পানী চৰোৱা ও লতাকটা পাতত লিখি থামত ভৰাই ৰজাদেৱৰ নাম-চাব মাৰি সিংখাপৰ মোনাত ভৰাই সিংহ-চাব মাৰি দিয়ে, ও পত্ৰচিন্ দিয়ে। অথবা কটকী পঠাই কটকীৰ হাতত দিয়ে। যদি তেতিয়াই প্ৰত্যুত্তৰ নিদিয়ে, পৰে তিনিজনা ডাঙৰীয়া সহিতে পৰামৰ্শ কৰি প্ৰত্যুত্তৰ লিখি সেইমতে দিয়ে; এই কৰ্ম্ম মজুন্দাৰ বৰুৱাৰ নিত্য কৰ্ম্ম। ৩১১ ॥

চিঠি দিয়া নিয়ম

তদ্ভিন্ন তিনিজনা ডাঙৰীয়া আৰু গোহাঞি বৰুৱা বৰফুকন ও ৰাজখোৱা ও পানীফুকন পাতিব লগা হলে মজুন্দাৰ বৰুৱাই ৰজাৰ আজ্ঞাৰে বৰচ'ৰাতে কথা শুনাই পাতিব। তিনি-জনা ডাঙৰীয়া ও গোহাঞি তিনিজনা বৰবৰুৱা ও

ভৰপানি

বৰবৰুৱাৰ ... পানীফুকনে ওলগনি বুলি নগদ ১০০ টকা বস্ত্ৰালঙ্কাৰ এসাজ খোৰা তাম, পিতল, শয়ন কৰিবৰ খাট, তোলী, পাটী, আঠুৰা, গাৰু, মহ এজনী, মাইকী পোৱালী সমেৎ সবৎসা ধেনু এজনী, বন্দী-বেটী, একহাল দিব লাগে। সেইমতে আনন্দেৰে দিয়ে। বৰফু কোনোসকলে বেচিকৈও দিয়ে। ৩১২ ॥

ইতৰ বিষয়াক পাতিব লাগিলে অথচ বৰচ'ৰা ব্যতিৰেক আন ঠাইত পাতিব লাগিলে মজুন্দাৰ বৰুৱাই কটকীৰ দ্বাৰা পাতে। যেহেতু মজুন্দাৰ বৰুৱা ৰজাঘৰ ব্যতিৰেক অন্য স্থানে যাব নাপায় এহেতু কটকীৰ দ্বাৰা অন্যত্ৰ বিষয়া পাতে। এই কৰ্ম্ম মজুন্দাৰ বৰুৱাৰ নিয়ত কৰ্ম্ম। আৰু ব্ৰহ্মত্তৰ ও দেবত্তৰ ও ধৰ্ম্মত্তৰ ও নানকাৰ জমী ও মানুহ পাইক যাক দিবৰ স্বৰ্গদেৱে আজ্ঞা কৰে মজুন্দাৰ বৰুৱাই মহজৰ লিখি ৰজাদেৱৰ নাম-চাৰ মাৰি দিয়ে, তেহে শুদ্ধ হয়। তাৰো একপ্ৰস্ত নকল মজুন্দাৰ বৰুৱাৰ হাতত ও একপ্ৰস্ত গন্ধীয়া ভৰালত থাকে। ৩১৩ ॥

ৰজাঘৰীয়া দান

আৰু মজুন্দাৰ বৰুৱাই কামৰূপত ২৪০০০ চৌবিশ হাজাৰ নাৰাণী টকা তহছিল হয়, তাৰে মুৰলী বুলি ১০০০ ও হাদিৰাচকীৰ ১০০০ টকা বৎসৰ পায়। এতদ্ভিন্ন লগুৱা, লিগ্‌চৌ, তামূলী, জাপিধৰা ও তেলীয়ে তেল যোগাব লাগে। তাঁতীয়ে কাপোৰ, থঙ্গা যোগোৱা লোকে থঙ্গা, ও নাপিতে নাপিতৰ কৰ্ম্ম কৰিলেই তেওঁলোকৰ অন্য একো ৰজাঘৰে দিব নালাগে। ঐ ঐ কৰ্ম্মতে তেওঁলোকৰ কৰ্ম্ম হয় অথচ পাইক লোকে খাটিব লাগে; খাটিলেই কৰ্ম্ম হয়। যিসকলে থঙ্গা আদি শোধাব লাগে শোধালেই ৰজাঘৰৰ লেঠা মৰে। এবং প্ৰকাৰ সকলো ডাঙৰ ডাঙৰ বিষয়াসকলে লগুৱা, লিগ্‌চৌ, তামূলী ও জাপিধৰা, তেলী ও তাঁতী আদি পায়, তদ্দাৰা প্ৰবৰ্ত্তন হয়। অন্য কোনো দৰ্মহা নাপায়। ৩১৪ ॥

মজুন্দাৰ বৰুৱাৰ বন্দী-বেটী

চাংমাই বৰুৱা ১, ভিপমীয়া ৰাজখোৱা ১, হাতীবৰুৱা ১, ঘোঁৰা বৰুৱা ১, কুকুৰাচোৱা বৰুৱা ১, এই পাচ জনা সমান। চাংমাই বৰুৱাৰ তাৰে

অনেক চাংমাই পাইক থাকে। তেওঁলোকে পালে পাৰে [illegible] পাক কৰিব লাগে। তাৰে অধ্যক্ষ চাংমাই বৰুৱা। তিপমীয়া বাজখোৱা।—

চাংমাই বৰুৱা,
তিপমীয়া বাজখোৱা

তেওঁৰ মহল আছে। সেই মহলৰ লগুৱা ছিগচৌ আদি যাক যেনেকৈ দিব লাগে সেই সেই মতে তলতীয়া বিষয়াৰ দ্বাৰা দিয়াব লাগে আৰু ৰজাৰ আজ্ঞাৰে যুদ্ধলৈ আপোন মহলৰ সেনা সহিত যাব লাগে। ৩১৫ ॥

হাতীবৰুৱা বজাঘৰৰ সকলো হাতীৰ অধ্যক্ষ। পাইক লোকৰ দ্বাৰা হাতীৰ তদবিৰ কৰিব লাগে। আৰু স্বৰ্গদেও হাতীত উঠি ফুৰিলে

হাতীবৰুৱা

হাতীবৰুৱা কাখে কাখে যাব লাগে। কোনো ব্যতিক্রম হলে বৰুৱাৰ গাতে জগৰ লাগে। ৩১৬ ॥

ঘোঁৰাবৰুৱা সকলো ঘোৰাৰ অধ্যক্ষ। পাইক লোকৰ দ্বাৰা তদাৰক কৰি থাকিব। কদাচিৎ ৰজাদেও ঘোঁৰাত উঠিলে সাৱধানমতে ঘোঁৰা-

ঘোঁৰাবৰুৱা

বৰুৱা সঙ্গে ২ যাব লাগে। কোনো ব্যতিক্রম হলে বৰুৱাৰ গাত জগৰ হয়। ৩১৭ ॥

কুকুৰাচোৱা বৰুৱা।—এই বৰুৱাই পাইক লোকৰ দ্বাৰা কুকুৰা চৰাই

কুকুৰাচোৱা বৰুৱা

পুহি প্রতিপাল কৰিব। যেতিয়াই যত কুকুৰা চৰাই আবশ্যকমতে দিব লাগিব। নহলে তেওঁৰ গাত জগৰ হয়। ৩১৮ ॥

দোলাকাষৰীয়া বৰুৱা ২, চাওডাং বৰুৱা ১, জবাধৰা বৰুৱা ১, বেজবৰুৱা ১, এই ৬ জনা সমান। দোলাকাষৰীয়া বৰুৱাই স্বৰ্গদেও

দোলাকাষৰীয়া বৰুৱা

দোলাৰে গলে কাষৰে কাষৰে যাব লাগে। দোলীয়া-হঁতৰ কোনো ব্যতিক্রম হলে ঐ বৰুৱাৰ গাত জগৰ। ৩১৯ ॥

চাওডাং বৰুৱা।—এওঁৰ তাৰে অনেক চাওডাং থাকে। তেওঁলোকৰ

চাওডাং বৰুৱা

দ্বাৰা দোষীৰ দণ্ড কৰাই অথবা কাটে ও অন্ত দণ্ড কৰে। ৩২০ ॥

জবাধৰা বকৰা।—এওঁৰ তাবে ভূঙ্গাৰ বা সোনৰ ভোগজৰা বা তাওঁকিন ধৰা পাইক বাবৰ লোক আছে। সেই লোকৰ দ্বাৰা ঐ-সকল কৰ্ম্ম কৰাব লাগে। কিঞ্চিৎ ত্ৰুটী হলে ঐ বকৰাৰ গাত জগৰ হয়। ৩২১ ॥

জবাধৰা বকৰা

বেজবকৰা স্বৰ্গদেৱৰ ও ডাঙ্গৰীয়াসকলৰ তদবিৰ বিবেচনাপূৰ্ব্বক ঔষধ খোৱায় ও ঔষধ কৰে। এওঁলোকৰ প্ৰবৰ্ত্তন জন্যে দুই তিনি গোট পাইক দিয়ে। আৰু কোনো কেনো সকলক মেলডগীয়াৰ মেল দিয়ে। তদ্বাৰা প্ৰবৰ্ত্তন হয়। ৩২২ ॥

বেজবকৰা

আন আন বকৰা

দুলীয়া বকৰা।—এওঁ স্বৰ্গদেৱে উঠা কেকোৰা-দোলা লোৱা পাইক লোকৰ অধ্যক্ষ। এওঁৰ তলে দোলাকাথৰীয়া বকৰাসকলৰ কৰ্ত্তা দুলীয়া বকৰা।

দৰপধৰা বকৰা।—বেজবকৰাই দৰপ মাৰি দিলে পৰীক্ষা কৰি সেই ঔষধ স্বৰ্গদেৱক খুৱাব।

কাঠকটীয়া বকৰা।—বজাঘৰৰ জন্যে হাবি ও পৰ্ব্বতত ভাল ২ কাষ্ঠ পাইক লোকৰ দ্বাৰা সংগ্ৰহ কৰাব লাগে।

মলীয়া বকৰা।—মালী লোকৰ ওপৰ এওঁ অধ্যক্ষ। স্বৰ্গদেৱে পিন্ধা উত্তম উত্তম মতে মালা গাঁঠি যোগাব লাগে। কিছু ত্ৰুটী হলে মলীয়া বকৰাৰ গাত জগৰ হয়।

ঘিঁউবকৰা।—এওঁ বজাঘৰত ঘিঁউ শোধোৱা পাইক লোকৰ অধ্যক্ষ। সেই পাইক লোকৰ পৰা ঘিউ সংগ্ৰহ কৰি শোধাব লাগে।

পাখিমৰীয়া বকৰা।—যাবদীয় চৰাইৰ পাখি শোধাব লগীয়া পাইক আছে। তদ্বাৰা বকৰাই বজাঘৰত শোধাব, ত্ৰুটী হলে ঐ বকৰাৰ গাত জগৰ হয়।

গজপুৰীয়া বকৰা ১, শিলাকুটি বকৰা ১, চৰাইমৰা বকৰা ১, খেনুচোঁচা বকৰা ১, যোতকীয়া বকৰা ১, দুৱৰীয়া বকৰা ১, এই ছয় জন সমান। গজপুৰীয়া বকৰাৰ গজপুৰ নামে মহল আছে। সেই

মহলৰ লগুৱা লিগ্‌চৌ পাইক আদি যি যেনেকৈ দিব লাগে সেই সেই মতে বকৰাই শোধাব লাগে।

শিলাকুটি বকৰাৰ শিলৰ পটা ও কিস্তি আদি কৰিব লগা বাৰৰ পাইক আছে। তথাবা কৰাই বজাঘৰত শোধাব লাগে। ত্রুটী হলে ঐ বকৰাৰ গাত জগৰ হয়।

চৰাইমৰা বকৰা।—এওঁৰ তাবে পাইক আছে। তথাবা চৰাই মাৰি আনি বজা ঘৰত শোধাব লাগে।

ধেনুচোঁচা বকৰা।

ঘোতকীয়া বকৰা।

ছুৰবীয়া বকৰা।—বজাঘৰৰ সকল ছুৰাবত মানুহ নিবন্ধ কৰি দিব লাগে। ৩২৩॥

বাইডঙ্গীয়া ফুকন ১, পৰ্ব্বতীয়া ফুকন ১, থঙ্গীয়া ফুকন ১, চাবিঙ্গীয়া ফুকন ১, তিপমীয়া ফুকন ১, এই পাচ জন সমান। ঢেকৰ লগা চাঙ্গী পায়। এওঁলোক মেলডগীয়া কুঁৱৰীসকলৰ ফালে সূতা আদি শোধাব লাগে। বাইডঙ্গীয়া বকৰা ১, পৰ্ব্বতীয়া বকৰা ১, থঙ্গীয়া বকৰা ১, চাবিঙ্গীয়া বকৰা ১, তিপমীয়া বকৰা ১, এই পাচ জনা সমান। ঢেকৰ লগা চাঙ্গী পায়। এওঁলোকো মেলডগীয়া কুঁৱৰীসকলক সূতা থঙ্গা আদি শোধাব লাগে।

সমান মৰ্য্যাদাৰ বিষয়া

নামৰূপীয়া বকৰা ১, পুৰণি মেলৰ বকৰা ১, মাজুমেলৰ বকৰা ১, সৰুমেলৰ বকৰা ১, মাহীমেলৰ বকৰা ১, এই পাচ জন সমান। ঢেকৰ লগা চাঙ্গী পায়। মেলডগীয়া কুঁৱৰীসকলৰ ফালে সূতা থঙ্গা আদি শোধাব লাগে।

নমেলৰ বকৰা ১, গাভৰু মেলৰ বকৰা ১, কলিচেঙ্গৰ বকৰা ১, এনাইধৰীয়া বকৰা ১, এই চাবি সমান। ঢেকৰ লগা চাঙ্গী পায়। মেলডগীয়া কুঁৱৰীসকলৰ ফালে সূতা আদি শোধাব লাগে। ৩২৪॥

মৰ্য্যাদাৰ চিন

মেৰলীয়া বকৰা।—ঢেকৰ লগা চাঙ্গী পায়। সদৰত সেৱাচলোৱা বোলে।

ববৰুৱা গোহাটীত বৰফুকনৰ তাবে থাকে। সকলো টেকেলা-ববাৰ ওপৰ অধিকাৰ। বৰফুকনৰ ঘৰ দুৱাৰ আদি সকলো তদাৰক কৰিব লাগে।

কুৰীয়া বৰা।—২০ জন টেকেলাৰ ওপৰ অধিকাৰ।

আঠগয়াঁ বৰা। আঠগাৱঁৰ পাইকৰ ওপৰ অধিকাৰ।

খৰঙ্গি বৰা—খৰঙ্গি পাইকৰ ওপৰ অধিকাৰ।

হাজৰিকা হলে ১০০০ একহাজাৰ গোট পাইকৰ ওপৰ অধিকাৰ।

শইকীয়া হলে ১০০ একশ গোট পাইকৰ ওপৰ অধিকাৰ। ৩২৫॥

এইসকল কাঁড়ী হাজৰিকা হলে ও শইকীয়া হলে সেই কাঁড়ীৰ ওপৰত ভাল মানুহ। আৰু মুছলমান ও ডোম, হাড়ি ও মৰিয়া, ইবিলাকৰ ভিতৰতো হাজৰিকা, শইকীয়া আছে।

হাজৰিকা

সেই সেই সকলো ৰজাঘৰ আদি ডাঙৰীয়াসকলৰ কৰ্ম্ম কৰিব লাগে। সেইমতে হাজৰিকাই চলায়। কিন্তু হাজৰিকা শইকীয়া হলেও কাঁড়ী অথচ হজুৰাৰ পৰা নাম মুঠে। স্বৰ্গদেৱে আপাছ পালে কাঁড়ীৰ খেলৰ পৰা গুচাই চমুৱা খেলত নাম তুলি ভাল মানুহ কৰিব পাৰে; অনেকক কৰি গৈছে। কিন্তু হঠাৎ কাঁড়ীৰ পৰা নাম নুগুচায়, যেহেতু কাঁড়ী স্বৰ্গদেও প্ৰভৃতিৰ বাজে কাৰ্য্যকাৰক লোক। তেওঁলোক নহলে কৰ্ম্ম কিমতে চলিব। বুকক বৰফুকনৰ তাবে থাকে; অপৰাধীসকলক দণ্ড কৰিব লাগিলে ঐ বুকৰ দ্বাৰা কৰায়। ৩২৬॥

কাকতী।—এই কাকতী শব্দে কেইবা ৰকম কাকতী আছে। প্ৰথম স্বৰ্গদেৱৰ ভণ্ডাৰৰ যি জমা-খৰচ লিখে তাকে চাংকাকতী বোলে।

কাকতীৰ খেল

তেওঁলোকৰ ৪।৫ জন মানে ঐ কৰ্ম্ম কৰে। অপৰ জোলা-শালৰ কাকতী, আইকুঁৱৰীসকলে কাপুৰ কৰিবলৈ জোলা বা তাঁতীক দিলে, তেওঁলোকে হিচাব কৰি দিয়ান

দীঘল পথালি কাপুৰ কিমান সুতা গুণা লাগে তাৰ হিচাব কৰি দিব লাগে। আৰু সোনাৰিক বন কৰিবলৈ সোন কপ দিলে তাৰো হিচাব কৰি কিমান ভাঙৰ দীঘল কৰিব লাগে তাৰো হিচাব কৰি সোনাৰি-দলৈক দিব লাগে। তেওঁৰ ভাবৰ সোনাৰি থাকা সেইমতে কৰাই দিয়ে আৰু বাখৰ পাতিব লাগিলে সেইমতে হিচাব কৰি দিব লাগে। অলপ খোলাৰ কাকতী।—তেওঁলোকে পাইকৰ হিচাব ৰাখিব লাগে। যি যি পাইক লগুৱা লিগচৌ যি বিষয়াত যি মহলৰ যিমান খাটিব লাগে ও যি যি দ্ৰব্য যোগান দিব লাগে তেওঁলোকে হিচাব ৰাখিব লাগে। আৰু পাখিকাকতী আছে; তেওঁলোকেও ঐ কৰ্ম্ম কৰিব লাগে। ৩১৭॥

কটকী।—কটকী তিনি ৰকম, বৰকটকী, মাজু কটকী, আৰু সৰু কটকী। এওঁলোক বজা বা বৰফুকনৰ সভাত থাকিব লাগে। মজুন্দাৰ বৰুৱাৰ তাৰে উপাসা কৰি থাকে। কোনো

কটকী

সময়ত গৌৰ বাদ্‌সাহ অথবা দিল্লীৰ বাদ্‌সাহ ও লক্ষ্মণৌৰ নবাবৰ ঠাই পঠাব লগা হলে ভাল চতুৰ দেখি বৰকটকী একজনক পঠায়। তেওঁৰ হাততে সোন চৰোৱা পাতত কাৰ্চী বা নাগেৰী বা অসমীয়া আখৰেৰে লিখি খামত ভৰাই লাবে চাব মাৰি সেই খাম উত্তম সিংখাপৰ মোনাত ভৰাই কটকীক দিয়ে। আৰু পত্ৰচিন্ন যি দিয়ে তাকো দি লগত মানুহ দি পঠাই দিয়ে। সেই কটকীয়ে গৈ যি দিন গৌৰ বা অন্য বাদ্‌সাহৰ ঠাই উঠিব পাগ জামা পিন্ধি সেই পাগৰ ওপৰতে পত্ৰৰ সিংখাপৰ মোনা খুচি লৈ যাব। সভাহ বা চ'ৰা ঘৰত উঠি সেই পত্ৰচিন্ন সকল দিব। এবং বজাঘৰৰ কুশল মঙ্গলাদি খুৰি চিঠি পাঠ কৰা লোকে পাঠ কৰি শুনালে কটকীক থাকিবৰ ব্যৱস্থা কৰি খাবৰ আয়োজন কৰি দিব। পৰে দুই তিনি বা ততোধিক দিন কটকীক ৰাখি পৰে চিঠি-পত্ৰ সন্দেশ পত্ৰচিন্ন দি কটকীকো ধন বস্ত্ৰ-দ্ৰব্য দি মন সন্তোষেৰে পঠাই দিয়ে। কিন্তু চালাকি, চতুৰ কটকী হলে অধিক প্ৰাপ্ত হয় লগুৱা অন্ন-সন্ন পায়। তথাপি

দুই তিনি বেলি পৰদেশলৈ গলে তেওঁলোকে ভালমতে প্ৰবৰ্ত্তিব পৰা হয়। এতদ্ভিন্ন অন্যান্য কটকীও সভাত থাকে। সক সক বিষয়া পাতে, তাতো কিছু প্ৰাপ্তি হয়। এইমতে প্ৰবৰ্ত্তন হয়। এই কটকী প্ৰায়স ব্ৰাহ্মণ, চতুৰ লোক চাই লয়। ক্ৰমে তেওঁলোকে বৰকটকী হয়। ৩২৮ ॥

খাওন্দ।—এই খাওন্দ প্ৰায় ব্ৰাহ্মণেহে হয়। ৰজা ও ডাঙৰীয়া, গোহাঞিসকলৰ মৃতা অস্থি গঙ্গা যমুনাদি তীৰ্থত লগাই ব্ৰাহ্মণক দান-দক্ষিণা ভোজন কৰাব লাগে। খাওন্দৰ এই কৰ্ম্ম। ৩২৯ ॥

খাওন্দ

বৰাগী।—পূৰ্ব্বে দেশসকলত চকী আছিল। হঠাৎ মানুহ পৰদেশলৈ যাব নোৱাৰাত অন্যত্ৰ দেশৰ আচাৰ-নীতি পিন্ধা-উৰা ও অলঙ্কাৰ কি প্ৰকাৰ জানিব নাপায়। এই কাৰণে লাংটা বৈৰাগীৰ খেল কৰি বেশছন্ন পূৰ্ব্বক দেশ-দেশান্তৰি যাই যি যি দেশৰ যি ৰীতি, বস্ত্ৰালঙ্কাৰ পিন্ধাৰ নমুনা, সোধ-পোছৰ ৰীতি, ফুৰা-চিকাৰ নিয়ম স্বৰ্গদেৱত জনাই থাকিব লাগে। খাওন্দৰ এই কৰ্ম্ম। এই খেল ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ আমলে বিশেষ দৃঢ় হল। ৩৩০ ॥

বৰাগী

দলৈ।—এই দলৈ তিনি ৰকম। বৰদলৈ, মাজু দলৈ, সৰু দলৈ। এওঁলোকে ৰজা ও বৰফুকনৰ সভাত থাকিব লাগে। অনাবৃষ্টি ও দুৰ্ভিক্ষাদি দেশত হলে কোন গ্ৰহৰ গতিকে হৈছে সেই গ্ৰহৰ গ্ৰহ-যজ্ঞ ও যাগ ও শান্তি কৰিব লাগে। আৰু ৰজা, ডাঙৰীয়া, গোহাঞি, ফুকন, বৰুৱাদি পীড়িত হলে কোন গ্ৰহৰ পীড়াতে হৈছে তাক কব লাগে। সেই অনুসাৰে গ্ৰহ-যজ্ঞ ও যাগ, শান্তি কৰে। তাতে দলৈবোৰৰ প্ৰাপ্তি হয়। আৰু খাটনিয়াৰ বলত হলে কোনোসকলে সৰু সৰু দেৱালয় এখন পায়। আৰু ৰণ হলে কোনো বৰদলৈ যুদ্ধাৰো সেনাপতি, ফুকন বা বৰুৱা লগত যায়। এহাৰ তাৎপৰ্য্য এই, যুদ্ধলৈ সেনা ওলালে কোন খেণত ওলাই কোন দিশে যাব

দলৈৰ যাব

ভাক কৈ পঠাব লাগে। সৰু দলৈ ও মাজু দলৈৰ পৰা বৰদলৈ হয়। যি পঢ়ন-শুনত ভাল চতুৰ হয় সেই বৰদলৈ। কাকতী, কটকী, খাওন্দ, বৰাগী, দলৈ, এই পাচটি খেল ভাল বোলা যায়। অথচ এওঁলোকে ৰজাঘৰ বা ডাঙ্গৰীয়া ও গোহাঞি ও অন্যত্র চমুৱা ফুকন, বৰুৱাৰ ভাবে হলে বেগাৰাদি হজুৰালি কৰ্ম্ম কৰিব নালাগে ও কোনো দ্ৰব্যাদি যোগাব নালাগে। কেৱল ওপৰোক্ত কৰ্ম্ম কৰি থাকিব। ৩৩১ ॥

# আহোম স্বৰ্গদেৱ আৰু ডাঙ্গৰীয়াসকল।

অথঃ আসাম দেশৰ পূৰ্ব্বীয় ৰাজাসকলৰ ও ডাৰীঙ্গয়া, বৰবৰুৱা, বৰফুকনৰ নামাৱলীৰ ফৰ্দ্দ অথচ নিৰ্ঘণ্ট।

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
|---|---|---|---|---|---|---|---|---|---|---|
| নম্বৰ | ৰাজাগণৰ নাম | শাক্তি | মোতাবেক শক | ইংৰেজী সন | ভোগৰ সংখ্যা | বুঢ়াগোহাঞি | বৰগোহাঞি | বৰপাত্ৰ-গোহাঞি | বৰবৰুৱা | বৰফুকন |
| ১ | সৌমাৰ পীঠৈ অগা ঃ ফা ৰাজা | ১ কাপ্‌ত্যেও | ১১৫১ | ১২২৯ | ৩৯-৪-১৫ দিন | থাওমু ক্লিংলুন্ মাঃৰাই | থাওমুংকানঙ্গন্ | ... | ... | ... |
| ২ | ঐ ৰাজাৰ পুত্ৰ চুতেউফা | ১ কামাও | ১১৯০ | ১২৬৮ | ১৩ | তদপুত্ৰ থাওকক | তদপুত্ৰ চাওবিন | ... | ... | ... |
| ৩ | তদপুত্ৰ চুবিন্‌ফা ৰাজা | ১ ডাপ্‌মাও | ১২০৩ | ১২৮১ | ১২ | ঐ থাওকক | ঐ চাওবিন | ... | ... | ... |
| ৪ | তদপুত্ৰ চুখাংফা ৰাজা | ২ মুংমাও | ১২১৫ | ১২৯৩ | ৩৯ | ঐ | ঐ | ... | ... | ... |

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| ৫ | তদপুত্র চুখাংফা | ২ বাইচিঙ্গা | ১২৫৭ | ১৩৩২ | ৩১ | থাওক্রুডাম | খুন্তালাকৰ তাক্রিখিন্ | | ... | ... |
| ৬ | তদভাতৃ চুতুফা বাজা | ৩ প্রেকজ্নি | ১২৬৮ | ১৩৬৪ | ১২ | ঐ | ঐ | ... | ... | .. |
| ০ | অৰাজক | ৩ কামাও খুতজ্নি | ১২৯৮ | ১৩৭০ | ৭ | ঐ | ঐ | ... | ... | ... |
| ৭ | তদভাতৃ ত্যাওখামথি | ৩ কাপ্‌চিঙ্গা | ১৩০২ | ১৩৮০ | ৯ | চাওপাইপুম | ত্যাতানবিন | | ... | ... |
| ০ | অৰাজক | ৩ কামাও | ১৩১১ | ১৩৮৯ | - | ঐ | ঐ | . | | . |
| ৮ | তদপুত্র চুডাংফা ওৰফে বামুনী কোঁৱৰ | ৩ তাওতোও | ১৩২০ | ১৩৯৮ | - | ঐ | ঐ | | ... | ... |
| ৯ | তদপুত্র চুজাংফা | ৭ কবাও | ১৩২৯ | ১৪০৭ | ১৫ | চাওপাইপুম | ন' চুখাম | | | |
| ১০ | তদপুত্র চুফকফা | ৪ বাইতোং | ১৩৭৭ | ১৪২১ | ১৭ | খেনপু | ৰংলিম | | | .. |
| ১১ | তদপুত্র চুচেন্‌ফা | ৪ কাচেও | ১৩৬১ | ১৪৩৯ | ৭৯ | ঐ | ঐ | | . | .. |
| ১২ | তদপুত্র চুহান্‌ফা | ৪ তাওচিঙ্গা | ১৪১০ | ১৪৮৮ | ৫ | ঐ | ত্যাওকা বান্ বেক—১ লাংবাং—২ | ... | .. | |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
|---|---|---|---|---|---|---|---|---|---|---|
| নম্বৰ | ৰজাগণৰ নাম | লাক্নি | গোভৰেক শক | ই ৰেজী সন | ভোগ | বুঢ়াগোহাঞি | বৰগোহাঞি | বৰপাত্ৰ গোহাঞি | বৰবৰুৱা | বৰফুকন |
| ১৩ | তদপুত্ৰ চুপিমফা | ৪ মুংকেও | ১৪১৫ | ১৪৯৩ | ৪ | ফনলু খামপেং ৰাজমন্ত্ৰী | ঐ লাংৰাং | ... | ... | ... |
| ১৪ | তদপুত্ৰ চুহুমু ওৰফে স্বৰ্গনাৰায়ণ দিহিঙ্গীয়া ৰজা | ৪ কংমাও | ১৪১৯ | ৪৯৭ | ৪২ | ঐ ফনলু খামপেং ১ ত্যাওচা-ৰাই ২ লাঙ্গিধুপুৰা ৩ | ফ্ৰাচেংমুং ৰাজমন্ত্ৰী ১ কিলিংথাম্ ২ তন্থাম ৰাজ-মন্ত্ৰী ৩ | কনচেং ৰাজমন্ত্ৰী | ... | ... |
| ১৫ | দিহিঙ্গীয়া ৰজাৰ পুত্ৰ চুক্লেন্মুং গড়গঞা ৰজা | ৫ কাৰাও | ১৪৬১ | ১৫৩৯ | ১৭ | নাজান ১ নাপেতত্যাও-ফ্ৰুংডাম ২ আইখেক ৰাজ-মন্ত্ৰী ৩ | তন্থাম | কন্জাং | ... | ... |
| ১৬ | তদপুত্ৰ চুখামফা খোৰা-ৰজা | ৫ ৰাইমিত্ | ১৪৭৪ | ৫৫২ | ৫৯ | চাওপেত্ | ঐ | বলিযা | ... | ... |

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| ১৭ | জনপুত্ৰ চুচেংফা ওৰফে বুদ্ধিস্বৰ্গনাৰায়ণ ও প্ৰতাপসিংহ | ৬ ডাপ্‌বাও | ১৫৩৩ | ১৫১১ | ৩৮ | ?কবক ৰাজমন্ত্ৰী ১, ?কুলাছত্ৰ ২ | ?ামপেত ১, চে মুন মুনিষ ২, [illegible] ৩, ?াম্‌চিন ৩, ১ সোলা ৪, [illegible] ৫, [illegible] ৬, [illegible] ৭, ঐ সকচুত ৮ | ওলে-ঘোৰা ১, মৰাণৰ-[illegible] ২, ৰাজমন্ত্ৰী ২ | মোমাই তামুলী ১ | পানী-সিয়া ১, নেওগ ২, ভালধি-টৈলা ৩, পিকচাই ৪, সকচকুৰা ৫, ঐ পিক-চাই ৬, ঐ পানী-[illegible] ৭ |
| ১৮ | জনপুত্ৰ চুৰমফা ওৰফে ভগা ৰাজা | ৬ কাকেও | ১৫৭১ | [illegible] | ০ | [illegible] | ঐ সকচ[illegible] | ঐ [illegible] | [illegible] | … |
| ১৯ | জনপুত্ৰ চুতিয়াংফা ওৰফে নৰিয়া ৰাজা | ৭ বাইচি | ১৫৭৪ | [illegible] | ২ | [illegible] ১, [illegible] ২, [illegible] ৩, [illegible] ৪ | ঐ সক[illegible], [illegible], ঐ সকচ[illegible], [illegible] ১ | ঐ [illegible] ১ | [illegible] ১, [illegible] ১, [illegible] ২ | … |
| ২০ | জনপুত্ৰ চুতাম্লা ওৰফে জয়ধ্বজসিংহ ভগনীয়া ৰাজা | ৭ প্ৰেকচি | ১৫৭৯ | [illegible] | ৯ | ঐ [illegible] ১, ১ [illegible] ২, ৩ [illegible] ৩ | ৩ [illegible] ১, ৯ [illegible] ২ | [illegible] ১, চেৰেলীয়া ভগা ২ | ঐ [illegible] ১, ৫ [illegible] ঘোৰা ১ | বাছুলি |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
|---|---|---|---|---|---|---|---|---|---|---|
| নম্বৰ | ৰজাগণৰ নাম | লাক্নি | মোতাবেক শক | ই ৰেজী সন | ভোগ | বুঢ়াগোহাঁঞি | বৰগোহাঁঞি | বৰপাত্ৰ-গোহাঁঞি | বৰবৰুৱা | বৰফুকন |
| ২১ | চুপ মুং ওৰফে চক্ৰধ্বজ সিংহ | ৭ মু প্লাও | ১৫৮৫ | ১৬৬৩ | ৭ | ঐ আতন ৰাজ-মন্ত্ৰী | ঐ লাঙ্গিচ | লাঙ্গি ১ লাতাও ২ | ঘোৰ-কোঁৱৰ | ঘোৰা কোঁৱৰ ৭ লাচিত |
| ২২ | অদভাত চুঙ্গফা ওৰফে উদয়াদিত্য | ৭ কাপ্চান্ | ১৫৯২ | ১৬৭০ | ১ | ঐ | ঐ | হাঁডি—১ চপা—২ | ৭ পলন-১ ৯ দেবেৰা-২ | লালুক সোলা |
| ২৩ | অদভাত চুক্লম্ফা ওৰফে ৰামধ্বজ | ৭ ৰাইমিত্ | ১৫৯৪ | ১৬৭২ | ১ | আতন ৰাজমন্ত্ৰী | চেংমুন্ | চপা | দেবেৰা | লালুক-সোলা |
| ২৪ | চুহুং ৰজা | ৭ প্লেক্ত্যেও | ১৫৯৬ | ১৬৭৪ | ০-১ ১৫ | ঐ | ঐ | ঐ | ঐ | ঐ |
| ২৫ | গোবৰ ৰজা | ঐ | ঐ ১৫৯৬ | ঐ ১৬৭৪ | ০-০-২০ | ঐ | ঐ | ঐ | ঐ | ঐ |
| ২৬ | চুজিন্ফা ৰজা | ৭ প্লেক্ত্যেও | ১৫৯৬ | ১৬৭৪ | ২-৯-২৫ | ঐ | ১ লালুক | ঐ চপা | কিৰ্কিৰীয়া | ঐ লালুক |
| ২৭ | চুডৈফা ৰজা | ৭ কংমাও | ১৫৯৯ | ১৬৭৭ | ২ | দীঘলা ৰাজমন্ত্ৰী | ৪ শেন | লাচাম কলা | মেচা ১ চক্ৰপাণি ২ | ঐ |
| ২৮ | চুলিক্ফা ওৰফে লৰাৰজা | ৮ কাচেও | ১৬০১ | ১৬৭৯ | ২ | ঐ | লাইথেপেনা | ঐ | মৰাঙ্গি ১ আলনবুঢ়া ২ | ভাৰধৰা ১ ২ বন্দৰ ২ |

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| ২৯ | গদাপাণি ওৰফে গদাধৰসিংহ ওৰফে চুপাতফা ৰজা | ৮ খুন্‌মিত্ | ১৬০৩ | ১৬৮১ | ১৪-১০ | ২ মৌও ১<br>৫ পামপে ১ | ঐ ৰাজমন্ত্ৰী | আচুক | ১০ টেমা | সন্দিকৈ |
| ৩০ | তদপুত্ৰ লাই ওৰফে চুখ্ৰুংফা ৰুদ্ৰসিংহ ৰজা | ৮ খুন্‌মিত | ১৬১৭ | ১৬৯৬ | ১৮-৬ | ২ [illegible]<br>৪ [illegible]<br>[illegible] ২ | ১ [illegible] ৰাজমন্ত্ৰী | [illegible] ৰাজমন্ত্ৰী | ৯ বুঢ়া ১<br>১১ কাটি ১<br>৯ টেকা ৩<br>৯ বৰাগী ২ | ৯ বৰভজনা ১<br>পান্ডৱ ২ |
| ৩১ | কদৰ্পসিংহৰ পুত্ৰ চুতনফা ওৰফে শিৱসিংহ ৰজা | ৯ প্ৰেকচি | ১৬৩৬ | ১৭১৪ | ৩০ ৩-১১ | ৬ [illegible]<br>৬ [illegible]<br>১ [illegible] | ১ [illegible]<br>[illegible]<br>[illegible] ১ | [illegible] ১<br>[illegible] ২ | ঐ [illegible]<br>১১ [illegible] | ১১ বিজয় ১<br>২ [illegible] ২<br>[illegible] ১ |
| ৩২ | তদভ্ৰাতৃ চুনেনফা ওৰফে প্ৰমত্তসিংহ | ৯ কা[illegible] | ১৬৬৬ | ১৭৪৪ | ১১ ৫ | ৬ [illegible] | ১ [illegible]<br>[illegible] | [illegible] | ১১ [illegible]<br>৭ [illegible] | ঐ [illegible] |
| ৩৩ | তদভ্ৰাতৃ চুৰেমফা ওৰফে ৰাজেশ্বৰসিংহ | ৯ ডাংচেং | ১৬৭৩ | ১৭৫১ | ১৭-৭-২১ | [illegible]<br>১ [illegible] | ১ [illegible]<br>২ [illegible]<br>৫ বৰভজনা | [illegible]<br>১ [illegible]<br>২ [illegible]<br>ৰাজমন্ত্ৰী ১ | ঐ | ১১ [illegible]<br>[illegible] ১<br>[illegible] ১ |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
|---|---|---|---|---|---|---|---|---|---|---|
| নম্বৰ | ৰজাসকলৰ নাম | লাক্নি | মোতাবেক শক | ইংৰেজী সন | ভোগৰ সংখ্যা | বুঢ়াগোহাঞি | বৰগোহাঞি | বৰপাত্ৰ-গোহাঞি | বৰবৰুৱা | বৰফুকন |
| ৩৪ | তদভাতৃ চুন্সেউফা ওৰফে লক্ষ্মীসিংহ | ৯ কাকেও | ১৬৯১ | ১৭৬৯ | ১১-৬-১০ | ঐ ভগি ১<br>ঘনশ্যাম ২ | বাইলুঙ্গ ৰাজ-মন্ত্ৰী | মৰাণ ১<br>তদপুত্ৰ ২<br>২ কদ্ৰেশ্বৰ ৩ | ১২ ভদ্ৰ-সেন ১<br>৪ আদা ৰৰীষা ওৰফে শিব-ৰাম ২ | ১২ কাশী ২<br>১৩ লাহন ২ |
| ৩৫ | তদপুত্ৰ চুহিত্পংফা ওৰফে গৌৰীনাথসিংহ | ১০ ডাপ্‌কেও | ১৭০২ | ১৭৮০ | ১৪-৭-২২ | ঐ ঘনশ্যাম ৰাজ-মন্ত্ৰী ১, তদপুত্ৰ পূৰ্ণানন্দ ৰাজমন্ত্ৰী ২ | ৫ ভিচোনাৰাযণ ১<br>তদপুত্ৰ নিৰ্ভয়-নাৰাযণ ২<br>৮ গঙ্গাৰাম ৩<br>ঐ নিৰ্ভয় ৪ | ঐ কদ্ৰেশ্বৰ ৰাজমন্ত্ৰী ১<br>অনি ২ | ৪ নাম তিৰালৰ ভাগতী ১<br>১৪ জয়-নাথ ২<br>১০ বাছ-কটীয়া ৩ | ঐ সেনা-পতি হৰনাথ ১<br>৮ গগৈ ২<br>১২ মেধি ৩<br>৯ শিবনাথ ৪<br>বুঢ়া-চেটিয়া ৫<br>ঘিণাই বদনচন্দ্ৰ ৬ |

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| ৩৬ | কমলেশ্বৰসিংহ | ১০ কাত্প্লাও | ১৭১৭ | ১৭৯৫ | ১৫-৫ ১০ | তপ পূৰ্ণানন্দ | ৮ গজাবাম ১<br>৫ নবজীব | ঐ অনি ১<br>২ দুৰ্গেশ্বৰ ২ | ৪ অবি ১<br>৮ শ্ৰীনাথ ১ | ৮ গেন্ধেলা বৰ্জযোৱা ওৰফে কলীয়া ভোমোৰা ও প্ৰতাপ বল্লভ |
| ৩৭ | অভাত চন্দ্ৰকান্তসিংহ | ১০ ডাপ্চেও | ১৭৩২ | ১৮১০ | ৭ ০-৫ | ঐ তদপুত্ৰ কৃষ্ণ-নাথ বাপুদেৱ | নিৰ্ভয়নাৰায়ণ বাজমন্ত্ৰী | দুৰ্গেশ্বৰ ১<br>পুনঃ দণ্ডেশ্বৰ ১<br>মনী ১ | শ্ৰীনাথ ১<br>মনী ১ | ঐ প্ৰতাপ-বল্লভ ১<br>মদনচন্দ্ৰ ২<br>... ১ |
| ৩৮ | পুৰন্দৰ<br>পুৰন্দৰসিংহ ৰাজা | ১০ ড্যাওতোও | ১৭৩৯ | ১৮১৭ | ১-০ ১৭ | ঐ | ১ মাধৱচন্দ্ৰ | - | ৪ মনী ১<br>৪ দিপাই ১ | ১ চন্দ্ৰেশ্বৰ পুত্ৰ নিৰ্গুণ ১<br>১০ গদাধৰ ২<br>৮ দিপাই ১ |

এই পর্য্যন্ত ইন্দ্রবংশীয় ৰাজাৰ বিবৰণ লিখি সমাপ্ত কৰা হল। এহাৰ পৰ মানে দেশত অনেক দুৰ্গতি কৰিলে এবং ১৭৪২ শকৰ ৩ চৈত্রৰ পৰা স্বতন্ত্র ৰাজা নাইকিয়া হল। এহেতুকে মানৰ দিন বোলা যায় ৩ বছৰ ১০ মাহ ১৯ দিন।

প্ৰথম খণ্ডৰ সামৰণি

তদপৰ কোম্পানী বাহাদুৰৰ তৰফ ডেবিডইস্কাট কমিচনৰ আহি এই আসাম দেশ মানক খেদি দখল আক্ৰমণ কৰিলে; এই হেতুকে ইংৰেজৰ দেশ বোলা যায়। তদ বিবৰণ দ্বিতীয় খণ্ডে বিবৃত হব। সমাপ্তোয়ং। ৩৩৩॥

( ইতি হৰকান্ত শৰ্ম্মাবৰুৱা সদৰামীন ৰচিত আসাম বুৰঞ্জী প্ৰথম খণ্ড সমাপ্ত।)

সমাপ্ত।

# পৰিশিষ্ট—ক

## সোণামুৰা পৰিয়ালৰ বংশাৱলী।

শ্ৰীকৃষ্ণায় নমঃ। অথঃ সোনামুৰা বা নগামজুন্দাৰ বৰুৱাৰ বংশাৱলী।—আচল হিন্দুস্থান কান্যকুব্জ প্ৰদেশে দৈত্যাৰি নামক শৰ্নিবিপ্ৰ পৰশুৰাম কুণ্ডে স্নান কৰিবৰ

দৈত্যাৰিৰ অসম আগমন

নিমিত্তে পূৰ্বাভিমুখে আহি অসমদেশ পালে। সেই সময়ত দিল্লীৰ বাদসাহ আসামদেশ আক্ৰমণ কৰি কলিয়াবৰ পৰ্য্যন্ত দখল কৰিছিল। গুৱাহাটীত তেতিয়া বৰফুকন নাছিল। পানীফুকন নামেৰে কাৰ্য্যকাৰী আছিল। বৰগোহাঁয়েও তাতে আছিল। এনে সময়ত কোঁচবেহাৰৰ নৰনাৰায়ণ ৰাজা ও চিলাৰায়ে ১৪৮৫ শকত আসামদেশ লবৰ মনেৰে উত্তৰে গোহাঁই-কমলা আলিৰে সৈন্য-সামন্ত সহিতে গৈ খোৰা-ৰাজাদেৱৰ সৈন্যৰে সহিতে যুদ্ধ কৰাত ৰাজাদেৱ ঘাটি চৰাইদেও পৰ্ব্বতত উঠিলগৈ। নৰনাৰায়ণ ৰাজা দেশ ললে। অথচ হাবুঙ্গে গৈ যুদ্ধ কৰি দেশ ললে। সেই সময়ত কলিয়াবৰত বৰগোহাঁই চকী দি আছিল। ১১৪ ॥

সেই সময়ত সূৰ্য্যবৰ সূৰ্য্যবিপ্ৰ গাই উপস্থিত হোৱাতে চকীয়ালে পাই বৰগোহাঁইত সাক্ষাত কৰি দিলে। এবং অতি তেজস্বী দেখি সোধাত কলে, “কান্যকুব্জ দেশৰ পৰা

সূৰ্য্যবৰ বিপ্ৰ

পৰশুৰাম কুণ্ডত স্নান কৰিবৰ নিমিত্তে আহিছোঁ। আৰো মই সূৰ্য্যবিপ্ৰ, জ্যোতিষ শাস্ত্ৰ জানোঁ।” পুনৰ সুধিলে, “জ্যোতিষ শাস্ত্ৰে কি কয়?” উত্তৰ দিলে, “ভূত, ভবিষ্যত, বৰ্ত্তমানৰ কথা কব পাৰি।” বৰগোহাঁয়ে কলে, “এতিয়া আমাৰ ৰজা কোন স্থানে আছে?” উত্তৰ দিলে, “স্থানভ্ৰষ্ট হই পূবফালৰ পৰ্ব্বতত গৈ আছে। অন্য ৰাজা আহি দেশ আক্ৰমণ কৰি লৈছে। পুনৰ আপুন ইচ্ছাতে দেশ এৰি দি গুচি যাব।” পুনৰ সুধিলে, “কেতিয়া এৰি দি যাব?” তেওঁ গণনা কৰি কলে “অমুক শক, মাহ, তাৰিখে দেশ এৰি দি যাব।” সেই কথাকে সত্য মানি বৰগোহাঁয়ে ৰাজাৰ ঠাইলৈ পঠাই দিলে। খোৰা-ৰজাদেৱেও সেইমত সোধাতে সেইমত ঠিকঠাক কৰি কলে। পাচে ৰাজা-দেৱে কলে, “যদি তোমাৰ কথা সত্য হয় ভাল মানুহ কৰিম, নহলিলে কাটিম।” এই বুলি নগতে আটক হেন কৰি বাখিলে। কতো দিনান্তৰে সংখ্যা অনুসাৰে

নৰনাৰায়ণ ও চিলাৰায়ে প্ৰীতিৰে দেশ এৰি দি আপুন কোঁচবেহাৰ দেশে গল। ৩৩৫ ॥

পাচে খোৰা-ৰাজাদেৱে বৰ বং পাই সেই সূৰ্য্যবৰ সূৰ্য্যবিপ্ৰক সোনৰ মুখ কৰি পিন্ধায় ; সোনৰ মুখৰে কলে, সেহেতু সোনামুৰা নাম দিলে। আৰো সোনৰ লগুণ দি, হাতী দি, সকল জ্যোতিয়াৰ ওপৰত বৰদলৈ পাতিলে। সেই কালত বৰদলৈয়ে বৰবিষয়া হেন আছিল। পাচে স্বৰ্গদেৱে সেই সূৰ্য্যবৰ বিপ্ৰক লগত মানুহ দি পৰশুকুণ্ডত স্নান কৰাই আনি দেশত যাব নিদি সূৰ্য্যবিপ্ৰৰ ভাল কন্যা আনি বিবাহ দি ৰাখিলে ও অনেক ধন বস্ত্ৰ দাস-দাসী দিলে। ৩৩৬ ॥

সোণামুৰা

সেই সোনামুৰা বৰদলৈৰ পুত্ৰ জয়ানন্দ নামে এটি হল। তেওঁক বৰদলৈ পাতি অনেক আদৰে ৰাখিলে। ঐ জয়ানন্দ বৰদলৈৰ পুত্ৰ ময়ুৰ ও বকুল। ঐ বকুল পৰ্ব্বতীয়া বৰুৱা বিষয় পাইছিল। তেওঁৰ সন্ততি নাই। ৩৩৭ ॥

জয়ানন্দ

ময়ূৰ মজুন্দাৰ বৰুৱা দুই হাতী ও সোনৰ থাক আদি ও পৰ্চিদোলা ৰজাঘৰৰ পৰা দিলে। মজুন্দাৰ বৰুৱাৰ কৰ্ম্ম এই।—ৰাজাৰ সমীপে সৰ্ব্বদা থাকিব লাগে। ৰাজাৰ আজ্ঞাৰে বুঢ়াগোহাঁই ও বৰগোহাঁই ও বৰপাত্ৰ-গোহাঁই, এই তিনি জনা ডাঙৰীয়া, আৰো শদিয়াল গোহাঁই ও মৰজি-খোৱা গোহাঁই ও সলাল গোহাঁই এই তিনি জনা দাঁতিয়াল গোহাঁই, আৰু বৰবৰুৱা বৰফুকন ও ৰাজখোৱা ও চুমুক বৰুৱা ফুকনক কথা শুনাই ভঙ্গাপতা কৰিব লাগে। তেওঁলোকৰ পাশ যোগ্যমতে ওলগনি বাবে বেটী-বন্দী, ম'হ-গৰু, তাম-পিতল, এক সঁজুলি, শোৱা খাট-তুলি, পাটি ও পিন্ধা অলঙ্কাৰ ও ৰাজামহৰি টাকা পায় তাক কৰই নালাগে। চোৰাজনা বিষয়াই অবশ্যে দিয়ে। আৰো মজুন্দাৰ বৰুৱা প্ৰায় ৰাত্ৰিন্দিবা ৰাজাৰ কাখতে থাকিব লাগে। ৰাতি হলে পালীঘৰ থাকে, তাতে থাকে। কোনো কোনো সময় ৰাজাই বিচাৰ কৰিলে সেই ৰাতিতে চাংঘৰত উঠি ৰাজাৰ সাক্ষাত হব লাগে, ও কোন কথা কলে সেই ৰাতি অথবা দিনত আজ্ঞা প্ৰচাৰ কৰিব লাগে। মজুন্দাৰ বৰুৱাৰ দ্বাৰাহে সকল আজ্ঞা প্ৰচাৰ হয়। আৰো কোন সময়ত ৰাতিতে মজুন্দাৰ বৰুৱা সহিতে নিৰিবে মন্ত্ৰণা যুক্তিকো কৰিব লাগে। মজুন্দাৰ বৰুৱা ৰজাৰ ভিতৰ বিশ্বাসী এক প্ৰকাৰ মন্ত্ৰীৰ ন্যায়। তিনিজনা ডাঙৰীয়া প্ৰভৃতি সকলোৱে মজুন্দাৰ বৰুৱাক

মজুন্দাৰ বৰুৱা

ভয় কৰি আশা-ভাৰসা ৰাখে। অন্তকি ৰাজাৰ বিনানুমতিতে তিনিজনা ডাঙৰীয়া ঘৰে গলে জগৰ লাগে। ৩৩৮ ॥

আৰো পৰদেশৰ ৰাজা কি বাদসাহ উজিৰ নবাবৰ পাশ কটকী পঠাব লাগিলে মজুন্দাৰ বৰুৱাই ইংৰাজী বা কাৰ্চী কিম্বা নাগেধা ব' আসামীয়া আখৰেৰে সোন-

**চিঠি দিয়া প্ৰণালী আৰু কটকীৰ কৰ্ত্তব্য**

চৰোৱা তোলাপাতত পত্ৰ লিখি তোলাপাতৰ খামৰ ভিতৰ সোমোৱাই লাবে সিংহ চাব মাৰি কিংখাপৰ মোনাত ভৰাই লাহাত সিংহ চাব মাৰি বন্ধ কৰি যাক পঠাবৰ মন হয় সেই কটকীৰ হাতত দি লগত মানুহ নিবন্ধ কৰি দিয়ে। কটকীসকলৰ এই কৰ্ম্ম। ৩৩৯ ॥

আৰো কটকী উলটি আহি যি পত্ৰ ও পত্ৰচিৰ্ণ আছে অথবা অন্যত্ৰ ৰাজাৰ কটকী আহিলে পত্ৰচিৰ্ণ সহিতে পত্ৰ মজুন্দাৰ বৰুৱাৰ হাতে দিলে। মজুন্দাৰ বৰুৱাই পঢ়ি

**ৰাজসভাৰ বিষয়**

শুনায়। পৰদেশৰ কটকী আহিলে আৰো ডাঙৰ কথা হলে তিনিজনা ডাঙৰীয়াক আহ্বান কৰি ৰজাৰ ৰবচ'ৰাত নিয়মমত বহোৱায় আৰু অন্য চমুৱা বৰুৱা ফুকনসকলো নিয়মমতে বহে। চ'ৰাঘৰৰ বাহিৰে পাইক ও চিপাহী, তাৰ বাহিৰে ঘোঁৰা, তাৰ বাহিৰে হাতীৰে পালী ধৰে। পৰে ৰাজাদেও কেকোৰাদোলাৰে আহি সিংহাসনত বহিলে তিনিজনা ডাঙৰীয়া প্ৰভৃতি সকলোৱে আঠু চুঙ্গাই সেৱা কৰে। সেই ডাঙৰ সভাত সকলোৱে জামা, পাগ আৰো ৰচোৱাল যাক নিমতে অলঙ্কাৰ পিন্ধিব ৰজাঘৰৰ দিছে, সেইমতে পিন্ধি সভাত আছে। মজুন্দাৰ বৰুৱাৰ পাগ, জামা, সোনৰ খাৰু, কাণত কৰ্ণবালা, পৰিধান কৰি ৰাজাক আঠু চুঙ্গাই কথা জনাই চোপাম কৰি কটকী তোলে। চাৰিও ফালৰ লোকসকল নিশব্দ থাকে। ৩৪০ ॥

এইদৰে চাৰি পাঁচ বাৰ চোপাম কথাবাৰ্ত্তা মঙ্গল সুধি মজুন্দাৰ বৰুৱাই ৰাজা-দেৱত জনায় আৰ যি পত্ৰ সন্দেশ অথচ পত্ৰচিৰ্ণ আছে তেতিয়াই যোগায়। যি পত্ৰ

**ৰাজসভাত মজুন্দাৰ বৰুৱাৰ কৰ্ত্তব্য**

আছে তেতিয়াই পঢ়িবৰ অনুমতি হলে পঢ়ি শুনায় অথবা পৰেও শুনায়। পৰদেশী কটকীক বেৱস্থা, থাকিবৰ নিবন্ধ কৰি দিয়ে। পৰে মজুন্দাৰ বৰুৱাই স্বৰ্গদেৱৰ অভিপ্ৰায় জানি "পাচনি ৰবা, ৰটা দে," এনে বুলিলেই তৎক্ষণাৎ চেওপাতেৰে তামোল তিনিজনা ডাঙৰীয়াক যোগায় ও দোৱলীয়া ফুকনে তেতিয়া দোলা যোগালে স্বৰ্গদেৱে উঠি ভিতৰ চাংঘৰে যায়। পাছে সভা বিসৰ্জ্জন হয়। লোকসকল স্থানে স্থানে যায়। এইসকল কৰ্ম্ম মজুন্দাৰ বৰুৱাৰ নিত্য কৰ্ম্ম ; অন্য যাবা হব নোৱাৰে। ৩৪১ ॥

আৰো ওপৰে কোৱা তিনিজনা ডাঙ্গৰীয়া প্ৰভৃতি ডাঙ্গৰ ডাঙ্গৰ বিষয়া ব্যতিৰেক অন্যত্ৰ বিষয়া পাতিব লাগিলে স্বৰ্গদেৱৰ আজ্ঞাৰে মজুন্দাৰ পাচনি মতে কটকীয়ে ভঙ্গাপতা কৰে। আৰো ৰজাদেৱে মাটি দেবত্তৰ ও ব্ৰহ্মত্তৰ ও ধৰ্ম্মত্তৰ ও নানকৰ আৰো পাইক দিবৰ ইচ্ছা হলে মজুন্দাৰ দ্বাৰা মহজৰ অথচ দলীল তাম্ৰফলি কৰাই দিয়ে। ঐ মহজৰে ৰজাৰ সিংহ-চাব মজুন্দাৰ বৰুৱাই মাৰি দিয়ে। তাৰ নকল মজুন্দাৰ বৰুৱাই একপ্ৰস্থ ৰাখে। তাকে পেৰাকাগজ বোলে। এইসকল মজুন্দাৰ বৰুৱাৰ দ্বাৰাহে হব পাৰে। ৩৪২ ॥

পেৰাকাগজ

ঐ মজুন্দাৰ ময়ূৰধ্বজৰ পুত্ৰ দয়াশীল ১, চতুৰ্ভুজ ২, যত্ন ৩, অনিৰু বাপেক ৪, ধেনুধৰা কাকতী ৫, পাচনি ডেকা ৬, বনমালী ডেকা ৭, ধোঁৱামৰা ডেকা ৮, কলীয়া ডেকা ৯, চিকন ডেকা ১০, মণি ডেকা ১১, অনি ডেকা ১২, এই বাৰ জন হল। চতুৰ্ভুজ ব্যতিৰেক অন্যৰ সন্ততি নাই। ৩৪৩ ॥

ময়ূৰধ্বজৰ পুত্ৰ সকল

ঐ ময়ূৰ মজুন্দাৰ অনেকটি ৰজাৰ দিনত মজুন্দাৰ বৰুৱাৰ কৰ্ম্ম কৰি ৰজাৰ বৰ বল্লভ হৈছিল। প্ৰায় ৰজাৰ লগতে থাকিব লাগে। অন্যকি মেল কৰা অথচ ভোজন কৰা সময়তো দেশদেশান্তৰৰ ৰজাসকলৰ আৰো অন্যত্ৰ কথা বা সাধুকথা কৈ ৰজাৰ মন তুষ্টি কৰাই থাকিব লাগে। ৩৪৪ ॥

ময়ূৰ মজুন্দাৰৰ প্ৰতি ৰজাৰ অনুগ্ৰহ

তাতে চাংমাই বৰুৱা প্ৰভৃতি আহোমসকলে ভাল নাপাই ৰজাদেৱত জনালে যে, হিন্দু মানুহ মেল কৰা সময়ত থকা ভাল নহয়। স্বৰ্গদেৱে কোনো উত্তৰ নিদিয়ে। তথাপি পুনঃ পুনঃ কোৱাতে স্বৰ্গদেৱে কলে, "যদি হেন্দু মানুহ থকা ভাল নহয়, তেবে জাত মাৰি আহোম জাতি কৰা যাওক। তথাপি মই বুঢ়া মজুন্দাৰ মেল কৰাত এৰিব নোৱাৰোঁ, থাকিবই লাগিব" তাতে চাংমাই বৰুৱা প্ৰভৃতি কলে, "হেন্দুৰ জাত মৰা উচিত নহয়" স্বৰ্গদেৱে কলে, "তেঁতে জাত মাৰিবকো নিদিয় যাতে, যাতে জাতি ৰক্ষা পৰে আৰো মই মেল কৰাতো থাকিব পাৰে, এনে এটা উপায় কৰ।" পাচে সকলোৰে ভাবিচিন্তি এই স্থিৰ কৰিলে যে ৰজাৰ বংশত তোম্মিদৈ ৰজাঘৰৰ পকা সাজ মাইহাঙ্গ সহিত পাব। সেই সাজ আহোম মজুন্দাৰ বৰুৱাই অন্য আহোমক খুৱাব। তেনে হলে জাতো বব আক খেলতো উঠিব। পাচে

নগা মজুন্দাৰৰ আহোমৰ খেলত ভুক্তি

স্বৰ্গদেৱে এই যুক্তি কৰি তিনিজনা ডাঙ্গৰীয়া সহিত মন্ত্ৰণা কৰি চেটিয়াপাত্ৰৰ খেলত লিখিলে আৰু নাগাম চেটিয়া নাম দিলে। এই কাৰণে এই খেল হল। সেই বৰাখৰৰ সাজতৈ মজুমদাৰ বৰুৱাই আজোন এক জনক খাবলৈ দিয়ে, সেই অনুসাৰে খায়। ৩৪৫ ॥

ঐ ময়ূৰ মজুমদাৰ বৰুৱাৰ পুত্ৰ দয়াশীল। তৎ পুত্ৰ চাৰুচন্দ্ৰ। তৎ পুত্ৰ অৰ্থবিৎ ওৰফে নগা মজুমদাৰ বৰুৱা। এওঁ অতি প্ৰতাপী ৰাজ্য বলভ আছিল।

**নগা মজুমদাৰ**

নানান বিধ অথচ কাচা নাগেৰী বাঙ্গালা ভোটৰ ও মানৱ অপৰ বিদ্যাকো জানিছিল। চকু কিছো সৰু আছিল। এইহেতু ৰাজাদেৱে আনন্দতে ও কৌতুকে নগাৰ নিচিনা সৰু চকু নগা এনে বুলিলে। সেই কাৰণে নগা মজুমদাৰ নাম হয়। অপৰ পুত্ৰ ঈশদত্ত। ৩৪৬ ॥

ঐ নগা মজুমদাৰৰ পুত্ৰ ৰাধাকান্ত ১ শ্ৰীকান্ত ১। অথচ স্বপত্নী সুকন্যা, তৎ পুত্ৰ ৰাধাকান্ত অতি সুনীত, মজুমদাৰ বৰুৱা হল পুত্ৰৰ বৰ পত্নী গীৰ, সৰু পত্নী কৃষ্ণমতী। বৰ পত্নীৰ পুত্ৰ গোপীকান্ত ১

**গোপীকান্ত**

বিষ্ণুকান্ত ১। ছোট পত্নীৰ পুত্ৰ শিৱকান্ত ও শ্ৰীচন্দ্ৰকান্ত ও গৌৰীকান্ত। গোপীকান্তৰ পুত্ৰ কালীকান্তও অতি উগ্ৰ মেজাজী লোক আছিল। তেওঁৰ অপৰ স্ত্ৰী তিলমতী নামে এটি ভাৰ্য্যা পৰিণয় কৰিছিল। তেওঁৰ সন্ততি নহল। গোপীকান্ত পুৰন্দৰ ৰাজা উজান খণ্ড ইংৰেজীৰ আমলে লালবন্দী পোদ্দাত্তে তেওঁ ষাঠ ফৌজদাৰীৰ পেষ্কাৰ হৈছিল। পৰে ৰাজাৰ স্বভাৱ বিপৰীত দেখি কৰ্ম্ম পৰিত্যাগ কৰি গৌহাটী আহিল। এওঁ কাৰ্চী ও নাগৰী ও বাঙ্গালা ও আসামীয়া ও জ্যোতিষ ও নিদান শাস্ত্ৰত পাৰদৰ্শী আছিল। জিনকিন্স কমিচনৰ আজেণ্ট নৱাব গৱৰ্ণৰ সাহেব মজুমদাৰ বৰুৱা পেছাপ দিছিল। আৰু মহাফেজী কৰ্ম্মত মকৰৰ কৰি ৰাখিছিল। আৰো এওঁ বৰুৱা চিকিৎসাশাস্ত্ৰত নিপুণ ও বিশ্বাস আছিল। তন্ত্ৰোক্ত মতে পূজা সেবাদি কৰ্ম্মত আসক্ত আছিল। কালক্ৰমে তৎ পুত্ৰ কালীকান্তৰ পিণ্ড গ্ৰহণ নকৰি গত হল। অথচ কালীকান্ত তত অগ্ৰেই গত হৈছিল হেতু তৎ ছোট পত্নী শ্ৰীতিলমতী অন্ত্যেষ্টি ক্ৰিয়া কৰ্ম্মাদি কৰিছিল ও কৰি আছে। কালীকান্তৰ কিছো বিদ্যা নাছিল। দেওনৰ বৰদলৈৰ দুহিত্ৰী নিলাই নামক কন্যা এটি বিবাহ কৰাই কোনোমতে উদৰ পূৰণ হৈছিল। ৩৪৭ ॥

তৎ পুত্ৰ পুষ্পকান্ত অপৰ শ্ৰীভূমিকান্ত। পুষ্পকান্ত চা-বাগিচাৰ কৰ্ম্ম কৰি প্ৰবৰ্ত্তন

কৰে। অল্প ইংৰেজী বিদ্যা জানে। ভূমিকান্তও অল্প ইংৰেজী জানে। পাৰ হোৱা

**পুষ্পকান্ত আৰু ভূমিকান্ত**

জাহাজৰ লোকজনৰ পয়চা লোৱা মহৰিৰ কযেক টকা দৰমহা পাই তদ্বাৰা প্ৰবৰ্ত্তন। বিষ্ণুকান্ত উজিৰৰ কন্যা এটি বিবাহ কৰাইছিল। কোন সন্তান নোহোৱাত গত হ'ল। সন্ততি নাই। ৩৪৮ ॥

ৰাধাকান্ত বৰুৱাৰ সকপত্নী কৃষ্ণমতী দেবীৰ বৰপুত্ৰ শিৱকান্ত আসামীয়া ও বাঙ্গালী ও নাগেৰী বিদ্যা জানিছিল। ইংৰেজীৰ আমলে তহশীলদাৰিৰ মহৰি কৰ্ম্ম

**শিৱকান্ত**

কৰিছিল। পৰে কামৰূপ জিলাৰ কালেক্টৰীত মহৰিৰ কৰ্ম্ম কৰি হাজো পৰগণালৈ চৌধাৰীৰ কৰ্ম্ম কৰিছিল। এবং দেওৰৰ বৰদলৈৰ দুহিতৃ পদ্মাক বিবাহ কৰাইছিল। গৃহাগত নোহোৱাতে কাল-ক্ৰমে গত হল। তেওঁৰ সন্ততি নাই, নিসন্তান। ৩৪৯ ॥

ৰাধাকান্ত বৰুৱাৰ সক পত্নীৰ অপৰ পুত্ৰ শ্ৰীহৰকান্ত, অসমীয়া ও বাঙ্গালী ও নাগেৰী ও ফাৰ্চী বিদ্যাত কিছু ব্যুৎপত্তি আছিল। কামৰূপ জিলাৰ কলেক্টৰীৰ মহৰিৰ

**হৰকান্ত**

ও ৰোবকাৰ ও পেস্কৰী ও শেৰস্তদাৰী কৰ্ম্ম দক্ষতাৰূপে, সুচাৰুমতে কৰ্ম্ম কৰিছিল। ও দেবদত্ত বৰদলৈৰ সাবিত্ৰী নামে কন্যা এটি বিবাহ কৰাইছিল। পৰে কামৰূপৰ ডেপুটী কালেক্টৰ ও তেজপুৰে মনচফ ও নগাৱে মনচফ ও সদৰ-আমিন ও দ্বিতীয় শ্ৰেণীৰ মাজিষ্টৰ কৰ্ম্ম কৰি...... (এই খিনিতে এটা পাত নাই) কন্যা হৈ গত হ'ল। তদপৰ কতোদিনান্তৰে বসন্তীয়ো গত হল; সন্তান নাথাকিল। পাচে শ্ৰীজয়ৰামে অন্যথানে বিবাহ কৰালে। ৩৫০ ॥

শ্ৰীকমলাকান্ত কিছো ইংৰেজী ও বাঙ্গালা দৈব্য চিকিৎসা, নিদান শাস্ত্ৰ জানে ও মৌজাদাৰী কৰ্ম্ম কৰিছিল। তেওঁ ৰৌমুৰীয়াৰ শ্ৰীমাহিন্দ্ৰী নাম্নি কন্যা এটি বিবাহ

**হৰকান্তৰ পুত্ৰকন্যা—**
**কমলাকান্ত**

কৰাইছিল। পুত্ৰ এটি সকতে গত হ'ল। অপৰ শ্ৰীকালিন্দী নাম্নী কন্যা এটি হ'ল। তেওঁ ৰুদ্ৰথড়ি দলৈৰ ঘৰৰ শ্ৰীহৰচন্দ্ৰ সহিত বিবাহ হৈছে। ৩৫১ ॥

অপৰ শ্ৰীবহুকান্ত, এওঁ ইংৰেজী ও নাগেৰী ও আসামীয়া ও বাঙ্গালী বিদ্যা আৰো চিত্ৰকৰ বিদ্যাতে অতি নিপুণ। ইংৰেজীৰ আমলে কানুনগো ও তৰজমা নবিশ ও

**বহুকান্ত**

ফৌজদাৰীৰ শেৰস্তদাৰ ও হেটক্লাক আদি কৰ্ম্ম কৰি সুখ্যাতি লাভ প্ৰাপ্ত ও অনেক চাৰ্টিফিট পাই আছে। এওঁ গাখীৰা কাকতী ঘৰৰ কুন্তী নামে কন্যা এটি বিবাহ কৰিছিল; এটি সন্তান হৈ মাক পুতেক

উভয় কালক্ৰমে গত হ'ল। তদন্তৰ এওঁ হলি দলৈৰ পুত্ৰেক শ্ৰীধৰ দলৈৰ জীয়েক ঘনকান্তক বিবাহ কৰায়। তেওঁৰ পুত্ৰ এটি গত হল অপৰ শ্ৰীমতী ইন্দু ও শ্ৰীতোলনী নামী কন্যা হল। শ্ৰীমতী ইন্দুৰ কড়াই ঘৰৰ শ্ৰীললিতচন্দ্ৰত বিবাহ হৈছে। ৩৫২ ॥

দুৰ্গাকান্ত ইংৰাজী ও বাঙ্গালা, নাগৰী, সংস্কৃত বিদ্যাত ব্যুৎপন্ন হৈছিল। ও এণ্ট্ৰেন্স পাচ কৰি মোক্তাৰী পৰীক্ষা দি মোক্তাৰী কৰিছিল। বকুলী নামী কন্যা এটিও বিবাহ হৈছে। পৰে ওকালতি পৰীক্ষা দিবৰ কাৰণে কলিকতাত যাই তাতে বেমাৰ হৈ ঘৰে আহিলত বিবাহিতা কন্যা টি গত হ'ল। কিছো দিন পৰে দুৰ্গাকান্তও কালক্ৰমে গত হ'ল। তেওঁৰ সন্ততি নাই, নিঃসন্তান। ৩৫৩ ॥

দুৰ্গাকান্ত

শ্ৰীজয়ন্তী নামী কন্যা টঙ্গাৰ ঘৰৰ শ্ৰীশম্ভুৰামত বিবাহ। তৎ দুহিতৃ শ্ৰীৰোহিণী। ৩৫৪ ॥

জয়ন্তী

শ্ৰীদেৱকান্ত—এওঁ ইংৰেজী বাঙ্গালা বিদ্যা কিছো জানে। কমিচনৰ কাছাৰিত এপ্ৰেণ্টিশ কৰি ৮০ টাকা পায়। ৩৫৫ ॥

দেৱকান্ত

শ্ৰীধৰ্ম্মকান্ত ইংৰেজী ও বাঙ্গাল বিদ্যা কিছো জানে এবং কামৰূপ জেলাৰ কালেক্টৰী ও ফৌজদাৰী সেৰেস্তাত মহৰিৰ কৰ্ম্ম কৰিছিল। তেওঁক কলীয়াদলৈৰ ঘৰৰ শ্ৰীচম্পা নামে কন্যা এটি বিবাহ কৰাইছিল। তেওঁৰ শ্ৰীমালতী ও শ্ৰীভদ্ৰী নামে কন্যা দুটা। অপৰ শ্ৰীইন্দ্ৰকান্ত নামে পুত্ৰ। ৩৫৬ ॥

ধৰ্ম্মকান্ত

বাইশ পাতে (৩৪৭শ ছেদ) যে লিখা গৈছে গৌৰীকান্ত, তেওঁ বাঙ্গালা হিচাবৰ কৰ্ম্ম জানিছিল। হাজো পৰগণাৰ চৌধাৰী মৌজাদাৰী কৰিছিল। তেওঁ চতুৰ দলৈৰ জীয়েক কেতেকীক বিবাহ কৰায়। তৎ পুত্ৰ শ্ৰীচন্দ্ৰকান্ত ও দুহিতৃ মঙ্গিৰা। ঐ মঙ্গিৰা ভাৰলুৱা ঘৰৰ মহীধৰত বিবাহ। শ্ৰীচন্দ্ৰকান্ত বৰবতি গাওঁৰ শুকুৰ দলৈৰ জীয়েক শ্ৰীবকুলীক বিবাহ কৰায়। তৎ পুত্ৰ শ্ৰীকেশৱকান্ত ও শ্ৰীবিশ্বাকান্ত, কন্যা শ্ৰীকুমুদী ১, শ্ৰীগোলাপী ২, শ্ৰীশৰন্দ্ৰী ৩। কুমুদী কলীয়াৰ শ্ৰীৰাধাত ও গোলাপী চাংকাকতী ঘৰৰ শ্ৰীবলোত, শৰন্দ্ৰী শ্ৰীকলীয়া ঘৰৰ শ্ৰীপণ্ডিত বিবাহ হৈছে। ৩৫৭ ॥

গৌৰীকান্ত

একইশ পাতে (৩৪৬শ ছেদ) যে লিখা গৈছে ঈশদত্ত তৎ পুত্ৰ কৃষ্ণকান্ত

মজুন্দাৰ বৰুৱা। এওঁ নগা মজুন্দাৰ বৰুৱাৰ ভায়েক ঈশদত্তৰ পুত্ৰ। সৰুতে বাপেক ঈশদত্তৰ মৃত হোৱাতে নগা মজুন্দাৰে প্ৰতিপাল কৰি ডাঙৰ কৰিলে। এবং আপুন পুত্ৰ ৰাধাকান্ত ও শ্ৰীকান্তৰ সমান ভাগ দিলে। অথচ ঈশদত্তৰ ভাৰ্য্যা ৰুদ্ৰাণী আছিল; তেওঁৰ পুত্ৰ হ'ল কৃষ্ণকান্ত। সৰুতে বাপেক মৰাতে নগা মজুন্দাৰে প্ৰতিপাল কৰি ডাঙৰ কৰিলে। এবং আপুন দুই পুত্ৰৰ সমানে ভাগ দি ৰজাৰ ঘৰে লগতে নি মোৰ পুত্ৰ বুলি কৈছিল। আৰো নগা-মজুন্দাৰক আপোন পিতৃ হেন জ্ঞান কৰি সেবা সুশ্ৰূষা কৰিছিল। এবং অন্তিম সময় সন্তুষ্ট হই অশীৰ্বাদ কৰিলে, "পুত্ৰ ৰাধাকান্ত মোৰ মজুন্দাৰ বৰুৱা আছে, পৰে তুমিও সেই বিষয় পাবা," এই বুলি ৰাজাৰ শৰণ দি মজুন্দাৰ বৰুৱা নিমাত হৈ নাম নলৈ মৃত হ'ল। এই বদনাম অপযশ থাকিব বুলি ৰাজাৰ কুকুৰাচোৱা সাক্ষাত সকলোকে সাথী কৰি নাম লৈ শৰীৰ এৰিলে। পৰে তিনিজনা পুত্ৰে অন্তেষ্টি ক্ৰিয়া কৰি কৰ্ম্ম কৰিলে। পৰে সেই বাক্যেৰে কৃষ্ণকান্ত মজুন্দাৰ বৰুৱা হ'ল। এওঁ ডেৰবীয়া ঘৰৰ কণিকী নাম্নি কন্যা বিবাহ কৰালে। ৩৫৮ ॥

কৃষ্ণকান্ত

তৎ পুত্ৰ হলকান্ত ও ব্ৰজকান্ত। অপৰ মেকুৰীদলৈৰ ঘৰৰ মালতী নামে কন্যা বিবাহ কৰালে। তৎ পুত্ৰ সুৰকান্ত ও ভবানী নামে কন্যা ১। হলকান্তে বাঙ্গালা ও আসামীয়া বিদ্যা জানিছিল। মনছৰুৰ মহৰিগিৰি কৰ্ম্ম কৰিছিল। তেওঁ কলীয়াদলৈৰ ঘৰৰ অনাদৰ বৰদলৈৰ জীয়েক জুৰাইক বিবাহ কৰাইছিল। তৎ পুত্ৰ শ্ৰীবলিকান্ত ও কেতেকী ও নোমলী ও তিল এই তিন দুহিতৃ। অপৰ কাকতজ্ঞাত কুন্দাইক বিবাহ কৰায়। তৎ পুত্ৰ ধনকান্ত ও লীলাকান্তী কন্যা ১। বলিকান্ত ঘিনাদলৈৰ জীয়েকক বিবাহ কৰায়। তৎ পুত্ৰী কেতেকীক কৃষ্ণৰাম ভণ্ডাৰ বৰুৱাই বিবাহ কৰায়। নোমলীক গিৰিধাৰী ওঝিল বিবাহ কৰায়। তিলক ভাবলু ঘৰৰ হিতনাথে বিবাহ কৰায়। ৩৫৯ ॥

হলকান্ত

ব্ৰজকান্তে কপাহী নামে কন্যা এটি বিবাহ কৰালে। তেওঁৰ পুত্ৰ সূৰ্য্যকান্ত ও পদ্মকান্ত। ৩৬০ ॥

ব্ৰজকান্ত

৩৪ পাতে (৩৫৭শ ছেদ) শ্ৰীকেশৱকান্ত কেবল বাঙ্গালী অল্প জানে ও হৰিৰামৰ জীয়েক মাকৰীক বিবাহ কৰালে। তৎ পুত্ৰ শ্ৰীৰুদ্ৰকান্ত ও সত্যা ও হেমো কন্যা দুই। গৌৰীকান্ত স্থানান্তৰে মৃত হ'ল। ৩৬১ ॥

কেশৱকান্ত

একইশ পাতে (৩৪৭ শ ছেদ) যে লিখা গৈছে শ্ৰীকান্ত, এওঁ ভাৰলুৱা ঘৰৰ

হেমন্তী নামে কন্তা বিবাহ কৰাইছিল। তৎ পুত্র বমাকান্ত ১ বতিকান্ত ও

**শ্রীকান্ত**

সূর্য্যা ও কণকা কন্তা। অপব ভাবলুৱা ঘবৰ দেৱনাথৰ জীয়েক ডালিমীক বিবাহ কৰাইছিল। তৎ পুত্র লক্ষ্মীকান্ত।

শ্রীকান্ত কিছো ইংৰেজী ও ফার্চী ও কিছো চিত্রকৰ বিদ্যা জানিছিল। পৰলুৰ প্ৰদেশৰ হাজবিকা বিষয় পাইছিল। কিন্তু নগা মঙ্গুলাৰে বাজা ও বুঢ়াগোঁহাই ভাঙ্গবীয়াস্ত জনালে যে মোৰ দুটি পুত্র, এটি মজুমদাৰ বৰুৱা হ'ল, এটি হাজবিকা নামে থাকিল। কিন্তু হাজবিকা নামটি ওচাই বৰুৱা নাম দি জাপিত কপৰ তুলা দিলে ভাল হয়। সেইমত স জ্ঞা দিলে। তাৰ পৰাহে বৰুৱা নাম হ'ল। তেওঁ অতি সাহসী আড়ম্বৰী লোক আছিল। দুই বেলি শৰৎকালি পূজা কামাখ্যাত কৰাবলৈ চমুৱা বৰুৱা হৈছিল। অথচ গোঁহাটী আতি বজাৰ সজাতি স্বৰূপ পূজা কৰাইছিল। তাতে পূজাৰ কোনো দ্ৰব্য ক্ৰটী হোৱাত বদনচন্দ্ৰ বৰফোকনক দাই ধৰি বাক্য বচন বুলিছিল। এওঁ ভাবলুৱা ঘবৰ দেৱনাথ বৰদলৈৰ জীয়েক হেমন্তী নামে কন্তা নি বিবাহ কৰালে। তৎ পুত্র বমাকান্ত ও বতিকান্ত ও কণকা নাম্নি কন্তা অপৰে ভাবলী নামে এটি বিবাহ কৰালে। তত হেমকান্তা ও সূর্য্যা নামে কন্তা হ'ল। অপৰ দেৱৰৰ বৰদলৈৰ ভনীয়েক ডালিমী নামে বিবাহ, চমুৱা বৰুৱা হৈ গোঁহাটী অহাত ধৰি নি হাতীশালত কৰালে। তৎ পুত্র লক্ষ্মীকান্ত, অপৰ কন্তা বৰ আইটী ও সৰু আইটী। বৰ আইটী শেনদলৈৰ ঘবৰ মিত্ৰবাম ও সৰু আইটীক কণ্যাগ্ৰাদলৈৰ ঘবৰ সৰ্ব্বেশ্বৰে বিবাহ কৰায়। ৩৬২ ॥

বমাকান্ত কিছো ফাৰ্চী ও বাঙ্গালা জানিছিল। অতি সাহসী আছিল। ডেবিদ্ ইষ্টাট্ সাহেবৰ শেৰস্তাৰ মহৰি, পৰে দোবাৰ শেৰস্তাদাৰ, তৎপৰ হুমচক্ হৈছিল। ডেববীয়া ঘবৰ কন্তা এটি বিবাহ কৰালে। তৎ

**বমাকান্ত**

পুত্র ভবানীকান্ত নিঃসন্তান। অপৰ এটি উজনিত গৈ এক বিবাহ কৰে। অপৰ কোবলা বৰকাকতীৰ পুত্র বাপুৰামৰ জীয়েক গোলাপীক বিবাহ কৰায়। তৎ দুহিতৃ তৰা কলীয়াদলৈৰ ঘবৰ দেহিৰাম পাটগিৰিক বিবাহ দিছে। ৩৬৩ ॥

বতিকান্ত এওঁ বাঙ্গালা আসামীয়া বিদ্যা জানিছিল ও হিন্দু শাস্ত্ৰানুসাৰে যথোক্ত মতে পূজা সেবাদি কৰ্ম্মত বৰ আশক্তি আছিল। সে বাহক, ইংৰেজৰ আমলে দেৱানীত মহৰিৰ কৰ্ম্ম কৰি প্ৰবৰ্ত্তন হৈছিল। এওঁ ডেববীয়া

**বতিকান্ত**

ঘবৰ কন্তা এটি বিবাহ কৰায়। তৎ দুহিতৃ চন্দ্ৰী নিতাইৰ

ঘবব পুহিবামে বিবাহ কবায়। অপব টজাদলৈব ঘবব বিচিত্রীক বিবাহ কবায়। ৩৬৪ ॥

তৎ পুত্র শ্রীউমাকান্ত। এওঁ বাঙ্গালা ও আসামীয়া বিদ্যা জানে। সবকাব ঘবত মহৰিব কৰ্ম্ম কবি পেনচিন প্রাপ্ত হৈছে। এওঁ চাংককতী ঘবব শিববামব

উমাকান্ত

জীয়েক শ্রীথানেশ্ববীক বিবাহ কবায়। তৎ দুহিতৃ ললিতী কলীয়া ঘবব তুলসীত বিবাহ দিয়ে। বিধবা হল। অপব পুত্র শ্রীবিমল ১, শ্রীপদ্ম ১, শ্রীমহি। অপব ধীব দলৈব জীয়েক বিবাহ কবায়। ৩৬৫ ॥

তৎ পুত্র অমৃত। তৎ পুত্র নবকান্ত। অপব ৪১ পাতে (৩৬২শ ছেদ) লিখা গজপুবীয়া বকয়াব দুহিতৃ কণকা কদ্ৰথড়িব ঘবব কিনাবামে বিবাহ কবায়। হেমকান্তিক কিনাবাম চাংকাকতী বিবাহ কবায়। সূর্য্যা নামে কন্যা কিটিং চাংকাকতীব পুত্র নির্বিকাবে বিবাহ কবায়। ৩৬৬ ॥

একচল্লিশ পাতব (৩৬২শ ছেদ) লক্ষ্মীকান্ত, এওঁ আসামীয়া, বাঙ্গালী কিছো জানিছিল। সবকাবে নাজিবব মহৰিব কৰ্ম্ম ও মৌজাদাবীব কৰ্ম্ম

লক্ষ্মীকান্ত

কবিছিল। এবং কলীয়'দলৈব ঘবব কন্যা এটি বিবাহ কবাইছিল। ৩৬৭ ॥

তৎ পুত্র গিবিকান্ত ও পদ্মা ও চম্পা ও জুতি কন্যা। অপব বিয়াহব ঘবব সর্ব্বেশ্ববীক বিবাহ কবায়। তৎ পুত্র শ্রীবজনীকান্ত ও শ্রীবীবজা ও দুহিতৃ সেবতী ও মাধবী। গিবিকান্ত উজিবব ঘবব সোনেশ্ববীক বিবাহ কবায়। তৎ দুহিতৃ শ্রীযমুনা। শেনদলৈ ঘবব শ্রীতিলকে বিবাহ কবায়। পদ্মাক উজিবব ঘবব কৃষ্ণবামত বিবাহ দিছিল। চম্পাক কদ্ৰথড়ি ঘবব মোলানে বিবাহ কবায়। জুতীক কলীয়াদলৈব ঘবব জীউনাথে বিবাহ কবায়। শ্রীবজনীকান্ত, দেবহবিব জীয়েক শ্রীববদাক বিবাহ কবায়। তৎ পুত্র শ্রীদিন সেবতীক উজিবব ঘবব পুবন্দবক বিবাহ দিছে। মাধবীক উজিবব ঘবব কৃষ্ণবামে বিবাহ কবায়। ৩৬৮ ॥

# পৰিশিষ্ট—খ

কাশীনাথ তামূলী-ফুকনৰ বুৰঞ্জীত নথকা কিন্তু হৰকান্ত শৰ্ম্মা-বৰুৱাৰ বুৰঞ্জীত থকা কিছুমান লাগতিয়াল কথা।

১। ছেদ ১৫, লাম্বুংতাই অৰ্থাৎ জিউতৰা.........নামক পুস্তকৰ ৭—

২। „ ২৬, তেউংলোকৰ আচল স্থান ...........কৰি কৌশলে ললে।

৩। „ ২৯, পূৰ্ব্বে মদ্য মাংস .......... ...ঐ চুকাফা ৰাজাদেৱে—

৪। „ ৩৫, থাওমং-চাওবিন-চেক-ৰৰগোন .. ...তৃতীয় ৰাজা গত।

৫। „ ৩৬, এই তিনি জনা.................ৰাজ্যকে ভোগ কৰি—

৬। „ ৩৭, পাচে এও ৰাজাদেওৰ...... .. ......পঞ্চম ৰাজা গত।

৭। „ ৫১, এই জনা ৰাজাদেৱৰ ......ৰৰবৰুৱা ও ৰবফুকন নাই।

৮। „ ৫২-৫৩, অৰ্থাৎ এই নিয়ম ... .......... ..সভা বিসৰ্জ্জন হয়।

৯। „ ৬০, আৰু এক সময়ত ...... ........ভোগ কৰি আছিল।

১০। „ ৬১, আপোন বংশৰ এক... ... ক্ৰমান্বয়ে বৰগোহাঁই হল।

১১। „ ৬৪, বাৰেভূঞাৰ অৰ্থ এই........ ইয়াকে বাৰেভূঞা বোলে।

১২। „ ৭০ ৭৪, কোঁচবেহাৰত ভাড়িয়া নামে.. ...শ্ৰীহিপূৰ্ব্বক আশ্ৰিত হল।

১৩। „ ৮১ ৮৪, যুদ্ধৰ আয়োজন কৰি... .. ........পৰাজয় হৈ ভাগিল।

১৪। „ ৮৭, এনে সময়তে কাষ্ঠকুণ্ড........ পৰ্য্যন্ত লগতে বান্ধিলে।

১৫। „ ৯০, আৰু অতি প্ৰতাপী আছিল, সেহেতু প্ৰতাপনাৰায়ণো বোলে।

১৬। „ ৯১ ৯২, পাচে কোঁচবেহাৰৰ নৰনাৰায়ণ.... এনে ভাবতে থাকিল।

১৭। „ ৯৫ ৯৬, আৰু উত্তপূৰ্ব্বে বুঢ়াৰাজাদেৱে .......ব্ৰাহ্মণ কটকী হল।

১৮। „ ১০৩-১০৪, কটকীৰ কৰ্ম্ম এই............... ..........ও কৰ লাগে।

১৯। ছেদ ১০৭, এওঁ বৰুৱাই বচা… …… আনি বামদিয়াত পাতিলে।

২০। " ১১৯, শুকুল'হুদু বুঢ়'গে'হাঁই ……… পিকৃচাই বৰফুকন হল।

২১। " ১২২, এই ৰাজাদেৱে শিঙৰিঘৰ…… …… দিহৰ নিবন্ধ কৰিলে।

২২। " ১৩৪, এওঁ ৰাজাৰ দিনত… …… ………ৰাজমন্ত্ৰী সহিতে হল।

২৩। " ১৩৬, এই যুদ্ধতে খাবৰ …… … ………… কাটি খালে।

২৪। " ১৩৭, আক এওঁ ৰাজাদেৱেই · ·· ……… সীমা ধাৰ্য্য আছে।

২৫। " ১৪৮-১৫৭, তেওঁৰ ভাৰ্য্যা গাভৰু ·· · · · ···লৈ যাবৰ কাৰণে—

২৬। " ১৬০-১৬২, পূৰ্ব্বে পলাই থকা…… · ··· নিত্য'স্তে ভোজন বৰে।

২৭। " ১৬৫-১৬৭, এবং প্ৰকাৰে ৰাজাদেৱে · ……ৰূপৰ মোহৰো মাৰি'ছিল।

২৮। " ১৭৩, তদপৰ স্বৰ্গদেৱে মণিপুৰ… ··· · মিত্ৰ ভাবে থাকিল।

২৯। " ১৭৫-১৮০, এবং তেওঁলোকৰ এই কৰ্ম্ম · ···দণ্ডবন্ধৰ বেৱস্থা কৰিলে।

৩০। " ১৮১, আক ৰুদ্ৰসিংহ স্বৰ্গদেৱে ………হিন্দুধৰ্ম্ম ধৰা হল।

৩১। " ১৮৩, পাচে দিল্লীৰ বাদ্‌সাহে………… ···নাগটি গুচাও বুলি—

৩২। " ১৮৩-১৮৮, দিল্লীৰ বাদ্‌সাহৰ ফৌজে……… · ভায়েৰ ৰজা হবি'।

৩৩। " ১৯০-১৯৩, আক স্বৰ্গদেও……… ···১৬৩৯ শকতে দ'ল কৰালে।

৩৪। " ১৯৬, এওঁকে বৰ ৰাজাও ··· …… ·· নহয় কাৰ হব?

৩৫। " ২০০-২০১, এওঁ ৰাজা শিবসিংহ……… …… ·· নিবন্ধ কৰি দিলে।

৩৬। " ২০৩, শাকে বৈশ্বানৰবিধ · ···· · ····· যোগবহ্নিপ্ৰদগ্ধঃ।

৩৭। " ২১৫ ২১৬, ঐ শিলিখাতলীয়া মহন্তে ……… সাম্য হৈ থাকিল।

৩৮। " ২৩০, ঐ ওৱালিছ কাপ্তান ····· · ………তৎপূৰ্ব্বে নাছিল।

৩৯। " ২৪১, এওঁ ৰাজাদেৱৰ দিনত · ……… ·· দৰবৰুৱা আছিল।

৪০। " ২৪৩-২৪৪, এই জনা স্বৰ্গদেৱে বেঙ্গেনা আটীয়া·· ……… বিহুৱালে।

৪১। " ২৪৪, এবং ভূতৰ পুতেক সংৰাম…… · ····· খোচাই মৰালে।

৪২। " ২৪৬-২৪৭, পাচে স্বৰ্গদেৱে এনে বুজিলে……… ·· ···লৈ আহিব।

৪৩। ... মানে এই সময়তে · ·· ······শাস্তি বন্দীতে মৰিল।

৪৪। ... ৩০২-৩১১, ... বিবৰণৰ বাব, সম্পূৰ্ণ ১৭শ আধ্যা।

STATE CENTRAL LIBRARY
Class No ......
Acc No .......
ASSAM